# শৰৎকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখঃ ১৬/০৯/২০২২ শুকুৰবাৰ

**আজি ইংৰাজী ১৬-০৯-২০২২ তাৰিখে মাননীয় অধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত পূৰ্ব নিদ্ধাৰিত কাৰ্য্যসূচীমতে অসম বিধান সভাৰ অধিবেশন ৰাতিপুৱা ৯.০০ বজাত অনুষ্ঠিত হয় ।**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ৬১, ড° ৰফিকুল ইছলাম।

**শ্ৰী যোগেন মহন, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**ড° ৰফিকুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০২২ চনত গোটেই অসমতে ধুমুহাই কোবাই গ'ল। বহুতো মানুহৰ ঘৰ-বাৰী, জীৱ-জন্তু মৰিছে। মোৰ বৰপেটা সমষ্টিৰ বিষয়ে প্ৰশ্ন আছিল। মোৰ বৰপেটা সমষ্টিত ২০২২ চনৰ যি ধুমুহা তাত কিমান ক্ষতিগ্ৰস্ত হৈছিল আৰু কি কম্পেনচেশ্যন দিয়া হৈছিল? অকল চেঙা সমষ্টিতে ১৫৮৯ ঘৰ কাচ্চা হাউচ, পাক্কা হাউচ ক্ষতিগ্ৰস্ত হৈছে। ১৮৩ fully ডেমেজ হৈছে। ১২৬৯ টা ঘৰ ডেমেজ হৈছে। মোৰ জনিয়া সমষ্টিৰ কলগাছিয়া চাৰ্কোলত ১৬৭ টা কাচ্চা হাউচ, পাক্কা হাউচ ক্ষতিগ্ৰস্ত হৈছিল। এইখিনি ৰিপোৰ্ট উপায়ুক্ত ডাঙৰীয়াই দিছে । অন্যান্য চাৰ্কোল বাঘবৰ ত ৭৬, বৰপেটা, সৰুক্ষেত্ৰীত আদি গোটেই কেইটা সমষ্টিত ক্ষতিগ্ৰস্ত হৈছে। মুঠ ১,৯৪৪ টা fully আৰু পাৰ্টলী ডেমেজ হৈছে। ক্ষতিপূৰণ দিছে মাত্ৰ ৩০ টা ফেমিলীক। ক্ষতিগ্ৰস্ত হৈছে ১৯ শ ৪৪ টা । মন্ত্ৰী মহোদয়ে কৈছে ৰি-ভেৰিফিকেশ্যন কৰি দিয়া হ'ব। ধুমুহাৰ পিছত বানপানী আহিল। বানপানীৰ সময়ত লগে লগে ভেৰিফিকেশ্যন কৰি ক্ষতিগ্ৰস্ত মানুহক ক্ষতিপূৰণ দিছে। এতিয়াও কিছুমান বাকী থাকিলেও যথেষ্ঠ মানুহে পাইছে। বানপানীৰ আগত ধুমুহা হ'ল। যোৱাবাৰ চেঙা, বাঘবৰ আদিত ইমান চাইক্লন হৈছিল এতিয়াও এই ক্ষতিপূৰণখিনি নাপালে। মন্ত্ৰী মহোদয়ক মই সুধিব খুজিছো যে কেতিয়া ভেৰিফিকেশ্যন সম্পূৰ্ণ হ'ব আৰু এই গোটেইখিনি মানুহে ডিজএষ্টাৰ মেনেজমেণ্টৰ নৰ্মচ্ অনুসৰি অতি সোনকালে ক্ষতিপূৰণ লাভ কৰিব?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী যোগেন মহন, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, দুৰ্যোগ প্ৰশমন বিভাগে এটা নিদিষ্ট নিয়মৰ মাজেদি ক্ষতিপূৰণ দিয়া হয়। ইতিমধ্যে চেঙা সমষ্টিৰ ৰিপোৰ্ট চাবমিট কৰিছে। ৩০ টা পৰিয়ালক ইতিমধ্যে ক্ষতিপূৰণ দিয়া হ'ল। বাকীখিনি এটা ৰি-ভেৰিফিকেশ্যনৰ কাৰণে পঠিওৱা হৈছে। হয়তো বহুতৰ ফটো নাই, বেংক একাউণ্ট নাথাকে। মই যোৱাকালি ডি.চি ৰ লগত কথাপাতিছো পোন্ধৰ দিনৰ ভিতৰত ক্ষতিপূৰণৰ ৰিপোৰ্টটো চাবমিট কৰি যিখিনি ইলিজিবল আটাইখিনিকে ক্ষতিপূৰণ দিয়া হ'ব। বিভাগৰ হাতত ইয়াৰ বাবে যথেষ্ট টকা আছে। আপুনি নিশ্চয় জানে যে আমি যোৱা বানপানীত ২ লাখ ৪ হাজাৰ পৰিয়ালক একেদিনাই ডি.বি.টি ৰ ব্যৱস্থাৰে ক্ষতিপূৰণ দিছো। ধুমুহাৰ ক্ষেত্ৰতো প্ৰায়বিলাক জিলাতেই ক্ষতিপূৰণ পাইছে। কেন্দ্ৰীয় চৰকাৰৰ যিহেতু এখন শক্তিশালী গাইড লাইন আছে। গতিকে সেইখিনি ফুলফিল কৰাৰ পিছতেই পোন্ধৰ দিনৰ ভিতৰত আমি বাকীথকা চেঙা, বাঘবৰ, বৰনগৰ, কলগাছিয়া আৰু সৰ্থেবাৰী আদি সমষ্টিত ক্ষতিপূৰণ দিম।

**ড° ৰফিকুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, লগতে বানপানীৰ কথাও আছিল। ফ্লাড এচেচমেণ্ট ৰিপোৰ্ট কিমানখিনি আগবাঢ়িল? এচেচ কৰি ঘৰ-বাৰী নষ্ট হোৱা কিছুমান মানুহক ঘৰ-টকা আদি দিলে। মন্ত্ৰী মহোদয়ে দিছে যে- Assesment of losses due to flood in 2022 is under process and the memorandum will be submitted to the Government of India. যদি সোনকালে কেন্দ্ৰীয় চৰকাৰক নিদিয়ে, যিহেতু আমি পাবলগীয়া পইচাৰ বাবে বাৰে বাৰে আমি ডিপ্ৰাইভ হৈ আছো। খেতি-বাতি বহুত নষ্ট হৈছে, পশুধন আৰু ফিচাৰীৰ সাংঘাটিক ভাৱে ক্ষতিগ্ৰস্ত হৈছে। গতিকে মূল্যাংকন খিনি অতি সোনকালে কৰি আমাৰ নৰ্মচ্ হিচাপে যিখিনি মানুহে পাব লাগে, সেইখিনি মানুহৰ খেতি-বাতি, পশুধন আৰু ফিচাৰীৰ ক্ষতিগ্ৰস্ত হৈছে তেওঁলোকক অতি সোনকালে ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কেতিয়া কৰিব?

**শ্ৰী যোগেন মহন, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইবাৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰী হিমন্ত বিশ্ব শৰ্মা মহোদয়ৰ, নেতৃত্বত আমি চীচটেমেটিকেলী এই ডেমেজ খিনিক ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰা হৈছে। আমাৰ ১ লাখ ছাত্ৰ-ছাত্ৰী য়ে যিদৰে শিক্ষাৰ ক্ষেত্ৰত কিতাপ-পত্ৰ পাইছে, ঠিক তেনেদৰে আমি ১ লাখ মানুহক বাচন-বৰ্তন , কাপোৰ-কানি আদিৰ বাবে ৩,৮০০ টকাকৈ একেদিনা ক্ষতিপূৰণ দিছো। যিখিনি পৰৱৰ্ত্তী সময়ত দিব লগীয়া আছে, সেইখিনি আমি তিনিটা ফেচত লৈছো। হাউচহোল্ড ডেমেজলৈকে। ইয়াৰ পিছত আমাৰ অন্যান্য ক্ষতি বিলাকৰ ভেৰিফিকেশ্যন হ'ব। লগে লগে ৰাস্তা-পদূলিকে আদি কৰি সকলোখিনি দিয়াৰ ব্যৱস্থা কৰা হ'ব। মাননীয় বিধায়ক গৰাকীক মই কথাখিনি জনালো।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, বৰপেটা সমষ্টিৰ ডেমেজ ৰিপোৰ্টটো আহিছে। মোৰ সৰুপেটা সমষ্টি মেজৰিটি বৰপেটা জিলাত পৰে। কিন্তু জালাহ নামৰ এটা ৰেভিনিউ চাৰ্কোল আছে। এই জালাহ ৰেভিনিউ চাৰ্কোলতেই আটাইতকৈ বেছি ডেমেজ হৈছে। এইটো এই প্ৰতিবেদনত অহা নাই। বৰপেটা জিলাৰটো আহিছে। এই সম্পৰ্কত মন্ত্ৰী মহোদয়ৰ তাত কিবা তথ্য আছে নেকি?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী যোগেন মহন, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত বৰপেটা জিলাৰ কথা আছে। কিন্তু জালাহৰ কথা মাননীয় বিধায়ক গৰাকীয়ে উল্লেখ কৰা নাই। স্পেচিয়েলী বৰপেটা ৰেভিনিউ চাৰ্কোলৰ কথা আহিছে জালাহ ৰেভিনিউ চাৰ্কোলৰ তথ্য নাই। মই মাননীয় বিধায়ক গৰাকীক এই তথ্যখিনি দি দিম।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ৬২, মাননীয় বিধায়ক শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী (যোৰহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ পাইছো। কিন্তু চৰকাৰে এটা উত্তৰ দিছে The Government does not have any plan to introduce PG course at present. অসমৰ তিনিখন হোমিঅ' পেথিক কলেজৰ ভিতৰত অন্ততঃ এখন স্নাতকোত্তৰ শ্ৰেণী খোলাৰ কাৰণে চৰকাৰে এই পৰ্য্যন্ত পৰিকল্পনা নকৰাটো সমীচিন হৈছেনে, সেইটো সুধিছো। লগতে মই আন এটা কথা ভাবো চৰকাৰে এটা যোগাত্মক দৃষ্টিৰে তৎকালীন ভাৱে অন্ততঃ আগবঢ়াৰ প্ৰয়োজন। মোৰ এটা অনুৰোধ যে কেন্দ্ৰৰ আসন সংৰক্ষণ থকাৰ উপৰিও উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতিখন ৰাজ্যৰ বাবে আসন সংৰক্ষণ থকাৰ উপৰিও ভাল আন্তঃগাঁথনি থকা

আৰু যোৰহাটত থকা ডাঃ জীৰকান্ত শইকীয়া হোমিঅ'পেথি কলেজখন স্নাতকোত্তৰ শ্ৰেণী খোলাৰ ক্ষেত্ৰত চৰকাৰে ভৱিষ্যতে অগ্ৰাধিকাৰ দিবনে?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰী হিতেন্দ্ৰ নাথ ডাঙৰীয়াই যিটো পোষ্ট গ্ৰেজুৱেটৰ কথা কৈছে, ইয়াত পোষ্ট-গ্ৰেজুৱেটৰ প্লেনিঙৰ উল্লেখ বৰ্তমান নাই। কিন্তু আমাৰ এটা পৰামৰ্শ আছিল যে মাননীয় মুখ্যমন্ত্ৰী আৰু আগৰ স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়াৰ হোমিঅ'পেথিকৰ তিনিখন কলেজ একেলগ কৰি এখন ভাল অনুষ্ঠান খোলাৰ আৰু তাত যাতে পোষ্ট-গ্ৰেজুৱেটকে আদি কৰি সকলোখিনি উপলব্ধ হয়। কিন্তু আটাইখিনি কথায়ে এতিয়া বিবেচনাধীন হৈ আছে। আজি সদনত যিহেতু বিষয়টো উপস্থাপন হৈছে নিশ্চয় চৰকাৰে এইক্ষেত্ৰত এটা সিদ্ধান্ত ল'বলৈ আগবাঢ়িব।

**মাননীয় অধ্যক্ষ ঃ** চেকেণ্ড চাপ্লিমেণ্টৰী।

**শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী (যোৰহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা সৰু পৰামৰ্শ দিব বিচাৰিছো। হোমিঅ'পেথিক চিকিৎসা পদ্ধতিটোৰ জৰিয়তে আত্মনিৰ্ভৰশীল হ'ব পাৰে। আমাৰ গাওঁ আৰু চহৰৰ শিশু সকলৰ বাবে হোমিঅ'পেথিক চিকিৎসা খুব প্ৰয়োজনীয়। মই সেইকাৰণে সংকুচিত কৰিবলৈ নকওঁ। মাত্ৰ তিনিখন মহাবিদ্যালয় আছে। সেইকেইখন বহুত পুৰণা। আন্তঃগাঁথনি হয়তো কৰ'বাত ভাল, কৰ'বাত বেয়া। গতিকে তিনিওখন থকা উচিত। কিন্তু যিকোনো এখনত পোষ্ট-গ্ৰেজুৱেট হোৱাতো মই বিচাৰো। নহ'লেও মোৰ আপত্তি নাই। কিন্তু এখন হাইয়াৰ এডুকেশ্যন খুলিব পাৰিলে ভাল হয়। দ্বিতীয় চাপ্লিমেণ্টৰীটো কেন্দ্ৰীয় চৰকাৰৰ আয়ুস মন্ত্ৰালয়ে গঠন কৰিছে। অৰ্থটো হ'ল A for Ayurvedic, Y for Yoga, U for unani, S for Siddha, আৰু H for Homeopathy এই পাঁচটা চিকিৎসা পদ্ধতিক বৰ্তমানৰ ভাৰত চৰকাৰে বহুত আগবঢ়াব বিচাৰিছে। আয়ৰবেদিকৰ ক্ষেত্ৰত যথেষ্টখিনি আগবাঢ়িছে। কিন্তু হোমিঅ'পেথিৰ ক্ষেত্ৰত আগবাঢ়িব পৰা নাই। সেইকাৰণে মই বিচাৰো যে এই দুইখন মহাবিদ্যালয়ৰ যিটো pay structure ৰ প্ৰফেচাৰ বা এচিটেণ্ট প্ৰফেচাৰ সকলৰ সম্পূৰ্ণ বেলেগ। অৰ্থাৎ বহুত কম। দুইটা pay structure সমহাৰত আনিবৰ কাৰণে সেই শিক্ষক সকলৰ যিখিনি প্ৰাপ্য সেইখিনি পোৱাৰ কাৰণে ৰাজ্য চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিব?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত, (স্বাস্থ্য মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই structure ৰ ক্ষেত্ৰত এই বিষয়টো প্ৰক্ৰিয়াৰ ভিতৰত আছে। All India Technical Council of Education তাৰ যিটো structure সেই ধৰণে দিয়াৰ কাৰণে ইতিমধ্যে আমি কিছু ব্যৱস্থা কৰিছো আৰু গুৱাহাটী হাইকোৰ্টৰ নিৰ্দেশ ইয়াৰ লগত জৰিত আছে। হাইকোৰ্টৰ নিৰ্দেশতো বিবেচনা কৰিবৰ কাৰণ চৰকাৰক দিছে। গতিকে হোমেওপাথি কলেজৰ যিখিনি pay ৰ ব্যৱস্থা কৰা হৈছে, সেইটো আমি প্ৰক্ৰিয়াৰ ভিতৰত আছো আৰু সেই ধৰণে ৰাজ্য চৰকাৰে স্বাস্থ্য বিভাগৰ পৰা বিত্ত বিভাগলৈ পঠিওৱাৰ প্ৰক্ৰিয়াটো আৰম্ভ কৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰীঅমিয় কুমাৰ ভূঞা।

**শ্ৰীঅমিয় কুমাৰ ভূঞা, (বিহপুৰীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ফালৰ পৰা (Ayush) আয়ুশৰ Wellness centre আৰু আয়ুশৰ তেনেকুৱা মহাবিদ্যালয় স্থাপন কৰিবৰ বাবে স্বাস্থ্য মন্ত্ৰীৰ ওচৰত প্ৰস্তাৱ দিয়া হৈছিল। একে লগতে আমি জানিব পাৰিছো যে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত

পৰ্যাপ্ত পৰিমানৰ টকা পইচা আছে। কিন্তু এতিয়ালৈকে আমাৰ ৰাজ্য চৰকাৰৰ পৰা Action Plan খন কেন্দ্ৰীয় চৰকাৰলৈ পঠিওৱা হোৱা নাই। গতিকে মই মাননীয় স্বাস্থ্য মন্ত্ৰীৰ পৰা জানিব বিচাৰিছোঁ যে আয়ুশৰ এতিয়া জনপ্ৰিয়তা আৰু বিশ্বাসযোগ্যতা বাঢ়িছে। গতিকে যিহেতু আমাৰ ৰাষ্ট্ৰখনৰ পৰ্য্যাপ্ত পৰিমানে টকা পইচা আছে, সেই সুবিধা আমাৰ অসমলৈ আনি আমাৰ গাঁৱে-ভুৱে আয়ুশৰ চিকিৎসা কেন্দ্ৰই হওঁক Wellness centre স্থাপৰ কৰাৰ যোগেদি ৰাইজক সহায় কৰাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ খৰতকীয়া যাতে উদ্দ্যোগ গ্ৰহণ কৰে।

**শ্ৰী কেশৱ মহন্ত, (স্বাস্থ্য মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, Ayush ৰ ক্ষেত্ৰত আমি যিখিনি Ayush Ministry ৰ লগত আলোচনা বিলোচনা কৰিব লাগে, যিখিনি সা-সুবিধা তাৰ পাইছো, আৰু অতিৰিক্ত সা-সুবিধা লৈ আয়ুশৰ মেডিকেল কলেজ হিচাপে খুলিব পাৰি নেকি, এই গোটেইখিনি প্ৰক্ৰিয়া আৰম্ভ কৰিছো। তাৰ কাৰণে দুখনৈ মেডিকেল কলেজৰ কাৰণে ইতিমধ্যে grant দিছে, তাৰ পিছত গুৱাহাটী আয়ুৰ্বেদিক মহাবিদ্যালয়, সেইখন Centre of Excellence ৰ কাৰণে ইতিমধ্যে আগবাঢ়িছে। আমি তেওঁলোকৰ পৰা হস্পিতাল ১০০ খন বিচাৰিছো, extra Health & Wellness centre বঢ়াবৰ কাৰণে বিচাৰিছো। তাৰ ভিতৰতে সন্মানীয় বিধায়ক অমিয় কুমাৰ ভূএগ্ৰা ডাঙৰীয়াৰো এটা প্ৰস্তাৱ আহিছিলে। গতিকে এইখিনি আয়ুশৰ যিখন Action Plan কৰাৰ approx GB, সেইটো approve কৰিছে, সেইটো তাঁলৈ যাব। সেইটো মই নিশ্চিতভাৱে জনাইছোঁ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া প্ৰশ্ন নং. ৬৩, সন্মানীয় সদস্য শ্ৰী আব্দুল আজিজ।

**শ্ৰী আব্দুল আজিজ, (বদৰপুৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে কৰিমগঞ্জ জিলাৰ জলসিঞ্চন বিভাগত কি কি আঁচনিৰ কাম চলি আছে।

দ্বিতীয়তে- ৫ নং বদৰপুৰ বিধান সভা সমষ্টিত PMKSY/HKKP আঁচনিৰ অধীনত ২০১৯-২০, ২০২০-২১, ২০২১-২২ বিত্তীয় বৰ্ষত কিমানটা বৈদ্যুতিক আৰু কিমানটা সৌৰচালিত Tube Well in DIP আৱন্টন দিয়া হৈছে? তথ্য সহ জনাব।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰী অশোক সিংহাল, জলসিঞ্চন বিভাগৰ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, বদৰপুৰ LAC ত ৯০ টা DIP Tube Well দিয়া হৈছে। তাৰে ভিতৰত ২৩ টা Solar আৰু ৬৭ টা হ'ল electric, boring development ৯০ টা হৈছে। point functional ৪০ টা আছে। প্ৰায়ে ৫০ শতাংশ কাম হৈছে আৰু বাকী কৰাৰ কাৰণে আমি চেষ্টা কৰি আছো।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে।

**শ্ৰী আব্দুল আজিজ, (বদৰপুৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, বদৰপুৰ সমষ্টিত ৬৩ টা DIP Tube Well দিয়া হোৱা বুলি কৈছে। ভালে লাগিছে, কিন্তু মই নাজানো। কিন্তু বাকী আৰু বহুত কাম আছে, এইবিলাক সোনকালে যদি আৰম্ভ কৰা যায়, তেতিয়া ভাল হ'ব।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অশোক সিংহাল, জলসিঞ্চন বিভাগৰ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, ৯০ টা যিটো point আছে, তাৰ লিষ্ট যদি লাগে, সদস্য ডাঙৰীয়াই অভিযন্তাৰ পৰা ল'ব পাৰে আৰু কামটো সোনকালে কৰাৰ ব্যৱস্থা কৰি আছে। যোৱা কালি অভিযন্তা কৰিমগঞ্জ জিলাত আছিলে। গোটেই বৰাকভেলি ভ্ৰমন কৰি আহিছে। বৰাকভেলিত বানপানীৰ কাৰণে কামটো অলপ লেহেমীয়া হ'ল। তাৰ পিছত

বৰষুণ আৰম্ভ হ'ল,খেতি -পথাৰত ধান আছে। এতিয়া harvesting season পিছত সেইটো কৰাৰ ব্যৱস্থা কৰিম। প্ৰত্যেকটো জিলাত আমি irrigation ৰ mater plan বনাবৰ কাৰণে সিদ্ধান্ত লৈছো আৰু তাৰ ওপৰত কাম আৰম্ভ হৈছে। অহা দিনবোৰত অসমত প্ৰত্যেকটো জিলাত মাননীয় মুখ্যমন্ত্ৰীৰ নিৰ্দেশমৰ্মে irrigation ৰ mater plan বনোৱাৰ ব্যৱস্থা হাতত লোৱা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই PMKSY/ HKKP আঁচনিৰ অধীনত tube well হৈছে। আচলতে কথাটো এনেকুৱা হৈছে, এই ঠিকাদাৰ যিকেইজন আছে, তেখেতসকলক আমি বহুত বাৰ মাতিছো। সিহঁতে বাহিৰ পৰা যায় আৰু payment লৈ কিবা অসুবিধা আছে, সেই কাৰণে সিহঁতে কাম নকৰে। সেই কাৰণে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে কিবা এটা responsibility fix কৰি দিব লাগে, time fix কৰি দিব লাগে, নহলে সিহঁতৰ ওপৰত কিবা এটা ব্যৱস্থা ল'ব লাগে।

দ্বিতীয়তে, মই এটা কথা মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে ইতিমধ্যে Electrical Operation Hybrid System, SOPD ৰ অধীনত প্ৰত্যেকটো সমষ্টিত দিয়া হৈছে। তাৰ কাৰণে মই ধন্যবাদ জনাইছো। কিন্তু আটাইতকৈ দুখৰ কথা মই যেতিয়া Engineer ৰ লগত কথা পতিলো তেখেতে কলে বদৰপুৰ আৰু মোৰ সমষ্টিৰ নাম অহা নাই। মই অনুৰোধ জনাইছোঁ যে যি কেইটা সমষ্টিত পোৱা নাই, তাত দিব লাগে। কাৰণ সকলোৰে এটা আশা থাকে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী অশোক সিংহাল, (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ আঁচনি PMKSY/HKKP এইটো 2nd phase ত বৰাকভেলিত ধৰা হৈছিলে। বাকী 2nd phase ৰ যিখিনি জিলাত কাম আছিলে, কাম বিলাক হৈ গ'ল, বৰাকভেলিত কাম হোৱা নাই। ময়ো তিনিবাৰ গলো, যোৱা কালি Chief Engineer ঘুৰি আহি মোক report টো দিলে যে কামটো অগ্ৰগতি পাইছে। boring ৰ কাম সম্পূৰ্ণ হৈছে, অকল pump installation বাকী আছে, এইটোও খেতি-পথাৰৰ ধান উঠাৰ পিছতহে সম্পূৰ্ণ কৰিম। এই আমাৰ সিদ্ধান্ত আছে যে নৱেম্বৰৰ ভিতৰত বৰাকভেলি গোটেই কামখিনি আমি সম্পূৰ্ণ কৰি দিম। Hybrid ৰ যিটো কথা কৈছে, সেইটো মই নিশ্চিত নহয়। আপোনাৰ তাত পৰিছে নে নাই, যদি তেনেকুৱা আছে, মই বিবেচনাত লম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ৬৪, সন্মানীয় সদস্য শ্ৰী বিশ্বজিৎ ফুকন।

**শ্ৰীমতী নন্দিতা গাৰ্লোচা, শক্তি বিভাগৰ মন্ত্ৰী ঃ** The answer is laid in the floor of the House.

**শ্ৰী বিশ্বজিৎ ফুকন, ধনশিৰি ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম নাগালেণ্ড সীমান্তত প্ৰায় ৫১২ কিলোমিটাৰ যি সীমান্ত আছে, তাৰ এটা বিস্তীৰ্ণ অঞ্চল সৰুপথাৰ সমষ্টিৰ অন্তৰ্গত আৰু তাত জাহাজী বস্তি বুলি যিখন গাঁও, প্ৰায় ৭০ ঘৰ মানুহৰ গাঁও। এই গাঁওখন বৈদ্যুতিকৰণৰ কাৰণে কাম কৰা হৈছিল আৰু কাম কৰি থকা অৱস্থাত খুটি বিলাক পোতাৰ পিছত সেই গাঁওখনত নগা লোকে যিসকলে সীমান্তৰ বহুত দূৰত বাস কৰে আৰু এই গাঁওখনত আদিবাসী, বড়ো আৰু সংখ্যালঘু জনগোষ্ঠীৰ লোকসকলে বাস কৰে। তাত নগা লোকসকলে আপত্তি কৰাৰ ফলত এই গাঁৱত বৈদ্যুতিকৰণৰ যি ব্যৱস্থা কৰা হৈছিলে, খুটিবিলাক পোতাৰ পিছতো বৈদ্যুতিকৰণৰ বাকী কাম বন্ধ

হৈ আছে। মই মন্ত্ৰী মহোদয়াক এই কামটো তৎকালীন ভাৱে কৰাৰ বাবে অনুৰোধ জনাইছোঁ আৰু ইয়াত উত্তৰতো পাইছো কিন্তু উত্তৰত যেনেধৰণে লিখা হৈছে যে সেই অঞ্চলত নগা লোকে বাস কৰাৰ বাবে তেওঁলোকে আপত্তি কৰিছে। কিন্তু বাস্তৱত যি ৭০ ঘৰ মানুহ আছে, তাৰে মাজত এঘৰো নগা লোক নাই। গতিকে এই বিষয়ে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** Minister please.

**Smti Nandita Garlosa, ( Hon. Power Minister)** : We are concerned of the border issues of the Assam Nagaland Border of the Jahajibasti village where the nagas inhabited complained to it. The APDCL is aware about this and the Jahajibasti Village having a census code of 295029 is situated in Assam and Nagaland Border under Golaghat district. So the obstruction provided during erection of the polls under DDUGJY-New scheme was by the CRPF personnels deputed in Assam-Nagaland Border. So, in this execution of the rural electrification work Jahajibasti there was a resentment from the Naga dominated villages and in this concerned the problem regarding electrification of Jahajibasti has been informed to civil SDO and the concerned Border Magistrate and the discussion is going on to solve the issue. So the Border Magistrate, Sarupathar will do a joint survey with the sub-divisional officials after he scheduled meeting of DC, Golaghat and DC, Woko Nagaland which is to be held on 21st of September of this Month. So, this had happen because there was a complain which has been given to the CRPF personel and then CRPF thought that it is not justified to stopped that there was 10 number of post has already been destroyed by the villages in the Border section of the Naga dominated villages.

**Hon'ble Speaker:** Second supplementary.

**শ্ৰী বিশ্বজিৎ ফুকন, (সৰুপথাৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে সেইটো বিষয়তে মই ক'ব খুজিছো, গোটেইখিনি মানুহে অসমত ভোট দিয়ে। সেই গোটেই খিনি মানুহৰ অসম ভোটাৰ তালিকাত তেওঁলোকৰ নাম আছে। গতিকে আমাৰ যিকোনো এটা অঞ্চলত আজি যদি নাগালেণ্ডে অবৈধভাৱে তেওঁলোকৰ বুলি দাবী কৰে, তেতিয়া আমি সেই অঞ্চলত উন্নয়নমূলক কাম কাজ যদি বন্ধ কৰো, তেনেহ'লে নিশ্চয় শুদ্ধ নহ'ব। গতিকে মই মন্ত্ৰী মহোদয়ক কঠোৰ ব্যৱস্থা লব লৈ অনুৰোধ জনাইছো। তাৰ লগতে আৰু এটা কথা মই শুধিব বিচাৰিছো যে সৰুপথাৰ সমষ্টিৰ কেইবাখনো চাহ বাগিচা আছে। বিশেষকৈ ধনশিৰী মহকুমাত থকা চাহ বাগিচা সমূহৰ বাবে এটা dedicated line ৰ ব্যৱস্থা কৰিছিল, যিটো আজিৰ পৰা ছয় সাত বছৰৰ আগতে কৰিছিল। সেই কামটো মই জনাত ঠিকাদাৰ যি জন আছিল, ঠিকাদাৰ পৰা ৯০ শতাংশ ধন উলিয়াই লৈ যোৱাৰ পাছতো মাত্ৰ খুটা কেইটা পুতি থলে। গতিকে সৰুপথাৰ ডিভিজনৰ অন্তৰ্গত যিকেইখন বাগানৰ dedicated line ৰ বাবে বৃহৎ পৰিমাণৰ পুঁজি তেওঁলোকে আত্মসাৎ কৰিলে বুলি ভাবিছো, কাৰণ খুটা কেইটা

পুতাৰ পাছত কাম নকৰিলে, এইক্ষেত্ৰত তদন্তৰ ব্যৱস্থা কৰিবৰ বাবে মই মন্ত্ৰী মহোদয়াক অনুৰোধ জনাইছো।

**Smti Nandita Garlosa, (Hon. Power Minister)** : We had received the complain of it and then the department is looking after did and I am assure that once the meeting of this has been done with the DC, Golaghat and DC woko is suppose to be held on 21st of this September. We expect that some of the positive result definetly happen.

**মাননীয় অধ্যক্ষঃ** শ্ৰী আশ্ৰাফুল হুছেইন।

শ্ৰী **আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, জাহাজীবস্তীটো APDCL য়ে কাৰেণ্ট দিয়ে আৰু APDCL ৰ প্ৰসংগত কথাটো। শেহতীয়াকৈ দেখা গৈছে যে APDCL য়ে অত্যাধিক বিদ্যুৎ মাছুল বৃদ্ধি কৰিছে আৰু সমগ্ৰ অসম ব্যাপী ইয়াৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। APDCL ৰ চাৰ্জ বৃদ্ধি হৈছে আৰু কমোৱাৰ কিবা ব্যৱস্থা কৰিব নেকি? অসমৰ ৰাইজৰ মাজত এই ক্ষোভ উমি উমি জ্বলি আছে। গোটেই ৰাইজে social media ত দেখা পাইছে, কি ধৰণে প্ৰতিক্ৰিয়া কৰিছে। সংবাদ মাধ্যমত এই প্ৰতিক্ৰিয়া হৈছে। গতিকে এই বিল হ্ৰাস কৰিব লাগিব। এই কথাটোত মন্ত্ৰী মহোদয়ে কি কয় জনাব।

**মাননীয় অধ্যক্ষঃ** Hon'ble Minister.

**Smti Nandita Garlosa, ( Hon. Power Minister)** : The question that you have asked for from the department is cocern to the people of Assam. We will be looking after that whatever question you have raised for it. But in Sarupathar, no problem as for the electricity.

**মাননীয় অধ্যক্ষঃ** Question no. 65 Shri Sherman Ali Ahmed. Supplementary হৈ গ'ল। এইটো Question hour. এইটো debate নহয়। বহক। যিটো বিষয় নহয়, তথ্যপাতি ক'ৰ পৰা দিব। Specific question ৰ ওপৰত সোধক।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি) ঃ** চাৰ, এটা statement দিয়ক। বৰ্ধিত মাছুল অত্যাধিক বৃদ্ধি পাইছে। মূল্য বৃদ্ধি নহয়। আমাৰ Specifically বিদ্যুৎ মাছুল।

**মাননীয় অধ্যক্ষঃ** মই কৈছো এইটো প্ৰশ্ন শিতান। ৰাইজে বহুত বাট চাই আছে। ইয়াৰ প্ৰত্যেকটো প্ৰশ্নই ৰাইজৰ প্ৰশ্ন, কিন্তু কোনোবাই নিজৰ প্ৰশ্নটো বিশেষ আছে বুলি বাকী প্ৰশ্ন যদি নকৰে, কেনেকৈ হ'ব। উৎপাদন বেছি সেই কাৰণে কিনিবলগীয়া হৈছে, তাৰবাবে বিদ্যুৎ মাছুল বাঢ়িছে।

**(সদনত হুলস্থূল)**

**মাননীয় অধ্যক্ষ ঃ** পৰৱৰ্ত্তী প্ৰশ্ন শ্ৰীমতী শিৰামনি বৰা।

**শ্ৰীমতী শিৰামনি বৰা, (বটদ্ৰবা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বটদ্ৰবা সমষ্টিত প্ৰায়বোৰ অঞ্চল লোড চেডিংৰ সমস্যাত ভূগি আছে। কোনো অঞ্চলত বিদ্যুৎ থাকিলেও তাৰ পোহৰত ছাত্ৰ-ছাত্ৰীসকলে পঢ়া-শুনা কৰিব নোৱাৰে। ল' ভল্টেজৰ ফলত ইনভাৰ্টাৰ, ফ্ৰিজ, ষ্টেবিলাইজাৰকে আদি কৰি বিদ্যুতত চলি থকা সামগ্ৰীসমূহ এবছৰৰ ভিতৰতে বেয়া হোৱা দেখা গৈছে। ইলেকট্ৰনিক সামগ্ৰীসমূহ ল' ভল্টেজৰ কাৰণে বেয়া হোৱাৰ পিছতো EMI দি থাকিব লগীয়া হৈছে। অধ্যক্ষ মহোদয়, আপুনি জানে আমাৰ গাওঁৰ দুখীয়া ৰাইজে বহুত কষ্ট কৰি এটা টিভি লয়, ষ্টেবিলাইজাৰ

লয়, কিন্তু বেয়া হলেও EMI দিয়ে থাকিব লাগে। ল' ভল্টেজ থাকিলেও কিমান ইউনিট বিদ্যুৎ ব্যৱহাৰ কৰিছে, সেই বিদ্যুৎ মাছুল আদায় দিবলৈ উপভোক্তা সকলক বাধ্য কৰা হৈছে। কাৰণ ল' ভল্টেজৰ কাৰণে লাইনে নাপায়, আন্ধাৰত ডুবি থাকে, তথাপিতো বিদ্যুৎ মাছুল দিনে দিনে বাঢ়ি আছে। উপভোক্তা সকলৰ অনুপাতে অতি কম ক্ষমতাসম্পন্ন ট্ৰেঞ্চফৰ্মাৰ সংস্থাপিত কৰাটোৱে ল' ভল্টেজৰ প্ৰধান কাৰণ। য'ত ১০০ কে.ভি ট্ৰেঞ্চ ফৰ্মাৰৰ প্ৰয়োজন তাত ২৫ কে.ভি সংযোজিত হৈ আছে। গতিকে ৬০ পাৱাৰৰ লাইটতো আন্ধাৰতে থাকিব। বাল্বটো ডিম লাইটৰ নিচিনা জ্বলি থাকিব। মই মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়াৰ পৰা জানিব বিচাৰিছো যে বটদ্ৰবা সমষ্টিত instal হৈ থকা transformer সমূহ উপভোক্তাৰ সংখ্যা অনুপাতে সঠিক সময়ত ক্ষমতাসম্পন্ন হয়নে নহয় তাৰ এটা team survey কৰি অধিক ক্ষমতাসম্পন্ন transformer ব্যৱহাৰ কাৰ্য্যকৰী কৰণৰ কাৰণে কিবা ব্যৱস্থা গ্ৰহণ কৰিবনে, তাৰবাবে প্ৰতিশ্ৰুতি দিবনে ?

**মাননীয় অধ্যক্ষ ঃ** Hon'ble Minister.

**Smti Nandita Garlosa, ( Hon'ble Power Minister)**: Hon'ble Speaker Sir, for Batadraba LAC the existing consumer under Dhing is as follows. Total LT Consumers 20 thousand 5 hundred approximately. Total H.C consumers 21 numbers. For Batadraba LAC the existing consumers database under Charibari SD as follows. Total LT Consumers is 9 thousand 9 hundred and 83, total HC consumers is 21. So, total LT consumer under Batadraba LAC is 30 thousand 4 hundred and 83. And the total HC Consumers 42 numbers. Presently we are received load requirements for two numbers upcoming projects with requirement of more than one megawatt. Batadraba projects requires 1.5 megawatt and AIDC requires to 2.5 megawatt. So, construction of a residetial school is going at Dumdumiya but the load requirement is not received yet. In case of LT consumers we are seens source of load due to rise in the uses of of e-rickshaw and we are getting consumers application followed extention and e-vehicle charging stations. Demand for agricultural connection is also going due to uses in fisheries. So, no specific written complain regarding equipment damage due to low voltage problem has been received. Another question that you have ask for at present during peak hour. Hon'ble Speaker Sir at present during peak hours, Dhing Control Room requires 17 Megawatt of power. As we have already said the upcoming project which requires more than one Megawatt but Batadrava Project requires 1.5 Megawatt. At present it reqiures 17 Megawatt of power and install capacity of Dhing Control Room is 30 Megawatt which at present sufficent to cater the load.So construction of New Control Room is started at Jangoni under AIBB

Project to divert some of the load from Dhing Control Room. In case of Batadrava  Control Room the peak load is 6 Mega Watt and it has install capacity of 10 Mega watt.But it receives power from Samuguri JSS via Rupohi DSS and the 33 K.V. line approx 48 K.M.is very old. It is made of Racon Conductor which often resulted to frequent breakdown. So a proposal of reconductoring has been put forwarded in RDSS Scheme.So this 6 Megawatt which has a peak load in the capacity and it has been installed of 10 Megawatt.Some of the areas are there where there is low voltage issues which are been faced and where the new DTR are to be installed. Some of the areas are Rai Dingia, Batadrava , Upper Dumdumia, Dupuguri.New DTRs supposed to be proposed in these locations. These 20 nos of new DTRs are usually proposed under the RDS Scheme.

**Hon'ble Speaker:-**Thank you.Your next Supplementary Question.

**শ্ৰীমতী শিৰামণি বৰা, বিধায়িকা (বটদ্ৰৱা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিধায়ক সকলৰ কোটাত ট্ৰেন্সফ'ৰ্মাৰ দিয়া হয়। গতিকে মই বিচাৰো যে আমাৰ বিধায়কসকলৰ ট্ৰেন্সফ'ৰ্মাৰৰ কোটাটো বঢ়াব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**Smti. Nandita Garlosa, Hon'ble Minister Power etc:-** Hon'ble Speaker Sir, we have an allocation of the transformers to each of the LACs  63 K.V. - 50 nos.,100K.V.-100nos and 250 K.V. -2 nos.We are aspecting that,in this way we can distribute it.We have dispatch it to your Circle Officers . So, hon'ble MLAs can concerned to their respective Circle Officer. Thank you.

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং-৬৮। শ্ৰী নৰ কুমাৰ দলে ডাঙৰীয়াই কওঁক।

**শ্ৰী কেশৱ মহন্ত, মাননীয় মন্ত্ৰী, স্বাস্থ্য ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী নৰ কুমাৰ দলে, বিধায়ক (ঢকুৱাখানা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছিলো যে আমি যি ধৰণে প্ৰশ্ন কৰিছিলো তাৰ এটা সুন্দৰ উত্তৰ পাম বুলি আশা কৰিছিলো। যিহেতু ঢকুৱাখানা চিকিৎসালয়খন ২০১৭ চনতে বৰ্তমানৰ মাননীয় মুখ্যমন্ত্ৰী স্বাস্থ্যমন্ত্ৰী হৈ থাকোতে ঢকুৱাখানা পৰিভ্ৰমণ কৰাৰ সময়ত হাস্পাতালখনৰ অৱস্থা চাই সেইখনক জিলা পৰ্য্যায়ৰ অসামৰিক চিকিৎসালৈ উন্নীতকৰণ কৰিব বুলি তেখেতে ৰাজহুৱাভাৱে প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল। তাৰ পিছত বৰ্তমানৰ মুখ্যমন্ত্ৰী মহোদয়ে এই মহকুমা চিকিৎসালয়খন জিলা চিকিৎসালয়লৈ উন্নীতকৰণ কৰিবৰ বাবে আপোনাক পৰামৰ্শ আগবঢ়াইছিল। তাৰ পিছত আমি তাৰ বাবে ৫৫ বিঘা মাটি মহকুমা চিকিৎসালয়ৰ সমীপত সংৰক্ষণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছিলো।  মহকুমা হাস্পাতাল খন উন্নীতকৰণ কৰাৰ বাবে বৰ্তমান নিবিদা আহ্বান কৰি ১১ কোটি ৫৫ লাখ টকাৰ আবণ্টনৰ বিষয়টো আপোনাক দৃষ্টিগোচৰ কৰাৰ পিছত আপুনি এই নিবিদখন

বন্ধ কৰি অসামৰিক চিকিৎসালয়লৈ উন্নীতকৰণ কৰিব বুলি আপুনি আলোচনাত জনাইছিল। আজি এই বন্ধ হোৱা নিবিদাখনৰ বিষয়টো প্ৰশ্নৰ উত্তৰত পাই আমি আচৰিত হৈছো। গতিকে আমি আহ্বান জনাইছো যাতে ঢকুৱাখানা মহকুমা চিকিৎসালয়খন অতি সোনকালে জিলা পৰ্য্যায়ৰ অসামৰিক চিকিৎসালয়লৈ উন্নীতকৰণ কৰি সমূহ ঢকুৱাখানাবাসী ৰাইজৰ দীৰ্ঘদিনে স্বাস্থ্যকেন্দ্ৰৰ বাবে ভূগি অহা অসুবিধা সমূহ দূৰ কৰে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী কেশৱ মহন্ত, মাননীয় মন্ত্ৰী, স্বাস্থ্য ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য নৱ কুমাৰ দলে ডাঙৰীয়াৰ আগৰ পৰা অনুৰোধ আছিল যে যিহেতু লখিমপুৰত মেডিকেল কলেজ হৈছে। সেয়েহে লখিমপুৰত যিখন চিভিল হাস্পাতাল আছে, সেইখনক ঢকুৱাখানালৈ স্থানান্তৰিত কৰিব লাগে। গতিকে এই লখিমপুৰ মেডিকেল কলেজৰ লগত লখিমপুৰ চিভিল হাস্পাতালখন একেলগ কৰা হৈছে। সেয়েহে সেইখন পোনে পোনে গৈ ঢকুৱাখানাত স্থাপন হ'ব নোৱাৰে। যিহেতু ঢকুৱাখানা এতিয়া এখন মহকুমা, তাত মহকুমা অসামৰিক চিকিৎসালয় নিৰ্মাণৰ কাৰণে ইতিমধ্যে ১১,৫৫,৩১,৭৯৬ টকা মঞ্জুৰ কৰি, টেণ্ডাৰ কৰি নিৰ্মাণ কাৰ্য্যৰ কাম আৰম্ভ কৰিবলৈ কোৱা হৈছে। কিন্তু তেখেতৰ অনুৰোধটো আছিল যে চাব ডিভিজনত হাস্পাতাল নহৈ জিলা পৰ্য্যায়ৰ হাস্পাতাল হ'ব লাগে। কথাটো হৈছে যে আমি জিলা হাস্পাতালৰ সম পৰ্য্যায়ৰ উন্নীতকৰণৰ এক ব্যৱস্থা গ্ৰহণ কৰিব পাৰিম। কিন্তু জিলা পৰ্য্যায়ৰ হাস্পাতাল হিচাবে ঘোষণা কৰাটো আমাৰ কাৰণে অলপমান অসুবিধা হ'ব কাৰণ এইখন তাত একেলগ হৈ আছে। সেয়েহে তেখেতে যদি কথা-বতৰা পাতে আমি জিলা হাস্পাতালৰ সম পৰ্য্যায়ৰ সা-সুবিধা উপলব্ধ হয়, সেইখিনি সুবিধা থকা হাস্পাতাল এখন কৰিবলৈ আমাৰ কোনো অসুবিধা নহ'ব আৰু তেখেতৰ দীৰ্ঘদিনীয়া অসুবিধাটোও পূৰণ হ'ব। কিছুমান কথা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে পৰিকল্পনাত আনিছে। এতিয়ালৈকে ফাইনেল হোৱা নাই। কোনোবা জিলাৰ হেডকোৱাৰ্টাৰত যদি মেডিকেল কলেজ হৈছে সেই জিলাৰ যদি চিভিল চাব ডিভিজন থাকে, চিভিল চাব ডিভিজনৰ হাস্পাতালখন অধিক উন্নীতকৰণ কৰিব লাগে। যিহেতু জিলাৰ হেডকোৱাৰ্টাৰত থকা চিভিল হাস্পাতালখন মেডিকেল কলেজৰ লগত একেলগ হৈ যাব। এনেকুৱাধৰণৰ চিন্তা আৰু পৰিকল্পনা কৰি থকা হৈছে আৰু সেই সূত্ৰেও সেই হাস্পাতালখন উন্নীতকৰণ কৰাৰ সা-সুবিধা আছে। মই এই কথাখিনি তেখেতক জনাইছো আৰু তেখেতেও আলোচনাৰ মাজেৰে কাম হোৱাকৈ এটা পৰিকল্পনা কৰি লয়।

**মাননীয় অধ্যক্ষ ঃ** দ্বিতীয় পৰিপূৰক প্ৰশ্নটো কৰক।

**শ্ৰী নৱ কুমাৰ দলে, বিধায়ক (ঢকুৱাখানা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতুকে মহকুমা চিকিৎসালয়খনত জিলা পৰ্য্যায়ৰ সকলো স-সুবিধা উপলব্ধ হোৱাকৈ যদি আমাক বনাই দিয়ে তাত আমাৰ বিশেষ ক'বলগীয়া নাই। আপোনাৰ পৰা আমি প্ৰতিশ্ৰুতি বিচাৰিছো যে কিমান দিনৰ ভিতৰত এই কামখিনি আৰম্ভ কৰিব পাৰিম। বৰ্তমান মহকুমা চিকিৎসালয়খন নিৰ্মাণ কৰিবলৈ যিখিনি ঠিকাদাৰক কাম দিয়াৰ ব্যৱস্থা কৰিছে, সেইদিনাখন কিবা এটা কাৰণত মই মহকুমা স্বাস্থ্য বিষয়া আৰু ঠিকাদাৰজনক লগ পাইছিলো। তাত ড্ৰয়িংখন চাওঁতে ড্ৰয়িংখনত বিভিন্নধৰণৰ আসোঁৱাহ দৃষ্টিগোচৰ হৈছিল। যেনে- চিকিৎসালয়খনত সোমাইয়ে মৰ্গ আৰু বিভিন্নধৰণৰ আসোঁৱাহ দেখিবলৈ পাইছিলো। এই আসোঁৱাহসমূহ ঠিক কৰিব লাগে আৰু জিলাৰ সমপৰ্য্যায়ৰ হিচাপে কেতিয়ালৈকে হাস্পাতালখন নিৰ্মাণ কৰিব পাৰিব তাৰ উত্তৰ বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰীয়ে উত্তৰ দিয়ক।

**শ্ৰী কেশৱ মহন্ত, মাননীয় মন্ত্ৰী, স্বাস্থ্য ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ড্ৰয়িং এষ্টিমেটত যদি কিবা ভুল হৈছে মই অভিযন্তাসকলক কম আৰু বিধায়ক ডাঙৰীয়াও থাকিব। এইখিনি সাল-সলনি কৰাত একো অসুবিধা নহ'ব কিন্তু পইচাৰ লিমিট সেইটোৱেই থাকিব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য নুৰুল হুদা ডাঙৰীয়াই কওঁক।

**শ্ৰী নুৰুল হুদা, বিধায়ক (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ ৰূপহী বিধান সভা সমষ্টিত প্ৰায় ৩.৫০ লাখ জনসংখ্যা আছে। কিন্তু তাত এখনো ব্লক পি.এ.চি নাই। তাৰাবাৰী মিনি পি.এ.চি আপগ্ৰেড কৰি ব্লক পি.এ.চি কৰাৰ বাবে এটা প্ৰস্তাৱ দিয়া হৈছিল। এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে ইয়াৰ ওপৰত কিবা ব্যৱস্থা লৈছে নেকি? তাৰাবাৰী মিনি পি.এ.চি খনক আপগ্ৰেড ব্লক পি.এ.চি কৰাৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী কেশৱ মহন্ত, মাননীয় মন্ত্ৰী, স্বাস্থ্য ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ সমস্যাটো অলপ বেলেগ ধৰণৰ। সমস্যাটো হৈছে যে আমাৰ যিবিলাক ব্লক পি.এ.চি, স্বাস্থ্যবিভাগৰ যিসমূহ এডমিনিষ্ট্ৰেটিভ পইণ্ট সেইটো বহু সমষ্টিত টুকুৰা-টুকুৰিকৈ আছে। তাৰ ভিতৰত ৰূপহী সমষ্টিত এটাও ব্লক পি.এ.চি. নাই। তিনিটা ব্লক পি.এ.চি অংশ ৰূপহী সমষ্টিত আছে। গতিকে তেওঁলোকে বেলেগ বেলেগ সমষ্টিত গৈ সেই প্ৰশাসনীয় ব্যৱস্থাটো খণ্ড খণ্ড কৈ তাৰৈ আহে। গতিকে, চামগুৰি, জুৰীয়াত আছে, কিন্তু, তেওঁৰ সমষ্টিত নাই। এনেধৰণৰ সমস্যা সমূহ সমগ্ৰ অসমতে কিছু আছে। আমি এতিয়া বিভাগত এটা কথা ঠিক কৰিছো যে অন্যান্য বিভাগে যিদৰে re-organize কৰিছে, এইটোও re-organize কৰি প্ৰত্যেক সমষ্টিত অতিকমেও এটা যাতে Block PHC ৰ মুখ্য কাৰ্যালয় থাকে। বৰ্তমান এই ক্ষেত্ৰত আমি এটা প্ৰক্ৰিয়াত আছো। কোনখন PHC upgrade কৰিলে Block PHC হ'ব সেইটো আমি চাই ল'ম। তাত কোনো অসুবিধা নাই। মধ্যস্থল হ'লে ভাল হয়।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্ন নং ৬৯- শ্ৰী মৃণাল শইকীয়া।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** অধ্যক্ষ মহোদয়, ইয়াত লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ কথা ওলাইছে। তাত বহুত ডাঙৰ কেলেংকাৰীৰ কথাও ওলাই আছে। তাৰ ওপৰত আলোচনা হ'ব লাগে। এই ক্ষেত্ৰত স্থানীয় বিধায়কজনৰ নামো ওলাইছে ...Interruptions....

**মাননীয় অধ্যক্ষঃ** আপুনি মনে মনে থাকক। প্ৰশ্নকৰ্তাই প্ৰশ্ন কৰিব। আপুনি বহক।

**শ্ৰী মৃণাল শইকীয়া (খুমটাই)ঃ** অধ্যক্ষ মহোদয়, মোৰ Impact of climate change ৰ বিষয়ে প্ৰশ্ন আছিল। Question No. 69 (a) ত আছিল- What are the impacts of climate change in Assam আৰু Question No. (b) ত আছিল-What measures are taken by the Govt. to fight climate change in Assam? খুব সুন্দৰভাৱে মই ইয়াৰ উত্তৰখিনি পাইছো। আজি জানি আচৰিত হ'লো যে- as per the latest report of the Department of Science & Technology, Assam is ranked 5th vulnerable State in India. আমি সকলোৱে জানো যে Climate change এ গোটেই পৃথিৱীখনতে তল-ওপৰ লগাইছে। কিন্তু, অসম ভাৰতবৰ্ষৰ ভিতৰত যে পঞ্চম স্থানত আছে, সেইটো আজি গম পালো। এই ক্ষেত্ৰত চৰকাৰে যি পদক্ষেপ লৈছে সেইখিনিৰ উত্তৰ মন্ত্ৰী মহোদয়ে বৰ সুন্দৰভাৱে দিছে। অধ্যক্ষ মহোদয়, climate change ৰ ক্ষেত্ৰত আমাৰ পৰিৱেশটো জড়িত হৈ আছে যাৰ লগত প্ৰত্যক্ষভাৱে প্লাষ্টিকৰ ব্যৱহাৰো জড়িত আছে।

অসম তথা সমগ্ৰ ভাৰতবৰ্ষত আমি ৰাস্তা-ঘাটে দ'মে দ'মে প্লাষ্টিক, প্লাষ্টিকৰ পানী বটল, চিপ্‌চ, গুটখা ইত্যাদিৰ পেকেট পৰি থকা দেখিবলৈ পাওঁ আৰু এইবোৰে প্ৰত্যক্ষ ভাৱে আমাৰ জলবায়ুত প্ৰভাৱ পেলায়। বহু সময়ত মানুহে এই প্লাষ্টিকসমূহ গোটাই পুৰি পেলায় বা মাটিত পৰি পৰি সি মাটিৰ উৰ্বৰতা নষ্ট কৰে আৰু মাটিৰ উৰ্বৰতা নষ্ট কৰা মানে আমাৰ কৃষি খণ্ডত ইয়াৰ ব্যাপক প্ৰভাৱ পৰে। সেইকাৰণে মই ভাৱো যে climate change ৰ লগত এই কথাখিনি জড়িত হ'ব লাগে। কিন্তু, Ministry Department হিচাপে এইখিনি আকৌ পৰিৱেশ আৰু বন বিভাগত পৰি যায়। এই প্লাষ্টিকসমূহ ৰাস্তা-ঘাটে পৰি থকাৰ ফলত ৰাস্তাৰ দাঁতিত গছ-পুলি ৰুলেও ই বাধাৰ সৃষ্টি কৰে। মাটিৰ লগত পলিথিন dissolve হ'বলৈ প্ৰায় ৫০০-১০০০ বছৰ সময় লাগে। সেয়েহে, মই ভাৱো যে climate change ৰ বিষয়টো এক গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে। একেটা মন্ত্ৰালয়তে Environment, Climate Change এই সকলোখিনি সাঙুৰিব লাগে। অধ্যক্ষ মহোদয়, অসমত প্লাষ্টিক বন্ধ হ'ব বুলি শুনিছিলো, কিন্তু, সেইবোৰ বন্ধ হোৱা দেখা নাই। গতিকে, আমি climate changeৰ প্ৰতি লক্ষ্য ৰাখি প্লাষ্টিক বন্ধ কৰিম নেকি, সেইয়া মোৰ মন্ত্ৰী মহোদয়লৈ প্ৰশ্ন।

**শ্ৰী কেশৱ মহন্ত, মাননীয় মন্ত্ৰী, স্বাস্থ্য ইত্যাদিঃ** অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য মৃণাল শইকীয়া ডাঙৰীয়াই বিশ্বৰ প্ৰধান সমস্যা climate change ৰ ওপৰত সদনৰ মজিয়াত বিতং ভাৱে প্ৰশ্ন উত্থাপন কৰাৰ বাবে মই পোন প্ৰথমে তেওঁক ধন্যবাদ জ্ঞাপন কৰিছো। Climate change ৰ ক্ষেত্ৰত অসম পঞ্চম স্থানত থকাটো এক আচৰিত কথা। কিন্তু, এটা কথা শুনিলে আপোনালোকে আৰু আচৰিত হ'ব যে ভাৰতবৰ্ষৰ ২৫ খন জিলা অতি vulnerable. তাৰ ভিতৰত অসমৰ ১৫খন জিলা আছে আৰু অসমৰ most vulnerable জিলা খনেই হ'ল-কৰিমগঞ্জ। তাৰ মানে ভাৰতবৰ্ষৰ ভিতৰতো অতি vulnerable জিলাখনেই হ'ল-কৰিমগঞ্জ। অসমৰ ১৫খন জিলা হ'ল ক্ৰমান্বয়ে - কৰিমগঞ্জ, গোৱালপাৰা, ধুবুৰী, দৰং, শোণিতপুৰ, গোলাঘাট, কাছাৰ, বৰপেটা, কোকৰাঝাৰ, তিনিচুকীয়া, বাক্‌সা, মৰিগাঁও, ডিব্ৰুগড়, শিৱসাগৰ আৰু হাইলাকান্দি। কোনখন জিলা কিয় vulnerable হৈছে, তাৰ কাৰণবিলাকৰো ব্যাখ্যা আছে। কিন্তু, সেই ব্যাখ্যাসমূহ এতিয়া প্ৰশ্নোত্তৰ কালত কোৱাটো সুবিধাজনক নহ'ব। এই ক্ষেত্ৰত আৰু এটা কথা কওঁ যে climate change হিচাপে পৃথক বিভাগ অসম চৰকাৰৰ নাছিল। ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব লোৱাৰ কিছু দিন পিছত অৰ্থাৎ আজিৰ পৰা দুই-চাৰি মাহ আগতে এই বিষয়টোৰ লগত সংগতি ৰাখি Science, Technology & Climate Change হিচাপে Science & Technology বিভাগৰ লগত যোগ দিছে। বিভাগটো আমি সম্পূৰ্ণ ৰূপে গঢ়িবই পৰা নাই। Directorate ৰ কাৰণে কেবিনেট মেম'ৰেণ্ডাম ইতিমধ্যে প্ৰস্তুত কৰিছো। আগতে এই বিষয়টো পৰিৱেশ আৰু বন বিভাগে চাই আছিল। সুকীয়া বিভাগ হোৱা আজি চাৰি-পাঁচ মাহ হৈছে। গতিকে, এই কালছোৱাত কিছু কাম আৰম্ভ কৰা হৈছে যেনে- Chief Ministers Institutional Plantation Programme ৰ অধীনত সকলো চৰকাৰী কাৰ্য্যালয়ত গছপুলি ৰোপণ কৰা হৈছে। কোন বিভাগে কিমান ভালকৈ এই কামটো কৰিছে তাৰ তালিকা মোৰ ওচৰত আছে। এই ক্ষেত্ৰত সকলো বিভাগৰ ভিতৰত জনস্বাস্থ্য কাৰিকৰী বিভাগে best performance দিছে। এতিয়া আৰু কেইটামান কাম লোৱা হৈছে। তাৰ ভিতৰত, যিসকলে Science ৰ post graduation কৰি আছে, তেওঁলোকক আনি একোখন গাঁও কেনেদৰে জলবায়ু অনুকূল কৰিব পাৰি তাৰ ওপৰত research কৰাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ বাবে আমি ১০০

খন গাঁও হাতত লৈছো আৰু সেই অনুসৰি আমি আগবাঢ়িম। আজি বিষয়টোৰ ওপৰত উত্তৰ দিবলৈ বহু কথা আছিল, কিন্তু সময় কম হোৱাৰ বাবে নোৱাৰিলো। আনহাতে, মাননীয় সদস্যগৰাকীয়ে প্লাষ্টিকৰ ওপৰত যি কৈছে, সেই ক্ষেত্ৰত মই কওঁ যে বিষয়টো পৰিৱেশ আৰু বন বিভাগৰ পৰা সলনি হৈ আমাৰ বিভাগৰ অধীনলৈ আহিছে যদিও ইতিমধ্যে প্ৰস্তুত হোৱা Assam State Climate Change Action Plan খন পৰিৱেশ আৰু বন বিভাগৰ লগতে আছে। কাউঞ্চিল আৰু সঞ্চালকালয়টো আমাৰ বিভাগৰ অধীনত অহা নাই। এইখিনি আহিলে আমি কামবোৰ কৰিম। তেওঁলোকে প্লাষ্টিকৰ ক্ষেত্ৰত যিখিনি restrictions লৈছে মাজে মাজে impose হৈছে কিন্তু, যি ধৰণে কাৰ্য্যকৰী হ'ব লাগিছিল, তেনেধৰণে হোৱা নাই।

**মাননীয় অধ্যক্ষঃ** হ'ব।

**শ্ৰী মৃণাল শইকীয়া (খুমটাই)ঃ** মই চৰকাৰৰ ওচৰত এটা কথাই দোহাৰিম যে আমি যিমানেই বিভাগ নোখোলো কিয় প্লাষ্টিকৰ ব্যৱহাৰ বন্ধ নকৰিলে climate change বা climate crisis ৰ বাবে যুঁজি লাভ নাই। Plastic in every form and every type should be banned.

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। next supplementary- ভূৰন পেগু।

**শ্ৰী ভূৰন পেগু (জোনাই)ঃ** অধ্যক্ষ মহোদয়, ৰিপৰ্টত ভাৰতবৰ্ষৰ ভিতৰত sensitive ৰাজ্য হিচাপে আমাৰ ৰাজ্যখন ৫ নং স্থানত অহাটো খুব উদ্বেগজনক বিষয় । আনকি গোটেই ভাৰতৰ ২৫ খন জিলাৰ ১৫ খন জিলা অসমৰেই। ইয়াৰোপৰি আৰু এটা ভয়ানক পৰিস্থিতি হোৱাৰ সম্ভাৱনা আছে কিয়নো ভূটান আৰু অৰুণাচল প্ৰদেশত বৃহৎ নদী বান্ধ সমূহৰ নিৰ্মাণ হ'বলৈ গৈ আছে। Sensitive ৰাজ্যৰ ক্ষেত্ৰত আমি ইতিমধ্যে ৫ নং স্থানত আছো, জিলাসমূহৰ ক্ষেত্ৰতো আমাৰ ১৫ খন জিলাই sensitive, এতিয়া এই বৃহৎ নদী বান্ধ সমূহে যি ধ্বংসলীলা চলাই আছে সেইবোৰেও অসমত আৰু কিবা affect কৰিব পাৰে নেকি তাৰ ওপৰত এক অধ্যয়ন কৰাৰ বাবে অসম চৰকাৰৰ পৰিৱেশ আৰু বন বিভাগে দায়িত্ব ল'ব নেকি?

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** অধ্যক্ষ মহোদয়,...Interruptions....

**মাননীয় অধ্যক্ষঃ** কমলাক্ষ ডাঙৰীয়া, Questioner ৰ লগত এজনক supplementary দিব লাগে বুলি কৈছে, ইতিমধ্যে এজনে supplementary কৰিলেই, আকৌ আপুনি ক'লে কেনেকৈ হ'ব? যিটো নিয়ম আছে, সেইমতে হ'ব লাগিব।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী মৃনাল শইকীয়া ডাঙৰীয়াই কৈছে প্লাষ্টিক বন্ধৰ কথা এই বিষয়টো চৰকাৰে ইতিমধ্যে in principle **বন্ধই কৰিছে।** তাৰ পাছত ভূৰন পেগু ডাঙৰীয়াই যিটো কথা কৈছে, এই গোটেই impact ৰ কথা মই প্ৰশ্নৰ উত্তৰত দিছো। শইকীয়া ডাঙৰীয়াই এইটো পঢ়িছে। গতিকে এতিয়া সময় নাই যিহেতু মই এইটো পুনৰ ব্যাখ্যা নকৰো। তাৰোপৰি যিটো কৰিমগঞ্জৰ বিষয়ে কৈছে এই ক্ষেত্ৰত আমি প্ৰতিখন জিলাত কি কি কাৰণে vulnerable হৈছে তাৰ কাৰণবোৰ ব্যাখ্যা কৰা হৈছে। তাত কি কি measure ল'বলগা আছে, উল্লেখ আছে। মই পাছত এই সকলোখিনি কথা চৰকাৰৰ মজিয়াত ব্যাখ্যা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং- ৭০, শ্ৰী মিছবাহুল ইছলাম লস্কৰ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী যোগেন মহন, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী মিছবাহুল ইছলাম লস্কৰ, (বৰখলা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যি উত্তৰ দিছে

তাত আগতে যি circle আছিলে সেইটোৱে ৰৈছে। তাৰ নামটোহে দিছে বৰখলা circle.মোৰ সমষ্টি হৈছে বৰখলা। কিন্তু সমষ্টিৰ বেছিভাগ অঞ্চল কাটিগড়াৰ লগত আছে। আমাৰ দাবীটো হ'ল সমগ্ৰ বৰখলা সমষ্টিক ধৰি বৰখলাৰ ভিতৰত এটা অফিচ কৰি দিয়ক। আমাৰ মাটি আছে। মাত্ৰ ঘৰ এটা বনাব লাগে আৰু অফিচটো চলাব লাগিব। এইটো অতি সোনকালে কৰিলে ভাল হয়, কাৰণ আমাৰ বহুত কষ্ট হৈছে।

**माননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী যোগেন মহন, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়কগৰাকীক জনাব বিচাৰিছো যে বৰ্তমান আমাৰ ১৫৪ টা circle আছে আৰু অন্য ১৩ টা revenue circle create কৰা হ'ল ২৬ ফেব্ৰুৱাৰী, ২০১৬ তাৰিখে। তাৰ ভিতৰত এই কাটিগড়া circle টোও আছিল। বৰখলা, পূৱ মঙ্গলদৈ আৰু মানিকপুৰৰ কাম বৰ্তমান চলি আছে। কিছুদিন আগতে পূৱ মঙ্গলদৈতো আমি inauguration কৰিছো। মাননীয় সদস্য গৰাকীয়ে যিকেইটা প্ৰশ্ন দিছে তাৰ proposal অহা নাই DC ৰ পৰা। তেখেতৰ সমগ্ৰ LAC টো এটা circle ত হ'ব লাগে বুলি যিটো দাবী দিছে বৰ্তমান তাৰ ওপৰত চৰকাৰৰ কোনো পলিচি নাই। বহুত circle ৰ proposal আহিছে। আমাৰ চৰকাৰে এইখিনি বিবেচনা কৰি আছে। কিন্তু বৰখলা revenue circle ৰ proposal যদি DC ৰ পৰা আহে তেওঁলোক বৰ্তমান যিখিনি অসুবিধাৰ সন্মুখীন হৈছে, সেইখিনি আমি বিবেচনা কৰিম। কিন্তু বৰ্তমান there is no any propvision to create revenue circle comprising the whole area of LAC at present.If possible and received by the Government, the same will be considered and necessary action will be taken. তেখেতে DC ৰ পৰা যদি proposal টো আনে আপোনাৰ বৰখলা মৌজা-বৰখলা, জয়ানগৰ আৰু বৰাকপাৰা।

**মাননীয় অধ্যক্ষ ঃ** Second Supplementary.

**শ্ৰী মিছবাহুল ইছলাম লস্কৰ, (বৰখলা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি যদি ইয়াৰ পৰা এটা ফোন কৰি দিয়ে যে whether circle office is required or not, if required please send proposal. তেতিয়াহে DC য়ে কৰিব। মই বিৰোধী দলৰ সদস্য কাৰণে DC য়ে কথা নুশুনে।

**শ্ৰী যোগেন মহন, (মন্ত্ৰী) ঃ** আপুনি এটা লিখিত proposal দিয়ক। তেতিয়া আমি DC ৰ লগত এইটো consider কৰিব লাগে বুলি লিখিম। আমাৰ চৰকাৰে এনেদৰে re-organised কৰা ক'ৰবাত মৌজা ক'ৰবাত লট create কৰা, এখন গাওঁ ইটো circle ৰ পৰা আনটো circle লৈ নিয়া এইবিলাক কাম চলি আছে। আমি কেবিনেটৰ যোগেদি আপোনাৰ proposal টো consider কৰিম। মাত্ৰ through proper channel proposal টো আমাৰ চৰকাৰলৈ আহিব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী ওৱাজেদ আলী চৌধুৰী।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী, (শালমাৰা দক্ষিণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ জিলাখন নতুন জিলা হোৱাৰ পাছত দক্ষিণ শালমাৰা circle টো নতুন জিলাত গুচি গ'ল। কিন্তু তাৰ বেছিভাগ অংশ ধুবুৰী জিলাত থাকি গ'ল। দক্ষিণ শালমাৰা circle ৰ এৰিয়াৰ চাৰিভাগৰ এভাগ গুচি গ'ল আৰু চাৰিভাগৰ তিনিভাগ ধুবুৰী জিলাত থাকি গ'ল। এই সংক্ৰান্তত ধুবুৰী জিলাৰ উপায়ুক্তই এটা proposal দুবছৰ আগতেও পঠাইছিল নতুন circle creation ৰ কাৰণে।

গতিকে এই নতুন circle খন হ'বনে নাই মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী যোগেন মহন, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আমাৰ মাননীয় বিধায়ক সকল SDLAC member. আপোনালোকে যেতিয়া বহিব ক'ত কি সুবিধা, অসুবিধা এই সকলোখিনি কথা details আলোচনা কৰিব পাৰে। আলোচনাৰ পিছত আপোনালোকে Government লৈ proposal দিব পাৰে, তেতিয়া government য়ে নিশ্চয় ইয়াৰ ওপৰত আলোচনা কৰিব। এতিয়া নতুনকৈ যিবিলাক জিলা গঠন হৈছে তাত প্ৰায় সকলোতে এনেধৰণৰ অসুবিধাৰ সৃষ্টি হৈছে। এই কথাবিলাক আমি re-organised কৰিব লাগিব। তাৰকাৰণে re-survey, survey এইবিলাক চলি আছে আৰু আমি আলোচনা কৰি আছো।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী, (শালমাৰা দক্ষিণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি DC ৰ জৰিয়তে proposal দিছো।

**শ্ৰী যোগেন মহন, (মন্ত্ৰী)ঃ** DC য়ে যদি proposal পঠাইছে আমাৰ বিভাগে এইখিনি consider কৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং-৭১, মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটীৰ তিনিটা বৃহৎ খোৱাপানীৰ যোগান আঁচনি চৰকাৰে লৈছিল। তাৰে এটা আঁচনিও আজিলৈকে সম্পূৰ্ণ হোৱা নাই। বিশেষভাৱে দক্ষিণ-পশ্চিম পানী যোগান আঁচনিটো ২০০৮ চনতে আৰম্ভ কৰা হৈছিল। আজি ১৩ বছৰ অতিক্ৰম কৰিলে আৰু প্ৰত্যেকখন বিধান সভাতে মই এইটো উত্থাপন কৰিছো। প্ৰতিবাৰে মোক এই বছৰতে এইটো সম্পূৰ্ণ হোৱাৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু আজিলৈকে এই আঁচনিটো সম্পূৰ্ণ নহ'ল। ইতিমধ্যে জানিব পৰা মতে গেমন ইণ্ডিয়াৰ লগত হোৱা চুক্তিটো বাতিল হ'ল। যদি বাতিল কৰিছে এতিয়া নতুনকৈ কাক দিছে আৰু কেতিয়া এইটো সম্পূৰ্ণ হ'ব? আজি ১৩ বছৰ অতিক্ৰম কৰিলে কিন্তু এই আঁচনিটো কেতিয়া সম্পূৰ্ণ হ'ব, নে এইটো ৰূপালী জয়ন্তী উৎসৱ পালন কৰিবলৈ গৈ আছে নেকি?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কথাটো সঁচা যে গুৱাহাটীত পানীযোগান আঁচনি বহুদিনৰ পৰা under construction হৈ আছে। কামবোৰ সম্পূৰ্ণ হোৱা নাই। কিন্তু অধ্যক্ষ মহোদয়, মই আপোনাৰ মাধ্যমত সদনত জনাবলৈ পাই ভাল পাম যে জাইকাৰ যিটো প্ৰকল্প কৰি আছিলে এই প্ৰকল্পৰ trial আমি আৰম্ভ কৰিছো এইটো সফলতাৰে আৰম্ভ হ'ল। গোটেই বিজুতিবিলাক এটা particular অঞ্চলত আমি ঠিক কৰিব পাৰিলো আৰু অক্টোবৰ মাহৰ শেষত বা নবেম্বৰ মাহৰ প্ৰথম সপ্তাহত জাইকা প্ৰকল্পৰ Central Guwahati ত যিটো প্ৰজেক্ট আছে তাৰ partial commissioning মাননীয় মুখ্যমন্ত্ৰীৰ দ্বাৰা কৰাৰ কথা আমি চিন্তা কৰিছো। লাহে লাহে হ'লেও মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যিটো মাৰ্গ দৰ্শন আৰু নিৰ্দেশনা আছে যে কামবিলাক সোনকালে শেষ কৰিব লাগে এই সিদ্ধান্ত লৈ আমি কাম কৰি আছো। আপোনাৰ মাধ্যমত মই জনাম যে যিমান পাৰো আমি কামটো সোনকালে কৰাৰ চেষ্টা কৰিম। গেমনকো আমি terminate কৰিলো। নতুন মানুহ অনাৰ কাৰণে যিটো প্ৰক্ৰিয়া আছে সেই প্ৰক্ৰিয়া আমি লৈছো আৰু বহুতখিনি কাম এই বছৰত হ'ব বুলি আমি আশা কৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া 'জিৰ' আৱাৰ' ।

**শ্ৰীভৰত চন্দ্ৰ নৰহ, (নাওঁবৈচা) ঃ** অধ্যক্ষ মহোদয়, ভিক্টৰ দাসৰ অভিযোগৰ ওপৰত চৰকাৰে তদন্ত কৰিবনে নকৰে? সেইটোৰ ওপৰত আমি 'জিৰো আৱাৰ' আনিছো । অধ্যক্ষ মহোদয়, ডাইৰেকশ্যন বাই দা স্পীকাৰ - যিটো পেৰা- ৫৯, য'ত 'জিৰ' আৱাৰ ' আছে, এইটো পাবলিক ইম্পৰ্টেন্স । ছাৰ, ১২ তাৰিখৰ পৰা এচেমব্লি চলি আছে, আজি হ'ল ১৬ তাৰিখ । আমাৰ ৰাজহুৱা স্বাৰ্থ জড়িত ইম্পৰ্টেন্ট ঘটনা ঘটিছে ।

**মাননীয় অধ্যক্ষ ঃ** নহয়, কোৱেশ্বন আৱাৰ শেষ হোৱাৰ পিচত ' জিৰ' আৱাৰ' । 'জিৰ' আৱাৰ' ৩ টা দিছে। হৈ গ'ল। এচ পাৰ ৰুল মতে যাব । এতিয়া ৰমেন্দ্ৰ নাৰায়ণ কলিতা ।

**বিৰোধীৰ পক্ষৰ পৰা ওফৰি অহা মন্তব্য ঃ** অধ্যক্ষ মহোদয় আপুনি কৈফিয়ৎ দিব লাগিব ।

**মাননীয় অধ্যক্ষ ঃ** মই কাকো কৈফিয়ৎ দিব নালাগে । এইটো অধ্যক্ষৰ বিবেচনাৰ বিষয় ।

(সদনত হুলস্থুল....... কাৰো মাত শুনা নাযায়।)

**শ্ৰীঅখিল গগৈ, (শিবসাগৰ) ঃ** চৰকাৰৰ মতে সদন চলালে নহ'ব ।

(বিৰোধী দলে অধ্যক্ষৰ আসনৰ সন্মুখত আহি প্লেকাৰ্ড প্ৰদৰ্শন কৰে ।)

**মাননীয় অধ্যক্ষ ঃ** সদন ১০ মিনিটৰ বাবে এডজৰ্ন কৰা হ'ল ।

(১০ মিনিট সময়ৰ বাবে সদন স্থগিত হয়)

**ইংৰাজী ১৬-০৯-২০২২ তাৰিখে ৰাতিপুৱা ১০ মিনিটৰ কাৰণে সদন স্থগনৰ পিছত ৰাতিপুৱা ১০.১৭ বজাত মাননীয় উপাধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত সদনৰ কাম কাজ পুনৰ আৰম্ভ হয়।**

**(বিৰোধীয়ে হাতত Playcard লৈ উপাধ্যক্ষৰ ওচৰত প্ৰতিবাদ কৰে।)**

**(হুলস্থূল)**

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ শূণ্যকালীন ঘন্টাত "আমাৰ অসম" কাকতত প্ৰকাশিত "দীপৰ বিলক মৃত্যুৰ মূখলৈ থেলিছে জি এম চি য়ে," এই শীৰ্ষক বাতৰিৰ পৰা আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব লৈছোঁ। ২০০২ চনত আমাৰ দীপৰ বিলখন আন্তৰাষ্ট্ৰীয় খ্যাতি।

(হুলস্থূল)

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** প্ৰায় ৪০ বৰ্গ কি. মিটাৰ এলেকা ঘোষণা কৰিছিল। তাৰ পৰৱৰ্তী সময়ত ২০০৪ চনত আমাৰ ৰাজ্য চৰকাৰে আমাৰ দীপৰ বিলত wildbird sanctuary অৰ্থাৎ বন্য প্ৰাণী অভয়াৰণ্য হিচাপে ঘোষণা কৰিছে। আমাৰ এই দীপৰ বিলৰ নিচেই ওচৰতে ৰাজ্য চৰকাৰে এটা Dumping Ground স্থাপন কৰিছে।

(হুলস্থূল)

**(বিৰোধীয়ে হাতত Playcard লৈ উপাধ্যক্ষৰ ওচৰত প্ৰতিবাদ কৰে, সদনৰ মজিয়াত বহি প্ৰতিবাদ কৰে।)**

**মাননীয় উপাধ্যক্ষ ঃ** আপোনালোক বহক।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** ইয়াৰ আগতেও দ্বীপৰ বিলৰ কাষতে এটা Dumping Ground নিৰ্মাণ কৰা হৈছিল, আৰু সেই সময়ত আমাৰ ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণে আমাৰ দীপৰ বিলৰ কাষতে থকা যিটো Dumping Ground সেইটো তাৰ পৰা স্থানান্তৰ কৰাৰ বাবে নিৰ্দেশ জাৰী কৰিছিল। কিন্তু তাৰ পৰৱৰ্তী সময়তো বিশেষভাৱে ৰাজ্য চৰকাৰৰ এটা বিভাগ জি এম চিয়ে পুনৰ দীপৰ বিলৰ কাষতে পামহি চেনেলৰ কাষত পুনৰ Dumping Groundটো

প্ৰতিষ্ঠা কৰিছে। এতিয়া বিভিন্ন সময়ত আমাৰ বিধান সভাতে এই দাম্পিং গ্ৰাউণ্ডটো বিজ্ঞানসন্মত ভাৱে নিৰ্মাণ কৰাৰ কথা ঘোষণা কৰিছিল। কিন্তু আজিলৈকে তিলমানো সেই Dumping Groundটো বিজ্ঞানসন্মত ভাৱে নিৰ্মাণ কৰিবলৈ আজিলৈকে জি এম চি সক্ষম নহ'ল। ইয়াৰ ফলত গোটেই বৃহৎ অঞ্চলজুৰি আজি যি দুৰ্গন্ধময় পৰিৱেশৰ সৃষ্টি হৈছে আৰু বিশেষভাৱে গুৱাহাটীৰ যিমান জাৱৰ জোথৰ, যিমান আৱৰ্জনা আছে গোটেইবোৰ এই Dumping Groundত পেলোৱাত কাৰণে সেই ঠাইত এখন পাহাৰৰ সৃষ্টি হৈছে। যাৰ ফলত নিচেই ওচৰত থকা পামহি চেনেল, এই চেনেলটোক নদী বুলিও আমি আখ্যা দিব পাৰো। আজি গোটেই জাৱৰ, আৱৰ্জনা সমূহ দীপৰ বিলত পৰা কাৰণে গোটেই বিলখন আজি প্ৰদূষিত হৈছে। আজি আমাৰ Dumping Groundত প্লাষ্টিক পলিথিন পেলাই গোটেই বিলখন প্ৰদূষিত কৰিছে। মৰা ভৰলু আৰু বাহিনী নদীৰ গোটেই লেতেৰা বস্তু সমূহ আজি পামহি চেনেলেৰে গৈ দীপৰ বিলত পেলোৱাৰ কাৰণে গোটেই বিলখন প্ৰদূষিত হৈছে। বিল খনৰ পানী আজি সম্পূৰ্ণ ক'লা হৈছে। এই Dumping Groundৰ কাৰণে সেই অঞ্চলৰ জনজাতীয় ৰাইজে আজি আন্দোলনৰ কাৰ্যসূচীও ল'ব লগীয়া হৈছে। মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰীক অনুৰোধ জনাব বিচাৰিছোঁ যে Dumping Groundটো বিজ্ঞান সন্মত ভাৱে কৰাৰ বাবে যিটো ব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল আজি সেই ব্যৱস্থা গ্ৰহণ নকৰাৰ বাবে দীপৰ বিলৰ লগতে গোটেই অঞ্চলটো প্ৰদূষিত হৈছে। আমাৰ যি ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণ, সেই ন্যায়াধীকৰণৰ যিটো ৰায় দিয়া হৈছিল সেই ৰায় অনুযায়ী আমাৰ চৰকাৰৰ দুখন আইন আছে। সেই আইন দুখন হৈছে Solid waste management 2016 rule লগতে wetland conservation and management rule 2017 ইয়াৰ জৰিয়তে ৰাজ্য চৰকাৰে ৰাষ্ট্ৰীয় সেউজ ন্যায়ধীকৰণত শপতনামা দাখিল কৰিছিল। এই শপতনামাত কেৱল কেন্দ্ৰীয় ভাৱে নহয় গুৱাহাটী মহানগৰীৰ decentralized কৰি এই আৱৰ্জনা সমূহ স্থানান্তৰ কৰি পেলোৱাৰ শপত নামা দাখিল কৰিছিল। মই অনুৰোধ কৰিছোঁ যে এইটো এটা গুৰুত্ব পূৰ্ণ বিষয়। আপোনাৰ জৰিয়তে মন্ত্ৰীক অনুৰোধ জনাইছো যাতে দীপৰ বিলৰ যিটো জৈৱ বৈচিত্ৰ, মাছ-কাছ যি আছে, তাৰ লগতে পাহাৰ অঞ্চলৰ পৰা হাতী আহি বিচৰণ কৰে আজি migrated বা পৰিভ্ৰমি চৰাই আজি এই দীপৰ বিলত বিচৰণ কৰে। এই যিটো আৰ্দ্ৰভূমি, এই আৰ্দ্ৰভূমিক ৰক্ষা কৰিব লাগে। আপোনাক অনুৰোধ কৰিছো যে আমাৰ যদি মানৱীয়তা গুণ আছে তেনেহলে আমি যদি বন্যপ্ৰাণীক সুৰক্ষিত কৰিব লাগে, যদি তাত থকা প্ৰাণী সমূহ জৈৱ বৈচিত্ৰ সমূহ আছে, সেই খিনি যদি সুৰক্ষিত কৰিব লাগে মই অনুৰোধ জনাইছো আমাৰ বিধান সভাৰ এখন কমিটি কৰি এইটো অনুসন্ধান কৰক, পৰ্য্যবেক্ষণ কৰি চৰকাৰক প্ৰতিলিপি দাখিল কৰিব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, চমু কৰক।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা (গুৱাহাটী পশ্চিম) ঃ** এখন সৰ্বদলীয় কমিটি গঠন কৰিবৰ কাৰণে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰীক মই অনুৰোধ জনাইছোঁ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীঅশোক সিংহাল, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্যই গুৰুত্বপূৰ্ণ বিষয় সদনত উত্থাপন কৰিছে আৰু বিষয়টো হ'ল গুৱাহাটী মহানগৰৰ জাৱৰ-জোঁথৰৰ নিষ্পত্তি এক বৈজ্ঞানিক পদ্ধতি আৰু প্ৰক্ৰিয়াৰে হ'ব লাগে আৰু তাৰ কাৰণে এই চৰকাৰে বিভিন্ন ধৰণৰ কাৰ্য্যপন্থা হাতত লৈছে। তেখেতে দীপৰ বিলক লৈ যিখিনি concern দেখুৱাইছে, গুৱাহাটীত জাৱৰ নিষ্পত্তিৰ ব্যৱস্থাক লৈ যিখিনি কথা কৈছে তাৰ পৰা আমি অৱগত হওঁ আৰু মই এটা কথা ক'ব খুজিছোঁ যে

বিভাগে সতৰ্কতা অৱলম্বন কৰিছে যে, দীপৰ বিলৰ কোনো ধৰণৰ ক্ষয় ক্ষতি হ'ব নালাগে। মাননীয় এন জি পি য়ে এটা অৰ্ডাৰ দিছিল যে বৰাগাঁৱত যিটো Solid Waste Dumping Ground আছে সেইটো তাৰ পৰা স্থানান্তৰ কৰিব লাগে। চৰকাৰ হোৱাৰ ২০২১ চনৰ পিছতে আমি এই Dumping Groundটো স্থানান্তৰ কৰি বেলৰতলত লৈ গ'লো। কিন্তু বেলৰতলত যেতিয়া আমি Dumping Ground ল'লো, তাত কোনো ব্যৱস্থা নাছিল, এই ব্যৱস্থাটো লাহে লাহে আমি কৰা আৰম্ভ কৰিছোঁ। মই সদনক জনাব বিচাৰিছো যে দীপৰ বিলৰ ওচৰত বৰাগাঁৱত যিটো Dumping Ground NGTয়ে বন্ধ কৰিব দিছিল সেইটো বহু আগতে আমি বন্ধ কৰিলোঁ। বন্ধ কৰি তাত যিখিনি ৰেষ্ট আছিল সেই ৰেষ্টখিনি legacy waste management ৰ জৰিয়তে নিষ্পত্তি কৰাৰ কাম হাতত লৈছো। লগতে বেলৰতলত ১৫০ মেট্ৰিকটন solid waste management municipal waste management কৰাৰ কাৰণে প্ৰকল্প হাতত লৈছোঁ। এই প্ৰকল্পৰ ওপৰত কাম চলি আছে। তাত কেইবাটাও throw mill ব্যৱহাৰ কৰা হৈ আছে এই throw mill ৰ জৰিয়তে জাৱৰ নিষ্পত্তিৰ কাম চলি আছে। কোনো নতুন জাৱৰ বৰাগাঁৱত লোৱা নাই। বেলৰতলতো এটা বিজ্ঞানসন্মত প্ৰক্ৰিয়াৰে আমি garbage transfer station এ management ৰ কাম আগবঢ়াই ল'ব খুজিছোঁ। লগতে আপোনালোকক এটা কথা জনাই ভাল পাইছো যে বিভাগে ৩ টা garbage transfer station এটা আদাবাৰী, এটা মঠঘৰীয়া আৰু এটা old guwahati jail campus jail road ত decentralized solid waste management ৰ কাৰণে প্ৰকল্পটো হাতত লৈছে। এই প্ৰকল্পবোৰৰ কাম চলি আছে। এবাৰ garbage transfer station ৰ কাম হৈ যোৱাৰ পিছত বৈজ্ঞানিক পদ্ধতি আৰু প্ৰক্ৰিয়াৰে আমি জাৱৰ নিষ্পত্তিৰ কাম কৰিব পাৰিম। এই প্ৰকল্পবোৰ অহা দিন বোৰত স্বচ্ছতাৰ ফালে গুৱাহাটীক লৈ যাব বুলি মই আশা কৰিছোঁ। তেখেকে কোৱা দীপৰ বিলৰ প্ৰদূষিত কথাটো, মই এই সদনক আশ্বাস দিব খুজিছো যে সম্পূৰ্ণ বৈজ্ঞানিক পদ্ধতি আৰু প্ৰক্ৰিয়াৰে গুৱাহাটী garbage transfer station ক নিষ্পত্তি কৰাৰ কাম আমি হাতত লৈছোঁ, consultant plan অনা হৈছে আৰু অহা দিনবোৰত এক ভাল প্ৰক্ৰিয়াৰে এক ভাল solid waste management plant গুৱাহাটীত দিব পাৰিম। এই আশ্বাস সদনক দিলোঁ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ । আপোনালোক বহক। সংসদীয়া প্ৰণালীত বিৰোধীৰ এটা বিশেষ ভূমিকা থাকে আৰু সদনত কথা কোৱাৰ কাৰণে বেলেগ বেলেগ ডিভাইজ থাকে। বিৰোধীৰ উত্থাপন কৰিব লগীয়া থাকিলে ডিভাইজ মতেহে কাম বিলাক হ'ব। পইচা আমি খৰচ কৰো সদনখন যদি hijack কৰি ৰখা হয়, বিৰোধীৰ নিয়মটো সদনত সঠিক ভাৱে আপোনালোকে প্ৰক্ষেপ কৰিব পৰা নাই। আপোনালোকৰ কেৱল শূণ্যকালীন ঘন্টাই নহয়, ৩০১ আছে, ৫৪ নিয়ম আছে, আপোনালোকে আনক।

**শ্ৰী ৰকিবুল হুছেইন (মাননীয় বিধায়ক)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আপোনৰ এই সিদ্ধান্তৰ প্ৰতিবাদত মই আমাৰ সতীৰ্থ সকলকো কৈছে যে, আমি সদন কক্ষ ত্যাগ কৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া মই মাননীয় সদস্য শ্ৰী কমলাক্ষ দে' পুৰুকায়স্থ আৰু চুজামুদ্দিন লস্কৰ ১৩-০৯-২০২২ তাৰিখৰ দৈনিক যুব শঙ্খ বাতৰি কাকতত প্ৰকাশিত আগলাপুৰৰ জাতীয় চৰাত অঞ্চলত স্থানীয় লোকে পথ অৱৰোধ কৰে চুপাৰী চিণ্ডিকেটৰ হৈ। আপোনালোকক বক্তব্য ৰাখিবলৈ অনুৰোধ জনাইছো।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (মাননীয় বিধায়ক)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, যে ডাম্পিং

গ্ৰাওটতো কেতিয়া বিজ্ঞানসন্মতভাবে কেতিয়া কৰিব আৰু যদি বিজ্ঞানসন্মতভাবে কৰিব নোৱাৰে তেনেহ'লে তাৰ স্থানান্তৰ কৰিব লাগে। বিজ্ঞানসন্মতভাবে যদি ৩ মাহৰ ভিতৰত কৰিব নোৱাৰে, তেনেহ'লে সেইটো স্থানান্তৰ কৰিব লাগে।

**শ্ৰী অশোক সিংহাল (মাননীয় মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, তেখেতে যিটো স্পষ্টীকৰণ বিচাৰিছে, জাৱৰ নিস্পত্তি বৈজ্ঞানিক পদ্ধতি আৰু প্ৰক্ৰিয়াৰে হ'ব লাগে। মই বিশ্বাস দিব খুজিছো যে, জাৱৰ নিস্পত্তিৰ কাম সম্পূৰ্ণ বৈজ্ঞানিক পদ্ধতিৰে কৰা হ'ব। তাৰ কাৰণে গুজৰাটৰ পৰা ভাল এজন consultant যিজন consultant য়ে চুৰাটত consultancy দি আছিল, তেখেতকো অনা হৈছে। চৰাট আজিৰ দিনত ভাৰতবৰ্ষৰ ভিতৰত ২ নম্বৰ ৰাজ্য যিটোৱে বৈজ্ঞানিক পদ্ধতিৰে এই কামটো কৰি আছে। এই গোটেই বস্তুটো কৰিবলৈ অলপ সময়ৰ প্ৰয়োজন হ'ব। কিন্তু এই প্ৰক্ৰিয়াটো আৰম্ভ কৰিছো, আৰম্ভ যেতিয়া কৰিছো শেষো হ'ব।

**মাননীয় উপাধ্যক্ষঃ** আমাৰ ৰমেন্দ্ৰ নাৰায়ণ কলিতা দেৱৰ দীপৰ বিল বহুত দিনৰ পৰাই এইটো সমস্যা হৈ আছে, এইটো অতি সোনকালে সমাধান কৰি দিলে ভাল হ'ব। এতিয়া মাননীয় সদস্য শ্ৰী সুজামুদ্দিন লস্কৰ।

**শ্ৰী সুজাম উদ্দিন লস্কর(কাটলিছেরা)ঃ-** উপাধ্যক্ষ মহোদয়, আমাকে সুপারির গুৰুত্বপূৰ্ণ বিষয়ে বলার সুযোগ দেওয়ার জন্য আপনাকে ধন্যবাদ জানাই। "স্থানীয় সুপারির ক্রেতা নেই। কাঠলিছড়া বাজারে কৃ ষকদের ধর্না,বিক্ষোভ " যুগশঙ্খ পতিনিধি, প্রতিবেদন কাঠলিছড়া, ১৪ সেপ্টেম্বর। প্রত্যেকদিন, প্রত্যেক সংবাদপত্রে স্থানীয় সুপারি ব্যবসার প্রতিবন্ধকতা প্রতিবাদে আয়নারখাল সপ্তাহিক বাজারে বিক্ষোভ। সুপারি বিক্রি করতে না পেরে বাড়ি ফিরিয়ে নিলেন কৃষকরা। বরাক ভ্যালির ৩টি জেলার প্রত্যেক সংবাদপত্রে, সসিয়েল মিডিয়ায় প্রত্যেকদিন এই ইসু নিয়ে চর্চা হচ্ছে। গত বছর এই পবিত্র সদনে মুখ্যমন্ত্রী মহোদয় সদনে বিবৃতি দিয়েছিলেন যে স্থানীয় সুপারির সমস্যা নিয়ে দুজন মন্ত্রী বরাকের ৩টি জেলায় প্রত্যেক বিধায়ককে নিয়ে প্রশাসনিক আধিকারিক নিয়ে সভায় আলোচনা করে একটি এসওপি তৈরি করা হবে। তার মাধ্যমে স্থানীয় সুপারির ব্যবসা চলবে। কিন্তু অতি দুঃখের বিষয়, মাননীয় উপাধ্যক্ষ মহোদয় সভা হয়েছে। কেবিনেট মন্ত্রী দুজন, বিমল বরা মহাশয় এবং যোগেন মহন মহাশয় গিয়েছিলেন। হাইলাকান্দি জেলায় সভা হয়েছিল। করিমগঞ্জ এবং কাছাড় জেলায়ও সভা হয়েছিল কিন্তু কোনো এসওপি তৈরি হয়নি। গত বছর থেকে এই সুপারি নিয়ে খেলা চলছে। সমগ্র অসমের প্রত্যেকটি জেলায় সুপারির ব্যবসা চলছে কিন্তু বরাকের তিনটি জেলায় বন্ধ আছে। প্রত্যেক বাজারে আলগাপুর বাজার, আয়নার খাল বাজার কাঠলিছড়া বাজারে করিমগঞ্জ প্রত্যেক বাজারে যে সুপারির কৃষকরা বাজারে নিয়ে বিক্রি করার ক্রেতা পাচ্ছেনা। কারন অসমের মধ্যে সবচেয়ে বেশি বরাক ভ্যালির আয়ের উৎস হল সুপারি বাগান। ঠেলাওয়ালা, রিক্সাওয়ালা, বিপিএল, এপিএল আমাদের বরাকভ্যলির ১৫ জন বিধায়ক ২জন সাংসদ রয়েছেন আমি আগেও বলেছি প্রত্যেকের বাড়িতে সুপারি গাছ আছে। কিন্তু হয়তো যার জমি নাই তার ধান ক্ষেতির জায়গা নেই কিন্তু প্রত্যেকের বাড়িতে সুপারি গাছ আছে। মানুষ সুপারি গাছ লাগায় ৭বছর ৮ বছৰ পর সেই গাছ থেকে ফসল পায়। আমাদের বরাক ভ্যালিতে ট্রাইবেল লোকের কয়েকটি পুঞ্জি আছে- গারদ পুঞ্জি, সেনা পুঞ্জি, রেমা পুঞ্জি, জৈন পুঞ্জি এগুলি টিলা জায়গা।সেখানে ধান ক্ষেতি হয়না। সুপারি ক্ষেতি হয়। দু-তিনটি বাগানে কোটি টাকা মূল্যে সুপারি বিক্রি হয়েছে কিন্তু ক্রেতারা খরিদ করে খোসা ফেলে শেদ্ধ করে সুকিয়ে রটা বানিয়ে সেগুলো বাইরে যায়। বরাক ভ্যালির তিনটি জেলা থেকে এগ্রিকালচার মিনিষ্টার মহোদয় রিপোর্ট

এনেছ্নে যে সুপারি উৎপন্ন হয়। কোন জায়গায় কিভাবে বিক্রি হয়। কাঁচা সুপারি আজ বিক্রি হচ্ছেনা। এটা লজ্জাজনক বিষয়। ধান ক্ষেত অনেক সময় ফার্টিলাইসারের অভাবে হয়না। কিন্তু সুপারি ক্ষেতে ফার্টিলাইসার লাগেনা । মিজোরামের বার্মিস সুপারির ইসু নিয়ে আমার বরাকের তিনটি জেলায় প্রত্যেক মানুষ দুর্ভোগ ভোগ করছে। মুখ্যমন্ত্রী মহোদয়, সদনে কথা দিয়েও এসওপি তৈরি করতে পারেননি। হাইলাকান্দিতে দুটি বর্ডার আছে ভৈরবী রামনাথপুর ধলছড়া ফাইসেন, কাছাড়ে লায়লাপুর, করিমগঞ্জে একটি আছে। মিজোরামের বর্ডারের জন্য আমাদের তিনটি জেলার স্থানীয় উৎপাদিত সুপারি বিক্রি করা যাচ্ছেনা। অতি দুর্ভাগ্যের বিষয় যে গত ডিসেম্বর মাসে আমাদের মাননীয় মুখমন্ত্রী বলেছিলেন যে জানুয়ারির ১০ তারিখের ভিতরে এসওপি তৈরি হবে। কদিন পর দূর্গা পূজা আসছে। আমাদের সনাতন ধর্মের লোকেরা বাজারে সুপারি নিয়ে যাচ্ছে সেটা বিক্রি করলেই ছেলেমেয়েদের কাপড়,পড়াশোনা, উৎসব পালন হবে। ঈদ আসলে সংখ্যালঘুরাও সুপারি বিক্রি করে যে টাকা পায় তা দিয়ে ঈদের উৎসব পালন করে। ছেলেমেয়েদের পড়াশোনা, বিয়ে, অসুখ-বিসুখে এই টাকা তারা কাজে লাগান। আমি অনুরোধ রাখছি, আজ এই সদনে মুখ্যমন্ত্রী মহোদয়কে উদ্দেশ্য করে বলছি। কৃষি মন্ত্রীকে উদ্দেশ্য করে বলছি , যে ইমিডেট কিছু ব্যবস্থা করা হোক। একবছর চলে গেছে যেগুলো সুপারি সিস করা হয়েছিল। লোওয়ার কোর্ট থেকে হাইকোর্ট পেয়েছে। সুর্পিম কোর্টে যাওয়ার পথে। হাই কোর্ট রায় দিয়েছে যে সেগুলো অকশন করে টাকা ট্রেজারিতে রাখা হোক। যদি স্থানীয় সুপারির মালিক হয় তবে সে টাকা মালিক পাবে, আর বার্মিস হলে সে টাকা সরকার পাবে। কিন্তু পুলিশ অকশন করছে না। হাইকোর্টের রায় অবমাননা করছে। কি উদ্দেশ্যে? অসমের এই তিনটি জেলা অসমের মধ্যে আছে কি না আমার বলতে লজ্জা লাগছে । শ'শ হাজার হাজার মানুষ সসিয়েল মিডিয়ায় দেখেন। আমি আমাদের ১৫ জন বিধায়ককে অনুরোধ করছি যে কথাটির সত্যতা আছে কি না আপনারা মুখ্যমন্ত্রীকে বলেন। লক্যাল সুপারি প্রত্যেকের বাড়িতে আছে কিনা আপনারা বলেন। আমাদের এখানে ধান ক্ষেতি খুব কম হয়। কিন্তু সুপারি প্রায় সব জায়গায় হয়। যার জন্য আমি কথাটি সদনে আগেও বলেছি এইবারও বলছি। যদি এইবার এসওপি তৈরি না হয় তাহলে বরাকের অবস্থা ভয়ঙ্কর হবে। তিনটি জেলা রাস্তা অবরোধ করবে। আম সদনে বলছি বিধায়ক হিসাবে আমাকে থাকতে হবে। আর আমাদের ১৫ জন বিধায়ককেও থাকেতে হবে। যদি লক্যাল সুপারি বরাক ভ্যালিতে থাকে তবে সেটা চিরস্থায়ী সমাধান চাই ।এই কথা বলে আমি উপাধক্ষ মহোদয়কে ধন্যবাদ জানিয়ে আমি আমার বক্তব্য শেষ করছি।

**শ্রী সিদ্দেক আহমেদ (দক্ষিণ কৰিমগঞ্জ)ঃ-** মহোদয়, এই কথাটি অত্যন্ত গুরুত্বপূর্ণ।

**মাননীয় উপাধ্যক্ষ ঃ-** এটো তো তেনেকে নহয়। গুৰুত্বপূৰ্ণ তো তেখেতে কইছে।

**শ্রী নিজাম উদ্দিন (আলগাপুৰ)ঃ-** উপাধ্যক্ষ মহোদয় বরাকের কৃষকদের একমাত্র উপার্জন হচ্ছে সুপারি ক্ষেত। আর এর সামাধান এই সদনে করে দিতে হবে।

**মাননীয় উপাধ্যক্ষঃ** মাননীয় সদস্য শ্ৰী কমলাক্ষ্য দে' পুৰুকায়স্থ।

**শ্রী কমলাক্ষ দে পুরকায়স্থ (উত্তর করিমগঞ্জ )** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, কি সি ইনসান কো ঝুটা হোনে কে লিয়ে ইতনাই কাফি হে, যো কহতা কুছ ঔর করতা কুছ হে। উপাধ্যক্ষ মহোদয়, এজন্য এই কথাটি বললাম যে আমরা সবাই জানি ভারতবর্ষ একটা কৃষি প্রধান দেশ। আমাদের ৭০ থেকে ৭৫ শতাংশ মানুষ কৃষির উপর নির্ভরশীল। কৃষিজাত সামগ্রী বাজারে যাতে সুলভ মূল্যে বিক্রী করতে পারে সেজন্য সরকার বদ্ধপরিকর। বিশেষ করে আমাদের শুকনো সুপারীর উপর ৪ শতাংশ জি এস টি এবং কাঁচা সুপারীর উপর কোন জি এস টি নেই। মিজোরাম থেকে

বার্মিজ সুপারী আমাদের এখানে চলে আসে সেটা আপনাদের ভূল। আপনারা বার্মিজ সুপারীকে বন্ধ করতে পারছেন না। আমরা বলছি বার্মিজ সুপারী বন্ধ করুণ। স্থানীয় সুপারী যেগুলো আছে সেগুলো চালু করুণ। এই বিধান সভায় মাননীয় মুখ্যমন্ত্রী শরৎকালীন অধিবেশনে বলেছিলেন এস.ও.পি আনা হবে। আজ ব্রিচ ওফ প্রিভিলেজ হচ্ছেনা, বিধান সভাকে অবমাননা করা হচ্ছে। মুখ্যমন্ত্রী ২ জন মন্ত্রীকে পাঠালেন কিন্তু আজ অবধি কোন এস.ও.পি তৈরী হয় নাই। সেটাই দুর্ভাগ্যজনক বিষয়। সব থেকে বড় ব্যাপার হচ্ছে আমাদের বরাকের অনেক মানুষ স্থানীয় সুপারীর উপর নির্ভরশীল। সেটা আজ আমাদের কাটলিছড়ার বিধায়কও বলেছেন। কিন্তু আমরা দেখতে পারছি যে একদিকে কয়লা জ্বলছে, আর এক দিকে স্থানীয় সুপারী বন্ধ হয়ে যাচ্ছে। আমরা কোনটাকে সু-শাসন বলব? মানুষ নিজের উৎপাদিত সামগ্রী বিক্রী করতে পারছে না। আমার সরকারের কাছে অনুরোধ থাকবে যে স্থানীয় সুপারী যেগুলো আছে সেগুলোর উপর কর আরোপ করুন। কিভাবে কর আরোপ করা যায় অর্থাৎ সরকারের এক দিকে লাভ হোক এবং অন্যদিকে কৃষকরা যারা এই সুপারী উৎপাদন করছেন তাদের যাতে লাভ হয়। আপনাদের পুলিশ গেট, সেল টেক্স, এইসব গেট পার হয়ে কিভাবে আমাদের অসমে এসে বার্মিজ সুপারী ঢোকে ? সেটা কার ভুল? তাদের উপর আপনারা কি ব্যবস্থা নিয়েছেন? আপনারা পুলিশের উপর কি ব্যবস্থা নিয়েছেন ? এতদিন যে এতগুলো গাড়ী ঢুকলো, সেল টেক্স পেরিয়ে যে গাড়ী গুলো আসল? কার অনুমতিতে কিভাবে ঢুকলো? সেগুলোর উপর তো আপনারা তদন্ত করতে পারেন নি। আপনারা কি তদন্ত করলেন যে স্থানীয় সুপারী বন্ধ করে দিলেন। এটা কি সুশাসন? এটাই কি অসমের জিরো টলারেন্স? আমি মন্ত্রী মহোদয়কে অনুরোধ করব আপনারা যে কথাগুলো বিধান সভায় বলবেন সে কথাগুলো যাতে ইমপ্লিমেন্ট হয়, সে কথাগুলো যাতে পালন করা হয়। কারণ মানুষ তাকিয়ে থাকে আমাদের উপর। আমি বিধায়ক হিসাবে বিধান সভায় কথা বলছি সেটা আমার সমষ্টির মানুষ দেখছে। কাটলিছড়ার বিধায়ক কথা বলেছেন। আপনারা বিধায়করাও কথা বলবেন। আপনাদের সমষ্টির মানুষরা লাইভ দেখবে। সবাই দেখতে পারবে। কিন্তু বিধান সভায় আমরা এত মিথ্যা কথা বলি যে সেগুলো আমরা ইমপ্লিমেন্ট করতে পারি না। অতএব আমরা যদি মিথ্যা কথা বলি, তাহলে আমাদের উপর মানুষের ভাবমূর্ত্তি কি থাকবে? এই কথাগুলো আমার ব্যক্তিগত কথা নয়। আমি বলছি বার্মিজ সুপারীগুলো আপনারা বন্ধ করুণ। বন্ধ না করতে পারলে আপনাদের পুলিশের ভুল, আপনাদের সেল টেক্সের ভূল, আপানাদের আধিকারিকদের ও কর্মচারীদের ভুল। তাদের উপর ব্যবস্থা নেওয়া দরকার। ওদের উপর যখন ব্যবস্থা নেবেন তখন মানুষ বলবে সু-শাসন হয়েছে। এই সরকার দৃঢ় পদক্ষেপ নিচ্ছে। আর ওদের উপর যদি ব্যবস্থা নিতে না পারেন, আর কৃষকরা যারা উৎপাদন করছে তাদের যদি বলেন উৎপাদন সামগ্রী বন্ধ করেন তাহলে কিসের সু-শাসন? যে রাজনীতিতে মানুযের উপকার হয় না সেটা রাজনীতি নয়। সমষ্টিব মানুষের উন্নতির জন্য বিধান সভা করা হয়। আমি বিধান সভায় কথা বললাম আমার সমষ্টির মানুষ আজ খুব খুশী। আজ হয়তো বা কিছু হবে। কিন্তু সমষ্টির মানুষ তো আর জানেন না সরকারের মানসিকতা কি? । যদি সেটা সমষ্টির মানুষ জানতো তাহলে আমাকে হয়তো বিধান সভায় ভোটই দিত না। সমষ্টির মানুষ আমাকে ভোট দিয়ে জয়যুক্ত এজন্য করে যে আমি বিধান সভায় যাতে সত্য কথাগুলো বলি । একজন বিধায়ক হওয়ার পরই মন্ত্রী বা মুখ্যমন্ত্রী হতে পারে। আপনাদের কাছে আমি সদুত্তর চাই। ১৫ দিনের ভিতরে এই স্থানীয় সুপারীগুলো চালু করা হোক। এটাই আপনার কাছে আমার অনুরোধ। আমাদের মাননীয় মন্ত্রী পীযুষ হাজারিকা একজন দক্ষ মন্ত্রী। তিনি বিভিন্ন কাজে অনেক দক্ষতা দেখিয়েছেন।

এই বিষয়ে তিনি হয়তো সামান্য দক্ষতা দেখাবেন। সেটাই আমার অনুরোধ। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। মাননীয় গৃহমন্ত্রী মহোদয়ৰ হৈ মাননীয় সংসদীয় পৰিক্রমা বিভাগৰ মন্ত্রীয়ে উত্তৰ দিব।

**শ্রী পীযুষ হাজৰিকা, মন্ত্রী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য দুগৰাকীয়ে যিটো বিষয়ৰ ওপৰত সদনৰ দৃষ্টি আৰ্কষণ কৰিছে, সেইটো এটা গুৰুত্বপুৰ্ণ কথা। আমাৰ চৰকাৰখন স্থানীয় লোকৰ বা অসমৰ ৰাইজৰ প্রতি অত্যন্ত সদয়শীল, আমি তেখেত সকলৰ প্রতি, অসমৰ প্রত্যেকটো জাতিজনগোষ্ঠীৰ প্রতি, অসমৰ প্রত্যেকখন ঠাইৰ ব্যক্তিৰ প্রতি আমাৰ দায়িত্ব আছে। উপাধ্যক্ষ মহোদয়, বৰাকভেলিৰ স্থানীয় চুপাৰী, তাত আমি কোনো পধ্যেই অস্বীকাৰ নকৰো যে তাত স্থানীয়ভাবে উৎপাদন নহয়। কিন্তু আমাৰ চৰকাৰখনে কোনো পধ্যে ম্যানমাৰৰ চুপাৰীক আহিবলৈ নিদিওঁ। এইটো আমাৰ কঠোৰ সিদ্ধান্ত। সন্মানীয় উপাধ্যক্ষ মহোদয়, অভিযোগ উঠে যে ম্যানমাৰৰ পৰা যি চুপাৰী আহে তাত ড্রাগচ্ আহে বুলি কোৱা হয়, আৰু কেতিয়াবা তাত আৰ্মচ্ আহে বুলি কোৱা হয়। তাৰ কাৰণে মুখ্যমন্ত্রী ডাঙৰীয়াই কঠোৰ হাতেৰে ম্যানমাৰৰ চুপাৰী বন্ধ কৰিবলৈ প্রত্যেক মুহুৰ্ততে পদক্ষেপ লৈছে। সময়ে সময়ে এই ম্যানমাৰৰ চুপাৰী চুৰি কাৰ্য্যৰ লগত জড়িত ব্যক্তিৰ বিৰুদ্ধে শক্তিশালী ব্যৱস্থা লৈছে। উপাধ্যক্ষ মহোদয়, চোৰৰ ছয়টা মন বুলি কয়, আমাৰ কমলাক্ষ দেই পুৰকায়স্থ ডাঙৰীয়াই কৈছে যে আপোনালোকে দায়িত্ব ল'ব লাগিব। মিজোৰাম হৈ যাতে অসমত বাৰ্মিজ চুপাৰী নোসোমায়। হয় আমি দায়িত্ব ল'ব লাগে। কিন্তু মই আকৌ কৈছে, চোৰৰ ছয়টা মন। আমি প্রত্যেকখন ট্রাক খুলি খুলি চেকিং কৰাটো অসুবিধা হয়। কাৰণ আমাৰ গুডচ্ ট্রাক যাব লগা হয়। আনকি নাইট চুপাৰটো চুপাৰী আহে। কিন্তু মই আকৌ কৈছো আমি যিকোনো মুল্যৰ বিনিময়ত ম্যানমাৰৰ চুপাৰী সৰবৰাহ কৰিব নিদিওঁ। তাৰ কাৰণে আমি কি কৰিছো, যোৱা সময়খিনিত সেই ম্যানমাৰৰ চুপাৰীৰ চিণ্ডিকেটৰ বিৰুদ্ধে আমি কঠোৰ অভিযান চলাইছো আৰু ৫৯ টা গোচৰ ৰুজু কৰিছো, আৰু ইয়াৰ লগত জড়িত ৪৮ জন ব্যক্তিক গ্রেপ্তাৰ কৰিছো, আৰু ৯৬৫ টন চুপাৰী আমি জব্দ কৰিছো। উক্ত ৫৯ টা গোচৰৰ ভিতৰত ৫০ টা গোচৰৰ লগত জড়িত জিলাৰ কৃষি বিষয়াৰ প্রতিবেদনত উল্লেখ কৰা গোটেইখিনি চুপাৰী, মানে ৫৯ টা গোচৰ আমি লৈছিলো। ৫০ টা গোচৰৰ চুপাৰীয়ে অসমৰ বাহিৰৰ পৰা আহিছিল, আৰু বিশেষকৈ বাৰ্মাৰ পৰা আহিছিল । এতিয়া উপাধ্যক্ষ মহোদয়, আমাৰ কিছুমান কিছুমান দল, বিৰোধী দলৰ কিছু ব্যক্তিৰ double standard মনোভাৱৰ কাৰণে আমি কিছুমান কাম কৰিব নোৱাৰো। এটা double standard মনোভাৱৰ কথা মই এই মাত্র আপোনালোকৰ আগত উদাহৰণ সহকাৰে কম। কমলাক্ষ দেই পুৰকায়স্থ ডাঙৰীয়াই যোৱাবাৰ এইখন বিধান সভাত এটা প্রশ্ন অনা মোৰ মনত আছে, যে কিয় বৰাকত কয়লা সৰবৰাহ কৰিবলৈ দিয়া নহয়? আমি নতুন SOP ৰ কাৰণে কয়লা সৰবৰাহ আমি বন্ধ কৰি ৰাখিছিলো, আৰু তেতিয়া মোৰ মনত পৰে যোৱা বছৰ শীতকালীন অধিবেশনত কমলাক্ষ দেই পুৰকায়স্থ ডাঙৰীয়াই প্রশ্ন আনিছে কিয় আমি কয়লা চলিবলৈ নিদিও। আজি তেখেতে প্রশ্ন কৰিছে কিয় কয়লা চলিবলৈ দিওঁ? So, this is a double standard.

(সদনত হুলস্থুল)

**মাননীয় উপাধ্যক্ষ** ঃ কমলাক্ষ দেই পুৰকায়স্থ বহক। উত্তৰ দিয়া শেষ হলে আপুনি ক'ব? মাননীয় সদস্য বহক। কিবা থাকিলে উত্তৰ দিয়া শেষ হোৱাৰ পিছত আপোনাক ক'বলৈ সময় দিয়া হ'ব।

**শ্রী পীযুষ হাজৰিকা, মন্ত্রী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমি আকৌ কৈছো যে, আমাৰ স্থানীয়

ব্যক্তি সকলৰ উৎপাদিত সামগ্ৰীৰ প্ৰতি আমি অত্যন্ত চিন্তনীয়। আমাৰ চিন্তা আছে। তেখেত সকলৰ প্ৰতি আমাৰ দায়িত্ব আছে। তাৰ কাৰণে আমাৰ চৰকাৰে processing industry কৰাৰ কাৰণে আমি প্ৰচেষ্টা চলাইছো, বা অব্যাহত ৰাখিছো। নতুন SOP কৰিবলৈয়ো আমি সাজু হৈছো। কিন্তু কেৰুণটো তাতে। আকৌ double standard. উপাধ্যক্ষ ডাঙৰীয়া আমি যদি এতিয়া লোকেল চুপাৰী আনিবলৈ ফ্ৰি কৰি দিওঁ, তাৰ নামত চোৰৰ ছয়টা মনেৰে চোৰে আকৌ বাৰ্মিজ চুপাৰী আনিব তেতিয়া কংগ্ৰেছ দলে ইয়াতে প্ৰেছমিট পাতি ক'ব এইখন চৰকাৰে বাৰ্মিজ চুপাৰীৰ চিণ্ডিকেট চলাইছে। So, this is again also a example of double standard. গতিকে যোৱাবাৰ যেতিয়া আমি কৰিব খুজিছিলো, আমি লোকেল চুপাৰী আনিবলৈ আৰম্ভ কৰিব খুজিছিলো, কংগ্ৰেছ দলে গুৱাহাটীত প্ৰেছমিট পাতি কলে এইখন চৰকাৰে বাৰ্মিজ চুপাৰীৰ চিণ্ডিকেট কৰিব খুজিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, কমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়া, কংগ্ৰেছ দলৰো ৰৱকিং প্ৰেচিডেন্ট, তেখেত সকলে আমাক কওঁক কংগ্ৰেছ দলৰ পৰা যে লোকেল চুপাৰী আৰু বাৰ্মিজ চুপাৰীৰ পাৰ্থক্য কি? লোকেল চুপাৰী আমাক চলাব দিয়ক, আমি একো নকওঁ। লোকেল চুপাৰীৰ নামত যদি কোনোবাই এটা দুটা চোৰ কৰে, আমিটো কঠোৰ ভাবে ব্যৱস্থা লৈ আছো। ৫৯ টা কেচ ইতিমধ্যে পঞ্জীয়ন হৈছে। ৪৮ শতাংশ লোক এৰেষ্ট কৰা হৈছে আৰু ৯৬৫ টন চুপাৰী জব্দ কৰিছো। কিন্তু আমাৰ ভয় এইটোতে যে আমি যদি লোকেল চলাব দিওঁ তাৰ নামত কোনোবা চোৰে চোৰ কৰি বাৰ্মিজ চুপাৰী আনিব, কংগ্ৰেছ দলে এটা নাটক কৰি ক'ব আমুক আমুক চিণ্ডিকেটত জড়িত। আমি সেই ধৰণৰ অপবাদ ল'ব খোজা নাই, তাৰ কাৰণে আমাৰ কিছু সমস্যা আছে, আমাৰ সমস্যাৰ কথা স্বীকাৰ কৰিছো। আপোনালোকে এটা কাম কৰক যে Double standerd দেখাওক। কোনোবাই কয় চলিব লাগে, কোনোবাই কয় চলিব নালাগে। আপুনি বৰাক ভেলীৰ এজন প্ৰতিনিধি। বৰাকভেলী ৰাইজৰ কথা চিন্তা কৰি কথা ক'ব। আপোনালোকৰ দলৰ সকলোকে কওঁক যে চলিব লাগে। কিন্তু মিছা অপবাদ আপোনালোকে দিব নোৱাৰিব। সেইটো যদি আপোনালোকে গেৰান্টি লয়, আমি লোকেল চুপাৰী প্ৰছেচিং কৰি হওঁক বা অন্য প্ৰকাৰেই হওঁক চলিবলৈ দিম, সদনক প্ৰতিশ্ৰুতি দিলো।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া মাননীয় সদস্য সুমন হৰিপ্ৰিয়া।

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া, (হাজো) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই আজি সদনত এনেকুৱা এটা বিষয় উত্থাপন কৰিব বিচাৰিছো যে যিটো ১০ চেপ্তেম্বৰ তাৰিখত হোৱা চুইচাইডৰ ঘটনা। আত্মহত্যাৰ কাৰণে আমাৰ সমাজৰ কিমান ভাল ভাল মানুহ নাইকীয়া হৈছে, অভিজ্ঞ মানুহ নোহোৱা হৈ গৈছে,.......হুলস্থুল..... এইটো এটা সমাজৰ বাবে গুৰুত্বপূৰ্ণ বিষয়। কাৰণ আমাৰ সমাজত ইমান ভাল ভাল ব্যক্তি নোহোৱা হৈ গ'ল। আজি শূণ্যকালীন ঘন্টাত এই বিষয়টো উত্থাপন কৰিব দিয়া বাবে মই ভাল পাইছো। মই ভাবো আত্মহত্যাৰ ঘটনাকলৈ এদিন আমি বিশেষ অধিবেশন পাতিব লাগে। ইমান আত্মহত্যা হৈছে, অসমতেই নহয়, গোটেই ভাৰতবৰ্ষত। চাবলৈ গ'লে ইয়াৰ যদি ৰেকৰ্ড চাই চকু ঠিয় হৈ যাব। মোৰ ৰেকৰ্ড মতে ৭ লাখ লোক আত্মহত্যাৰ বলি হৈছে। আত্মহত্যা ইমান কৰিছে কিয়? ধৰি ললো কাৰ কাৰণে মোৰ ফাইনেঞ্চিয়েল লষ্ট হ'ল? আমাৰ ক'ৰোণাৰ কাৰণে আমাৰ ফাইনেঞ্চিয়েল লষ্ট হ'ল ২০-২১ বৰ্ষত তাৰ কাৰণে বহুতে আত্মহত্যা কৰিছো, সেইটো আমি ৰিপোৰ্ট পাইছো। কাৰণ ফাইনেঞ্চিয়েল লষ্ট অন্যতম কাৰণ চুইচাইডৰ কাৰণে। ক'ৰোণাৰ কাৰণে বহুতৰে ব্যৱসায় নোহোৱা হৈছে, কিন্তু মানসিক ৰোগী ইমান বাঢ়িছে কিয়? এইটো

এটা চিন্তনীয় বিষয় । আজি যি সকল বিধায়কে কথা কৈ আছে কমলাক্ষ দে পুৰকায়স্থৰ নিচিনা, আজি শুনিব লাগিছিল বা আলোচনাত অংশ গ্ৰহণ কৰিব লাগিছিল । কাৰণ আপোনালোকৰ সমাজতো আত্মহত্যা হৈছে। কিন্তু কৰে কিয় ? সচাঁকৈ দুখ লাগে। মই নিজৰ ফালৰ পৰা এটা চেষ্টা কৰিছো, হেলো মা নামৰ এটা এটা গ্ৰুপ খুলি মই ভাবিছিলো যে আত্মহত্যা কৰা সকলে আগতে ফোন কৰিব বাচিবৰ কাৰণে, ফোন নকৰে। চুইচাইড কৰা সকলে কেতিয়াও ফোন নকৰে। কাৰণ এইটো এটা মানসিক বেমাৰ। কিছুমানে বিশেষভাবে আলোচনাও কৰিছে যে হয়তো বহুতে বহু দিন মানসিক ৰোগত আক্ৰান্ত হৈ চুইচাইড কৰে। যি সকলে চুইচাইড কৰে চাব আপোনালোকে যে বহুতে অকলশৰীয়াকৈ থাকে । বহুদিন যদি কোনোবাই অকলশৰীয়াকৈ থাকে উপাধ্যক্ষ মহোদয় বা আজিকালি Isolation is major cause of suicide কাৰণ আগতে যৌথ পৰিয়াল আছিল, সকলোৱে একেলগে থাকে বুলি ক'ব পাৰি। দুখ দুৰ্দশা বিলাক আলোচনা কৰিছিল, মনৰ যিবিলাক সমস্যা আছে সেইবিলাক আলোচনা কৰিছিল। আজিকালি চেয়াৰ কৰিবলৈ মানুহ নোহোৱা হৈ গ'ল। সকলো একক একক পৰিয়াল বেলেগে বেলেগে থাকে। কাৰ লগত চেয়াৰ কৰিব। গিৰীয়েক ঘৈনিয়েক যদি একেলগে থাকে দিনটো কাজিয়া লাগে। কিবা মতানৈক্য হয়। গতিকে আজিকালি সেই কথা ক'বলৈ মানুহ নাইকীয়া হ'ল। এতিয়া মোবাইল ফোন আহিছে এতিয়া কাৰ লগত কথা পাতিব। আজিকালি যুৱপ্ৰজন্মই পৰীক্ষা বেয়া হোৱাৰ লগে লগে চুইচাইড কৰে। কিছুদিন আগতে সৰু সৰু ল'ৰা ছোৱালীয়ে পানীত জাপ মাৰি চুইচাইড কৰে । প্ৰেমত ব্যাঘাট হ'লে মৰে। যি সকলে মানসিক ৰোগত চুইচাইড কৰে সেই সকল লোকে বহুদিন ধৰি চুইচাইডৰ কথাটো ভাবি থাকে যে মই মৰিম আৰু তেনেকুৱা ব্যক্তি সকল কিন্তু অকলশৰীয়াকৈ থাকে। গতিকে আমাৰ যিবিলাক ঘৰৰ মানুহ বা সমাজৰ মানুহ, সেইবিলাকৰ ডাঙৰ কৰ্তব্য আছে । যদি কোনোবা ল'ৰা ছোৱালী বা মানুহে হাহি ফূৰ্তি কৰি থাকে এতিয়া হাহি ফুৰ্তি নহোৱা হৈ গ'ল, নহহা হৈ গ'ল, কথা নপতা হৈ গ'ল, তাৰ যিটো এটা পৰিবৰ্তন, সেই পৰিবৰ্তনটো নোহোৱা হৈ গ'ল, আমি লক্ষ্য কৰিব লাগে । ঘৰৰ মানুহে লক্ষ্য কৰিব লাগে আৰু সমাজৰ মানুহে লক্ষ্য কৰিব লাগে। আজিকালি সমাজৰ মানুহে কিন্তু বেলেগৰ কথা লক্ষ্য নকৰে। এইটো কিন্তু বেয়া কথা। আমাক আগৰ দিনৰ চচাইয়িটিতো লাগে এতিয়া । চুইচাইডৰ কাৰণতেই হওঁক বা যিকোনো কাৰণতেই হওঁক, আগৰ চচাইতি বিলাক ঘুৰি আহিব লাগে। য'ত সমাজৰ ল'ৰা-ছোৱালী বিলাক যদি কৰবাত গৈছে তেতিয়া আমি শুধিব লাগে যে ক'ত যাৱ, আজিকালি কোন ক'ত গৈছে ওচৰৰ মানুহে নাচায়। কাষৰ ৰুমত কোন থাকে ওচৰৰ মানুহে নাজানে। সেই কাৰণে আমি এইটো সমাজত থাকিব নিবিচাৰো, আগৰ দিনত সকলোৱে মিলাপ্ৰিতী কৰি আছিল, কাৰ কি সমস্যা হৈছে, এই ল'ৰাটোৱে আগতে হাঁহি আছিল আজিকালি কিয় নাহাহে, আগতে সেই কেইজন ব্যক্তিয়ে আমাৰ লগত গধুলি মেল মাৰিছিল, আজিকালি কিয় নামাৰে, সেই যিটো মানসিক পৰিবৰ্তন ঘৰে বা সমাজে লক্ষ্য কৰিছিল, সেইটো যদি আমি লক্ষ কৰো তেতিয়াহ'লে আমি গম পাম যে ইয়াৰ এটা মানসিক পৰিবৰ্তন আহিছে আৰু ই হয়তো তেনেকুৱা পৰ্য্যায়লৈ যাব পাৰে । স্কুল কলেজ বিলাকত মই ভাবো ষ্ট্ৰেচ মেনেজমেন্ট বিষয়টোৰ ওপৰত এটা গুৰুত্ব দিয়া উচিত যে এই ল'ৰা-ছোৱালী বিলাকে মানসিক চাপটো কিয় বেছি সময় হেণ্ডল কৰিব নোৱাৰে । যদি মানসিক ৰোগী হয় তেতিয়াহ'লে বেলেগ কথা, যদি মানসিক ৰোগী নহয়, তেনেকুৱা বহুত আছে, মানসিক ৰোগী নহয় কিন্তু তেওঁলোকে impulse ত চুইচাইড কৰে। impulse মানে প্ৰৱণতাটো পটককৈ আহি যায়। খং উঠিল জপিয়াই দিওঁ ওপৰৰ পৰা। যিসকলে এবাৰ চুইচাইড attempt কৰে তেওঁলোকে পিছত আৰু চুইচাইড নকৰে এই কথাটো

আমাৰ ৰিপোৰ্টত দেখা গৈছে। কিন্তু তেওঁলোকক আমি অবজাৰ্ভ কৰি থাকিব লাগিব। মই WHO ৰ ৰেকৰ্ডটো কৈ দিওঁ যে এতিয়া লৈকে ২০১৯ ত ২৩৭০ চুইচাইড কেচ হৈছে, ২০২০ ত আকৌ বাঢ়ি গৈ ৩,২৪৩ হ'ল। প্ৰতি ৪০ চেকেণ্ডত এজনে চুইচাইড কৰে আৰু প্ৰতি ৮০ চেকেণ্ডত ২০ জনে চুইচাইড attempt কৰে। গতিকে আজি সংবাদ মাধ্যম আছে, আমাৰ সমাজৰ প্ৰতিনিধি সকল আছে, মই আহ্বান কৰিম যে সকলো সজাগ হওঁক, স্কুল-কলেজৰ ল'ৰা-ছোৱালী বা যিসকলেই হওঁক মাননীয় অধ্যক্ষ মহোদয়, মাননীয় উপাধ্যক্ষ মহোদয়, আমি যেনেদৰে শিক্ষাৰ কাৰণে আলোচনা কৰিলো তেনেদৰে চুইচাইডৰ বিষয়েও আলোচনা কৰিব লাগে। এইটো এটা মানসিক ৰোগ। This is the fourth major reason of death in the world. কেঞ্চাৰতকৈও ডাঙৰ। গতিকে হৈ বিষয়ত এটা আলোচনা ৰ বাবে অনুৰোধ কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** চুইচাইড বা চুইচাইডেল টেণ্ডেঞ্চী it is already established Psycretic illness. মন্ত্ৰী মহোদয়।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি মাননীয়া বিধায়িকা শ্ৰীমতী সুমন হৰিপ্ৰিয়া ডাঙৰীয়াণীয়ে এটা গুৰুত্বপূৰ্ণ বিষয় সদনৰ মজিয়াত উত্থাপন কৰিছে আৰু তাৰবাবে অধ্যক্ষ মহোদয়ে অনুমতি দিয়াৰ বাবে মই তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো। Mental Health ৰ বিষয়ে ক'বলৈ গ'লে Mental Health ত যথেষ্ট পৰিমাণে আজি গুৰুত্ব দিয়া হৈছে। আগৰ যিটো ধাৰণা আছিল, এই গোটেই ধাৰণাটোৰে সলনি কৰা হৈছে। এটা সময়ত আত্মহত্যাটো এটা দণ্ডণীয় অপৰাধ আছিল। আই.পি.চি ৩০৯ ৰ মতে এইটো দণ্ডনীয় আছিল। ২০১৭ চনত যেতিয়া Mental Health Care Act নতুনকৈ আনিলে আৰু Mental Health Care Act ২০১৭ ৰ পিছত এইটো এটা ৰোগ হিচাপে চিহ্নিত কৰিবলৈ লৈছো আৰু ৰোগ হিচাপে ইয়াক আমি কি ধৰণে নিৰাময় কৰিব পাৰো সেই বিষয়টো ইতিমধ্যে এই ধাৰণাৰে আজি সমাজখন, দেশখন বা চৰকাৰখন আগবাঢ়িছে। এতিয়া বিভিন্ন কাৰণত মানুহৰ আত্মহত্যাৰ প্ৰবণতা হয় বুলি আমাৰ বিশেষজ্ঞ সকলে কয়। ডিপ্ৰেশ্যনত হয়, চাইক'চিচত হয়, ইম্পলচিভত হয়, ড্ৰাগ এডিকশ্যনত হয় আৰু অন্যান্য ডিচঅৰ্ডাৰত হয়। গতিকে বিভিন্ন ধৰণে হয়। ইয়াত বহু প্ৰভাৱ থাকে। বিশেষজ্ঞ সকলৰ মতে এইটো অকনমান কম সময়ৰ চিন্তা। বহুত দীঘলীয়া চিন্তা নহয়। সেই সময়তো কেনেবাকৈ বাৰণ কৰিব পাৰিলে, তেওঁৰ চিন্তাটো দূৰ কৰিব পাৰিলে সেই সময়ত যদি প্ৰপাৰলি পোৱা যায় তেতিয়াহ'লে আত্মহত্যাৰ পৰা মানুহক বচাব পাৰি। এতিয়া ২০১৭ ৰ যিখন Mental Health Care Act, এই এক্টৰ অধীনত National Mental Health Program চিহ্নিত কৰা বা নিৰ্দ্ধাৰিত কৰা হৈছে আৰু আমি ৰাজ্যখনতো District Mental Health Programme Unit হিচাপে আমি জিলা সমূহত একোখনকৈ ইউনিট ইতিমধ্যে গঠন কৰিছো আৰু সেইমতে কাম-কাজ আৰম্ভ কৰিছো। এতিয়া জিলা পৰ্য্যায়ত জিলা মানসিক স্বাস্থ্য কাৰ্য্যসূচীৰ অধীনত প্ৰতিটো সজাগতা কাৰ্য্যকলাপ শিবিৰ আত্মহত্যা আৰু আত্মহত্যা প্ৰতিৰোধৰ বিষয়ে সজাগতা সৃষ্টি কৰাৰ কাৰণে বিভিন্ন কাৰ্য্যসূচী গ্ৰহণ কৰা হৈছে। আমি যদি চাওঁ ২০২১-২২ চনত এনেধৰণৰ ২৩৭১ টা কাৰ্য্যকলাপ আছিল। ২০২২-২৩ চনৰ এই বৰ্ষৰ এতিয়ালৈকে ৪৩৩ টা হৈছে। চলিত বৰ্ষত আমাৰ ১০ ডিচেম্বৰটো আত্মহত্যা প্ৰতিৰোধ দিৱস হিচাপেও উদযাপন কৰা হৈছে য'ত জিলা সমূহৰ ৰাজ্যিক মুখ্য কাৰ্য্যালয়ত এই সম্পৰ্কত বিভিন্ন কাৰ্য্যসূচী লোৱা হৈছে। আমি তাত মনোৰোগ বিশেষজ্ঞ, মনোবিজ্ঞানী আৰু মনোৰোগ সমাজকৰ্মী এনেধৰণৰ কিছুমান ব্যক্তিক সংযুক্ত কৰিছো যাতে মনোৰোগ সমাজ কৰ্মীয়ে ইয়াত কথাবিলাক চিহ্নিত কৰি মনোৰোগ বিশেষজ্ঞ বা

মনোবিজ্ঞানীৰ ওচৰলৈ আনি তেওঁলোকৰ counselling বা অন্যান্য কিবা ডেফিচিয়েঞ্চী আছে নেকি তাৰ কাৰণেও মেডিচিন দিয়া পয্যন্ত কিছু কাম আমি কৰাৰ বাবে আগবাঢ়িছো। এতিয়া যোৱা ২০২১-২২ চনত সংখ্যা হিচাপে দেখিছো এইবছৰটোত আমাৰ ইয়াত সাধাৰণ মানসিক বিকাৰগ্ৰস্ত সংখ্যা হৈছে ২৫,১০৮ জন আৰু গুৰুতৰ মানসিক বিকাৰগ্ৰস্তৰ সংখ্যা হৈছে ১৭,৪১৫ জন। মুঠতে যোৱা ২০২১-২২ বৰ্ষত ৪২,৫২৩ জন মানসিক ৰোগী আমি পাইছো। গতিকে এনেধৰণৰ এটা সমীক্ষা চলাই চাওঁতে দেখা গৈছে যে আমাৰ ভাৰতবৰ্ষত গোটেই নেশ্যনেল ক্ৰাইমবোৰৰ যিখন লিষ্ট ওলাইছে তাত ১১,৩৯৬ গৰাকী শিশুয়ে ২০২২ চনত ভাৰতবৰ্ষত আত্মহত্যা কৰিছে। ২০১৯ চনৰ তুলনাত এইবাৰ ১৮ শতাংশ বেছি হৈছে আৰু ২০১৮ চনৰ তুলনাত ২১ শতাংশ বেছি হৈছে। গতিকে সমীক্ষামতে প্ৰতি ২৪ ঘণ্টাত ৩৬ জন যুৱক -যুৱতীয়ে আত্মহত্যা কৰে। আমাৰ ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ যিখন আইন সেই আইনখনৰ মতে আমি যিখিনি ব্যৱস্থা লৈছো, নেশ্যনেল ক্ৰাইমৰ বাজটতো Mental Health Programme of India বা Tele Mental Health Assistance Networking Across the State এইবিলাক কথা আমাৰ ইতিমধ্যে অ'ডিও-ভিডিঅ' প্ৰগ্ৰেমৰ দ্বাৰা কৰা হৈছে। Tele Medicine Consultation ৰ counselling হৈছে আৰু ইয়াৰ পৰা আমি দেখিছো ৮০ শতাংশ সমস্যা কমিছে আৰু আমি তেওঁলোকক পাবলৈ সক্ষম হৈছো। ইয়াৰ উপৰিও অসম চৰকাৰে নৰ্থ-ইষ্টৰ কাৰণে আৰু এটা কাম কৰিবলৈ লৈছে। সেইটো হৈছে লোকপ্ৰিয় গোপীনাথ বৰদলৈ যিখন মেণ্টেল ইন্সটিটিউট তেজপুৰত আছে সেই অনুষ্ঠানখন বাংগালোৰৰ যিখন NIMHANS ৰ দৰে হুNational Institute of Mental Health and Neuro Science সেই পৰ্য্যায়লৈ উন্নীত কৰিবলৈ আজি কিছুদিন আগতে ২৯ তম Board of Governor ৰ মিটিং হৈছিল। তাত মই উপস্থিত আছিলো। তাৰ চেয়াৰমেন আছিল আমাৰ কেন্দ্ৰীয় চৰকাৰৰ স্বাস্থ্যমন্ত্ৰী আৰু ভাইচ চেয়াৰমেন আছিল আমাৰ সন্মানীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া। নৰ্থ-ইষ্টৰ আটাইবোৰ মন্ত্ৰী ইয়াৰ সদস্য আছিল। এই Institute টোৰ আমাৰ প্ৰস্তাৱ আছিল যে Institute of National Importance আৰু এই Institute টোক আই.আই.টি, NIMHANS আদি এনেকুৱা ধৰণৰ পৰ্য্যায়লৈ লৈ যোৱাৰ কাৰণে। Institute of National Importance হ'বলৈ হ'লে পাৰলিয়ামেণ্টত এক্ট হিচাপে পাচ হ'ব লাগিব। গতিকে এই প্ৰস্তাবটোক মই নিজে তেজপুৰত গৈ তেওঁলোকৰ লগত দীঘলীয়া মিটিং পাতি, তেওঁলোকৰ প্ৰস্তাৱসমূহ ইতিমধ্যে আনি ৰাজ্য চৰকাৰৰ পৰা প্ৰেৰণ কৰিবলৈ ঠিক কৰিছো। যাতে এইখন Institute of National Importance হয় আৰু তেতিয়া আমি Mental Health side ত বিশেষকৈ North East আৰু অসমৰ লৈ যথেষ্টখিনি সকাহ পাম আৰু Bangalore ৰ NIMHANS পৰ্যায়লৈ যাব আৰু NIMHANS পৰ্যায়লৈ গলে আমাৰ এই যিবিলাক সমস্যা, এই সমস্যাবিলাক যথেষ্টখিনি অতি ওচৰৰ পৰা পৰিত্ৰাণ পাবলৈ সক্ষম হম। গতিকে ৰাজ্য চৰকাৰে, মাননীয় মুখ্যমন্ত্ৰী নিৰ্দেশত আমি আগবাঢ়িছো।

**মাননীয় উপাধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া এই বিষয়টো খুব গুৰুত্বপূৰ্ণ। কিন্তু সময়ৰ অভাৱৰ কাৰণে ইয়াৰ ওপৰত আলোচনা কৰিব পৰা নাযাব। এই বিষয়টো যদি আৰু বেলেগ device ত আনি আলোচনা কৰিব পৰা যায়, মই ভাৱো ভৱিষ্যতলৈ আমাৰ লাভ হ'ব।

আৰু এটা social media ত যিটো mentally যিবিলাক দূৰ্বল ব্যক্তি থাকে, তেখেতসকলক motivate কৰিবলৈ, suicide কৰিবলৈ encourage কৰা হয়। এইটো এটা বিষয়ত আমি ধ্যান দিব লাগে। ধন্যবাদ।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ এটা point of order আছিল। আজি যিটো দেখা পালো যে আমাৰ সন্মানীয় সদস্য ৰমেন্দ্ৰ নাৰায়ন কলিতা ডাঙৰীয়াই দীপৰবিল সম্পৰ্কত এটা গুৰুত্বপূৰ্ণ বিষয় (গুৱাহাটী মহানগৰ অৰ্থাৎ আমাৰ উত্তৰ-পূৰ্ব্বাঞ্চল প্ৰৱেশ দুৱাৰ) উত্থাপন কৰাৰ সময়ত বিৰোধী সকলে হুলুস্থুল পৰিৱেশ এটা সৃষ্টি কৰিলে। মই কব খুজিছো যে কংগ্ৰেছ চৰকাৰৰ সময়ত যিবোৰ কেলেংকাৰী আছিল, যেনে গড় হত্যা। গতিকে মই আপোনাক অনুৰোধ কৰিব খুজিছো যে গড় হত্যাৰ ওপৰত এটা তদন্ত হ'ব লাগে।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া Item No. 2, under Rule 54, মাননীয় সদস্য শ্ৰী ৰূপক শৰ্মা।

**শ্ৰী ৰূপক শৰ্মা, নগাঁও** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলী ৫৪ নং নিয়মৰ অধীনত - "খৰাং সদৃশ নগাঁও, ১১ হেজাৰ হেক্টৰ কৃষিভূমিত ৰোপন কৰিব নোৱাৰিলে কঠিয়া" এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিবৰ দিয়াৰ বাবে মই উপাধ্যক্ষ মহোদয়ক ধন্যবাদ জনাইছোঁ।

মাননীয় উপাধ্যক্ষ মহোদয়, অসম এখন কৃষি প্ৰধান ৰাজ্য আৰু বেছি ভাগ মানুহে কৃষিৰ সৈতে জড়িত। সেই কাৰণে নগাঁও জিলাৰ প্ৰায় ৮০ শতাংশ মানুহ কৃষিৰ ওপৰত নিৰ্ভৰশীল। নগাঁও জিলাত সৃষ্টি হোৱা খৰাং সদৃশ পৰিস্থিতিয়ে কৃষক সকলক শংকা কঢ়িয়াই আনিছে। জিলাখনৰ ৪২১ খন গাঁৱৰ প্ৰায় ২৩ হাজাৰ কৃষক পৰিয়ালৰ প্ৰায় ১২ হাজাৰ হেক্টৰ কৃষি ভূমিত খৰাং সদৃশ পৰিবেশৰ সৃষ্টি কৰিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, চলিত বৰ্ষৰ ১৮ মে আৰু ১৯ জুনত ধাৰাবাহিক ভাৱে হোৱা দুটা অনাকাংক্ষিত প্ৰলয়ংকাৰী বানপানীৰ ফলত নগাঁও জিলাৰ বিভিন্ন প্ৰান্তৰ লগতে আমি প্ৰতিনিধিত্ব কৰা নগাঁও সদৰ সমষ্টিৰ গৰিষ্ঠ এলেকাত জলপ্ৰলয়ৰ সৃষ্টি হৈছিল। খুব কম সময়ৰ ভিতৰতে হোৱা দুটা বানপানীয়ে নগাঁও জিলাখনৰ বিস্তৰ অঞ্চলৰ ক্ষতিসাধন কৰিছিল। ইতিমধ্যে আমাৰ চৰকাৰে বানপানীৰ সময়ত যথেষ্ট সংবেদনশীল আছিল। এই ভয়াবহ বানৰ মাজতো আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়, ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া লগত জলসম্পদ মন্ত্ৰী শ্ৰীপীযুষ হাজৰিকা ডাঙৰীয়া আৰু কৃষি মন্ত্ৰী শ্ৰী অতুল বৰা ডাঙৰীয়াই সেই সময়ত নগাওঁ জিলাৰ বান বিধস্ত এলেকা ভ্ৰমণ কৰি ক্ষতিগ্ৰস্ত হোৱা লোকক বিভিন্ন ধৰণৰ চৰকাৰৰ ফালৰ পৰা সাহাৰ্য্য বিতৰণ কৰিছিল।

মাননীয় উপাধ্যক্ষ মহোদয়, এই যি ওপৰা-ওপৰিকৈ দুটা বানপানী আহিলে, যাৰ ফলত নগাঁও জিলাত প্ৰায় ১৮ হাজাৰ হেক্টৰ কৃষিভূমি ক্ষতিগ্ৰস্ত হোৱাৰ লগতে মোৰ নিজা সমষ্টিতো বহু হেক্টৰ কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছিলে। মোৰ সমষ্টিত বহুতো মুল আৰু উপ পথ, দলং আৰু সমষ্টিবাসীৰ গৃহ বিধস্ত হৈছিল। কিন্তু আটাইতকৈ দুৰ্ভাগ্যজনক বিষয় যে সমষ্টিটোৰ বহু অঞ্চলত শালি খেতি কৰা সময়তে পথাৰ সমূহ প্লাৱিত হৈ পৰাৰ বাবে মূখ্যতঃ কৃষিজীৱী ৰাইজে নিজৰ মাটি দৰাত সময়ত ভূঁই ৰুব পৰা নাছিলে। অৱশ্যে পৰিস্থিতিৰ লগত যুঁজি কৃষক ৰাইজে শেষ এটা চেষ্টা কৰি কিছু কিছু ঠাইত কঠিয়া সিঁচি ৰোপন কৰাৰ চেষ্টা ৰাখিছিল যদিও সেইসময়ৰ পৰা যি খৰাং সদৃশ পৰিৱেশ সৃষ্টি হ'ল যাৰ কাৰণে প্ৰায় জুন মাহৰ পৰা বৰষুণ হোৱা নাছিল। এই দীঘলীয়া সময়ত বৰষুন নোহোৱৰ ফলত পথাৰ বিলাক শুকাই গৈছিলে, যাৰ ফলত পানীৰ অভাৱত পথাৰ বিলাকত বনৰীয়া ঘাঁহ বন গজি ফাল মেলিছিলে। বানত যেনেকৈ সমগ্ৰ নগাঁও জিলাত ১৮ হাজাৰ হেক্টৰ কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছিল, ঠিকতেনেকৈ প্ৰায় ১২ হাজাৰ কৃষিভূমি খৰাঙৰ কবলত পৰিছে। নগাঁও জিলাত খৰাঙৰ ফলত সৃষ্টি হোৱা পৰিৱেশ সন্দৰ্ভত ইতিমধ্যে বিভিন্ন সংবাদ মাধ্যমত বাতৰি

প্ৰকাশ পাইছে। আৰু যি খৰাং পৰিৱেশ তাৰ ফলত আমি যদি চাওঁ, আমি দেখা পাওঁ যে যদিও কৃষি বিভাগৰ হাতত প্ৰায় ১২ হাজাৰ হেক্টৰ কৃষিভূমি খৰাং হোৱা বিষয়ৰ ডাটা আছে তাৰ লগতে জলসিঞ্চন আৰু কৃষি বিভাগ এই দুটা বিভাগৰ মাজত যিহেতু সমন্বয়ৰ অভাৱ, যাৰ ফলত তেওঁলোকে কৃষি বিভাগৰ পৰা ডাটা নোলোৱাৰ ফলতে হওঁক বা তেওঁলোকৰ মাজত যি ধৰণে কৃষি মাজত যি পানী প্ৰয়োজন হয়, জলসিঞ্চনৰ ফালৰ তেওঁলোকে উপযুক্ত ভাবে দিয়া আমি দেখা পোৱা নাই।

ইতিমধ্যে নগাঁও জিলাৰ চৰকাৰী তথ্য মতে ধিং কৃষি চক্ৰত প্ৰায় ৮০ হেক্টৰ, নগাঁও সদৰ কৃষি চক্ৰত ১১৩২ হেক্টৰ, ৰূপহী কৃষি চক্ৰত ২৮২১ হেক্টৰ, কামপুৰ কৃষি চক্ৰত ৬৫৫ হেক্টৰ, ৰহা কৃষি চক্ৰত ২৬১ হেক্টৰ, চামগুৰি কৃষি চক্ৰত ৩৮২২ হেক্টৰ আৰু কলিয়াবৰ কৃষি চক্ৰত ২৭২০ হেক্টৰ কৃষিভূমি ভয়াৱহ বানৰ পিছত খৰাঙৰ কবলত পৰিছে।

আমাৰ দুটাকৈ বান আহি বানে ক্ষতিগ্ৰস্ত কৰাৰ পিছত আমি দেখিবলৈ পাইছো যে খৰাঙ যেতিয়া হৈছে বিশেষকৈ মোৰ অঞ্চল দেওধৰ, নৈনে, দক্ষিণ পাট, শেনছোৱা, কাছমাৰী আদি অঞ্চলৰ লগতে হাতীচোং, জাজৰি, চকলাঘাটকে ধৰি বহু অঞ্চল খৰাঙৰ কবলত পৰিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ এটা অনুৰোধ থাকিলে যিহেতু আমি যোৱা বছৰ সৰুপথাৰতো এইদৰে খৰাঙ হোৱাৰ পিছত সেই অঞ্চলটো খৰাঙবিহিত অঞ্চল হিচাপে ঘোষণা কৰিছিলে। নগাঁওত ইতিমধ্যে প্ৰায় ১২ হাজাৰ হেক্টৰ কৃষিভূমি খৰাঙৰ কবলত পৰিছে। মাননীয় কৃষি মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিম যে এই অঞ্চলসমূহ খৰাঙ বিহিত অঞ্চল হিচাপে ঘোষণা কৰিব লাগে আৰু কৃষিৰ যি উপযুক্ত ক্ষতিপূৰণ, সেই ক্ষতিপূৰণ দিয়াৰো ব্যৱস্থা কৰিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, মই আৰু এটা কথা কব খুজিছো শালি ধানৰ খেতি যিধৰণে আমাৰ প্ৰাকৃতিক দুৰ্য্যোগৰ ফলত ক্ষতিগ্ৰস্ত হৈছে, ইয়াৰ পিছত যিটো শীতকালীন খেতি অৰ্থাৎ ৰবি শস্য ওপৰত আমাৰ কৃষক সকলক উদগনি যোগাব লাগে। বিশেষভাৱে ব্যাপক চৰকাৰে সৰিয়হৰ খেতিৰ ওপৰত জোৰ দিব পাৰে ভাল হয় আৰু বৃহত্তৰ নগাঁও জিলাৰ কৃষি প্ৰধান অঞ্চল বা কৃষক সকলে যাতে উপকৃত হয়, তাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। মই কৃষি মন্ত্ৰী ডাঙৰীয়াক কৈছো যে আমাৰ বোকাজান বিধান সভা সমষ্টিতো যোৱা বাৰ খেতি নহ'ল, কৃষকে কোনো ধান নাপালে। এইবাৰো বৰষুণ হোৱা নাই, খেতিহোৱাৰ খুব সম্ভাৱনা কম। আপোনাক বিষয়টো বিবেচনা কৰিব আৰু উত্তৰ দিবলৈ অনুৰোধ জনালো।

**শ্ৰী অতুল বৰা, কৃষি মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, নগাঁও বিধান সভাৰ সমষ্টিৰ মাননীয় বিধায়ক ৰূপক শৰ্মা ডাঙৰীয়াই যোৱা ১২ চেপ্তম্বৰ তাৰিখে 'খবৰ' কাকতত প্ৰকাশিত "খৰাং সদৃশ নগাঁও, ১১ হেজাৰ হেক্টৰ কৃষিভূমিত ৰোপন কৰিব নোৱাৰিলে কঠিয়া" গুৰুত্বপূৰ্ণ বিষয়টো সন্মানীয় সদনৰ মজিয়াত এক জাননী যোগে উত্থাপন কৰিছে। মই তেখেতেক ধন্যবাদ জনাইছোঁ, এটা গুৰুত্বপূৰ্ণ বিষয় তেখেতে আজি সদনৰ মজিয়াত উত্থাপন কৰিছে।

আমি সকলোৱে জানে যে অসমৰ কৃষকে প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰিয়ে দীৰ্ঘদিন ধৰি চলি আহিছে। বাৰিষা আহিব, কৃষক পথাৰলৈ ওলাব। কাৰণ অসমৰ গৰিষ্ঠ সংখ্যক কৃষকে ধান খেতি কৰে। কিন্তু শেহতীয়া ভাৱে বিশ্বজুৰি জলবায়ুৰ ব্যাপক পৰিবৰ্তন ঘটিছে। এই পৰিবৰ্তনে পৃথিৱীৰ বিভিন্ন দেশক স্পৰ্শ কৰাৰ উপৰিও অসমকো বাৰুকৈয়ে স্পৰ্শ কৰা এইবাৰ অসমবাসীয়ে প্ৰত্যক্ষ কৰিছে। তাত স্পষ্ট উদাহৰণ হ'ল ২০২২ বছৰটোত দুটা প্ৰলংয়কাৰী বানপানীয়ে সমগ্ৰ

ৰাজ্যখনৰেই বিস্তৰ ক্ষতি কৰি গ'ল। এটা বানপানী সচৰাচৰ যিদৰে আহে তাতকৈ আগতীয়াকৈ আহিল। ইয়াৰ কাৰণে সকলো প্ৰস্তুতে নাছিল। দ্বিতীয়টো বানাপানী পূৰ্বৰ বানপানীবোৰৰ দৰে স্বাভাবিক নাছিল। আমি দেখিলো যে এইবাৰ ডিমা-হাচাও পাহাৰীয়া জিলাখনতো বানপানীয়ে যথেষ্ট ক্ষতি কৰিলে। প্ৰথম বানপানীত ৰাজ্যখনৰ ২৯ খন জিলা আৰু দ্বিতীয়তো বানপানীত ৩৩ খন জিলাত যি তাণ্ডৱ সৃষ্টি কৰিলে আৰু সেই তাণ্ডৱৰ ফলত মুঠ ১১ হাজাৰ ২ শ ২৭ খন গাঁৱৰ ১০ লাখ ৮ হাজাৰ ৪ শ ৪৬ টা কৃষক পৰিয়াল ক্ষতিগ্ৰস্ত হয় আৰু সেই সময়ছোৱাত ৰাইজক যাতে তাৎক্ষণিকভাৱে যাতে সকাহ দিব পাৰি তাৰ প্ৰতি লক্ষ ৰাখি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিভিন্ন জিলালৈ য'ত বেছি বানপানী হৈছিল, য'ত বেছি ৰাইজৰ ক্ষতি হৈছিল সেইবোৰ জিলালৈ তেখেতৰ সতীৰ্থ মন্ত্ৰী সকলক পঠাইছিল আৰু সেইমতে মোক নগাঁৱলৈ পঠাইছিল। আমাৰ সৈতে সেই সময়ছোৱাত অতিৰিক্ত মুখ্য সচিব বুটানী ডাঙৰীয়া আছিল আৰু সঞ্চালক অনন্ত জ্ঞানীলাল ডাঙৰীয়াকে ধৰি বহুসকল বিষয়া সেই সময়ত গৈছিল। Re-verfication সময়ত প্ৰায় ৫০ জন মান বিষয়াসহ আমি তাত গৈছিলো। ক্ষয় ক্ষতিৰ এখন সঠিক ছবি আমি প্ৰত্যক্ষ কৰিছিলো। এই বানপানীৰ তীব্ৰতৰ ইমানেই বেছি যে, অসমৰ মুঠ ২ লাখ ৫৭ হাজাৰ ২ শ ২৪ হেক্টৰ কৃষি ভূমি শস্যৰ ক্ষতি হৈছে। নগাওঁ জিলাত এই বানপানীৰ ফলত মুঠ ১৮ হাজাৰ ২ শ ৯৫ হেক্টৰ কৃষি ভূমি ক্ষতি হৈছিল। বানপানীৰ ক্ষতিৰ পৰা কৃষকক সকাহ দিবলৈ সেই সময়ত নগাঁৱৰ এঠাইতে নহয়, কেইবাঠাইতো community nursery কৰিছিল। ৰাজ্যখনৰ বিভিন্ন ঠাইত আমি community nursery কৰিবৰ কাৰণে আমি instruction দিছিলো। সেইমতে বিভিন্ন ঠাইত community nursery কৰি বানপানীত ক্ষতিগ্ৰস্ত কৃষকসকল উপকৃত হৈছিল। কিন্তু ডাঙৰ কথা যে, সেই বানপানীৰ পাছতে কেইখনমান জিলাত আমি খৰাং হোৱা প্ৰত্যক্ষ কৰিলো আৰু সেই খৰাঙতে যথেষ্ট কৃষকৰ ক্ষতি হ'ল বানপানীৰ সময়ত কৃষি বিভাগে মুঠ ৪৩ হাজাৰ ৭ শ ৯৮ কুইণ্টল ধানৰ বীজৰ জৰিয়তে ১ লাখ ৯ হাজাৰ ৪ শ ৯৫ হেক্টৰ কৃষিভূমিত কঠিয়া ৰোপণৰ ব্যৱস্থা কৰিছিল আৰু বিভাগে গ্ৰহণ কৰা এই ব্যৱস্থাৰ দ্বাৰা ৰাজ্যখনৰ মুঠ ২ লাখ ৭৩ হাজাৰ ৭ শ ৩৮ টা কৃষক পৰিয়াল উপকৃত হৈছিল। কিন্তু জলবায়ুৰ পৰিবৰ্তনৰ সাক্ষৰ ৰাখি দ্বিতীয়তো বানপানীৰ তাণ্ডৱ শেষ নৌহওঁতেই ৰাজ্যখনৰ বিভিন্ন ঠাইত খৰাং সদৃশ প্ৰাকৃতিক অৱস্থাৰ ব্যাপক প্ৰভাৱ কৃষিখণ্ডত পৰিল। এই বিষয়টো আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই খুব গুৰুত্বসহকাৰে গ্ৰহণ কৰিছে বিভিন্ন সময়ত আমাৰ সৈতে আলোচনা কৰিছে আৰু তেখেতে কৈছিল যদি অহা সপ্তাহত সেই সময়ছোৱাত যিটো সময়ত আলোচনা কৰিছিলো বৰষুণ যদি নাহে, তেতিয়াহ'লে আমি অন্য বিকল্প চিন্তা কৰিব লাগিব আৰু চলিত বৰ্ষৰ জুলাই মাহৰ শেষৰ ভাগৰ পৰা আগষ্ট মাহলৈকে ৰাজ্যখনত বৃষ্টিপাতৰ পৰিমাণ কম আছিল, পিছত বৃষ্টিপাত হৈছিল আৰু এই যিকেইখন জিলা আমি খৰাং হোৱা বুলি কৈছো এই জিলাকেইখন হ'ল নগাঁও, নলবাৰী, কাছাৰ, কামৰূপ, কামৰূপ মহানগৰ আৰু গোলাঘাট সামগ্ৰিকভাৱে এই পাঁচখন জিলাৰ মুঠ ৩৪ হাজাৰ ৫২১.৫ হেক্টৰ কৃষিভূমি খৰাং সদৃশ অৱস্থাৰ কবলত পৰে আৰু এই জিলাকেইখনৰ ১ হাজাৰ ২ শ ৩৪ খন গাঁও মুঠ ৫৯,৩৬০ টা কৃষক পৰিয়ালে শালি ধানৰ খেতি কৰাৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হয়। আমি প্ৰথম বানপানী হোৱাৰ পিছত নগাঁওলৈ গৈছিলো, তেতিয়া আমি কৃষি বিভাগৰ পৰা গম পাইছিলো প্ৰশাসনৰ পৰা যে নগাওঁৰ যিসকলে আগতীয়াকৈ আহুখেতি কৰিছিল, যিসকলে বড়োখেতি কৰিছিল, যিসকলে অন্যান্য খেতি কৰিছিল, সেইবিলাকৰ সেইসময়ত যথেষ্ট লোকচান হৈছিল। তথ্য অনুসৰি শালি ধানৰ আৰম্ভণিৰ এই সময়ছোৱাত অনাবৃষ্টিৰ ফলত নগাঁও জিলাৰ ৪

শ ২১ খন গাঁওৰ ২২ হাজাৰ ২ শ ৮৫ টা কৃষক পৰিয়ালত মুঠ ১১ হাজাৰ ৪ শ ৯১ হেক্টৰ কৃষি ভূমি খৰাং সদৃশ অৱস্থাই দেখা দিয়ে আৰু নগাঁও জিলাত আগষ্ট মাহত হোৱা বৃষ্টিপাতৰ গড় পৰিমাণ হ'ল ৩ শ ২০ মিলিমিটাৰ আৰু যোৱা বছৰ অৰ্থাৎ ২০২১ চনৰ আগষ্ট মাহৰ জিলাখনত ৩ শ ৪১.৬ মিলিমিটাৰ বৰষুণ হৈছিল। কিন্তু ইয়াৰ বিপৰীতে চলিত বৰ্ষৰ ২০২২ চনৰ আগষ্ট মাহৰ জিলাখনত হোৱা বৃষ্টিপাতৰ পৰিমাণ আছিল মাথো ১৬৪ মিলিমিটাৰ। এই তথ্যই জিলাখনত হোৱা খৰাং সদৃশ অৱস্থা ন্যায্যদাক প্ৰতিপন্ন কৰে। সাধাৰণতে জুন মাহৰ পৰা জুলাই মাহৰ মাজভাগ পৰ্য্যন্ত ৰাজ্যখনৰ শালিধানৰ বীজ সিঁচাৰ সময়, জুলাই মাহৰ শেষ ভাগৰ পৰা আগষ্ট মাহত অন্যান্য জিলাকেইখনৰ লগতে নগাঁও জিলাতো যথেষ্ট কম পৰিমাণৰ বৃষ্টিপাত হৈছিল। সেয়েহে এই সময়ছোৱাত জিলাখনৰ খৰাং সদৃশ অৱস্থাৰ সন্মুখীন হোৱা অঞ্চলসমূহত শালি ধানৰ কঠিয়াতলী সমূহৰ লগতে মূল পথাৰত ৰোৱা কঠিয়া সমূহৰো বৃদ্ধি স্বাভাৱিকতে বাধাগ্ৰস্ত হৈ পৰে আৰু বহুতো অঞ্চলত মূল পথাৰত কঠিয়া ৰুৱ নোৱাৰা অৱস্থা এটাৰ সৃষ্টি হয়। মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যখনৰ খৰাং সদৃশ অৱস্থাৰ সৃষ্টি হোৱা অন্যান্য জিলা কেইখনৰ লগতে নগাঁও জিলাতো সৃষ্টি হোৱা এই পৰিস্থিতিত আমাৰ কৃষি বিভাগে গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছে আৰু এই জিলা কেইখনত খৰাং সদৃশ অৱস্থাৰ সৃষ্টি হোৱা বুলি ঘোষাণা কৰিবলৈ অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা অভিকৰণ বা Assam State Disaster Management Authority মুখ্য বিষয়াক অনুৰোধ জনাই এটা বিভাগে ইতিমধ্যে পত্ৰ প্ৰেৰণ কৰিছে। ইয়াৰ উপৰিও State Disaster Unit Fund ৰ নিয়ম অনুসৰি ক্ষতিগ্ৰস্ত কৃষকক প্ৰতিহেক্টৰ কৃষিভূমিৰ বাবে ৬ হাজাৰ ৮ শ টকা হিচাপত ক্ষতিপূৰণ আগবঢ়াবলৈ এটা প্ৰস্তাৱ চৰকাৰৰ ওচৰত বিভাগৰ জৰিয়তে দাখিল কৰা হৈছে। সামগ্ৰিকভাৱে এই প্ৰস্তাৱটোত খৰাং সদৃশ অৱস্থাৰ সৃষ্টি হোৱ ৫ খন জিলাৰ বাবে মুঠ ২৩ কোটি ৪৭,৪৬,২০০ কোটি টকাৰ ক্ষতিপূৰণ হিচাপে আগবঢ়োৱা বুলি উল্লেখ কৰা হয় আৰু এই প্ৰস্তাৱটোৰ ভিতৰতে নগাওঁ জিলাৰ মুঠ ১১,৪৯১ গৰাকী ক্ষতিগ্ৰস্থ কৃষকৰ বাবে ক্ষতিপূৰণ হিচাপে মুঠ ৭,৮১,৩৮, ৮০০ টকা আগবঢ়োৱাৰ বাবে চৰকাৰক অনুৰোধ জনোৱা হয়। ইয়াৰ উপৰিও বিভাগে প্ৰদান মন্ত্ৰী ফচল বীমা যোজনাৰ ৰূপায়ণৰ অগ্ৰাধিকাৰ ভিত্তিত গুৰুত্ব আৰোপ কৰিছে। শালি ধান খেতি কৰাৰ সময়ছোৱাৰ মাজভাগত খৰাং সদৃশ অৱস্থাই সৃষ্টি কৰা প্ৰতিকূলতাৰ বাবে যদিহে কোনো কৃষকৰ ধানৰ উৎপাদন, নিয়মীয়া উৎপাদনৰ তুলনাত ৫০ শতাংশ কম হয়, তেনেক্ষেত্ৰত শস্য বীমা কৰা কৃষকে এই ক্ষতিৰ বিপৰীতে ক্ষতিপূৰণ দাবী কৰাৰ সুবিধা আছে। এনে প্ৰতিকূল অৱস্থা যদিহে ৩০ চেপ্তেম্বৰ তাৰিখলৈ বাহাল থাকে, তেনেক্ষেত্ৰত কৃষকে বহুত ক্ষতিপূৰণৰ ২৫ শতাংশ ধন লগে লগে লাভ কৰিব বাকী থকা ক্ষতিপূৰণৰ ধন crop cutting experiment ৰ ওপৰত ভিত্তি কৰি নিৰ্দিষ্ট নীতি-নিয়মৰ ওপৰত আগবঢ়োৱা হ'ব। ৰাজ্যখনত এইবাৰ খাৰিফ বতৰত দুটাকৈ প্ৰলয়ংকাৰী বানপানী আৰু খৰাং সদৃশ অৱস্থাৰ বাবে কৃষি বিভাগে ক্ষতিগ্ৰস্ত কৃষকক ৰবি বতৰত, তেখেতে ৰবি বতৰৰ কথা উল্লেখ কৰিছে বিভিন্ন শস্যৰ বীজ যোগান ধৰি সকাহ দি আঁচনি গ্ৰহণ কৰিছে। এই আঁচনিৰ অধীনত বিশেষকৈ তাত মাকৈ উৎপাদন ভালেই হয়, মাকৈ ৰাজমাহ, বৰ্ণ শংকৰ জাতীয় ধান, মাটিমাহ, আলু পিয়াজ, নহৰু আদি মিলেটৰ ওপৰত এইবাৰ চৰকাৰে অত্যাধিক গুৰুত্ব আৰোপ কৰিছে। আমি মচুৰ মাহ, সৰিয়হ, ঘেঁহু আৰু বিভিন্ন শাক-পাছলিৰ বীজ যোগান ধৰাৰ বাবে আমি পৰিকল্পনা কৰিছো আমি আশ্বাস দিছো যাতে এই খেতি খিনি আপোনাৰ যিসকল ক্ষতিগ্ৰস্ত কৃষক তেখেতসকলে যাতে ভালকৈ কৰিব পাৰে। মই দিঘলীয়া নকৰো, আৰু এটা কথা

লগতে কৈ থওঁ যে আগতে মই কৈছিলো যে প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰে, এতিয়া চৰকাৰে ইতিমধ্যে নগাওঁ জিলাত চাৰি হাজাৰ দুশ ছয়টা অগভীৰ নলী-নাদৰ সৈতে ডিজেল চালিত পাম্পছেট দিছো। সাত শ চৌৰাশী টা অগভীৰ নলী-নাদৰ সৈতে সৌৰ শক্তি চালিত পাম্পছেট, আঠ শ বিয়াল্লিশ টা অগভীৰ নলী-নাদৰ সৈতে বিদ্যুৎ চালিত পাম্পছেট কৃষকৰ মাজত যোগান ধৰা হৈছে। কৃষি বিভাগে গ্ৰাম্য আন্তঃগাঁথনিৰ পুঁজিৰ অধীনত ৮৫ শতাংশ ৰাজ সাহাৰ্য্যৰ জৰিয়তে কৃষক ৰাইজৰ মাজত যোগান ধৰিছে। এই সমূহৰ সুবিধা ল'বলৈ আমাৰ কৃষকসকল নিশ্চয় আগবাঢ়ি আহিব।

**মাননীয় উপাধ্যক্ষ ঃ** সদন এতিয়া দুপৰীয়া ডেৰ বজালৈ স্থগিত ৰখা হ'ল।

**(সদন পূৰ্ব নিৰ্দ্ধাৰিত সময়সূচী মতে পুনৰ আৰম্ভ হয়)**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী তৰংগ গগৈ।

**শ্ৰী তৰংগ গগৈ, (নাহৰকটীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমতে মই এটা কথা ক'বলগীয়া আছিল যে আজি শূন্যকালীন ঘণ্টাত মাননীয় সদস্য কমলাক্ষ্য দে পুৰকায়স্থদেৱে এটা আনপাৰ্লিয়ামেণ্টেৰী শব্দ প্ৰয়োগ কৰিছিল। তেখেতে আমাৰ মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীক কৈছিল "You are telling a lie" . কিন্তু লোকসভাৰ অধিবেশনত প্ৰচিডিঙৰ ডিবেটৰ সময়ত You are telling a lie শব্দটো আনপাৰ্লিয়ামেণ্টেৰী বুলি কৈছে। মই ভাৱো lie, lieer শব্দবোৰ প্ৰচিডিংত অন্তৰ্ভুক্ত কৰিব নালাগে।

**শ্ৰী আশ্ৰাফুল হুছেইন, বিধায়ক (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেই একেটা প্ৰসংগতে শাসকীয় পক্ষৰ পৰাও "মিছা কথা, মিছা" আদি শব্দবোৰৰ প্ৰয়োগ কৰিছে। আপুনি যদি ৰেকৰ্ডৰ পৰা আঁতৰাই দিয়ে এই সকলোবোৰ শব্দ আঁতৰাই দিবৰ বাবে অনুৰোধ কৰিলো।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই শব্দকেইটা উঠাই দিয়াত একো আপত্তি নাই। মই ইয়াৰ লগতে আৰু এটা পজিটিভ কথা ক'বলৈ বিচাৰিছো। মাননীয় মন্ত্ৰী মহোদয় ইয়াত উপস্থিত আছে। তেখেতৰ উত্তৰটো ঠিকেই আছে। ইয়াত আমাৰ ক'বলগীয়া একো নাই। আমাৰ ইয়াত কেঁচা চুপাৰি আহে। আমাক যদি কেঁচা চুপাৰি দি দিয়ে তেনেহ'লে বাৰ্মিজ চুপাৰি অহাৰ কোনো কথা নাই।

**শ্ৰী তৰংগ গগৈ, (নাহৰকটীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই চুপাৰিৰ প্ৰসঙ্গটো অনা নাই। কিন্তু আনপাৰ্লিয়ামেণ্টেৰী শব্দ ব্যৱহাৰ কৰিব নালাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য সকল, আমাৰ তৰংগ গগৈ ডাঙৰীয়াই ইয়াত যিটো কথা দৃষ্টিগোচৰ কৰিছে এই বিষয়টো চোৱা হ'ব আৰু যদি এনেধৰণৰ শব্দ ব্যৱহাৰ হৈছে, তাক উঠাই লোৱাৰ ব্যৱস্থা কৰা হ'ব।

এতিয়া ৩০১। অজয় কুমাৰ ৰয় ডাঙৰীয়াই কওঁক।

**শ্ৰী অজয় কুমাৰ ৰয়, (বিজনী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ৩০১ ৰ অধীনত এক গুৰুত্বপূৰ্ণ বিষয়-বিদেশী ন্যায়াধিকৰণৰ জাননী আৰু অসমৰ এক জ্বলন্ত সমস্যা বিদেশী সমস্যা, এই সম্পৰ্কে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। বিদেশী সমস্যা অসমৰ আটাইতকৈ ডাঙৰ সমস্যা। এই সমস্যাটো সকলোৱে সমাধান কৰিব বিচাৰে। কিন্তু পৰিতাপৰ বিষয় যে আজিলৈকে এই সমস্যা সমাধান নহ'লগৈ। আমি কিছু কিছু সময়ত প্ৰত্যক্ষ কৰিছো যে অসমৰ বিদেশী ন্যায়াধিকৰণৰ কিছুমান জাননী আহে আৰু আমি এই বিষয়ে সকলোৱে অৱগত। বিদেশী মুক্ত অসম গঢ়াটো আমাৰ এটা বিশেষ পদক্ষেপ। কিন্তু বিদেশীৰ নামত ভাৰতীয় লোকক হাৰাশাস্তি কৰাৰ অভিযোগ

আমি নস্যাৎ কৰিব নোৱাৰো। সময়ে সময়ে দেখা গৈছে যে বিদেশী ন্যায়াধিকৰণৰ পৰা সকলো ধৰণৰ নিয়ম উলংঘা কৰি এই জাননীসমূহ প্ৰেৰণ কৰা হয়। মাননীয় অধ্যক্ষ মহোদয়, তাৰ ফলত সমাজত পিছপৰা, আৰ্থিকভাৱে দুখীয়া লোকসকলে জীয়াতু ভুগিবলগীয়া হয়। আমাৰ এনেকুৱা উদাহৰণ আছে যে অসমত বিদেশী ন্যায়াধিকৰণৰ পৰা জাননী পাই মানসিকভাৱে দুৰ্বল লোকে আত্মহত্যাও কৰিছে। মই এইখিনি কথাই সদনত তুলি ধৰিব বিচাৰিছো যে যেতিয়া ভাৰতত স্বাধীনতা আন্দোলন হৈছিল সেই আন্দোলনত বিভিন্ন জাতি-জনগোষ্ঠীৰ লগতে বেঙ্গলী সম্প্ৰদায়ৰ মানুহেও যথেষ্টখিনি ভূমিকা আগবঢ়াইছে। তেনে ক্ষেত্ৰত যেতিয়া ভাৰত স্বাধীন হ'ল, তাৰ আগদিনাখন ৰাতি ভাৰতক দুই টুকুৰা কৰি ভাৰত আৰু পাকিস্তান কৰা হ'ব, সেই মানসিকতাৰে হয়তো স্বাধীনতা কৰা নাছিল। কিন্তু সেই অভিশপ্ত দিনটোত কোনোবাই হয়তো ৰাজনৈতিক স্বাৰ্থৰ কাৰণে হওঁক বা ব্যক্তিগত কাৰণেই হওঁক আমাৰ ভাৰত মাতৃক টুকুৰা-টুকুৰ কৰিছিল। তাৰ বিনিময়ত অখণ্ড ভাৰতবৰ্ষৰ কিছুমান নাগৰিক বিদেশী বা বাংলাদেশীৰ নামত জীয়াতু ভুগিবলগীয়া হৈছে। মাননীয় অধ্যক্ষ মহোদয়, আমি যদি বিশেষভাৱে চাওঁ আমাৰ অসমত পূৰ্ব বংগৰ পৰা হয়তো কিছুমান বেঙ্গলী সম্প্ৰদায়ৰ লোক আহিছিল। সেইটো সঁচা কথা। কিন্তু তেওঁলোকে কেনেকুৱা পৰিস্থিতিত আহিছিল, সেই বিষয়ে অসম তথা ভাৰতবৰ্ষৰ লোকসকলে জানে। ভাৰত স্বাধীন হোৱাৰ পিছত ভাৰত আৰু পাকিস্তান দুখন দেশ হ'ল। তেতিয়া ভাৰতীয়সকলে পাকিস্তান বা ভাৰতত থকাৰ নিজ ইচ্ছামতে সিদ্ধান্ত ল'ব পাৰিছিল আৰু কিছুমানে পাকিস্তানলৈ গ'ল আৰু কিছুমান ভাৰতত থাকি গৈছিল। সেই সময়ত তেনেকুৱা এটা সুবিধা আছিল। ১৯৭১ চনৰ আগত বহুতো লোক বাংলা দেশৰ পৰা ভাৰতলৈ আহিছিল। তাৰ উদাহৰণ হয়তো অসমত আছে। সেই ক্ষেত্ৰত কিছুমান হিন্দু মানুহৰ কথা যদি কওঁ, তেওঁলোকে নথি-পত্ৰ লৈ বাংলা দেশৰ পৰা ভাৰতলৈ অহাৰ পৰিস্থিতি নাছিল। তেওঁলোকে বাংলাদেশৰ পৰা পলাই আহি জীৱনটো লৈ ভাৰতত আশ্ৰয় লৈছিল। কাৰণ তেওঁলোকে হয়তো ভাৱিছিল ভাৰতত হিন্দু মানুহক ঠাই দিব বা ভাৰতত থাকিব পাৰিম। সেই আশাৰে তেওঁলোকে বাংলাদেশৰ পৰা ভাৰতলৈ আহিছিল। সেই সময়ত তেওঁলোকে নথি-পত্ৰ লৈ অহাৰ পৰিস্থিতি নাছিল বা যদিও লৈ আহিছিল তাৰ পিছত হয়তো তেওঁলোকে ক'ত খাইছিল, ক'ত আছিল সেই বিষয়টোও আমাৰ কাৰণে চিন্তনীয় বিষয়। আটাইতকৈ পৰিতাপৰ বিষয় যে এই হিন্দু মানুহখিনিৰ যদিও নথি-পত্ৰ আছে, তেওঁলোকক বিভিন্ন সময়ত সন্দেহযুক্ত দ্বি-ভোটাৰ হিচাপে নোটিচ দিয়া হৈছে। বছৰৰ বছৰ ধৰি তেওঁলোকে যদিও আদালতলৈ গৈছে, তেওঁলোকে যি ন্যায় পাব লাগিছিল, সেই ন্যায় পোৱা নাই। তেওঁলোকে নিজৰ সা-সম্পত্তি বিক্ৰী, সময় নষ্ট কৰিবলগীয়া হৈছে। আনকি কিছুমান লোকে আত্মহত্যাও কৰিবলগীয়া হৈছে। মই মোৰ এটা ব্যক্তিগত অভিজ্ঞতাৰ কথা জনাব বিচাৰিছো। মই এবছৰ আগতে চেন্নাইলৈ নিজৰ চিকিৎসাৰ বাবে গৈছিলো। তাত মই বিশেষ এখন দেশৰ এটা পৰিয়ালক লগ পাইছিলো আৰু কথা-বতৰাৰ পৰা গম পাইছিলো যে সেই পৰিয়ালৰ মহিলা গৰাকীৰ বয়স ৪৮ বছৰ আছিল আৰু সেই ৪৮ বছৰ বয়সলৈকে তেওঁৰ লগত ৫১ বাৰ ধৰ্ষণ কৰা হৈছে। তথাপিও তেওঁ সেই দেশখনত কোনোধৰণৰ ন্যায় পোৱা নাই। তেতিয়া মই তেওঁলোকক সুধিছিলো যে আপোনালোকে কিয় সেই দেশখনত আছে? তেতিয়া তেওঁ দুখেৰে কৈছে যে আমি ক'ত যাম? আমি জানো যে হিন্দু লোক ভাৰতবৰ্ষত আছে। কিন্তু তাত গৈ আমি জেলত থাকিবলগীয়া হ'ব। তেওঁলোকে ইমান দুঃখ সহ্য কৰিও তাতেই আছে। মই জানো যে আমাৰ চৰকাৰখনৰ প্ৰতি জনসাধাৰণৰ আশ্বাস আৰু বিশ্বাস আছে। আমাৰ মাননীয় মন্ত্ৰী মহোদয় আৰু চৰকাৰখনে নিশ্চয়কৈ আমাৰ বিশেষকৈ হিন্দু বেঙ্গলীৰ লগতে ৰাজবংশী

সকলকো চাব। মোৰ সমষ্টিত এনেকুৱা উদাহৰণ আছে যে ৰাজবংশী লোকসকললৈ দ্বি-ভোটাৰৰ নোটিচ আহিছে। মই অনুৰোধ কৰিম যে এই ব্যৱস্থাৰ এটা সঠিক দিশ আনি এই সমস্যাৰ সমাধান কৰিব লাগে।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পীযুষ হাজৰিকা, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য অজয় কুমাৰ ৰায় ডাঙৰীয়াই এটা খুব গুৰুত্বপূৰ্ণ আৰু চিন্তনীয় বিষয় সদনত উপস্থাপন কৰিছে। মই সন্মানীয় গৃহ মন্ত্ৰী ডাঙৰীয়াৰ হৈ উত্তৰটো দিব লৈছো। অধ্যক্ষ মহোদয়, কোনো এজন ভাৰতীয় ব্যক্তিক বিদেশীৰ নামত কোনোবাই হাৰাশাস্তি কৰাটো কেতিয়াও গ্ৰহণযোগ্য নহয়। সঁচাকৈয়ে যদি কোনো ভাৰতীয় ব্যক্তিক কোনোবাই হাৰাশাস্তি কৰে, তেন্তে মোৰ মতে সেইয়া গৰিহণাৰ যোগ্য। অধ্যক্ষ মহোদয়, অসমৰ ক্ষেত্ৰত কিছু সমস্যা নথকা নহয়। অসমৰ ক্ষেত্ৰত এতিয়াও কিছু কিছু মানুহক বিদেশী বুলি আমি সকলোৱে জানো আৰু তাৰ বাবেই Foreigners Tribunal গঠন কৰা হৈছে। Foreigners Tribunal যিহেতু এক ন্যায়িক প্ৰক্ৰিয়া, গতিকে ইয়াক এক মুহূৰ্তত উলাই কৰিব নোৱাৰো। এই ন্যায়িক প্ৰক্ৰিয়া কৰিবলৈ গৈ অযথা কোনো ভাৰতীয়ক যাতে হাৰাশাস্তি নকৰে তাৰ বাবে আমি সকলোৱে সচেতন হ'ব লাগিব আৰু চৰকাৰো খুব serious হ'ব লাগিব বুলি মই উপলব্ধি কৰো। অধ্যক্ষ মহোদয়, কোনো এজন ব্যক্তিক Foreigners Tribunal বা আমাৰ চিষ্টেমে যদি বিদেশী বুলি ভাৱে তেন্তে তাৰ প্ৰাৰম্ভিক অনুসন্ধান কৰা হয়। প্ৰাৰম্ভিক অনুসন্ধানৰ অন্তত সীমান্ত আৰক্ষী বা নিৰ্বাচনী পঞ্জীয়ন বিষয়াজনে (Electoral Registration Officer) ('D' Voter গোচৰৰ ক্ষেত্ৰত ) সন্দেহযুক্ত অবৈধ নাগৰিকৰ নাম সংশ্লিষ্ট আৰক্ষী অধীক্ষক (সীমান্ত) লৈ যাৱতীয় নথি-পত্ৰ প্ৰতিবেদনৰ সৈতে প্ৰেৰণ কৰে। আৰক্ষী অধীক্ষকে সেইয়া নিজৰ মন্তব্যৰ সৈতে সংশ্লিষ্ট বিদেশী ন্যায়াধীকৰণ (Foreigners Tribunal ) লৈ মতামতৰ বাবে প্ৰেৰণ কৰে। বিদেশী ন্যায়াধীকৰণে Foreigners Act, 1946 আৰু Foreigners (Tribunal) Order, 1964 মতে গোচৰ পঞ্জীয়ন কৰি পৰৱৰ্তী পদক্ষেপ গ্ৰহণ কৰে। ন্যায়াধীকৰণে Foreigners (Tribunal) Order, 1964 ৰ ৩ নং আদেশ মতে গোচৰ নিষ্পত্তিৰ স্বাৰ্থত সন্দেহযুক্ত লোকক তেওঁক সন্দেহ কৰাৰ মূল ভিত্তি উল্লেখ কৰি ন্যায়াধীকৰণত হাজিৰ হৈ তেওঁৰ ভাৰতীয় নাগৰিকত্ব প্ৰমাণ কৰাৰ বাবে বিদেশী ন্যায়াধীকৰণৰ জাননী জাৰি কৰে। আচলতে, ইয়াৰ জৰিয়তে এটা সুবিধাহে দিয়া হয়। কোনোবা যদি 'D' Voter হৈ আছে, তেওঁ ভাৰতীয় হোৱাৰ প্ৰমাণ-পত্ৰ যদি বিদেশী ন্যায়াধীকৰণত দাখিল কৰে তেন্তে মানুহজন 'D' Voter ৰ অপবাদৰ পৰা মুক্ত হোৱাৰ সুবিধা বিদেশী ন্যায়াধীকৰণে দিছে। Foreigners (Tribunal) Order, 1964 ৰ ৩ নং আদেশৰ পদ্ধতি অনুসাৰে এই জাননীসমূহ জাৰী কৰে। যদি জাননীত উল্লেখিত লোকজনৰ বাৰে বাৰে জাননী জাৰী কৰিও তাৰ কোনো সম্ভেদ নাপায় বা সেই জাননী কাৰ্য্যকৰী কৰিব নোৱাৰে তেন্তে লোকজনৰ শেহতীয়া জ্ঞাত ঠাইত (Last known place of residence ) স্থানীয় লোকৰ উপস্থিতিত দৃশ্যমান অংশত জাননী আঁৰি দিয়া হয়। বিদেশী ন্যায়াধীকৰণৰ জাননী সন্দেহযুক্ত লোকজনক যাৱতীয় নিৰ্ধাৰিত প্ৰক্ৰিয়া অনুকৰণ কৰিহে জাৰী কৰা হয়। এনেই কোনোৱে দি দিব নোৱাৰে। এজন ভাৰতীয় মানুহক হাৰাশাস্তি কৰাটো মই ব্যক্তিগত ভাৱে নিবিচাৰো। 'D' Voter সকলে তেওঁলোকৰ কাগজ-পত্ৰসমূহ produce কৰি এনে অপবাদৰ পৰা মুক্ত হ'ব পাৰে। আচলতে তাৰ কাৰণেহে এই প্ৰক্ৰিয়াটো। এই সংক্ৰান্তত Foreigners Act, 1946; For-

eigners (Tribunal) Order, 1964 মহামান্য গৌহাটী উচ্চ ন্যায়ালয়ৰ পুনৰীক্ষণ আবেদন নং ২২/২০১০ ( State of Assam vs Muslim Mandal and others) ৰ ০৩-০১-২০১৩ তাৰিখৰ আদেশ অনুকৰণ কৰা হয়। অনুসন্ধানকালীন আৰু পৰৱৰ্তী সময়ত সন্দেহযুক্ত লোকজনক আত্মপক্ষ সমৰ্থনৰ বাবে পৰ্যাপ্ত সুযোগ দিয়া হয়। যিহেতু Foreigners Act, 1946 ৰ দফা ৯ মতে নাগৰিকত্ব প্ৰমাণ কৰাৰ দায়িত্ব সংশ্লিষ্ট সন্দেহযুক্ত লোকজনৰ ওপৰত ন্যস্ত থাকে, সেয়েহে, বিদেশী ন্যায়াধীকৰণ বা অসম আৰক্ষীয়ে উক্ত জাননীৰ জৰিয়তে সংশ্লিষ্ট সন্দেহজনক নাগৰিকজনক তেওঁৰ ভাৰতীয় নাগৰিকত্ব প্ৰমাণ কৰিবলৈ সুযোগ প্ৰদান কৰে। জাননী জাৰী কৰাটো এটা ন্যায়িক পদ্ধতি আৰু ইয়াৰ জৰিয়তে নীতি-নিয়ম উলংঘা কৰা বা কাৰোবাক হাৰাশাস্তি কৰাৰ কোনো কথা নাহে। কেতিয়াবা ক'ৰবাত কোনোবাই exceptional কৰিব পাৰে, সেই ক্ষেত্ৰত আমি কঠোৰ। মাজে মাজে যদি ক'ৰবাত এনে হৈ থাকে তেন্তে বিধায়কসকলে আমাক ব্যক্তিগত ভাৱে জনাব কিয়নো ক'ৰবাত হয়তো তেনে লোক থাকিব পাৰে। ১০০ জনৰ প্ৰতিগৰাকীয়ে ভাল নহ'বও পাৰে। গতিকে, এজনো যদি তেনেকুৱা মানুহ থাকে আমি seriously action ল'ম। এটা কথা মই সদনক জনাব বিচাৰো যে বিদেশী ন্যায়াধীকৰণৰ জাননী পোৱাৰ বাবে কোনো লোকে আত্মহত্যা কৰাৰ কোনো তথ্য এই মূহুৰ্তলৈ আমাৰ হাতত নাই। এইখিনিয়েই মোৰ ক'ব লগীয়া। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** শ্ৰী মজিবুৰ ৰহমান।

**শ্ৰী মজিবুৰ ৰহমান (দলগাওঁ) ঃ**Hon'ble Speaker Sir, Thank You for giving me an opportunity to speak up under Rule 301 on an important issue. মহোদয়, ভাৰত চৰকাৰৰ অধীনত ২০১৬ চনত Real Estate Regulation and Development Act, 2016খন পাছ কৰা হয় ।এই আইনখন পাছ কৰাৰ মূলতে আছিল যে ভাৰতৰ বিভিন্ন মেট্ৰ'পলিটান চহৰত জনসংখ্যা বৃদ্ধি হোৱা আৰু মাটিৰ পৰিমাণ কম হোৱাৰ বাবে এই Real Estateৰ ব্যৱসায় আৰম্ভ হয়। বিশেষকৈ, দিল্লী, মুম্বাই, হায়দৰাবাদ, চেন্নাই, বাংগালোৰ আদি ৰাজধানী চহৰত Real Estate ৰ ব্যৱসায় promoter সকলে কৰে। বিভিন্ন সময়ত বিভিন্ন promoter আৰু purchaser ৰ মাজত হয়তো বিভিন্ন গোচৰ হয় যিবোৰ উচ্চতম ন্যায়ালয়লৈ যায়। কিন্তু, আমাৰ অসমৰ ক্ষেত্ৰত এই আইনখন ২০২০ চনৰ পৰা কাৰ্য্যকৰী হৈছে যাৰ Gazette Notification হৈছিল ২০১৭ চনৰ মে' মাহত। মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ক্ষেত্ৰত অসমৰ এখনেই ঠাই- গুৱাহাটী চহৰত Real Estateৰ ব্যৱসায় চলে আৰু এই ব্যৱসায়টো অসমৰ খিলঞ্জীয়া ব্যক্তিসকলেই কৰে। যিয়ে এম.এ পাছ কৰিও চাকৰি পোৱা নাই, নিবনুৱা হৈ আছে, চাকৰিৰ বাবে পৰীক্ষা দিয়ে, কিন্তু উত্তীৰ্ণ হ'ব পৰা নাই, গতিকে নিজৰ ঘৰ খন চলাবলৈ হয়তো individually বা দুই-চাৰিজন ব্যক্তিয়ে লগ হৈ সৰু-সুৰাকৈ ফাৰ্ম খুলি বা দুই-চাৰি কঠা মাটিত ঘৰ বনাই ব্যৱসায়টো চলায়। এই ক্ষেত্ৰত promoter সকলৰ বাবে যি নিয়ম-নীতি আছে, তেওঁলোকে সেইটো 100% follow up কৰিব লাগে। এজন promoter বা এখন ফাৰ্মে যদি গুৱাহাটী মেট্ৰ'পলিটান চহৰৰ ভিতৰত ঘৰ বনায় তেন্তে প্ৰথমতে Circle Office লৈ যাব লাগে। তাৰ পৰা কাগজ-পত্ৰ লোৱাৰ পিছত APDCL, Fire আৰু আন বহু কেইটা বিভাগৰ পৰা NOC ল'ব লাগে। সেই NOC লোৱাৰ পিছতহে GMDA ত application কৰিব লাগে। GMDAৰ ইঞ্জিনীয়াৰৰ পৰা আৰম্ভ কৰি সকলো বিষয়াই তন্ন তন্নকৈ কাগজ-পত্ৰ বিলাক চায়। তাৰ পৰা NOC ও লোৱাৰ পিছত GMC লৈ পঠিয়ায়। GMCৰ

পৰা আকৌ বিভিন্ন পৰ্যায়ৰ সকলো বিষয়া আহি ক'ত ঘৰ বনাব, ক'ত বিল্ডিং বনাব ইত্যাদিৰ plan & estimate বনোৱাৰ পিছতহে GMC য়ে permission দিয়ে। তেতিয়াহে ঘৰটো বনোৱাৰ কাম আৰম্ভ কৰে। কিন্তু অতি দুখ আৰু পৰিতাপৰ বিষয় যে এইখিনি কাম কৰিবলৈ যাওঁতে এই সৰু সুৰা promoter সকলে বহু হাৰাশাস্তি পাবলগা হৈছে। এখন ঘৰ বনাবলৈ permission উলিয়াবলগা হ'লে ৬-৭ মাহ সময় লাগে। তাৰোপৰি circle office ৰ পৰা আৰম্ভ কৰি GMC office লৈ যাওঁতে এই ৬ মাহত বহুত টকা খৰছ হয়। তাৰ মাজতে আহিলে 'RERA'(Real Estate Regulatory Authority).এই RERA অনাৰ মূল উদ্দেশ্যটো হৈছে যে customer আৰু promoter ৰ মাজত যাতে কাজিয়া নহয়। কিন্তু RERA ই গুৱাহাটীৰ সকলো বিল্ডাৰৰ লগতে সৰু সুৰা promoter সকলকো notice দিয়া আৰম্ভ কৰিলে যে আপোনালোকৰ যিমান documents আছে, সকলোবিলাক আমাৰ অফিচত জমা দিয়ক। সেই অনুসৰি সকলোৱে documents বিলাক জমা দিলে। কিন্তু জমা দিব যাওঁতে ৩৯ টা নতুন format দিলে। এইখিনি fillup কৰি দিবলৈ পুনৰ ৬ মাহ সময় লগা হৈছে। এই সৰু সুৰা ব্যৱসায়টো কৰিবলৈ যাওঁতে construction cost যিমানখিনি হয়, বা ব্যৱসায়ত লাভ যিমানখিনি হয়, profit margin ৫ ৰ পৰা ১০ শতাংশ থাকে। কিন্তু RERA অহাৰ পাছত কৰিলে যে যদি সামান্য এটা ভুলো হৈছে তাত ১০ শতাংশ penalty লগাই দিছে। গতিকে মই মাননীয় নগৰ উন্নয়ণ মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাম যে যিহেতু এই আইনখন নতুনকৈ আনিছে, promoter সকলে এই বিষয়ে ভালদৰে নাজানে। সেয়েহে এই আইনখন অনাৰ আগতে awareness camp পাতি promoter সকলক training দিব লাগে বা তেওঁলোকক লৈ এখন মিটিং হলেও পাতিব লাগিছিল। যিসকল promoter ক penalty লগালে তেখেতসকলক অতি সোনকালে সেইখিনি যাতে RERA ই ঘুৰাই দিয়ে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ।

**শ্ৰী অশোক সিংহল, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, RERA ৰ জৰিয়তে Real Estate ব্যৱসায় থকা মানুহে flat, commercial space আদি বিক্ৰী কৰে। RERA অহাৰ আগতে দেশত এনেকুৱা এটা পৰিৱেশ নিৰ্মাণ হৈছিলে যে প্ৰজেক্টসমূহ আধৰুৱা হৈ থাকিল, সম্পূৰ্ণ নহয়। প্ৰজেক্টৰ কাৰণে পইচা লৈ বেলেগ ঠাইত divert কৰে, যাৰফলত মধ্যবিত্ত আৰু নিম্নশ্ৰেণীৰ মানুহখিনি ভুক্তভোগী হয়। বেঙ্কৰ পৰা ধাৰ লৈ তেওঁলোকে ফ্লেট ক্ৰয় কৰিছিলে আৰু শেষত ফ্লেট পোৱাও নাছিলে। বেঙ্কসমূহেও তেওঁলোকক কিস্তি ঘুৰাই দিবৰ কাৰণে বাধ্য কৰাইছিলে। যাৰবাবে সমগ্ৰ ভাৰতবৰ্ষত এটা বেয়া অৱস্থাৰ সৃষ্টি হৈছিল। মাননীয় নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ নেতৃত্বত RERA আইন বলবৎ কৰা হ'ল আৰু ইয়াৰ জৰিয়তে ফ্লেট ক্ৰেতা সকলৰ অধিকাৰ ৰক্ষা কৰা হ'ল। আগতে যেতিয়া ফ্লেট বিক্ৰী কৰে তেতিয়া কিমান square feet হয়, তাৰ লগতে এটা super build up এটা formula লগাই ৰখা হৈছিল। Super build up কি বস্তু সেইটো ক্ৰেতা সকলে বুজি নাপায়। কোনোবাই ১০ শতাংশ super build up ৰাখে, কোনোবাই ২০ শতাংশ বা কোনোবাই ৩০ শতাংশ ৰাখে। বেলেগ বেলেগ builder য়ে বেলেগ বেলেগ super build up ৰাখিছিলে। কিন্তু RERA Act ত ক'লে যে super build up ত ফ্লেট বিক্ৰী কৰিব নোৱাৰিব, ফ্লেট মাত্ৰ carpet area ত বিক্ৰী হ'ব।

দ্বিতীয়তে, যেতিয়া sell agreement কৰে, তাত ইমান ধৰণৰ clause আছিলে যে তাত এতিয়াও flat buyers ৰ right protect হোৱা নাছিলে। Flat buyers ৰ right

protect কৰাৰ কাৰণে uniform agreement format এখন RERA ত দিয়া হ'ল। Flat বনোৱা বা real estate কৰা ব্যৱসায়ীখিনিয়ে যাতে এই real estate project ৰ পইচা আন ঠাইত divert কৰিব নোৱাৰে তাৰকাৰণে caping কৰি দিয়া হ'ল যে যিমান পইচা আহিব তাৰ ৭০ শতাংশ তেখেতসকলে এই প্ৰকল্পতে খৰছ কৰিব আৰু এই খৰছটো es-crow account ৰ মাধ্যমত হ'ব, য'ত RERA ই হিচাপ নিকাচ ৰাখিব পাৰে।

যিসকলে প্ৰশ্ন উত্থাপন কৰিছে মই তেখেতসকলক জনাই দিওঁ যে RERA ই সম্পূৰ্ণভাৱে এটা healthy business promote কৰি আছে। আপোনালোকৰ নিশ্চয় মনত আছে যে এটা সময়ত stock exchange তো ১৯৯১-৯২ বহুতো ডাঙৰ ডাঙৰ দুৰ্নীতি সৃষ্টি হৈছিল। তেতিয়া SEBI (Security and Exchange Board of India) অনা হৈছিলে। SEBI য়ে গোটেই stock market টো regulate কৰিলে। দেশৰ economy ত stock exchange য়ে যথেষ্ঠ অৰিহণা যোগাই আহিছে। বৰ্তমান আমি ডাঙৰ Urbanization ৰ দিশে গতি কৰি আছো। এটা সময়ত ভাৰতবৰ্ষত গ্ৰাম্যাঞ্চলতকৈ চহৰ অঞ্চল বেছি হ'ব। গতিকে আমাক এটা regulated market, standard market লাগে, ক্ৰেতাৰ অধিকাৰ ৰক্ষা কৰিব লাগে যাৰবাবে RERA অনা হৈছিলে। সদস্যগৰাকীয়ে যিদৰে উল্লেখ কৰিলে যে তিনি মাহ বা ছমাহ সময় লাগে তেনেকুৱা কোনো কথা নাই। আজিকালি মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত reform and transform agenda ৰ ওপৰত বহুত seriously কাম চলি আছে আৰু আপোনালোকক জনাবলৈ পাই মই সুখী যে আঢ়ৈ কঠা মাটি আৰু ঘৰখন যদি G+2 হয়, তাৰ কাৰণে এজন লোকে permission ৰ কাৰণে কতো যাব নালগে। পৰ্টেলত গৈ ড্ৰইং upload কৰিব লাগিব, যিটো fees আছে, সেইটো upload কৰিব লাগিব আৰু যাতে instant permission মানুহে পায়, তেনেকুৱা এটা ব্যৱস্থা চৰকাৰৰ তৰফৰ পৰা কৰা হৈছে। আগতে যিবিলাক মানুহে ঘৰৰ permission ৰ কাৰণে ৬-৭ মাহ ৰবলগা হৈছিলে, GMC ত যাবলগা হৈছিল, GMD, Engineer ৰ তাত যাবলগা হৈছিল, এতিয়া ক'তো যাব নালগে। আমাৰ তেনেকুৱা software develop কৰা হৈছে, auto scrutiny building permission develop কৰা হৈছে আৰু মুখ্যমন্ত্ৰী ৰ সহজ গৃহ নিৰ্মাণ আঁচনিৰ নামত এই আঁচনিখন চলি আছে। G+2 building আঢ়ৈ কঠাৰ তলত হ'লে instant permission ল'ব পাৰে। RERA ৰ সন্দৰ্ভত যিসকলে real estate ব্যৱসায় কৰিব খোজে তেওঁলোকে নিয়ম নীতি আৰু আইন মানি চলিব লাগিব, সেইমতে permission ল'ব লাগিব আৰু RERA ত registration কৰাব লাগিব। RERA ই সমগ্ৰ ভাৰতবৰ্ষত যি কাগজ বিচাৰি আছে অসমতো সেই কাগজে বিচাৰি আছে। এই কাগজবিলাক নাথাকিলে বিপদ হ'ব পাৰে। Buyers ৰ protction ৰ কাৰণে এইখিনি কৰা হৈছে। সেইকাৰণে মই ভাৱো যে ভাল এটা প্ৰক্ৰিয়া সমগ্ৰ ভাৰতবৰ্ষত এতিয়া চলি আছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, সৰভোগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১০-০৯-২০২২ তাৰিখে 'প্ৰতিদিন' কাকতত প্ৰকাশিত এটা বাতৰি সম্পৰ্কত যিটো এটা যথেষ্ঠ গুৰুত্বপূৰ্ণ বিষয় তাৰ ওপৰত মই ক'ব বিচাৰিছো। ২০০৩ চনত BTC গঠন হোৱাৰ সময়ত BTC ৰ যি সীমা নিৰ্দ্ধাৰণ কৰা হৈছিল তাত যথেষ্ঠ খেলিমেলি হৈছিল। বহু অবড়ো গাওঁত বড়ো population নথকাৰ পাছতো BTC ত অন্তৰ্ভুক্ত হৈছিল। সেইবোৰ বিষয় লৈ যেতিয়া বিভিন্ন ধৰণৰ আপত্তি আছিল ২০২০ চনৰ ২০ জানুৱাৰীত যেতিয়া BTR চুক্তি স্বাক্ষৰিত হ'ল এই চুক্তিত ৩.১ দফাত এই সুযোগটো

দিয়া হৈছিলে যে এখন আয়োগ গঠন কৰি যিবিলাক অবড়ো গাওঁ আছে, সেইবিলাক BTR ৰ অন্তৰ্ভুক্ত হ'ব নালাগে আৰু যিবিলাক বড়ো গাওঁ contributory ৰ কাৰণে বাহিৰত ৰৈ গ'ল এইবিলাক অন্তৰ্ভূক্ত হ'ব। তেনেধৰণৰ দফা এটা থকাত অসম চৰকাৰে P.P.Verma ৰ নেতৃত্বত এখন আয়োগ গঠন কৰি দিছিল। P.P.Verma ৰ মৃত্যু ঘটাত এতিয়া আশীষ কুমাৰ ভূটানীক সভাপতি কৰি এই সমূহ কাম-কাজ চলি আছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মনোৰঞ্জন তালুকদাৰ । সোনকালে শেষ কৰিব আৰু এজন স্পীকাৰ আছে ।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, সৰভোগ ঃ** অধ্যক্ষ মহোদয়, ২০০৩ চনত বিটিচি গঠন হোৱাৰ সময়তে বিটিচিৰ যি সীমা নিৰ্দ্ধাৰিণ কৰা হৈছিল তাত যথেষ্ট খেলিমেলি হৈছিল । বহু অবড়ো গাঁৱত কনট্ৰিবুটি নথকা স্বত্বেও , বড়ো পপুলেশ্যন নথকা স্বত্বেও বিটিচিৰ অৰ্ন্তভূক্ত হৈছিল। এইটো বিষয় লৈ তেতিয়া বিভিন্ন ধৰণৰ আপত্তি আছিল । ২০২০ চনৰ ২০ জানুৱাৰী তাৰিখে যেতিয়া বিটিআৰ চুক্তি স্বাক্ষৰিত হ'ল - এই বি টি আৰ চুক্তিৰ ৩.১ দফাত এই সুযোগ দিয়া হৈছে যে এখন আয়োগ গঠন কৰি যিবিলাক গাঁও বিটিআৰৰ অন্তৰ্ভূক্ত হ'ব নালাগে বা বড়ো পপুলেশ্যন নাই এইবিলাক বিটিচিৰ বাহিৰলৈ যাব । যিবিলাক বড়ো গাঁও কনট্ৰিবুটিৰ কাৰণে বা কিবা কাৰণে বাহিৰত ৰৈ গৈছে সেইবিলাক অৰ্ন্তভূক্ত হ'ব । এইধৰণৰ দফা থকাত অসম চৰকাৰে এখন আয়োগ গঠন কৰি দিছিল পি পি বাৰ্মাৰ নেতৃত্বত। আকস্মিকভাবে পি পি বাৰ্মাৰ মৃত্যু ঘটাত এতিয়া আশীষ কুমাৰ ভূটানীক চেয়াৰমেন কৰি দিয়া হৈছে আৰু এতিয়া কাম-কাজ চলি আছে । কিন্তু আজি দীৰ্ঘ সময় পাৰ হৈ গ'ল । ছয় মাহৰ ভিতৰত ৰিপৰ্টি দিয়াৰ কথা আছিল কিন্তু আজি দুই বছৰ পাৰ হৈ যোৱাৰ পিছতো এই আয়োগৰ কোনোধৰণৰ প্ৰতিবেদন অহা নাই। প্ৰতিবেদন নহাৰ ফলত গোটেই নামনি অসম অঞ্চলটো বিশেষকৈ বাক্সা জিলা, চিৰাং জিলা, আৰু ওদালগুৰিকে ধৰি পেলাই অন্য অন্য জিলাতো কিছু কিছু গাঁও লৈ মানুহৰ মাজত অশান্তি আছে । এই অশান্তি দুৰ কৰাটো প্ৰয়োজন। মোৰ সমষ্টি সৰভোগতো উত্তৰফালৰ দুখন গাঁও আপোনালোকৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো । যি দুখন গাঁৱত কোনো কনট্ৰিবুটি নাই , বৰপেটা জিলাত সোমাই থকা দুখন গাঁও তাত পপুলেশ্যনৰ ক্ষেত্ৰত দেখা গৈছে - ২০১১ চনৰ লোক পিয়লত ৯৫৬০ টোটেল পপুলেশ্যন আছে আৰু বড়ো পপুলেশ্যন মাত্ৰ ৩৮৭ । ২০২০ চনৰ যি ভোটৰ তালিকা প্ৰকাশ হৈছে তাত হৈছে ৬৭৯৩ জন আৰু বড়ো ভোটাৰ মাত্ৰ ৩১৬ জন । গাওঁখনৰ নাম হৈছে বাৰাপেটা , বাৰাপেটা ৰিজাৰ্ভ । ঠিক অন্যান্য গাঁৱো আছে - দাঘিলী বিলপাথাৰ, মৈৰাঝাৰ আৰু হাউলী অঞ্চলৰ কেইবাখনো গাঁও আছে য'ত বড়ো পপুলেশ্যন যথেষ্ট ক'ম। কনট্ৰিবুটিৰ প্ৰশ্নত এই গাঁৱবিলাক অন্তৰ্ভুক্ত হ'ব নালাগে । কিন্তু এই প্ৰতিবেদন নহাৰ ফলত এই গাঁৱবিলাক এতিয়াও বি টি আৰৰ অন্তৰ্ভুক্ত হৈ আছে । আনফালে অনেক বড়ো গাঁও আছে যিবিলাক গাঁও বি টি আৰৰ অন্তৰ্ভুক্ত নোহোৱাৰ বাবে মানুহৰ মাজত অসন্তুষ্টি আছে । মই সেই কাৰণে জানিব খুজিছো মন্ত্ৰী মহোদয়ৰ পৰা যে, এখন আয়োগ গঠন কৰি নিৰ্দ্দিষ্ট সময় বান্ধি দিয়াৰ পিচতো সেই আয়োগে প্ৰতিবেদন দাখিল কৰা নাই আৰু বিষয়টো ওলোমাই ৰাখি মানুহৰ মাজত এটা অশান্তি সৃষ্টি কৰে আৰু মানুহ শংকাত থাকে। এই ধৰণে মোৰ সমষ্টিৰ কেইবাখনো গাঁও য'ত বড়ো কনট্ৰিবুটি নাই বি টি আৰৰ অন্তৰ্ভুক্ত হৈ আছে । বৰপেটা সমষ্টিৰ সন্মানীয় বিধায়ক আব্দুৰ ৰহিম আহমেদ সদনত আছে , তেওঁৰ সমষ্টিৰো ১৬ খন গাঁও তেনেকৈ অন্তৰ্ভুক্ত হৈ আছে । এই গাঁওৰ অন্তৰ্ভুক্তিটো কৰ্ত্তন কৰাটো দৰকাৰ আৰু কৰ্ত্তণ কৰি বি টি আৰ হিচাপে গঢ়ি তুলিব পৰা যায় তাৰ বাবে প্ৰয়োজনীয় ফাণ্ড দিব লাগে। মই বি টি

আৰৰ বিৰোধিতা কৰা নাই , বিটিআৰ গঠন কৰি স্বায়ত্ব শাসন দিয়াটো আমি পূৰ্ণ সমৰ্থন জনাইছো । বেছি স্বায়ত্ব শাসন তেওঁলোকে পোৱাটো প্ৰয়োজন, যথেষ্ট পুঁজি পোৱাটোও প্ৰয়োজন । পপুলেশ্যন পেটাৰ্ণটো চাই পেলাই বা কনট্ৰিবুটি নাথাকিলে এই গাঁওবিলাক অন্তৰ্ভূক্ত কৰা উচিত নহয় বুলি মই বিবেচনা কৰো আৰু এই বিষয়টো মই আপোনালোকক দৃষ্টিগোচৰ কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ..... শ্ৰীআব্দুৰ ৰহিম আহমেদ

**শ্ৰীআব্দুৰ ৰহিম আহমেদ, বৰপেটা ঃ** ধন্যবাদ অধ্যক্ষ মহোদয়, আমি আটায়ে জানো যে বৰ্তমান বি টি আৰ অঞ্চলত দীৰ্ঘদিন চলি থকা এটা অশান্ত পৰিবেশ শান্ত কৰাৰ কাৰণে আৰু প্ৰগতিৰ পথ উন্মোচিত কৰাৰ কাৰণে কিছু চুক্তি কৰা হ'ল কিন্তু দুৰ্ভাগ্যক্ৰমে আমাৰ আগৰ বিধায়ক ডাঙৰীয়াই কোৱা মতে কিছুমান অবড়ো গাঁও যিবিলাক গাঁও কোনো ক্ৰাইটেৰীয়াতে নপৰে , তেনেধৰণৰ গাঁও বিটিএডিৰ অন্তৰ্ভূক্ত হ'ব নালাগিছিল কিন্তু অন্তৰ্ভূক্ত হ'ল । তাৰ পিছত যেতিয়া বি টি আৰ চুক্তি সম্পাদিত হ'ল তেতিয়া তাত এটা আশাৰ সঞ্চাৰ দেখা গ'ল । চুক্তিৰ ৩.১ দফামতে তাত স্পষ্টভাবে উল্লেখ কৰা হ'ল যে সীমামূৰীয়া যিবোৰ অঞ্চল আছে সেই অঞ্চলসমূহৰ ৰাইজে যদি আবেদন কৰে, যদি বিলো ফিফ্‌টি পাৰ্চেন্ট বড়ো পপুলেশ্যন থাকে, যদি সেইবিলাকত ট্ৰাইবেল্ট বেল্ট বা ব্লকৰ কথা নাহে তেন্তে তেওঁলোক আবেদনৰ ভিত্তিত ওলাই আহিব পাৰিব আৰু যিবিলাক সীমামূৰীয়া অঞ্চল বিটিএডিৰ অন্তৰ্ভূক্ত হ'ব খোজে তেওঁলোকে আবেদনৰ ভিত্তিত অৰ্ন্তভূক্তি হ'ব পাৰিব । ঠিক তেনেকৈ ছাৰ, আমাৰ বৰনগৰ চাৰ্কোলৰ অন্তৰ্গত বৰপেটা সমষ্টিত প্ৰায় ১৮ খন গাঁও- মৈৰাঝাৰ, লোহা চুৰ, জাখলিৰপাৰ, ধূপগুৰি, চিমলাঝাৰ , মাছুৰা, গণকপাৰা, ৰংদিয়া, কাঁহদুৰা, হাতালপাৰা, বিন্নীমাৰী, গহেখান্দা, হেলনাৰপাম , কাউলপাৰা, গোবিন্দপুৰ, চিমলাগুৰি, বেলগুৰি এনেকুৱা ধৰণৰ ১৮ খন গাঁৱত য'ত বড়ো পপুলেশ্যন লেচ দেন পাইভ পাৰ্চেন্ট -টেন পাৰ্চেন্ট আৰু সীমামুৰীয়া অঞ্চল এনেকুৱা নহয় যে একেবাৰে সীমাৰ ভিতৰত আছে , চুক্তিমতে উল্লেখ আছে যে সীমাৰ ভিতৰত একেবাৰে মাজ মজিয়াত যদি বি টি এ ডি অঞ্চলত থাকে তেনে গাঁও কৰ্ত্তন নহ'ব । এইবিলাক একেবাৰে সীমামুৰীয়া অঞ্চল আৰু ইয়াতে দীৰ্ঘদিন ধৰি এটা অশান্ত জৰ্জৰিত পৰিবেশ বিৰাজ কৰিছিল বি টি চি চুক্তি হোৱাৰে পিচৰ পৰা । আপোনালোকে নিশ্চয় অৱগত। কাৰণ তাতে বহুদিন ধৰি তাতে ধৰ্ণা, বন্ধ , পথ অৱৰোধ এনেকুৱা ধৰণৰ কাৰ্য্যসূচী চলি আছিলে। এতিয়া বি টি এডিত থকা বিভিন্ন দল সংগঠনে পৰ্য্যায়ক্ৰমে বি টি আৰ চুক্তি হোৱাৰ পিচত, আবেদন কৰাৰ পিচত তেওঁলোকে এটা আশাৰ সঞ্চাৰ দেখিবলৈ পাইছিল। বাৰ্মা ডাঙৰীয়াৰ মৃত্যুৰ পিছত পুনৰাই যেতিয়া আয়োগখন গঠন হ'ল কিন্তু আজি ইমান দিন হৈ যোৱাৰ পিচতো প্ৰতিবেদন প্ৰকাশ হোৱা নাই । বিটিআৰৰ ক্ৰাইটেৰীয়ামতে যোগ্য গাঁওসমূহ ওলাই অহাৰ বাবে যদি এটা ব্যৱস্থা চৰকাৰে নকৰে তেতিয়া হ'লে পুনৰাই আগৰ দৰে অশান্তজৰ্জৰ পৰিবেশ নিশ্চিতভাবে কিন্তু তাত হ'ব । গতিকে ইতিমধ্যে তাৰ বিভিন্ন দল সংগঠনে ৰাজহুৱাভাবে বিভিন্ন কাৰ্য্যসূচী বা সংবাদমেলযোগে বাৰম্বাৰ চৰকাৰক সকিয়াই আহিছে। আমাকো বিৰোধী হিচাপে সই কথাটো অৱগত কৰি আহিছে । গতিকে মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে জনাব খুজিছো যে বি টি আৰ অঞ্চলত সৰ্ব্বাঙ্গীন উন্নয়ণ হোৱাটো আমি কামনা কৰো। তাত থকা বড়ো- অবড়ো বিভিন্ন জাতি জনগোষ্ঠীক উন্নয়ণ আমি কামনা কৰো চুক্তিত উল্লেখ থকামতে। বৰ্ত্তমান মাননীয় মুখ্যমন্ত্ৰী তেতিয়া স্বাস্থ্য- বিত্ত- শিক্ষা মন্ত্ৰী থাকোতে ঘোষণা কৰিছিল যে ছয় মাহৰ ভিতৰত আয়োগে প্ৰতিবেদন দিব । আৰু এই প্ৰতিবেদনৰ ভিত্তিত অনাবড়ো গাঁওসমূহ বিটিএডিৰ পৰা কৰ্ত্তন কৰাৰ ব্যৱস্থা কৰা হ'ব আৰু বড়ো গাঁও নিজা আবেদনৰ ভিত্তিত বি টি এডিত অন্তৰ্ভূক্ত হ'ব

। গতিকে অধ্যক্ষ ডাঙৰীয়া, আমাৰ সকলোৰে তিক্ত অভিজ্ঞতা আছে যাতে পূৰ্ব্বৰ দৰে বিটিএডি অঞ্চলত বড়ো আৰু অনা বড়োৰ মাজত যাতে ভূল বুজাবুজি নহয় আকৌ যাতে অশান্তজৰ্জৰ পৰিবেশ সৃষ্টি নহয় । গতিকে অবড়ো গাঁওসমূহ বিটিআৰৰ পৰা কৰ্তন কৰাৰ ব্যৱস্থাটো ত্বৰান্বিত কৰি অতি সোনকালে সমাধান কৰাৰ বাবে মই আপোনাৰ জৰিয়তে আবেদন জনাইছো । ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াৰ ৰিপ্লাই ।

**শ্ৰীউৰ্খাও গৌড়া ব্ৰহ্ম, (মন্ত্ৰী, বড়োভূমি কল্যাণ বিভাগ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমতে মই এই বিষয়টো অনাৰ বাবে মোৰ ফালৰ পৰা সন্মানীয় মনোৰঞ্জন তালুকদাৰ আৰু আব্দুৰ ৰহিম আহমেদ ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো। বিষয়টো যথেষ্ট গুৰুত্বপূৰ্ণ আৰু কেতিয়াবা খুব স্পৰ্শকাতৰো হৈ যাব খোজে । গতিকে মই অনুৰোধ জনাব যে যিহেতু এইটো এতিয়া এটা বাউণ্ডেৰী কমিশ্যনত পেণ্ডিং হৈ আছে এই ইছ্যুটো । যিমান দিনলৈকে বাউণ্ডেৰী কমিশ্যনে ৰিপোৰ্ট নিদিয়ে - কমিশ্যনত কি চলি আছে মই এই সম্পৰ্কে একো ক'ব নোৱাৰো। বাউণ্ডেৰী কমিশ্যনত যিহেতু অভিযোগ দিয়া , ক্লেইম কৰা এই সুবিধাসমূহ ৰখা হৈছে , কমিশ্যনে এনেধৰণে কামটো কৰি আছে । এই সুযোগটো গ্ৰহণ কৰি আমাৰ মাজৰ পৰা যি হ'ব লাগে সেইটো মিচুৰেলী যাব লাগে । ২০২০ চনৰ জানুৱাৰী মাহৰ ২৭ তাৰিখত যি বড়ো চুক্তি হৈছিল ইয়াৰ উদ্দেশ্য আছিল এন ডি এফ বি ৰ সমস্যা সমাধান কৰি স্থায়ী সমাধান আনিব লাগে । এই চুক্তি যেতিয়া হ'ল কোনো এটা ৰাজনৈতিক দলে তেতিয়া বিৰোধ কৰা নাছিল মানে সকলোৰে সন্মতি আছিল। দুই এটা সংগঠনৰ বাহিৰে সকলো দলে মৰেল চাপোৰ্ট দিছিল । এতিয়া এইটো ইমপ্লিমেন্টটেশ্যন পাৰ্ট । এই একৰ্ড ইমপ্লিমেনটেশ্যন পাৰ্টটো ভাৰত চৰকাৰ, অসমৰ গৃহ বিভাগ, বি টি চি আৰু আন্দোলনকাৰী সংগঠনবিলাকে নিৰীক্ষণ কৰি আছে । এইটো পৰ্য্যায় ক্ৰমে গৈ আছে । ২০২০ চনৰ ২৯ চেপ্টেম্বৰত আয়োগ গঠন কৰা হৈছিল পি ভি বাৰ্মাৰ সভাপতিত্বত । কিছুমান জটিলতা থকাৰ বাবে তেখেতে ছয় মাহৰ ভিতৰত ৰিপোৰ্ট দিব নোৱাৰিলে আৰু সেই বাবে তিনি মাহ সময় বৃদ্ধি কৰা হৈছিল। কিন্তু সেই সময়ত ক'ভিড কাল আহি গ'ল আৰু পিছত ইলেকশ্যন হ'ল । সেই কাৰণে তেখেতে কাম কৰিব পৰা নাছিল । কিন্তু ক'ভিড কাল আৰু ইলেকশ্যন পাৰ হোৱাৰ পিচত দুৰ্ভাগ্যজনক ভাবে তেখেতৰ মৃত্যু ঘটিল । তাৰ পিচত আশীষ কুমাৰ ভুটানীক তেওঁৰ কাৰ্য্যকাল সম্পূৰ্ণ কৰিবলৈ দিয়া হৈছিল । ২০২২ চনৰ ৩০ চেপ্টেম্বৰ তাৰিখে অৰ্থাৎ এই মাহৰ শেষৰ ফালে কমিশ্যনে নিজৰ কাম-কাজ সম্পূৰ্ণ কৰিব লাগে । কিন্তু কিবা কাৰণত যদি commissionক কিছু সময়ৰ আকৌ প্ৰয়োজন হয়, তেতিয়া তেওঁলোকে আনুষ্ঠানিক ভাৱে অনুৰোধ কৰিব। মুখ্যমন্ত্ৰীয়ে এইটো বিবেচনা কৰিব, তাৰ পিছত কি সময় দিয়া হয় বা ইয়াৰ পিছতে ৰিপোৰ্টটো যদি আহি যায় সেইটো প্ৰকাশ কৰা হ'ব। আমাৰ criteria বিলাক কি আছিল, বি টি চি চুক্তি কৰিছিল, তেতিয়া অসমত তৰুণ গগৈৰ নেতৃত্বত চৰকাৰ আছিল আৰু দিল্লীত বিজেপিৰ চৰকাৰ আছিল। লালকৃষ্ণ আদৱানীয়ে তাৰ initiative লৈছিল, সেই সময়তো কিন্তু সকলো ৰাজনৈতিক দল অসমৰ পৰা সবে সমৰ্থনটো দিছিল। Boundary commission বনোৱা হোৱা নাছিল সেই সময়ত। একেবাৰতে Boundary notify কৰা হৈছিল। ইতিমধ্যে আমাৰ ২০০৩ চনতে গঠন কৰা 6th schedule ব্যৱস্থা আছে। বিষয়টো হৈছে নতুন চুক্তিৰ পৰা আমাৰ গাঁও আকৌ এৰিয়া extension হ'ব লাগে, নহ'লে exclusion হ'ব লাগে। সেইটো কৰা হয় 6th schedule ৰ আইনমতে para14th Governor য়ে যিকোনো এৰিয়া যদিহে convince কৰে বা convince হয়, সোমাব পাৰে বা exclude কৰিব পাৰে, সেই মতে সেই

commissionটো notify কৰা হৈছে। আমাৰ তৰফৰ পৰা মই WPT Minister হিচাপে এই commissionক logistic support দিব পাৰোঁ আৰু সময়ে সময়ে ইয়াৰ কাম-কাজৰ ওপৰত মই ৰিভিউ কৰিব পাৰো। এই কাম বিলাক আমি কৰিছোঁ আমাৰ মুখ্যমন্ত্ৰীৰ নেতৃত্বত, এই গোটেই প্ৰক্ৰিয়াটো কোনো বিবাদ নোহোৱাকৈ নিষ্পত্তি কৰিবৰ কাৰণে চেষ্টা চলোৱা হৈছে। সীমামূৰীয়া অঞ্চলত কিছুমান গাঁও যদি ওলাইও যাব খুজিছে, সেইটো যদি ট্ৰাইবেল গাওঁ নহয়, এল ব্ল'ক যদি নহয়, তাত নিশ্চয় আন্দোলনকাৰী সংগঠন এন ডি এফ বি ৰ চুক্তি স্বাক্ষৰকাৰী আমাৰ গোবিন্দ বসুমতাৰী এই সদনৰে এজন সদস্য। আবচুৰ নেটা আছে লৰেন্স ইছলাৰী এজন স্বাক্ষৰকাৰী ব্যাক্তি আছে, আমি খোলাখুলিকৈ কৈছো সেই সময়ত। যদি সীমামৰীয়া অঞ্চলত percentage wise ত category নিমিলা কেইটামান গাওঁ যদি আছে, সেইকেইটা ওলাই লৈ যোৱাত কোনো অসুবিধা নাই। কিন্তু কিছুমান গাঁও, যি বিলাক গাওঁ ট্ৰাইবেল নহয় কিন্তু ননট্ৰাইবেল গাঁৱে হয় তেওঁলোকে কিন্তু বি টি আৰ অঞ্চলৰ উন্নয়নৰ প্ৰগতিটো দেখি নিজে নিজে অন্তৰ্ভূক্ত কৰিবৰ কাৰণে আবেদনো দাখিল কৰিছে। আমি সেই কাৰণে অলপ mutually ল'ব লাগিব। মই বিচাৰো মই আপোনালোকক অনুমানে সমলোচনা কৰিব খোজা নাই, ভুল ধৰিব খোজা নাই, কিন্তু ৰাজনৈতিক বিবাদ নকৰি এটা mutual process ত যদি লৈ যায় আৰু শান্তিটো আমি যদি অহাটো বিচাৰিছো যেতিয়া, আমাৰ এই প্ৰক্ৰিয়াও বিবাদৰ কাৰণ হ'ব নালাগে, সকলো দলে সহযোগ কৰক আৰু commissionয়ে যেতিয়া ৰিপোৰ্টটো দাখিল কৰিব এটা পলিটিকেল প্ৰচেচ আহি যাব, চৰকাৰে সিদ্ধান্ত ল'ব লাগিব আৰু সেই সময়ত নিশ্চয় মুখ্যমন্ত্ৰী ডাঙৰীয়া সবৰে মতামত আকোৱালি ল'ব। গতিকে মই বিচাৰো যে Boundary commission ৰ কাম-কাজ সোনকালে হওঁক আৰু সেই কাৰণে আমি অনুৰোধ কৰিছোঁ commissionক, ইতিমধ্যে কোৱা হৈছে যে ৩০ তাৰিখ চেপ্তেম্বৰ, ২০২২ ৰ ভিতৰত ৰিপোৰ্টটো দিয়ক আৰু তেওঁলোকক যদি কেইদিনমান সময়ৰ প্ৰয়োজন হয়, তেতিয়ালৈকে আকৌ আনুষ্ঠানিক ভাৱে আবেদন জনাব। এই কাৰণে মই এটা অনুৰোধ জনাইছো যে যিহেতু It is pending with the Commission and the internal matter of the Commission that cannot be disclosed in the House. মই কব নোৱাৰো আইনগত ভাৱে details ত মই যাব নোৱাৰো, সেইখিনি যিবিলাক issue 301ত আনিলে, তাৰ উত্তৰ সঠিক ভাৱে উত্তৰ হিচাপে নহয়, মন্ত্ৰী হিচাপে মই যিখিনি জানো কব পাৰোঁ আৰু কব পৰাৰ সীমাৰ ভিতৰত যি খিনি কথা আছে সেই খিনি মই জনালো, ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া Item no. 4.

মাননীয় মুখ্যমন্ত্ৰীৰ হৈ সংসদীয় মন্ত্ৰী ডাঙৰীয়াই Sri Sri Aniruddhadeva Sports University ৰ প্ৰথম আধ্যাদেশ সদনত দাখিল কৰিব।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সন্মানীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ Sri Sri Aniruddhadeva Sports University ৰ প্ৰথম আধ্যাদেশ সদনত দাখিল কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Item no.5.

" The Assam Police (Amendment) Bill, 2022". মাননীয় মুখ্যমন্ত্ৰীৰ হৈ সংসদীয় মন্ত্ৰী ডাঙৰীয়াই " The Assam Police (Amendment) Bill, 2022".খন সদনত উত্থাপন কৰাৰ বাবে অনুমতি বিচাৰি প্ৰস্তাৱ কৰিব।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সন্মানীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ আপোনাৰ অনুমতি সাপেক্ষে " The Assam Police (Amendment) Bill, 2022".

সদনত উত্থাপন কৰাৰ বাবে প্ৰস্তাৱ কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটো হ'ল " The Assam Police (Amendment) Bill, 2022". বিধেয়ক খন উত্থাপন কৰিবৰ বাবে সদনৰ অনুমতি আছেনে, যি সকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে তেখেত সকলে কওক হয়, যি সকল মাননীয় সদস্য-সদস্যা বিপক্ষে আছে তেখেত সকলে কওক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়ক খন উত্থাপন কৰা হ'ল।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ, ধিং) ঃ** ছাৰ, এই বিধেয়ক সমূহৰ এমেণ্ডমেন্ট এবাৰে আলোচনা হ'ব নে এইবাৰ introduce কৰি next session ত।

**মাননীয় অধ্যক্ষ ঃ** 19th ত হ'ব কিবা থাকিলে।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ, ধিং) ঃ** যিহেতু মাত্ৰ এদিন দুদিন সময় পাইছো, আজি কেইবাটাও বিল আকৌ আহিছে, আকৌ এমেণ্ডমেন্ট দিয়াৰ সময়টো। যদি introduce কৰি থৈ দিয়ে।

**মাননীয় অধ্যক্ষ ঃ** দুদিন সময়টো পাই যাব। 19th ত হ'ব আলোচনা, ৰবিবাৰ হ'লেও এমেণ্ডমেন্টটো ৰিচিভ কৰা হ'ব। অসম বিধান সভাৰ প্ৰধান সচিবে বিধেয়ক খনৰ শিৰোনমা পঢ়ি দিব।

**প্ৰধান সচিব** ঃ বিধেয়ক খনৰ শিৰোনাম হ'ল "The Assam Police (Amendment) Bill, 2022".

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Item no. 6.

"The Assam Repealing Bill, 2022". মাননীয় মন্ত্ৰী শ্ৰীবিমল বৰা ডাঙৰীয়াই "The Assam Repealing Bill, 2022".খন সদনত উত্থাপন কৰাৰ বাবে অনুমতি বিচাৰি প্ৰস্তাৱ কৰিব।

**শ্ৰীবিমল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে "The Assam Repealing Bill, 2022". সদনত উত্থাপন কৰাৰ বাবে প্ৰস্তাৱ কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটো হ'ল "The Assam Repealing Bill, 2022". বিধেয়ক খন উত্থাপন কৰিবৰ বাবে সদনৰ অনুমতি আছেনে, যি সকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে তেখেত সকলে কওক হয়, যি সকল মাননীয় সদস্য-সদস্যা বিপক্ষে আছে তেখেত সকলে কওক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়ক খন উত্থাপন কৰা হ'ল। অসম বিধান সভাৰ প্ৰধান সচিবে বিধেয়ক খনৰ শিৰোনমা পঢ়ি দিব।

**প্ৰধান সচিব** ঃ বিধেয়ক খনৰ শিৰোনাম হ'ল "The Assam Repealing Bill, 2022".

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Item no. 7.

"The Assam Non-Government Educational Institutions (Regulation of Fees) (Amendment) Bill, 2022". মাননীয় মন্ত্ৰী ডাঃ ৰনোজ পেগু ডাঙৰীয়াই "The Assam Non-Government Educational Institutions (Regulation of Fees) (Amendment) Bill, 2022". খন সদনত উত্থাপন কৰাৰ বাবে অনুমতি বিচাৰি প্ৰস্তাৱ কৰিব।

**ডাঃ ৰনোজ পেগু, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে "The assam Non-Government Educational Institutions (Regulation of Fees) (Amendment) Bill, 2022". সদনত উত্থাপন কৰাৰ বাবে প্ৰস্তাৱ কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটো হ'ল "The Assam Non-Government Educational Institutions (Regulation of Fees) (Amendment) Bill, 2022". বিধেয়ক খন উত্থাপন কৰিবৰ বাবে সদনৰ অনুমতি আছেনে, যি সকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে তেখেত সকলে কওক হয়, যি সকলে মাননীয় সদস্য-সদস্যা বিপক্ষে আছে তেখেত সকলে কওক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়ক খন উত্থাপন কৰা হ'ল। অসম বিধান সভাৰ প্ৰধান সচিবে বিধেয়ক খনৰ শিৰোনমা পঢ়ি দিব।

**প্ৰধান সচিব** ঃ বিধেয়ক খনৰ শিৰোনাম হ'ল "The assam Non-Government Educational Institutions (Regulation of Fees) (Amendment) Bill, 2022".

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Item no. 8.

"The Girijananda Chowdhury University, Assam Bill, 2022" মাননীয় মন্ত্ৰী ডাঃ ৰনোজ পেগু ডাঙৰীয়াই "The Girijananda Chowdhury University, Assam Bill, 2022" খন সদনত উত্থাপন কৰাৰ বাবে অনুমতি বিচাৰি প্ৰস্তাৱ কৰিব।

**ডাঃ ৰনোজ পেগু, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে "The Girijananda Chowdhury University, Assam Bill, 2022" সদনত উত্থাপন কৰাৰ বাবে প্ৰস্তাৱ কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটো হ'ল "The Girijananda Chowdhury University, Assam Bill, 2022" বিধেয়ক খন উত্থাপন কৰিবৰ বাবে সদনৰ অনুমতি আছেনে, যি সকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে তেখেত সকলে কওক হয়, যি সকল মাননীয় সদস্য-সদস্যা বিপক্ষে আছে তেখেত সকলে কওক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়ক খন উত্থাপন কৰা হ'ল। অসম বিধান সভাৰ প্ৰধান সচিবে বিধেয়ক খনৰ শিৰোনমা পঢ়ি দিব।

**প্ৰধান সচিব (অসম বিধান সভা)** ঃ বিধেয়কখনৰ শিৰোনামা হ'ল "The Girijananda Chowdhury University, Assam Bill, 2022"

**মাননীয় অধ্যক্ষ** ঃ কাৰ্য্যসূচী নম্বৰ ৯। "The Auniati University, Assam Bill, 2022" মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াই "The Auniati University, Assam Bill, 2022" সদনত উত্থাপন কৰাৰ বাবে অনুমতি বিচাৰি প্ৰস্তাৱ কৰিব।

**ডাঃ ৰণোজ পেগু (মাননীয় মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষ "The Auniati University, Assam Bill, 2022" সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল "The Auniati University, Assam Bill, 2022" বিধেয়কখন উত্থাপন কৰিবৰ বাবে সদনৰ অনুমতি আছে নে? যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক হয়, যি সকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে তেওঁলোকে কওঁক নহয়। মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে বিধেয়কখন উত্থাপন কৰা হ'ল। এতিয়া প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিব (অসম বিধান সভা)** ঃ বিধেয়কখনৰ শিৰোনামা হ'ল, "The Auniati University, Assam Bill, 2022"

**মাননীয় অধ্যক্ষ** ঃ কাৰ্য্যসূচী নং ১০। Pragjyotishpur University, Assam Bill, 2022" মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াই Pragjyotishpur University, Assam

Bill, 2022"সদনত উথাপন কৰাৰ বাবে অনুমতি বিচাৰি প্ৰস্তাৱ কৰিব।

**ডাঃ ৰণোজ পেগু (মাননীয় মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষ Pragjyotishpur University, Assam Bill, 2022" সদনত উথাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল "Pragjyotishpur University, Assam Bill, 2022" বিধেয়কখন উথাপন কৰিবৰ বাবে সদনৰ অনুমতি আছে নে? যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক হয়, যি সকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে তেওঁলোকে কওঁক নহয়। মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে বিধেয়কখন উথাপন কৰা হ'ল। এতিয়া প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিব (অসম বিধান সভা) ঃ** বিধেয়ককনৰ শিৰোনামা হ'ল, "Pragjyotishpur University, Assam Bill, 2022"

**মাননীয় উপাধ্যক্ষ ঃ** কাৰ্য্যসূচী নং ১১। মাননীয় মন্ত্ৰী শ্ৰী যোগেন মোহন ডাঙৰীয়া "Assam Fixation of Ceilling on Land Holdings (Amendment) Bill, 2022". সদনত উথাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী যোগেন মোহন (মাননীয় মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সপক্ষে "Assam Fixation of Ceilling on Land Holdings (Amendment) Bill, 2022".খন সদনত উথাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং ১১ টো মাননীয় মন্ত্ৰী যোগেন মোহনে "Assam Fixation of Ceilling on Land Holdings (Amendment) Bill, 2022".খন সদনত উথাপন কৰাৰ বাবে অনুমতি বিচাৰি প্ৰস্তাৱ কৰিব।

**শ্ৰী যোগেন মোহন (মাননীয় মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "Assam Fixation of Ceilling on Land Holdings (Amendment) Bill, 2022".সদনৰ উথাপনৰ বাবে অনুমতি বিচাৰিলো।

**মাননীয় অধ্যক্ষঃ** "Assam Fixation of Ceilling on Land Holdings (Amendment) Bill, 2022" বিধেয়কখন উথাপন কৰিবৰ বাবে সদনৰ অনুমতি আছে নে? যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক হয়, যি সকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে তেওঁলোকে কওঁক নহয়। মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে বিধেয়কখন উথাপন কৰা হ'ল। এতিয়া প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিব (অসম বিধান সভা) ঃ** বিধেয়ককনৰ শিৰোনামা হ'ল, "Assam Fixation of Ceilling on Land Holdings (Amendment) Bill, 2022"

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং ১২। "The Registration (Assam Amendment) Bill, 2022". মাননীয় মন্ত্ৰী যোগেন মোহনে "The Registration (Assam Amendment) Bill, 2022". খন সদনত উথাপন কৰাৰ বাবে অনুমতি বিচাৰি প্ৰস্তাৱ কৰিব।

**শ্ৰী যোগেন মোহন (মাননীয় মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সপক্ষে The Registration (Assam Amendment) Bill, 2022". খন উথাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল The Registration (Assam Amendment) Bill,

2022".বিধেয়কখন উত্থাপন কৰিবৰ বাবে সদনৰ অনুমতি আছে নে? যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক হয়, যি সকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে তেওঁলোকে কওঁক নহয়। মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে বিধেয়কখন উত্থাপন কৰা হ'ল। এতিয়া প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিব (অসম বিধান সভা)** ঃ বিধেয়ককনৰ শিৰোনামা হ'ল, The Registration (Assam Amendment) Bill, 2022".

**মাননীয় অধ্যক্ষ** ঃ কাৰ্য্যসূচী নং ১৩। "The Assam Municipal (Amendment) Bill, 2022" মাননীয় মন্ত্ৰী শ্ৰী অশোক সিংহাল ডাঙৰীয়াই "The Assam Municipal (Amendment) Bill, 2022" বিধেয়কখন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী অশোক সিংহাল (মাননীয় মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, "The Assam Municipal (Amendment) Bill, 2022" দফাই দফাই বিবেচনা কৰাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ আমাৰ যিহেতু বহুত বিল আছে, কোনোৰা বিলত যদি clause by clause Amendment এটাকৈ বেছি আছে, আমি একেবাৰতে উত্থাপন কৰি আমি clarification ৰ কাৰণে কৰি দিম আৰু reply ৰ পিছত clause by clause পাছ কৰি যাম। এতিয়া বিবেচনাৰ বাবে প্ৰস্তাৱটো সদনত উত্থাপন কৰিলো। প্ৰশ্নটো হ'ল "The Assam Municipal (Amendment) Bill, 2022" বিবেচনা আৰু পাৰিতকৰণ প্ৰস্তাৱটো বিবেচনাৰ বাবে লোৱা হওঁক। যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক হয়, যি সকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে তেওঁলোকে কওঁক নহয়। মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে প্ৰস্তাৱটো গৃহীত কৰা হ'ল। এতিয়া আমি বিধেয়কখন দফাই দফাই বিবেচনা কৰিম। দফা নং ২ বিধেয়কখনৰ অংশ হ'ব দফাটোত শ্ৰী হাফিজ বছিৰ আহমেদ, শ্ৰী আমিনুল ইছলাম, শ্ৰী নজৰুল হ'ক, শ্ৰী চুজামুদ্দিন লস্কৰ, শ্ৰী নিজামুদ্দিন চৌধুৰী, শ্ৰী মজিবুৰ ৰহমান, শ্ৰী আমিনুল ইছলাম (কনিষ্ঠ), শ্ৰী কৰিমুদ্দিন বৰভূঞা, শ্ৰী আশ্ৰাফুল হুছেইন, শ্ৰী চামচুল হুদাৰ নামত এটা সংশোধনী প্ৰস্তাৱ আছে আপোনালোকে সংশোধনীটো প্ৰস্তাৱটো মই চাইছো আৰু যদি আছে একেবাৰতে উত্থাপন কৰিব। দফা নং ৩ বিধেয়কখনৰ অংশ হ'ব। দফটোত শ্ৰী হাফিজ বছিৰ আহমেদ, শ্ৰী আমিনুল ইছলাম, শ্ৰী নজৰুল হ'ক, শ্ৰী চুজামুদ্দিন লস্কৰ, শ্ৰী নিজামুদ্দিন চৌধুৰী, শ্ৰী মজিবুৰ ৰহমান, শ্ৰী আমিনুল ইছলাম (কনিষ্ঠ), শ্ৰী কৰিমুদ্দিন বৰভূঞা, শ্ৰী আশ্ৰাফুল হুছেইন, শ্ৰী চামচুল হুদাৰ আৰু শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থৰ নামত এটা মুঠ ২ টা সংশোধনী প্ৰস্তাৱ আছে। তেখেতৰ গ্ৰুপৰ পৰা যিকোনো এজন সদস্যক উত্থাপন কৰিবলৈ আৰু মন্তব্য ৰাখিবলৈ অনুৰোধ জনালো।

**শ্ৰী আমিনুল ইছলাম (মাননীয় সদস্য)** ঃ মাননীয় অধ্যক্ষ মহোদয় Hon'ble Speaker Sir, I beg to move, in sub clause 2 of clause 2 of the propose bill shall be deleted. In similarly, I beg to move in propose sub clause 1A, clause 3 of the proposed bill in between the words ex-service men and ocaring in line 3, the following words shall be added; Render supreme service in the Army, Navy and Air force. আমি এই সংশোধনী প্ৰস্তাৱটো অনা উদ্দেশ্যটো হ'ল ইয়াতে clause 2 ৰ sub clause 1 আৰু 2 ত যিটো

proposed amendment bill তাতে আমাৰ Municipal বোৰ্ডৰ চেয়াৰ পাৰ্শনৰ কাৰণে আগতে আছিল ১০ হাজাৰ দৰমহা। Vice Chairman ৰ কাৰণে আছিল ৭ হাজাৰ আৰু মেম্বাৰৰ কাৰণে ৫ হাজাৰ আছিল। এই Amendment ৰ জৰিয়তে Chairman ৰ কাৰণে ১০ ৰ পৰা ১৫ হাজাৰ কৰিব বিচৰা হৈছে। Vice Chairman ৰ কাৰণে আছিল ৭ হাজাৰৰ পৰা ১২ হাজাৰ , মেম্বাৰৰ কাৰণে ৫ হাজাৰৰ পৰা ১০ কৰিব বিচৰা হৈছে। আমাৰ কথাটো হ'ল পঞ্চায়তৰ সভাপতি, ZPC Member বা আঞ্চলিক পঞ্চায়তৰ সদস্য তেওঁলোকৰ কাৰণেও চৰকাৰে এনেকুৱা দৰমহাৰ ব্যৱস্থা কৰিছিল। দেখা গ'ল ৪/৫ বছৰত গৈ তেওঁলোকৰ বকেয়া হৈ আছে। যোৱা ৫ বছৰত যি সকল প্ৰতিনিধি আছিল তেওঁলোকৰ একটকাও দিয়া নাই। নতুনকৈ পঞ্চায়ত গঠন হৈ গ'ল আগৰ বিলাকে এতিয়াও পইচা পাব বাকী থাকিলে। যদি এনেকে আমাৰ যিহেতু চৰকাৰৰ এনেকুৱা কেপাচিটি নাথাকে যে জি পি ৰ প্ৰেচিডেন্ট, এফ এ মেম্বাৰ, জিলা পৰিষদৰ মেম্বাৰৰ, তেওঁলোকৰ ৪ বছৰ ৫ বছৰৰ আদায় কৰিব নোৱাৰিলো, তেওঁলোকৰ টাৰ্ম পাৰ হৈ গ'ল, নতুন বডি আহিল। গতিকে যদি আমাৰ কেপাচিটি নাই, ইয়াত টো আমি মিউনিচিপালৰ কাৰণে remuneration বঢ়াই থাকো, যে চেয়াৰমেনৰ ১০ হাজাৰৰ পৰা ১৫ হাজাৰ, ভাইচ চেয়াৰমেনৰ ১২ হাজাৰ বা মেম্বাৰৰ ১০ হাজাৰ, আমি যদি এনেকৈ দিব নোৱাৰো, পেণ্ডিং হৈ থাকে, ultimately আমাৰ চৰকাৰ এটা default ত পৰে। বা চৰকাৰৰ ওচৰত এটা প্ৰেচাৰ থাকে, সমালোচনাৰ পাত্ৰ হ'ব লগা হয়, যে আমাৰ remuneration টো দিব নোৱাৰিলে। গতিকে আমি ভাবো অন্ততঃ আগতে যিটো হাৰত আছিল সেই হাৰতেই হওঁক। কিন্তু regular payment যাতে চৰকাৰে কৰিব পাৰে। সেইটো নিশ্চয়তা কৰক। এনেয়ে বঢ়াই থাকি পিছত দিব নোৱাৰিলে ৪ বছৰ ৫ বছৰ পেণ্ডিং হৈ থাকিলে, এইটো ultimately চৰকাৰৰ এটা সমালোচনা হয়। সেই কাৰণে মই amendment clause টো ডিলিট কৰি আগৰ মতে বাহাল থকাটো বিচাৰিছো। এই টো হ'ল আমাৰ clause -2 ত । আৰু clause -3 ত আমাৰ যিটো amendment আছিল। তাত আমাৰ উদ্দেশ্যটো হ'ল, কেইদিনমান আগতে ভাৰতৰ প্ৰতিৰক্ষা মন্ত্ৰীয়ে অসমৰ মুখ্যমন্ত্ৰী মহোদয়লৈ এখন চিঠি লিখিছিল যে যি সকল আৰ্মি, নেভি আৰু এয়াৰ ফৰ্চৰ পৰা অৱসৰ লয়, তেওঁলোকৰ ঘৰ ভাড়া Exemption দিয়াৰ tax খিনি কিছু Exemption দিব লাগে। এইটো ভাৰতৰ Hon'ble Defence Minister of India ই অসমৰ মুখ্যমন্ত্ৰী লৈ চিঠি লিখিছিল। গতিকে ইয়াত যিহেতু Exemption কথাটো ইয়াত clause ত আহিছে। এতিয়া আমি ইয়াতে এই কথাটো specify কৰি দিব বিচাৰিছো, যে বাকীখিনি ঠিকে আছে। Exemption দফাটো ইয়াত শেষত কৈছে, 'rendered supreme service in the Army, Navy and Air force' এইটো সুমুৱাই দিব লাগে, বাক্যটোৰ শেষত যাতে প্ৰতিৰক্ষা মন্ত্ৰী মহোদয়ে যিটো বিচাৰিছিল আমাৰ উদ্দেশ্য এইটোৱে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া কমলাক্ষ দেই পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, বিধায়ক ঃ** ছাৰ I beg to move in the proposed sub - clause (1A) of Clause 3 of the proposed Bill in between the word "widows" and punctuation mark ".", the following word shall be added. "and they also exempt from electricity bill, water bill and other facilities provided by the Corporation" অধ্যক্ষ মহোদয়, আমাৰ আগৰজনে ইতিমধ্যে কৈ গৈছে। বিলখন ঠিকে আছে, অকনমান যদি rectify কৰি দিয়ে তেনেহলে

ভাল হ'ব। তাতে এটা বস্তু আছে যে আমাৰ Hon'ble Defence Minister অসমৰ মাননীয় মুখ্যমন্ত্ৰী লৈ চিঠি লিখিছিল যে আমাৰ Army, Navy and Air force' এইখিনিৰ exempt কৰিব লাগে। অৰ্থাৎ যিখিনি আমাৰ ex-serviceman আছে, তাতে এটা বস্তু ক'ব লগা আছে, এনেয়ে আমি electricity Bill দিছো বা Water Suply Bill দিছো, electricity বা Water Suply directly মিউনিচিপালিটিক দিয়া নহয়। কিন্তু কথাটো হৈছে তাতে ৩ ধৰণৰ tax এটা হ'ল, municipality tax,এটা হৈছে property tax আৰু এটা হৈছে betterment tax. দুয়োটা tax য়ে উল্লেখ কৰা হৈছে। কিন্তু betterment tax ৰ উল্লেখ কৰা নাই। সেইটোৰ কাৰণে আমি মন্ত্ৰীমহোদয়ক অনুৰোধ জনাওঁ যে এই betterment tax টো add কৰিব লাগে। exempt কৰিব লগা হয় যদি প্ৰত্যেকটোৰে কৰিব লাগে। দুটা কৰিলে কিন্তু এটা নকৰিলে, তথাপি এই বিলখনত অকণমান অসুবিধা থাকি যাব। সেই কাৰণে যদি হয় ৩ টাই কৰিব লাগে। অৰ্থাৎ municipality ত যিমান tax আছে, প্ৰত্যেকটো tax ৰ পৰা ex-serviceman ক ৰেহাই দিব লাগে। ২য়তে চেয়াৰমেন আৰু ভাইচ চেয়াৰমেনৰ remuneration ৰ ক্ষেত্ৰত মোৰ জাষ্টিফিকেশ্যনটো হৈছে, এনেকুৰা যে ১৫ হাজাৰ টকা দিয়ক বা ৭ হাজাৰ টকা দিয়ক বা ২০ হাজাৰ টকাও দিয়ক আমাৰ ক'ব লগা একো নাই। এই টকাটো যদি আপোনালোকে own fund ৰ পৰা দিয়ে তেতিয়া হলে আমাৰ Municipality ৰ Development টো নহয়। এইটো কাৰণে নহয়, আমি বিশেষকৈ আপোনাক যদি কৈ থাকো তেনেহলে এটা বস্তু ক'ব লগা হৈছে, যে আমি চাফাই কৰ্মী বিলাকক দৰমহা দিব পৰা নাই কৰিমগঞ্জত। মাননীয় মন্ত্ৰী পীযুষ হাজৰিকা ডাঙৰীয়া তাতে আছিল তেখেতে জানে, Flood light গোটেই অসমত লগাইছিল। বস্তুটো ভাল হৈছে, বেয়া হোৱা নাই। কিন্তু সেইটোৰ যিটো বিল আহে, সেই বিলটো কিন্তু আমাৰ Municipality য়ে বহন কৰিব নোৱাৰে। এইটোৰ কাৰণে আমি দেখিছো আমাৰ কৰিমগঞ্জ Municipality, বিভিন্ন Municipality ৰ এনেকুৰা হ'ব চাগে। ৩ মাহ লাইট টো থাকে, ৫ মাহ লাইট টো বন্ধ থাকে. এনেকুৰা হলে কি বিভীষিকাময় পৰিৱেশ এটাৰ সৃষ্টি হয়। সেই কাৰণে মই ভাবো, এই টকাটো পোনপটীয়াকৈ, আমি যেনেকৈ MLA বিলাকে বাজেটৰ পৰা টকাটো লৈ থাকো, এনেকুৰা আমাৰ বাজেটৰ পৰা যাতে পোনপটীয়াকৈ Municipality ৰ চেয়াৰমেন আৰু ভাইচ চেয়াৰমেনক টকাটো দিব। দিলে মই ভাবো, আমাৰ Municipality বোৰ ভালকৈ চলিব পাৰিব আৰু betterment tax. টো include কৰি দিব লাগে এইটো মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, মন্ত্ৰী মহোদয়,

**শ্ৰী অশোক সিংহল, মন্ত্ৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য আমিনুল ইছলাম** ডাঙৰীয়াই যিটো amendmentৰ ক্ষেত্ৰত যিখিনি কথা কলে, Ex-Serviceman and the word 'rendered supreme service in the Army, Navy and Air force shall be inserted' আমাৰ কাৰণে সৈনিক বুলি কলেই supreme sacrifice আছে, তাত আৰু supreme sacrifice বুলি কলে supreme service in the army আমি সৈনিক সকলক সন্মান কৰো আৰু প্ৰত্যেকজন Ex-Serviceman য়ে municipality tax ত ৰেহাই পাব তাত নতুনকৈ এই কথাটো ক'ব লগা কোনো প্ৰয়োজন নাই। Act তবহু কথা clearlyলেখা আছে আৰু regarding Clause-2 যিটো দৰমহাৰ কথা লিখা আহিছে যে ৫ হাজাৰ টকাকে increase কৰিছো সেই টো own source পৰা দিয়া হয়। আৰু property tax যিটো

আছে, তাত বেলেগ tax, included আছে যিখিনি আমাক consider কৰিব দিছিল,সেইটো consider কৰিছো, water tax consider কৰিছো lighting tax consider কৰিছো। APDCL আমাৰ আওঁতাত নপৰে, সেইটো বেলেগ এটা বিভাগ। তাত আমি exemption দিব নোৱাৰিম। আৰু betterment যিটো আছে সেই betterment টো হ'ল, holding ৰ যদি value বাঢ়ি গৈছে, improvement scheme লোৱাৰ কাৰণে বৰ্ডৰ তৰফৰ পৰা সেইটোহে betterment tax হয়। সদায় লোৱা নহয়, যেতিয়া betterment scheme লোৱা হয়, তেতিয়াহে betterment tax টো লাগে। সেই কাৰণে যিটো প্ৰস্তাৱ আমি দিছো, যে Ex-Serviceman will be exempted from payment of the property tax আৰু Clause-2 যিটো amendment আছে তাৰ বিষয়ে মোৰ ফালৰ পৰা যিখিনি ক'বলগা আছিল কলো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ, এতিয়া দফা নং -২ বিধেয়কখনৰ অংশ হ'ব। কিবা আছে নেকি ?

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, বিধায়ক** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিলখন প্ৰায় ঠিকে আছে, আমাৰ ক'বলগা বিশেষ একো নাই। কথাটো হ'ল আৰ্মিৰ যিখিনি বা এয়াৰ ফ'ৰ্চৰ যিখিনি higher official যিখিনি আছে, সেইখিনিৰ দৰমহা বহুত, আমাতকৈও বেছি পায়। কথাটো হৈছে সেইখিনি আপুনি ৰাখিব নে নাৰাখিব, মই ক'ব বিচৰা নাই। তেখেত সকলক honour দিবলৈ আপোনালোকে কৰিছে। এইখিনি ঠিকে আছে। আপুনি যদি supreme sacrifies কথাটো কয়, তেনেহলে আমাৰ মুক্তিযঁজাৰু যিখিনি আছে সেইখিনি আপুনি include কৰক। কেৱল ফ'ৰ্চক আপুনি দিলে supreme sacrifies ৰ কথাটো নাহে। supreme sacrifies কথাটো যদি আহিব লগা হয়, তেতিয়াহলে মুক্তিযুঁজাৰু সকলক সুমুৱাবই লাগিব। মই মন্ত্ৰী মহোদয়ৰ পৰা স্পেচিয়েলি বিচাৰিছো এইটো আপোনালোকে সুমুৱাওক। নহলে মই ভাবো, আমি স্বাধীনতাৰ ৭৫ বছৰ আমি উৎযাপন কৰিছো আৰু আমি ব্ৰিগেডিয়াৰক দি আছো, ফ'ৰ্চক দি আছো, exempt কৰি আছো। আৰু আমি মুক্তিযুঁজাৰু সকলক পাহৰি গৈছো। নহলে এইটো বেয়া হ'ব। আপোনালোকে মুক্তি যুঁজাৰু সকলক include কৰক, মই এইটো অনুৰোধ জনাইছো।

**শ্ৰী অশোক সিংহল, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, দেশ স্বাধীন হোৱাৰ সময়তে মুক্তি যুঁজাৰু ক যদি যি সকল শাসনত আছিল, তেখেত সকল যদি include কৰিলেহেতেন, তেতিয়া মুক্তিযুঁজাৰু সকলে সুবিধাটো পালে হয়। ৭৫ বছৰ পাছত যেতিয়া মুক্তিযুঁজাৰু বহু কম সংখ্যক আছে, এই প্ৰস্তাৱৰ বহু গুৰুত্ব থাকে বুলি মই নাভাবো.

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, বিধায়ক** ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেতে Ex-Serviceman আৰু widow ক দি আছে, সেইটো ভাল কথা। মই কৈ আছো, মই নিগেটিভলি কোৱা নাই আপোনাক। যিখিনি আছে, যিখিনি ঢুকাই গৈছে সেইখিনি বাদ দিয়ক যিখিনি আছে তেখেত সকলক দিয়াৰ ব্যৱস্থা কৰিব লাগে।

**শ্ৰী অশোক সিংহল, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, চিন্তা কৰি চাম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ, এতিয়া দফা নং -২ বিধেয়কখনৰ অংশ হ'ব. আমিনুল ইছলাম ডাঙৰীয়া আপোনালোকে উঠাই ল'বনে সংশোধনীৰ প্ৰস্তাৱ।

**শ্ৰী আমিনুল ইছলাম, বিধায়ক (জ্যেষ্ঠ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কথা হ'ল সকলো মিউনিচিপালিটি ব'ৰ্ড বা টাউন কমিটিৰ ইনকাম যদি একে থাকে তেতিয়া তেওঁলোকে দৰমহাটো দিব পাৰে আমাৰ কথা নাই। কিন্তু আমাৰ শংকা হৈছে এইটো যে কিছুমানৰ ইনকাম নাই। কিছুমান

মিউনিচিপালিটিৰ বহুত বেছি । গতিকে  এইটো যাতে নহয় যে, পৰৱৰ্তী সময়ত ২ বছৰ ৩ বছৰলৈ তেওঁলোকৰ আদায় ন'হল। পিছত আকৌ আমাক কৈ থাকে যে সদনত কথাটো উঠাব আমি ইমান বছৰ পোৱা নাই। যদি মন্ত্ৰী মহোদয়ে নিশ্চয়তা দিয়ে যে কোনো পেণ্ডিং নাথাকিব এই বৰ্ধিত হাৰত সকলোকে দিব পৰাৰ সকলো মিউনিচিপালিটি ব'ৰ্ডৰ ক্ষমতা আছে, তেনেহলে আমাৰ আপত্তি নাই। তেতিয়া আমি এইটো উঠাই ল'ম।

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটো এতিয়া উঠাই লোৱা হ'ল। এতিয়া দফা নং-২ সদনত ভোটদানৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিলো। যি সকল মাননীয় সদস্য  সদস্যা সপক্ষে আছে তেখেত সকলে কওক হয়, যি সকল মাননীয় সদস্য সদস্যা বিপক্ষে আছে তেখেত সকলে কওক নহয়। মই ভাবো হয়ৰ  সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপক্ষে দফা নং-২ গৃহীত কৰা হ'ল। এতিয়া দফা নং-৩ । কমলাক্ষ ডাঙৰীয়া আপুনি উঠাই ল'ব নে?

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** কথাটো হ'ল চাৰ শাসক দলৰ সংখ্যা বেছি আছে বিলটো পাছ কৰি দিব। কিন্তু মই এইটো উঠাই নলওঁ অধ্যক্ষ মহোদয় ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। আৰু আমিনুল ইছলাম (জ্যেষ্ঠ) ডাঙৰীয়া আপোনালোকৰো আছে দফা নং- ৩ টো উঠাই ল'ব নে আপোনালোকে? আমাৰ আমিনুল ইছলাম ডাঙৰীয়া আৰু তেখেতৰ সহযোগী খিনিয়ে উঠাই লৈছে। কমলাক্ষ দে ডাঙৰীয়াই এইটো মুভ কৰিছে। সেই কাৰণে এতিয়া মই ভোট দানৰ বাবে সদনত উত্থাপন কৰিলো যে দফা নং- ৩ বিধেয়ক খনৰ অংশ হ'ব । এতিয়া মই শ্ৰী কমলাক্ষ দে ডাঙৰীয়াৰ দ্বাৰা উত্থাপন কৰা সংশোধনী প্ৰস্তাৱটো দুটা ভোট দানৰ বাবে সদনত উত্থাপন কৰিলো । যি সকল মাননীয় সদস্য  সদস্যা সপক্ষে আছে তেখেত সকলে কওক হয়, যি সকল মাননীয় সদস্য সদস্যা বিপক্ষে আছে তেখেত সকলে কওক নহয়। মই ভাবো নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে সংশোধনী প্ৰস্তাৱটো নাকচ কৰা হ'ল । এতিয়া দফা নং- ৩ টো ভোট দানৰ বাবে সদনত উত্থাপন কৰিলো। যি সকল মাননীয় সদস্য - সদস্যা সপক্ষে আছে তেখেত সকলে কওক হয়, যি সকল মাননীয় সদস্য সদস্যা বিপক্ষে আছে তেখেত সকলে কওক নহয়। মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে দফা নং- ৩ গৃহীত কৰা হ'ল । দফা নং- ১, সংক্ষিপ্ত নাম আৰু পৰিসৰ আৰু আৰম্ভন বিধেয়ক খনৰ অংশ হ'ব । যি সকল মাননীয় সদস্য  সদস্যা সপক্ষে আছে তেখেত সকলে কয় হয়, যি সকল মাননীয় সদস্য সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়। মই ভাবো হয়ৰ সপেক্ষে, হয়ৰ সপেক্ষে, হয়ৰ সপেক্ষে দফা নং- ১, সংক্ষিপ্ত নাম আৰু পৰিসৰ আৰু আৰম্ভন বিধেয়ক খনৰ অংশ হ'ব । মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী বিধেয়ক খন পাৰিত কৰিবলৈ সদনত প্ৰস্তাৱ উত্থাপন কৰিব ।

**শ্ৰী অশোক সিংহল, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Municipal (Amendment) Bill, 2022"  পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই বিধেয়ক খন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়ালো। যি সকল মাননীয় সদস্য  সদস্যা সপক্ষে আছে তেখেত সকলে কওক হয়, যি সকল মাননীয় সদস্য সদস্যা বিপক্ষে আছে তেখেত সকলে কওক নহয়। মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়ক খন পাৰিত কৰা হ'ল । এতিয়া কাৰ্য্যসূচী নং - ১৪  "The Assam Municipal Corporation (Amendment) Bill, 2022" মাননীয় মন্ত্ৰী শ্ৰী অশোক সিংহাল ডাঙৰীয়ক The Assam Municipal Corporation (Amendment) Bill, 2022

বিধেয়কখন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো ।

**শ্ৰী অশোক সিংহল, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়,The Assam Municipal Corporation (Amendment) Bill, 2022 দফাই দফাই বিবেচনা কৰিবলৈ মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই বিধেয়ক খন বিবেচনাৰ বাবে লোৱা প্ৰস্তাৱটো ভোটদানৰ বাবে সদনত উত্থাপন কৰিলো। প্ৰস্তাৱটো হ'ল - The Assam Municipal Corporation (Amendment) Bill, 2022 বিধেয়কখন বিবেচনা আৰু পাৰিতকৰণৰ প্ৰস্তাৱটো বিবেচনাৰ বাবে লোৱা হওক। যি সকল মাননীয় সদস্য সদস্যা বিপক্ষে আছে তেখেত সকলে কওক নহয়। মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত কৰা হ'ল । এতিয়া আমি বিধেয়কখন দফাই দফাই বিবেচনা কৰিম। দ ফা নং-২ বিধেয়কখনৰ অংশ হ'ব। কিন্তু দফাটোত শ্ৰী কমলাক্ষ দে পুৰকায়স্থৰ নামত দুটা সংশোধনী প্ৰস্তাৱ আছে, আপুনি সংশোধনী দুটা উত্থাপন কৰক আৰু ইয়াৰ মন্তব্য দিয়াৰ বাবে অনুৰোধ জনালো।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** আমাৰ কথাটো হ'ল Clause-6 Sub-Clause-2 ,Section-3 অধ্যক্ষ মহোদয়, The Assam Municipal Corporation (Amendment) Bill, 2022 তাৰ মানে অধ্যক্ষ মহোদয় Municipality Act, 1957 আৰু Gauhati Municipality Coprporation Act, 1969 এতিয়া এই বিলখন অহাৰ লগে লগে এই দুটা বিলৰ মূল্য নাথাকে, এইটো পৃথক হৈ গ'ল । কৰপোৰেচন যিকেইটা হ'ব এই বিলখন প্ৰযোজ্য হ'ব। অধ্যক্ষ মহোদয়ে বাকীখিনি ঠিকে আছে যে চেয়াৰমেন বা যিখিনি ৱাৰ্ড কমিচনাৰ থাকিব সিহতে ষ্টেচাচটো পাব। এইবিলাক ঠিকে আছে বা আগতে আমি যিখিনি পাৰমিচন দিছিলো সেইখিনি ৰেগুলাৰাইজ হ'ব। এই গোটেই বস্তুটো ঠিক আছে । যিকেইটা নতুন ৱাৰ্ড হ'ব সিহতক চৰকাৰে কি কৰে সেইটো চৰকাৰৰ কথা। কিন্তু আমি এটা বস্তু বিচাৰিছো যে তাত কাৰ্য্যকাল দিছে পাছ বছৰ। অৰ্থাৎ চেয়াৰমেন, ভাইচ চেয়াৰমেন, কমিচনাৰ বিলাকে আৰু পাছ বছৰ চলাই যাব। আমি বিচাৰিছো পাছ বছৰ নহয়, তিনি বছৰৰ মূৰত নিৰ্বাচন পাতিব লাগে। তিনি মাহৰ পিছত নটিফিকেশ্যনটো কৰিব লাগে আৰু ছয় মাহৰ ভিতৰত যাতে ইলেকশ্যন হয়। কাৰণটো হ'ল অধ্যক্ষ মহোদয়, নতুন যেতিয়া আইনটো হৈছে, নতুন যেতিয়া কৰপোৰেশ্যন হ'ব মানুহৰ নতুন নতুন চিন্তাধাৰা থাকিব। গতিকে নতুনকৈ ইলেকশ্যনটো পাতক। তেতিয়া যে চৰকাৰৰ গ্ৰহণযোগ্যতা যিটো আছে সেইটো ভালে হ'ব। এইটো কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে তিনি মাহৰ ভিতৰত নটিফিকেশ্যন দিব লাগে আৰু ছয় মাহৰ ভিতৰত ইলেকশ্যনটো পাতিব লাগে । সেইটো আমি অনুৰোধ জনাইছো ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী অশোক সিংহল, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, কমলাক্ষ দে পুৰকায়স্থই এইটো শিলচৰকলৈ কৈছে নে গোটেই সংশোধনীটোক লৈ কৈ আছে । অধ্যক্ষ মহোদয়, $74^{th}$ Amendment of the Constitution of India. Article 243U in The Constitution Of India 243U. Duration of Municipalities, etc

(1) Every Municipality, unless sooner dissolved under any law for the time being in force, shall continue for five years from the date appointed for its first meeting and no longer: Provided that a Mu-

nicipality shall be given a reasonable opportunity of being heard before its dissolution

(2) No amendment of any law for the time being in force shall have the effect of causing dissolution of a Municipality at any level, which is functioning immediately before such amendment, till the expiration of its duration specified in clause ( 1 )

(3) An election to Constitute a Municipality shall be completed,

(a) before the expiry of its duration specified in clause ( 1 );

(b) before the expiration of a period of six months from the date of its dissolution: Provided that where the remainder of the period for which the dissolved Municipality would have continued is less than six months, it shall not be necessary to hold any election under this clause for constituting the Municipality for such period.

माननीय अध्यक्ष महोदय, ৭৪ এমেণ্ডমেণ্ড যিটো হৈছিল, তাত ঠিক কৰি দিয়া হৈছে যে elected body tenure পাঁচ বছৰৰ কাৰণে হ'ব। ডিব্ৰুগড়ত যিটো মিউনিচিপালিটি য'ত ইলেকশ্যন পতাৰ কথা মাননীয় বিধায়ক শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়াই কৈ আছে, ডিব্ৰুগড়ৰ ক্ষেত্ৰত মিউনিচিপাল বোৰ্ড যিখন আছিল, তাৰ সীমাহে ডিব্ৰুগড় corporation ৰ সীমা হৈছে আৰু এই সীমাত ৱাৰ্ডৰ যিটো এৰিয়া আছিল, একে মিউনিচিপাল ৱাৰ্ডৰ সীমা হৈছে। এক নম্বৰৰ মিউনিচিপাল ৱাৰ্ড আৰু corporation ৱাৰ্ড একে হৈছে। সেইকাৰণে এইটো অকল corporation হৈছে কিন্তু functioning যিটো থাকিব সেইটো বৰ্তমান বোৰ্ডে corporation হিচাপে function কৰিব আৰু পাঁচ বছৰৰ কাৰ্য্যকাল সম্পূৰ্ণ কৰিব। শিলচৰৰ ক্ষেত্ৰত যিহেতু তাত ইলেকটেড বোৰ্ড নাই, corporation হোৱাৰ পিছত তাত ইলেকশ্যন পাতি দিয়াৰ ব্যৱস্থা কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** এইটো আপুনি উইদ্ৰ কৰিলে ?

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া দফা নং ২ বিধেয়কখনৰ অংশ হ'ল।

যিসকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে
তেখেতসকলে কওঁক 'হয়',
যিসকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে
তেখেতসকলে কওঁক 'নহয়',

মই ভাবো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে দফা নং ২ গৃহীত কৰা হ'ল।

বিধেয়কখনৰ ৩ নং দফাত সংশোধনী প্ৰস্তাব নাই।

এতিয়া দফা নং ৩ বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে
তেখেতসকলে কওঁক 'হয়',
যিসকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে
তেখেতসকলে কওঁক 'নহয়',

মই ভাবো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে দফা নং ৩ গৃহীত কৰা হ'ল।

দফা নং ১ সক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব,

যিসকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে

তেখেতসকলে কওঁক 'হয়',

যিসকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে

তেখেতসকলে কওঁক 'নহয়',

মই ভাবো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে দফা নং ১, সংক্ষিপ্ত নাম আৰু পৰিসৰ বিধেয়কখনৰ অংশ হ'ল।

মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াক মই বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাব কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী অশোক সিংহল, (গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Municipal Corporation (Amendment) Bill, 2022" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাব উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাব আগবঢ়ালো।

যিসকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে

তেখেতসকলে কওঁক 'হয়',

যিসকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে

তেখেতসকলে কওঁক 'নহয়',

মই ভাবো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে বিধেয়কখন পাৰিত কৰা হ'ল।

**কাৰ্য্যসূচী নং ১৫ ঃ**

এতিয়া মই মাননীয় মন্ত্ৰী শ্ৰী অশোক সিংহল ডাঙৰীয়াক "The Assam Aerial Ropeways Bill, 2022" বিধেয়কখন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী অশোক সিংহল, (গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Aerial Ropeways Bill, 2022" দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাব উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই বিধেয়কখন বিবেচনাৰ বাবে লোৱা প্ৰস্তাবটো ভোটদানৰ বাবে সদনত উত্থাপন কৰিলো। প্ৰস্তাবটো হ'ল

"The Assam Aerial Ropeways Bill, 2022" বিবেচনা আৰু পাৰিতকৰণৰ প্ৰস্তাবটো বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে

তেখেতসকলে কওঁক 'হয়',

যিসকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে

তেখেতসকলে কওঁক 'নহয়',

মই ভাবো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে প্ৰস্তাবটো গৃহীত কৰা হ'ল।

এতিয়া আমি বিধেয়কখন দফাই দফাই বিবেচনা কৰিম। বিধেয়কখনৰ ২ নং দফাত সংশোধনী প্ৰস্তাব নাই। ২ নং দফা বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে

তেখেতসকলে কওঁক 'হয়',

যিসকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে

তেখেতসকলে কওঁক 'নহয়',

মই ভাবো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে ২ নং দফাটো গৃহীত কৰা হ'ল।

৩ নং দফা বিধেয়কখনৰ অংশ হ'ব। দফাটোত মাননীয় বিধায়ক শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়াৰ নামত এটা সংশোধনী প্ৰস্তাব আছে। আপুনি সংশোধনীটো উত্থাপন কৰিবনে, উইদ্ৰ কৰিব ?

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰাখণ্ড, বিহাৰ, ৱেষ্ট বেংগল, মহাৰাষ্ট্ৰ have there own Ropeway Act, তেওঁলোকৰ এক্ট আছে। মই এইটো ক'ব বিচাৰিছিলো যে আমাৰ ব্ৰহ্মপুত্ৰ ওপৰেদি যি Ropeway আছে, এইটো ২০২০ চনৰ আগষ্টত মুকলি কৰা হৈছে। Accordingly মুকলি কৰা হৈছিল আৰু এবাৰ ১০০ টকা আছিল টকাতো বঢ়োৱা হৈছিল। মাজত কিবা এটা খেলিমেলি হৈ দুই মাহৰ কাৰণে বন্ধ হৈছিল। মোৰ প্ৰথম প্ৰশ্নটো আছিল যে এই এক্টখন আমি সময়মতে কিয় নবনালো। দ্বিতীয় কথাটো হৈছে 3(A) তাত bedding system ৰ এটা কথা আছে। মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে wide publicity হ'ব লাগে। অৰ্থাৎ bedding system যেতিয়া হ'ব অনলাইন বস্তুটো হ'ব লাগে যাতে bedding system টো স্বচ্ছতাৰে হয় আৰু এটা কথা হ'ল Government bond devide in the official gazette constitute one or more expert committee. ইয়াত 11(1) ত expert committee এটা কথা লিখা আছে যে Member of person having such knowledge and experience in design sitting up operation aerial ropeway and such team. Knowledge থকা বা experience থকা মানুহবোৰৰ কথা কৈছে। Expert Committee এখন বনোৱা হ'ব আৰু এই কমিটি কাক কাক লৈ বনোৱা হ'ব আৰু তাত কি কি ক্ৰাইটেৰিয়া থাকিব, এইখিনি কথা বিলত লিখা থাকে। এই বিষয়টোৰ ওপৰত ক্লিয়াৰ কৰি দিলে আমাৰ কাৰণে ভাল হ'ব।

**শ্ৰী অশোক সিংহল, (গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Clause-III ত তেখেতে এটা নতু প্ৰভিজন দিয়াৰ কথা কৈছে। Wide Publicity হ'ব লাগে। কিন্তু bedding process টো যিটো হ'ব আৰু চৰকাৰৰ যিটো প্ৰকিউৰমেণ্ট ৰুল আছে সেই প্ৰকিউৰমেণ্ট ৰুল মতে হ'ব। ৰুল ইতিমধ্যে আছেই যে Wide Publicity হ'ব লাগে, অনলাইন পাবলিচিটি হ'ব লাগে আৰু যদি গ্লোবেল টেণ্ডাৰ হয় তেতিয়া ক'ত ক'ত কি কৰিব লাগিব। গতিকে অসম চৰকাৰৰ যিকোনো bedding procurement is Governed guided by the Government of Assam procurement rules. গতিকে তাত কোনো পৰিবৰ্তন নাই। আৰু এটা কথা লিখিছে যে in case of Government funded project there shall be a seletion mechanism. আৰু 4 ত নতুন প্ৰভিজন আনিছে যে in case of Government funded project there shall be a seletion mecha-

nism through bedding. Bedding টো মই কলোৱেই যে যি চিলেকশ্যন হ'ব, it is through approved.

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Wide Publicity যে হ'ব এটা ক্লজত আছে আনটো ক্লজত নাই।

**শ্ৰী অশোক সিংহল, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ক্লজ ৰাখিব নালাগে। ইয়াত চিম্পল এটা কথা আমি বুজিব লাগে যে অসম চৰকাৰৰ যি প্ৰকিউৰমেণ্ট আছে, All the procurement are governed by procurement rules তাত আৰু বেলেগ হ'ব নোৱাৰে।

**মাননীয় অধ্যক্ষ ঃ** আমাৰ হাউচত এইটোৱে সমস্যা হয় যে মই সহজ লাইনত লৈ যাব খুজিলে পৰম্পৰাৰ কথা আহে। মই এটা কথা প্ৰস্তাব দি আছো যে বিবেচনাৰ বাবে উত্থাপন কৰাৰ পিছত যি সকলে সংশোধনী দিয়ে, একেবাৰতে মন্তব্যটো দিয়াৰ পিছত মন্ত্ৰীয়ে উত্তৰ দিব আৰু ইয়াৰ পিছত আমি একেৰাহে ক্লজ বাই ক্লজ পাচ কৰি যাম আৰু তেতিয়া কোনোবাই মুভ কৰিলে ভোট হ'ব আৰু উইদ্ৰ কৰিলে ভোট নোহোৱাকৈ পাচ হৈ যাব। এই কথাটোকে বহলাই কৈ থাকিলে ১২ বজালৈকে আলোচনা কৰিলে মোৰ কোনো আপত্তি নাই। যিসকলে এমেণ্ডমেণ্ড আনিছে তেখেত সকলক অনুৰোধ জনাওঁ যে প্ৰথমে আপোনালোকে আলোচনাত ভাগ লওঁক। মই মাত্ৰ এটা কথা সুধিম, আপুনি এতিয়া এমেণ্ডমেণ্ডটো মুভ কৰিব নে উইদ্ৰ কৰিব? যদি মুভ কৰে ভইচ ভোটত পাচ কৰি যাম। আপোনালোকৰো হ'ব পাৰে, এইফালেও হ'ব পাৰে। আৰু যদি উইদ্ৰ কৰে তেতিয়াহ'লে তো কোনো কথা নাই। সেইটো আমাৰ অংশ হৈ গৈ থাকিব। এতিয়া মই কোৱা কথাখিনি বুজিছে নে নাই? মই মাত্ৰ এটা কথা সুধিব খুজিছো আপুনি এতিয়া amendment টো move কৰিব নে withdrawal কৰিব। যদি move কৰে voice vote ত পাছ কৰি যাওঁক, আপোনালোকৰো হ'ব পাৰে, এইফালেও হ'ব পাৰে। আৰু যদি withdrawal কৰি লয়, তেতিয়াতো move কৰাৰ কোনো কথা নাই। সেইটো আমাৰ অংশ হৈ যায় থাকিব। যদি one after another হৈ থাকে, এই বিলখন দুই ঘণ্টাকৈ বেছি সময় ল'ব।

**শ্ৰীভৰত চন্দ্ৰ নৰহ, নাওঁবৈচা** ঃ এই বিলখনৰ কাৰণে যিকেইজনে amendment আনিছে, সেইকেইজনক one after another move কৰিবলৈ দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় জ্যেষ্ঠ বিধায়ক ডাঙৰীয়া, amendment move কৰিবই, amendment move কৰোতে কোনো ভাষণ নাথাকে। আপোনালোক যিসকলে ইয়াত move কৰিছে, একেবাৰতে আপোনালোকে কোনটো কোনটো বিষয় মনস্থ হ'ব পৰা নাই আৰু তাৰ কাৰণে কি amendment আনিছে, আপোনালোকে একেবাৰতে সাধাৰণ আলোচনাৰ দৰে কৈ লওঁক। ইয়াৰ পিছত মন্ত্ৰীয়ে উত্তৰ দিব।

**শ্ৰীভৰত চন্দ্ৰ নৰহ, নাওঁবৈচা** ঃ amendment move নকৰাকৈ speech ৰাখিব নোৱাৰে। প্ৰথমে amendment টো move কৰিব লাগিব, তাৰ পিছতে কব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** নহয়।

**শ্ৰী অশোক সিংহল, মন্ত্ৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা ইত্যাদি** ঃ মাননীয় অধ্যক্ষ মহোদয়, amendment টো যিসকলে আনিছে, তেখেতসকলক move কৰিব দিয়ক। মন্ত্ৰীয়ে একেবাৰতে সকলোকে উত্তৰ দিলে মই ভাৱো যে ভাল হ'ব।

**মাননীয় অধ্যক্ষ ঃ** নহয়। মই কৈছো যে যেতিয়া move কৰিব তেতিয়া আলোচনা নহয়।

আলোচনা আগতে হ'ব। এইটো Rule ত আছে - "Discussion of Bills first reading" 73(1) on the day on which may such motion is made, or on any subsequent dy to which the discussion is postponed, the principle of the Bill and its provisions may be discussed generally but the details of the Bill shall not be discussed further than is necessary to explain its principle.

গতিকে নিয়মটো হ'ল -প্ৰথম বিলখন হ'ব introduction, তাৰ পিছত consideration, consideration ত এটা general discussion হ'ব, মন্ত্ৰীয়ে উত্তৰ দিব। ইয়াৰ পিছত clause by clause যেতিয়া amendment কৰিব, clause by clause তে amendment কৰা সকলক থাকিব যিহেতু, তেওঁলোকে amendment টোৰ কাৰণে move কৰিব নে withdrawal কৰিব। সেইটো তেনেকৈ পাছ হৈ গৈ থাকিব। তাত যদি কিবা clearification লাগে, তেতিয়া সেইটো clause by clause তো clarification বিচাৰিব পাৰিব। কিন্তু general যিটো আলোচনা হ'ব, তাত কিহৰ কাৰণে amendment বিচাৰিছে এই বিলখনৰ বিষয়ত, সেইটো প্ৰথমতে কৈ ল'ব পাৰে। সেইকাৰণে মই কৈছো move টো হ'বই, কিন্তু move কৰি কৰি এটাৰ পিছত এটা আলোচনা কৰি থকা সময় তাতকৈ আলোচনা কৰিলে ভাল হয়।

**শ্ৰীভৰত চন্দ্ৰ নৰহ, (নাওঁবৈচা)ঃ** amendment টো আপুনি one after another move কৰক, move কৰাৰ পিছত speech টো ৰাখিব পাৰে। মই কব খুজিছো যে মই গোটেই বিলখনৰ ওপৰত আলোচনা কৰিবলৈ amendment অনা নাই। মই amendment আনিছো section 30 যে Inspector বিলাকক ১০ বছৰ অভিজ্ঞতা থকা লব বিচাৰিছে। মই কলো ১০ বছৰ নহয় ২০ বছৰ অভিজ্ঞতা থকা লব লাগে।

**শ্ৰী অশোক সিংহল, মন্ত্ৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, amendment টো place কৰিব দিয়ক, মই একেবাৰতে উত্তৰ দিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া clause -4 ত amendment আছে, হাফিছ বছিৰ আহমেদ ডাঙৰীয়াৰ লগতে তেওঁৰ সহযোগী সকলৰ। মই তেখেতসকলক amendment টো move কৰিবৰ কাৰণে অনুৰোধ জনালোঁ।

**শ্ৰীআমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "দি আসাম এৰিয়েল ৰোপৱেজ বিল, ২০২২" খনৰ সংশোধনীটো অনাৰ কাৰণটো হ'ল যে clause no. 4 ত বিলখনত আছে যে যিসকলে ৰোপৱেজৰ প্ৰজেক্টৰ কাৰণে apply কৰিব, apply কৰোতে তেওঁলোকে কি কি documents লগত দিব লাগিব। ইয়াত তেওঁলোকে undertaking, construction system, management কি হ'ব, estimate cost কিমান হ'ব, maximum & minimum rate কিমান ল'ব তেওঁলোকে ভাড়া আৰু plan, section, diagram এই গোটেইখিনি তেওঁলোকে দিব লাগিব আৰু ৫ লাখ টকাৰ application fee দিব লাগিব। গতিকে এইখিনি গোটেই document তেওঁলোকে দিয়াৰ পিছত apply কৰিব পাৰিব ৰোপৱেজ.....

**মাননীয় অধ্যক্ষ ঃ** নহয়, এতিয়া আপুনি clause no. 4 amendment টো move কৰক।

**শ্ৰীআমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি যেনেকৈ কৈছে আমি তেনেকৈ গৈ আছো। গতিকে আমি ভাৰিছো গতিকে এই Ropway টো হ'ব। Ropway টো যিহেতু এইটোক

আমি গন্দোলা, চাটোল বা কেবুলৰ তাঁৰ যিটো ৰচীত ওলমি যায়। যিসকলে private sector ত কৰিব বিচাৰে, তেওঁলোকে গোটেইখিনি documents দি apply কৰিব। কিন্তু তাৰ লগত আমি add কৰিব বিচাৰিছো। যিখিনি তেওঁলোকৰ necessary document apply কৰিব, তাৰ লগত তেওঁলোকে safty measure to be taken. তেওঁলোকে safty measure ৰ কাৰণে কি কি কৰিব, কাৰণ এইটো বহুত risky হয়। কাৰণ যিখি নি তাঁৰত ওলমি যাব হঠাৎ পৰি গলে মানুহ দুৰ্ঘটনাগ্ৰস্ত হ'ব কাৰণ পৰ্য্যটকসকলো আহিব। সেইটো কাৰণে আগতীয়াকৈ তেওঁলোকে safty measure কি কি ল'ব এইটোৰো এটা লগত লোৱা হওক permission দিয়াৰ আগতে। বাকীখিনি documents ঠিকে আছে। ৮ নং clause ত আমাৰ যিটো amendment আছিল আমি যেনেকৈ লিখিছিলো ইয়াত printing ত বেলেগ ধৰণে আহিছে। আমি move নকৰো।

**মাননীয় অধ্যক্ষ ঃ** Clause No. 13 ত amendment আছে। শ্ৰীদেবব্ৰত শইকীয়া, শ্ৰীৰকিবুল হুছেইন, শ্ৰীওৱাজেদ আলী চৌধুৰী, শ্ৰী জাকিৰ হুছেইন সিকদাৰ, শ্ৰী ভৰত চন্দ্ৰ নৰহ আৰু অন্যান্য। গতিকে আপোনালোকৰ তৰফৰ পৰা move কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওঁবৈছা) ঃ** চাৰ, আমি সময়ৰ প্ৰতি লক্ষ্য ৰাখিছো। আজি বহুত বিল আছে। আমি যিটো section 13 টো move কৰিছিলো। কিন্তু খুব বেছি important নহয়। সেই কাৰণে আমি amndmend টো move নকৰো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। Clause no. 25 ত শ্ৰী অখিল গগৈ ডাঙৰীয়া, আপোনাৰ এটা amndmend আছে। আপোনাক Move কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, খুব ভাল হৈছে যে, Ropways Bill এখন অনা হৈছে। Ropway টো এতিয়া অসমৰ কাৰণে কেৱল tourism য়েই নহয়, তাৰ লগতে উদ্যোগ বিলাকৰ কাৰণেও Ropway লাগে। আমি ইয়াত দুটা মাত্ৰ সৰু সৰু amendment আনিছো। In section 25 (1) তাত আনিছো যে যদিহে কিবা দুৰ্ঘটনা হয়, তেতিয়াহ'লে সেই section টোত যিটো কথা আছিল যে, বিভিন্ন ধৰণৰ কি ক্ষতিপূৰণ দিব, কি হ'ব আমি কৈছে যে তেনেকুৱা Ropway ত উঠোতে কোনোবা মানুহৰ দুৰ্ঘটনাত যদি মৃত্যু হয়, তেতিয়াহ'লে তেওঁলোকৰ পৰিয়াল বা আত্মীয়ক ১ কোটি টকা ক্ষতিপূৰণ দিয়াৰ কাৰণে এটা ইয়াতে provision ৰাখিব লাগে। সেইটো হৈছে ১ নম্বৰ। দ্বিতীয়তে, Ropway বিলাক কিনি লোৱা কথা আছে। Section 29, Sub-Section 2 তাত আমি কৈছো যে, Ropway বিলাক Goverment য়ে কিনি লোৱাৰ কথা কৈছে, যদি কেতিয়াবা কিনি লয়, তেতিয়াহ'লে আমি কৈছো যে, সেইটোৰ পৰা চিমেণ্ট কোম্পেনী বিলাকে বা অসমত তেনেকুৱা ধৰণৰ বহুত ropway আছে য'ত চিমেণ্ট অনা-নিয়া কৰে। সেই যিবিলাক Ropway আছে, সেই ropway বিলাক excluded কৰি দিব লাগে নহ'লে কেতিয়াবা এনেকুৱা হ'ব পাৰে কোনোবাই কোম্পানীক সহায় কৰিবৰ কাৰণে এই আইনখন ব্যৱহাৰ কৰিব পাৰে। গতিকে সেইটো excluded কৰিব লাগে বুলি আমি দুটা সংশোধনী আনিছো। এটা হ'ল ক্ষতিপূৰণৰ পৰিমাণ এটা নিৰ্ধাৰণ কৰি দিয়াৰ কথা কৈছো আৰু আনটো হ'ল Excluding the private industry which are inging ropway for the load carring operations. সেইটোক এনেকৈ take over কৰোতে তেওঁলোকক take over কৰা প্ৰশ্নটো ইয়াৰ পৰা আতৰাই ৰখাৰ কথাটো কৈছে। এই দুটায়েই মোৰ amendment.

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অশোক সিংঘল, নগৰ উন্নয়ণ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথম যিটো শ্ৰীকমলাক্ষ দে পুৰকায়স্থৰ amendment আছিল তেখেতৰ উত্তৰটো মই আগতে দি লৈছিলো। Saftey measures ক লৈ যিটো শ্ৰী হাফিজ বছিৰ আহমেদ আৰু তেওঁৰে ৬ জন সহযোগী যিটো amendment move কৰিলে, saftey cluase টো section 38 (15) general saftey precuation (K) risky operation and equipments, saftey ৰ ওপৰত যিখিনি কথা আছে Clause 38 ত বহল ভিত্তিত এই গোটেই কথাটো উল্লেখ কৰা আছে আৰু মই নাভাৰো যে তাত আৰু এই amendment ৰ কিবা প্ৰয়োজন আছে। Saftey ৰ ওপৰত বেলেগকৈ clause এটা গোটেই ৰখা হৈছে। তেখেতে আৰু এটা amendment আনিছে clause-8 ত.

**শ্ৰীআমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো printing mistake হৈছিল কাৰণে move কৰা নাই।

**শ্ৰী অশোক সিংহঘল, নগৰ উন্নয়ন মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা amendment আহিছে 25 (1) Insurence cover ৰ যিটো কথা আহিছে, মাননীয় অধ্যক্ষ মহোদয়, insurence cover provision তে লিখা আছে the rate of compansative insurence shall be decided by Goverment on advice of expert committee. There will be a expert committee he cannot fixed the rated 1 crore কাৰণ কেতিয়াবা ১ কোটি টকাৰ বেছিও compansation হ'ব পাৰে, কেতিয়াবা ১ কোটি টকাৰ কম compansation হ'ব পাৰে। হাত এখন ভাঙি যোৱাৰ তাৰ compansation বেলেগ হ'ব, মৃত্যু হ'লে compansation বেলেগ হ'ব। Act তে provision আছে যে expert committee য়ে advice কৰিব, সেইমতে decided by the Goverment and the advice of the expert committee. Insurence ৰ প্ৰভিজনটো সমিতিৰ মাধ্যমত নিষ্পত্তি কৰাৰ কাৰণে ইতিমধ্যে Act ত আছে। তাৰপিচত এটা অনা হৈছে ইয়াত এটা apprenhention কৰা হৈছে যে চিমেণ্ট কোম্পেনী বা এনেকুৱা ropway থাকিলে এই কোম্পেনীবিলাকক benifit দিয়াৰ কাৰণে এই এক্টৰ ব্যৱহাৰ হ'ব পাৰে। এক্টত লিখা আছে মই quote কৰি দিছো if the terms were not specified in the order then upon, In the Aerial Ropways চৰকাৰে যদি take over কৰে তাৰ যিটো বছৰেকীয়া average net earing আছে, তাৰ ২৫ গুণ পইচা দি কিনিব পাৰিব। চিমেণ্ট কোম্পেনী বা বেলেগ কোনোবা মানুহে নিজৰ ব্যৱহাৰৰ কাৰণে যদি Ropway টো ব্যৱহাৰ কৰি আছে তেতিয়া net earing ৰ কথা নাহে। এইটো হ'ল, যিটো public service বা ,public caring service দি আছে তাত যদি চৰকাৰে take over কৰিব খোজে, তাৰ net earing ৰ 25 times পইচা দি চৰকাৰে take over কৰিব পাৰে বুলি তেনেকুৱা এটা Provision ইয়াত আছে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ইয়াত মাত্ৰ এটা Ropways হৈছে আৰু সফলতাৰে চলি আছে। কিন্তু বাহিৰত দেখা গ'ল যে অলপতে চটিছগড়ত এটা ডাঙৰ দুৰ্ঘটনা হ'ল আৰু গুন্দলাবোৰ ভাঙি ওলমি আছিল। আৰ্মিক দি rescue কৰিব লগা হ'ল তেতিয়া union home department য়ে মাননীয় গৃহ মন্ত্ৰী অমিত চাহ ডাঙৰীয়াৰ নেতৃত্বত এটা সিদ্ধান্ত হ'ল যে, গোটেই ভাৰতবৰ্ষত প্ৰত্যেক খনত ৰাজ্যত Aerial Ropway Bill আনিব লাগে আৰু অসমত এই সিদ্ধান্তটোৰে যে আমাৰ Ropway সুৰক্ষিত হৈ থাকক আৰু ভৰিষ্যতে Ropway project বোৰ যদি কৰা হয় এটা এক্টৰ মাধ্যমত হওঁক, সেই কাৰণে এই এক্টখন অনা হৈছে আৰু

এই এক্টখন অহাৰ পিছত মই ভাৱো যে মানুহৰ যিখিনি শংকা আছিল বা Ropway ত কিবা বিজুতি ঘটিলে দুৰ্ঘটনা হ'ব পাৰে, এই গোটেই কথাখিনি আমি ইয়াৰ দ্বাৰা নিয়ন্ত্ৰণত ৰাখিব পাৰিম সেই কথাটোকে মই ক'ব খোজো। লগতে মই সদস্য সকলক অনুৰোধ কৰিলো যি সকলৰ Amendment আছিল, Amendment টো উঠাই ল'লে ভাল হয়।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। ৩ নং দফাত শ্ৰী কমলাক্ষ দে পুৰকায়স্থ আপুনি withdraw কৰিব নে?

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জঃ** হয় withdraw কৰিম। কেৱল expert committe সেইটো চাই দিব লাগে।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। ৩ নং দফাত বিধেয়কখনৰ অংশ হ'ব। এতিয়া মই ৩ নং দফাত ভোট দানৰ বাবে উত্থাপন কৰিলো। যিসকল মাননীয় সদস্য/ সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক হয়, যিসকল মাননীয় সদস্য/ সদস্যা বিপক্ষে আছে তেখেতসকলে কওক নহয় মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ৩ নং দফা গৃহীত কৰা হ'ল। ৪ নং দফা শ্ৰী আমিনুল ইছলাম ডাঙৰীয়া (জ্যেষ্ঠ), আপোনালোকে উঠাই লৈছে।

**শ্ৰী আমিনুল ইছলাম, বিধায়ক (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিটো কৈছে যে ৩৮ ক্লজত Details Safety Measures আছে। চৰকাৰে কি কি safety measures ল'ব? কিন্তু এই বিষয়টোত আছিল যে কোনোবাই এপ্লাই কৰিলে এই ডকুমেণ্টখিনি দিব আৰু লগতে safety ৰ কাৰণে নিজাববীয়াকৈ কি কি প্ৰিপাৰেশ্যন লৈছে, সেইটোও জনাব। মোৰ মতে এইটো মানি লোৱাত একো অসুবিধা নাই। মাননীয় মন্ত্ৰী মহোদয়ে ভাৱে যে বিৰোধী দলৰ সদস্যই ভাল পৰামৰ্শ দিলেও মানি নলওঁ। মই ভাৱো মাননীয় মুখ্যমন্ত্ৰী হোৱা হ'লে এনেকুৱা এমেণ্ডমেণ্ট লগে লগে মানি ল'লেহেঁতেন। তেখেতে হয়তো ভয় কৰিছে। তেখেতে ডকুমেণ্টটো লোৱাত কি আপত্তি আছে?

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আপুনি উইদ্ৰ কৰিছে নে মুভ কৰিছে?

**শ্ৰী আমিনুল ইছলাম, বিধায়ক (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সংশোধনীটো উইদ্ৰ কৰিছো।

**শ্ৰী অশোক সিংহল, মাননীয় মন্ত্ৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা প্ৰট'কল আছে যাৰ ভিত্তিত ৰোপৱেজ সমূহ চলিব। এটা Safety Audit হয়। এই গোটেইখিনি বিলখনত অনা হৈছে। কেতিয়া Periodically Audit হ'ব? Safety Measures কি কি ল'ব লাগিব? আমি লিখিছো যে দহ বছৰৰ অভিজ্ঞতা থকা মানুহ এজন তাত থাকিব লাগিব। এই গোটেই কথাখিনি লিখা হৈছে। চৰকাৰৰ ফালৰ পৰাও Audit হ'ব আৰু কোম্পানীৰ ফালৰ পৰাও নিজাববীয়াকৈ Audit কৰি দাখিল কৰিব। ইমান ডাঙৰ এটা প্ৰি-মিটিভ একশ্যন আছে। যিহেতু ইঞ্চুৰেঞ্চৰ পইচা এৰিয়েল চাৰ্জে কোম্পানীয়ে দিব লাগিব। সেয়েহে তেখেত সকলে নিজে সুৰক্ষাখিনি ভাল কৰি ৰাখিব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** ৪ নং দফাৰ সংশোধনী যিহেতু উঠাই লৈছে, সেয়েহে ৪ নং দফা বিধেয়কৰ অংশ হ'ব। এতিয়া মই ৪ নং দফাটো ভোট দানৰ বাবে সদনত উত্থাপন কৰিলো।

যিসকল মাননীয় সদস্য-সদস্যা
সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়'
মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

বিধেয়কখনৰ ৪নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মই বিধেয়কখনৰ ৫,৬ আৰু ৭ নং দফাত কোনো সংশোধনী প্ৰস্তাৱ নাই। ৫,৬ আৰু ৭ নং দফা বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা

সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়'

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

বিধেয়কখনৰ ৫,৬ আৰু ৭ নং দফাকেইটা গৃহীত কৰা হ'ল।

দফা নং ৮ বিধেয়কৰ অংশ হ'ব। যিহেতু মুভ কৰা নাই।

এতিয়া মই ৮ নং দফাটো ভোট দানৰ বাবে সদনত উত্থাপন কৰিলো।

যিসকল মাননীয় সদস্য-সদস্যা

সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়'

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

বিধেয়কখনৰ ৮ নং দফাটো গৃহীত কৰা হ'ল।

এতিয়া বিধেয়কখনৰ ৯,১০,১১ আৰু ১২ নং দফাত কোনো সংশোধনী প্ৰস্তাৱ নাই। এই দফা কেইটা বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা

সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়'

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

বিধেয়কখনৰ ৯,১০,১১ আৰু ১২ নং দফাটো গৃহীত কৰা হ'ল।

এতিয়া বিধেয়কখনৰ ১৩ নং দফাৰ সংশোধনী প্ৰস্তাৱ উঠাই লোৱা হৈছে। সেয়েহে ১৩ নং দফা বিধেয়কৰ অংশ হ'ব।

এতিয়া মই ১৩ নং দফাটো ভোট দানৰ বাবে সদনত উত্থাপন কৰিলো।

যিসকল মাননীয় সদস্য-সদস্যা

সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়'

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

বিধেয়কখনৰ ১৩ নং দফাটো গৃহীত কৰা হ'ল।

এতিয়া বিধেয়কখনৰ ১৪ ৰ পৰা ২৪নং দফালৈ কোনো সংশোধনী প্ৰস্তাৱ নাই। এই দফা কেইটা বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা

সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়'

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

বিধেয়কখনৰ ১৪ ৰ পৰা ২৪ নং দফাকেইটা গৃহীত কৰা হ'ল।

এতিয়া বিধেয়কৰ ২৫ নং দফাত অখিল গগৈ ডাঙৰীয়াৰ সংশোধনী প্ৰস্তাৱ আছিল। আপুনি এইটো উইদ্ৰ কৰিছে নেকি?

**শ্ৰী অখিল গগৈ, বিধায়ক (শিৱসাগৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এইটো উইদ্ৰ কৰিম আৰু উইদ্ৰ কৰিছো। কিন্তু কথাটো হ'ল যে আমি বিধায়ক সকলে ইয়াত আইন প্ৰণয়ণ কৰিবলৈ আহো। আমাৰ কামটো হৈছে আইন প্ৰণয়ণ কৰা। কিন্তু একেদিনাখনেই ১২ খন আইনৰ ওপৰত আটাইবোৰ সদস্যই পঢ়ি সমালোচনা বা আলোচনা কৰাটো হিউমেনলি সম্ভৱ নেকি? এইটো এটা বৰ বেয়া কথা হৈছে। আমি গোটেই পৃথিৱীতে অভিলেখ কৰিবলৈ গৈ আছো যে এদিনতে ১২-১৩ খন বিল পাচ হ'ব আৰু কোনেও ভালকৈ ইয়াৰ ওপৰত আলোচনা কৰিবও নোৱাৰিব। আমি একো একোখন বিল দিনে-ৰাতিয়ে টোপনি ক্ষতি কৰি পঢ়ো, তাৰ ওপৰত ক্ৰিটিকবোৰ পঢ়ো, মূল এক্টখন পঢ়ো। কিন্তু এই ১২ খন এক্ট পঢ়াৰ পিছত আমি কেতিয়া কেনেকৈ সমালোচনা কৰিম। এৰিয়েল এক্টখন আমাৰ বাবে ইমান দৰকাৰী নহয়। সেয়েহে মই দুটা দফাই উঠাই লৈছো।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, বিধায়ক (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়াই দৰকাৰী কথাই কৈছে। আজি ১০ টা নে ১১টা বিল অনা হৈছে। অহা ১৯ তাৰিখে ইয়াৰ ওপৰত আলোচনা হ'ব। আমি ইয়াৰ ওপৰত কেতিয়া এমেণ্ডমেণ্ট দিম বা কেতিয়া অধ্যয়ন কৰিম? মোৰ হিচাপত এইটো অতি অন্যায় হৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে অতি গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিছে। মই আপোনালোকক জনাব বিচাৰিছো যে এই বিষয়ে আমাৰ সৰ্ব্বদলীয় বৈঠক আৰু বি.এ.চি.ত আলোচনা হৈছে। পৰৱৰ্তী সময়ত যিবোৰ অধিবেশন হ'ব, আমি বিল বা বিষয় অনুযায়ী সুবিধাজনক হোৱাকৈ দিন বঢ়োৱাৰ বাবে আলোচনা কৰা হৈছে। চৰকাৰী পক্ষৰ ফালৰ পৰাও এই বিষয়ে আলোচনা কৰি সিদ্ধান্ত ল'ব। মই ভাৱো সকলোৱে যদি ইচ্ছুক হয় পৰৱৰ্তী সময়ত অধিৱেশন বঢ়োৱাত কোনো অসুবিধা নাই। এতিয়াও সেইকাৰণে দুবেলা কৰা হৈছে। যিহেতু গুৰুত্বপূৰ্ণ বিষয়সমূহ আমি আধা বেলাত আলোচনা কৰি শেষ কৰিব নোৱাৰো। পৰৱৰ্তী সময়ত যদি সকলোৱে সহযোগিতা থাকে ৫ দিনৰ ঠাইত ১০ দিন কৰিব পাৰো বা ৩০ দিনৰ ঠাইত ৪০ দিন কৰিব পাৰো। নিয়ম মতে এবছৰত কমেও ৪৫ দিন বহিব লাগে। এতিয়া আমাৰ ৩০-৩৫ দিনলৈকে যায়। এইবাৰ বিশেষ কাৰণত ২৬ দিন হৈছে।

এতিয়া ২৫ নং দফাত সংশোধনী প্ৰস্তাৱ উঠাই লৈছে। ২৫ নং দফা বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা

সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়'

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

বিধেয়কখনৰ ২৫ নং দফাকেইটা গৃহীত কৰা হ'ল।

এতিয়া মই বিধেয়কখনৰ ২৬ ৰ পৰা ২৮ নং লৈ কোনো সংশোধনী প্ৰস্তাৱ নাই। এই দফা কেইটা বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা

সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়'

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

বিধেয়কখনৰ ২৬ ৰ পৰা ২৮ নং দফাকেইটা গৃহীত কৰা হ'ল।

এতিয়া ২৯নং দফাত সংশোধনী প্ৰস্তাব উঠাই লৈছে। ২৯ নং দফা বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা

সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়'

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

বিধেয়কখনৰ ২৯ নং দফাটো গৃহীত কৰা হ'ল।

এতিয়া মই বিধেয়কখনৰ ৩০ ৰ পৰা ৪৩ নং লৈ কোনো সংশোধনী প্ৰস্তাৱ নাই। এই দফা কেইটা বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা

সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়'

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

বিধেয়কখনৰ ৩০ ৰ পৰা ৪৩ নং দফাকেইটা গৃহীত কৰা হ'ল।

এতিয়া দফা নং ১ সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা

সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়'

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

এতিয়া দফা নং ১ সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল।

মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰাৰ বাবে অনুৰোধ জনালো।

**শ্ৰী অশোক সিংহল, মাননীয় মন্ত্ৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, "দ্যা আসাম এৰিয়েল ৰোপৱেজ বিল, ২০২২" পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই বিধেয়ক খন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়ালো।

যিসকল মাননীয় সদস্য-সদস্যা

সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়'

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

বিধেয়কখন পাৰিত কৰা হ'ল।

**এতিয়া কাৰ্য্যসূচী নং-১৬।**

"দ্যা আসাম ইউনিফাইড মেট্ৰোপলিটান ট্ৰান্সপোৰ্ট অথ'ৰিটি বিল, ২০২২" মাননীয় মন্ত্ৰী মহোদয়ক "দ্যা আসাম ইউনিফাইড মেট্ৰোপলিটান ট্ৰান্সপোৰ্ট অথ'ৰিটি বিল, ২০২২" বিবেচনা কৰিবৰ বাবে সদনত উত্থাপন কৰিবৰ বাবে অনুৰোধ কৰিলো।

**শ্ৰী অশোক সিংহল, মাননীয় মন্ত্ৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, "দ্যা আসাম ইউনিফাইড মেট্ৰোপলিটান ট্ৰান্সপোৰ্ট অথ'ৰিটি বিল, ২০২২" দফাই দফাই বিবেচনা কৰিবৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই বিধেয়কখন বিবেচনাৰ কৰাৰ বাবে প্ৰস্তাৱটো ভোটদান কৰাৰ বাবে সদনত উত্থাপন কৰিলো। প্ৰস্তাৱটো হ'ল-"দ্যা আসাম ইউনিফাইড মেট্ৰোপলিটান ট্ৰান্সপোৰ্ট অথ'ৰিটি বিল, ২০২২" বিধেয়কখন বিবেচনা আৰু পাৰিতকৰণৰ প্ৰস্তাৱটো বিবেচনাৰ বাবে লোৱা হ'ল।

যিসকল মাননীয় সদস্য-সদস্যা
সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়'
মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।
প্ৰস্তাৱটো গৃহীত কৰা হ'ল।

আমি এতিয়া বিধেয়কখন দফাই দফাই বিবেচনা কৰিম। বিধেয়কখনৰ ২ নং দফাত কোনো সংশোধনী প্ৰস্তাৱ নাই। ২ নং দফা বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা
সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়'
মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।
২ নং দফাটো গৃহীত কৰা হ'ল।

৩ নং দফা বিধেয়কৰ অংশ হ'ব। দফাটোত শ্ৰী আমিনুল ইছলাম আৰু লগতে অন্যান্য আৰু অখিল গগৈ ডাঙৰীয়াৰ সংশোধনী প্ৰস্তাৱ আছে। গতিকে মই তেখেতসকলক প্ৰস্তাৱটো উত্থাপন কৰিবৰ বাবে অনুৰোধ জনালো।

**শ্ৰী মজিবুৰ ৰহমান, বিধায়ক (দলগাওঁ) ঃ** Hon'ble Speaker Sir, I beg to move after Sub-Clause 2 of Clause 3 of proposed Bill a new Sub-Clause shall be inserted as follows-that a separate portal shall be introduced to share the map showing mobility area and collect public opinion on the Urban Mobility Area. Besides.these two clauses mentioned in this Bill, we just want to add one more clause i.e. mobility just to release or introduce a portal so that the people of the area can give their comment or can share their area that which area is included in this Bill.This much only Sir.

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। অখিল গগৈ।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** অধ্যক্ষ মহোদয়, কথাটো আগৰ নিচিনাই। আচলতে "The Assam Unified Metropolitan Transport Authority Bill, 2022" ৰ লগতে এইবাৰ অনা বিধেয়কসমূহ কেন্দ্ৰীয় চৰকাৰে আনিবলৈ নিৰ্দেশ দিয়াৰ বাবে অসম চৰকাৰে আনিছে। গুৱাহাটীৰ নিচিনা মেট্ৰ'পলিটান চহৰত যদি এই বিধেয়কখন নাথাকে, তেন্তে কি কি ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে ধন নিদিয়ে তাৰ কিছুমান চৰ্ত ধৰি দিছে। সেয়েহে, অসম চৰকাৰে বাধ্য হৈ এই বিধেয়কসমূহ আনিছে আৰু ইমানবোৰ বিধেয়কৰ মাজত এইখন বিধেয়কৰ ক্ষেত্ৰত মই বেছি ন্যায় কৰিব পাৰিছো বুলি নিজেও নাভাৱো। তথাপিও ইয়াৰ ওপৰত মোৰ প্ৰথম সংশোধনটো 'declaration of urban mobility area' ৰ ক্ষেত্ৰত আনিছিলো। এটা area ক urban mobility area বুলি গাড়ী-মটৰ, মেট্ৰ' ৰে'ল চলোৱাৰ বাবে যেতিয়া declare কৰিব, তেতিয়া

বহু মানুহৰ complain থাকিব পাৰে। এই সম্পৰ্কত সেই মানুহখিনিৰ পৰা মতামত লোৱাৰ বাবে অতিকমেও দুখন ইংৰাজী আৰু দুখন vernacular বাতৰি কাকতত বিজ্ঞাপন কৰা হ'ব বুলি কৈছে। সাধাৰণতে এনে ধৰণৰ বিজ্ঞাপন যেতিয়া দিয়ে, তেতিয়া আমি বহু বিজ্ঞাপনৰ কথা গম নাপাওঁ কাৰণ বেছি circulate হোৱা বাতৰি কাকতত বিজ্ঞাপনটো দিয়াৰ পৰিৱৰ্তে খুব কম circulate হোৱা বাতৰি কাকত এখনত বিজ্ঞাপন দি দিয়ে। সেয়েহে, মই 'highest' আৰু 'second highest' circulation in the urban mobility area' বুলি শব্দ দুটা include কৰিব দিছো যাতে ইংৰাজীয়ে হওঁক বা vernacular য়েই হওঁক, আটাইতকৈ বেছিকৈ চলা প্ৰথম দুখন বাতৰি কাকতত দিব লাগে বুলি কৈছো। অধ্যক্ষ মহোদয়, মই Section 4(2) of the "The Assam Unified Metropolitan Transport Authority Bill, 2022" ৰ ক্ষেত্ৰত এটা সংশোধনী আনিছো- I propose that the "The Assam Unified Metropolitan Transport Authority (AUMTA) should be established for each million-plus city in the State as a full time professional body for technical planning, monitoring, decision-making and co-ordination between all transport agencies in that particular city. AUMTA should have the representation from all city agencies and stakeholders and from surrounding peri-urban areas bordering that city" shall be incorporated after "its name" in the line 5 in the proposed section. Secondly, in section 4(3) of the "The Assam Unified Metropolitan Transport Authority Bill, 2022" ৰ ক্ষেত্ৰত Chairman হ'ব Chief Minister, Vice-Chairman হ'ব Minister In charge of Housing and Urban Affairs Department আৰু Deputy Chairman হ'ব Minister In charge of Transport। তাৰ পিছতে মই (c) বুলি এটা পইণ্ট অন্তৰ্ভুক্ত কৰিব বিচাৰিছো যে যিখন চহৰত ইয়াৰ planning হ'ব, সেই চহৰখনৰ মেয়ৰজন সদস্য হিচাপে থকাটো উচিত। মোৰ শেষৰ সংযোজনটো হ'ল- in section 22(1) of "The Assam Unified Metropolitan Transport Authority Bill, 2022", I propose that a new clause (e) " Establish a dedicated state level Urban Transport Fund(UTF) to meet the capital needs for developing Urban Transport infrastructure and during operationalizing the projects in the cities of Assam. The State UTF should be funded by state budgetary allocations and other innovative sources of revenue. A fixed proportion of the State UTFs should be entited for urban transport and the rest for developing rural transport infrastructure" shall be incorporated in the proposed section. মোৰ গোটেইকেইটা প্ৰস্তাৱ কোৱা হৈ গ'ল।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া শ্ৰী দেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগীসকলৰ Clause 4 ত এটা সংশোধনী আছে। গতিকে, তেওঁলোকক প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী দিগন্ত বৰ্মন (বৰক্ষেত্ৰী)ঃ** Sir, I beg to move in Clause 4 (3) of the proposed bill, in between the sub clause (c) and (d), a new sub clause

shall be inserted as follows and remaining sub-clause shall be re numbered:

"Mayor, Guwahati Municpality Corporation as a Member."

চাৰ, সময় যিহেতু কম, মই বেছি দীঘলীয়া নকৰো। আচলতে, এই চিষ্টেমটো নীতি আয়োগৰ নিৰ্দেশনামতে হৈছে । আনকি, মেট্ৰ' ৰে'লৰ কাৰণে আমাৰ প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াই ২৯-০২-২০১৬ তাৰিখে আধাৰ শিলা স্থাপন কৰিছিল। সেই সময়ত, আমাৰ GMDA ৰ ফালৰ পৰা এটা বিষয়াৰ দলে মুম্বাই আৰু চেন্নাইলৈ গৈ ইয়াৰ ওপৰত অধ্যয়ন কৰি আহিছিল। তেতিয়া চাৰিটা বিভাগত ভাগ কৰা হৈছিল। অখিল গগৈ ডাঙৰীয়াই কোৱাৰ নিচিনাকৈ মেয়ৰ গৰাকীক অন্তৰ্ভুক্ত কৰিব লাগে। কিয়নো, প্ৰথম অৱস্থাত Guwahati Municpality Corporation ৰ ভিতৰত কৰিব দিছিল অৰ্থাৎ ৬১.৪ কিঃমিঃৰ ভিতৰত, ধাৰাপুৰ-নাৰেংগী, এম.জি. ৰোড-খানাপাৰা, জালুকবাৰী- খানাপাৰা আৰু আই.এছ.বি.টি. - পল্টনবজাৰ underground আছিল। এতিয়া যি Mass Rapid Transit System আৰু Bus Rapid Transit System ৰ কথা কোৱা হৈছে, এই ক্ষেত্ৰত Urban Ministry ৰ পৰা গাইডলাইন থকা বুলি আমাৰ সিংহল ডাঙৰীয়াই জানেই। ভাৰত চৰকাৰে সমগ্ৰ ভাৰতত যিমানবোৰ মেট্ৰ' চহৰ আছে তাত ৫০-৫০ অংশীদাৰিত্বত মেট্ৰ' ৰে'লৰ ব্যৱস্থা কৰিছে। ভুৱনেশ্বৰতো এনেদৰেই কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে ৫০% দিয়াৰ পিছত ৰাজ্য চৰকাৰে বাকী ৫০% দিলেই মেট্ৰ' ৰে'লৰ ব্যৱস্থা আৰম্ভ কৰিব পৰা যাব। অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আমাৰ ক'বলগীয়া একো নাই। গুৱাহাটী মেট্ৰ' চহৰৰ মেয়ৰ গৰাকী আমাৰ সিংহল ডাঙৰীয়াৰ দলৰেই মানুহ। মই ভাৱো, মেয়ৰ গৰাকীক অন্তৰ্ভুক্ত কৰিলে একো বেয়া নহ'ব, ভালেই হ'ব। মেট্ৰ' ৰে'ল আমাক লাগে। আমি যেতিয়া বাহিৰলৈ যাওঁ তেতিয়া আমাৰ বেয়া লাগে যে চেন্নাই, কলকাতা, মুম্বাই, হায়দৰাবাদ আদি সকলোতে মেট্ৰ' আছে কিন্তু আমাৰ গুৱাহাটীত নাই। মই ভাৱো যে আমাৰ বৰ্তমানৰ Ministry য়ে এই কথাটো বিবেচনা কৰিব আৰু ২০১৬ চনতে তৰুণ গগৈ ডাঙৰীয়াই আৰম্ভ কৰাৰ পিছত কিয় কামটো আগনাবাঢ়িল সেই বিষয়ে চাব। GMDA য়ে যিমানখিনি survey কৰিছে, ভাৰত চৰকাৰৰ এটা এজেন্সিক এই কামটোৰ দায়িত্ব দিয়া হৈছিল। গতিকে, মই ভাৱো এই কামখিনি খুব সোনকালে কৰিলে আমাৰ গুৱাহাটীবাসীৰ লগতে গোটেই অসমবাসী নিশ্চয় উপকৃত হ'ব। Initially যদি GMC কৰে, লাহে লাহে শৰাইঘাট দলঙৰ পাৰে পাৰে হাজোলৈ যোৱাৰ কথা আছিলে। কিন্তু এতিয়া গুৱাহাটীখন চাংচাৰীৰ ফালেও নিবলগীয়া হৈছে। এতিয়া গুৱাহাটীখনৰ পৰিসৰ বৃদ্ধি হৈছে। গতিকে মই মন্ত্ৰী ডাঙৰীয়াক কৈছো যে আপুনি অলপ চেষ্টা কৰক যাতে আমি জীয়াই থাকোতে মেট্ৰ'ত উঠিব পাৰো।

**माননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া আমি দফাই দফাই আগবাঢ়ি যাওঁ। বিধেয়কখনৰ ৩ নং দফাত আমিনুল ইছলাম (জ্যেষ্ঠ) আৰু তেখেতৰ সহযোগী সকলৰ সংশোধনী আছিলে। আপোনালোকে move কৰিবনে ?

**শ্ৰী আমিনুল ইছলাম, ধিং** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি ইতিমধ্যে move কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী অশোক সিংহাল, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, কেইবাটাও সংশোধনী আনিছে আৰু অখিল গগৈ ডাঙৰীয়াই যিটো সংশোধনী আনিলে যে highest and second highest circulation যিটো আছে তাত দিব লাগে, আমি ইতিমধ্যে provision ৰাখিছো যে দুটা ইংৰাজী

আৰু দুটা vernacular medium এই urban mobility plan area ত highest circulation থকা তাতে publish কৰিব। তাৰকাৰণে DIPR ৰ যিটো পলিচি আছে সেই পলিচিমতে হে advertisement বিলাক publish কৰা হয়।

আমিনুল ইছলাম ডাঙৰীয়াইও এটা সংশোধনী আনিছে যে তেখেতে প্ৰস্তাৱ দিব খোজে যে public opinion ল'ব লাগে। মই এই প্ৰস্তাৱটো স্বীকাৰ কৰিছো আৰু rules বনালে আমি rules ত সেই প্ৰস্তাৱটো ৰাখি থব পাৰিম।

আন এটা প্ৰস্তাৱ অখিল গগৈ ডাঙৰীয়াৰ ফালৰ পৰা আহিছে যে each million plus seated body বনাব লাগে। এই বডিটো ৰাজ্যৰ কাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিজে সভাপতি হৈ আছে। তাৰ পিছত এটা executive committee আছে। Section -12(2)The executive committee will be formed wherein provisions of inclusion of members from designated urban mobility area. সেইকাৰণে এই amendment ৰো প্ৰয়োজন নাই বুলি ভৰা হৈছে। শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়াৰ ১৯ আগষ্ট, ২০২২ তাৰিখে যিটো প্ৰস্তাৱ আহিছে যে মেয়ৰ গুৱাহাটী Municipal Corporation, for that matter অকল গুৱাহাটী Municipal Corporation নহয়, ডিব্ৰুগড়ত হ'লে তাৰো মেয়ৰ আমি বিচাৰিম। গতিকে তাৰ কাৰণে provision আছে যে য'ত হ'ব তাৰে special invitee আমি ৰাখিম। এইটো এদিনত হোৱা প্ৰক্ৰিয়া নহয়। Urban Mobility Plan ৰ infrastructure একেদিনাই হ'ব নোৱাৰে। ইয়াৰ কাৰণে wide consultation, wide survey ৰ প্ৰয়োজন। Consultation নহ'লে ইয়াৰ কাম নহ'ব। অকল consultation য়ে নহয়, ফিল্ডত survey হ'ব লাগিব। Without consulting the general public and without taking them into confidence এই কামবোৰ কেতিয়াও সম্ভৱ নহ'ব।Wide consultation ৰ যিটো process আছে সেইটো ইতিমধ্যে Act ত incorporate কৰা হৈছে। Rules বনাওঁতে এইটো আমি আৰু বহলভিত্তিত ৰাখিব পাৰিম।

(Hon'ble Deputy Speaker on the chair)

আমিনুল ইছলাম ডাঙৰীয়াই এটা প্ৰস্তাৱ দিছে যে মেট্ৰ'ৰেল should be inserted. এই যিটো programme লোৱা হৈছে, যিটো এক্ট ইয়াত অনা হৈছে, ইয়াত কি কি আছে সকলোখিনি লিখা আছে। মনো ৰেল, মেট্ৰ ৰেল, বি টি এচ গোটেইবিলাক আছে। অকল মেট্ৰ'ৰেলে নহয়, বহুধৰণৰ আৰবান মোবিলিটি প্লান ভাৰতবৰ্ষত বৰ্তমান চলি আছে। তাৰ ভিতৰত কোনটো suitable হ'ব সেইটোহে adopt কৰিম। Wide consultation, Geography , কিমান passenger আছে, সেইবিলাক চাইহে আৰবান মোবিলিটি প্লান decide কৰা হ'ব। আমি আৰম্ভণি কৰিছো আৰু মই ভাৱো ভৱিষ্যতৰ Urban Infrastructure বোৰ আমি ভাল কৰিব পাৰিম। এই আশাৰে মই যিসকল সদস্যই সংশোধনী আনিছে সেয়া উঠাই ল'বলৈ প্ৰস্তাৱ দিছো।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ দুটা সংশোধনীৰ এটা মন্ত্ৰী মহোদয়ে গ্ৰহণ কৰিছে। গতিকে আমি যিটো আন এটা সংশোধনী দিছিলো ২০ নম্বৰ clause ত, তাত Executive Committee of Authority য়ে যিবিলাক plan কৰিব, তাত Infrastructure, transport system এনেধৰণৰ সকলোবিলাক কথা আছে। কিন্তু মেট্ৰ'ৰেলৰ planning টো ইয়াত সোমোৱা নাই। Executive Committee of Authority ৰ কি কি দায়িত্ব থাকিব? ২০১৬ চনত যিহেতু কোৱা হৈছিল যে গুৱাহাটী smart sity বনোৱা হ'ব,

মেট্ৰ ৰেল গুৱাহাটীত introduce কৰা হ'ব, এতিয়া ৬ বছৰ হৈ যোৱাৰ পিছত এতিয়াও যদি আমি আৰবান মোবিলিটি প্লানত Executive Authority য়ে মেট্ৰ'ৰেলৰ প্লেনিং বনাব, এইটো যদি এতিয়াও আমি সোমাবলৈ সাহস নকৰো তেনেহ'লে ২০১৬ চনত ভূৱা প্ৰতিশ্ৰুতি দিয়াৰ নিচিনা হ'ব। গতিকে আমি ভাৱো যে আজি যদি চৰকাৰ capable নহয় মেট্ৰ ৰেল কৰাৰ কাৰণে, এক্তত সোমাই থাকক যে এই Executive Authority য়ে in future যেতিয়া আমাৰ চৰকাৰ capable হ'ব, গুৱাহাটীত মেট্ৰ'ৰেলৰ যাতে প্লেনটো কৰে।

উপাধ্যক্ষ মহোদয়, ইয়াত যিটো statement object Act ত আছে সেইটো আহিছে The Metro Rail Policy , 2017,Government of India ৰ আধাৰত। গতিকে ইয়াত Executive Authority য়ে মেট্ৰ'ৰেলৰ প্লেনিং নকৰিব বা এইটো আমি এক্তত সোমাবলৈ ভয় কৰো তেনেকুৱা হ'ব নালাগে। এক্তত এইটো সোমাই ৰাখিলে তাৰ অৰ্থ এইটো নহয় যে কালিয়ে মেট্ৰ ৰেল দিব। এইটো ১০-১৫ বছৰ পিছতো হ'ব পাৰে। যেতিয়া চৰকাৰ capable হ'ব তেতিয়া এই Executive Authority য়ে Metro Rail Planning টো কৰিব। গতিকে এইটো Executive Authority ৰ duty ত এইটো সোমাই ৰখা হওক যাতে ৰাইজে ২০১৬ চনত চৰকাৰে ভূৱা প্ৰতিশ্ৰুতি দিছিল বুলি ক'ব নোৱাৰে। সেয়েহে মই মন্ত্ৰী মহোদয়ক এইটো accept কৰিবলৈ অনুৰোধ জনাম।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি এইটো উইড্ৰ কৰিছেনে?

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই এইটো উইড্ৰ কৰা নাই।

**শ্ৰী অশোক সিংহাল, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যিটো এক্ট আছে তাৰ schedule ত লিখা আছে যে -1. Public Transportation, it shall include system that are available for use by all persons who pay the established fare this mode shall operate on fix route with fix schedule within urban mobility area which shall include bus system , trum ways, metro railway, mono railway, cable car, bus rapid transit system, (BRTS), light rail transit, regional railway or roadway আৰু শেষত কৈছে any other mode irrespective of fuel or population type which needs the requirement of above definition. কি কি কৰিব পাৰিব এই গোটেই কথাখিনি ইয়াত অন্তৰ্ভুক্ত কৰা হৈছে। Excutive Committee ৰ কি অধিকাৰ থাকিব, এই অধিকাৰবোৰ rules ত অন্তৰ্ভুক্ত কৰা হ'ব।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যিহেতু আমাৰ উদ্দেশ্যত আছিলে যে মেট্ৰ ৰেলটো আমাৰ মোবিলিটি প্লানত আহিব বা লোকেল railway বা অন্যান্য বিলাক আহিব সেইকাৰণে Authority য়ে ExcutiveAuthority ক এই প্লানৰ দায়িত্বটো দিয়া এই section ত সোমাব লাগিছিল। এতিয়া নোসোমালেও ভৱিষ্যতে Government amendment কৰি হ'লেও সোমাব লাগিব। গতিকে আজি কৰি থলে ভাল। সেয়েহে মই ভাৱো এইটো এটা বিবেচনা কৰিব।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়া, আপুনি amendment টো withdraw কৰিবনে?

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই কেইটামান amendment withdraw কৰিবলৈ সাজু আছো। কিন্তু এটা amendment withdraw কৰিবলৈ প্ৰস্তুত নহয়। সেইটো হ'ল যিটো News Paper ৰ কথা কৈছো যে Highest circulated news paper ত advertisement হ'ব লাগে। চব কথা যদি ট্ৰেজাৰী বেঞ্চে কয় যে আপোনালোকে উঠাই লওঁক ।

**উপাধ্যক্ষ মহোদয় ঃ** আপুনি বক্তব্য ৰাখিছে, ৰিপ্লাইও পালে । এতিয়া উইড্ৰ কৰিবনে নকৰে ?

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** মই সেইটোকে ক'ব খুজিছো ।

**মাননীয় উপাধ্যক্ষ ঃ** ঠিক আছে , আপুনি এতিয়া চেটিছফাইড হয় নে নহয়?

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** সেই কথাটো মই ইয়াতে 'হয়' বা 'নহয়' বুলি ক'ব লাগিব নেকি ? মইতো কুইজত অহা নাই । মইতো এটা ৰিপ্লাই দিব লাগিব।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি কেনেকৈ ৰিপ্লাই দিব । আপুনি এমেণ্ডমেন্ট আনিছে , মন্ত্ৰীয়েহে উত্তৰ দিব ।

**শ্ৰীঅখিল গগৈ, শিবসাগৰ ঃ** মই কেইটামান চেকশ্যন উইড্ৰ' কৰিবলৈ প্ৰস্তুত কিন্তু তেনেকুৱা সৰু সৰু চেকশ্যন আছে যেনেকৈ এডভৰ্টাইছমেন্টৰ কথাটো হায়েষ্ট চাৰ্কোলেটেড পেপাৰত দিব পাৰে। এই বাক্যটোত মন্ত্ৰী মহোদয়ে হায়েষ্ট চাৰ্কোলেটেড বুলি লিখি দিয়াটোত কোনো অসুবিধা নাই । সেইটো তেখেতসকলে একচেপ্ট কৰিব পাৰে। প্ৰত্যেকটো কথাত আমাকেই যে হে'চা মাৰি ধৰে । এই এক্টবিলাকো ভাল এক্ট বনোৱা নাই । যিবিলাক এক্ট বনাই আছে ইয়াৰ জৰিয়েতে গোটেই অসমৰ থলুৱা মানুহৰ মাটিবিলাক ৰিয়েল ইষ্টেট কম্পেনীবিলাকক দিবলৈ বিচাৰিছে আৰু ডাঙৰ ডাঙৰ ডেভল'পমেন্ট প্ৰজেক্টবিলাকৰ নামত এই মাটিবিলাক ল'বলৈ এই এক্টবিলাক কৰা হয় । পিছতহে ৰাইজে গ'ম পাব । জাগীৰোডৰ মানুহে, মিৰ্জা, চন্দ্ৰপুৰৰ মানুহে গ'ম পাব তেওঁলোকৰ মাটিবিলাক ল'বলৈহে এই বিলাক এক্ট বনাই আছে । প্ৰথম এটা কথা হ'ল । হায়েষ্ট চাৰ্কোলেটেড পেপাৰত দিয়া কথাটো থাকিব লাগে আৰু আনটো হ'ল মেয়ৰৰ কথাটো স্পেচিফিকেলী থাকিব লাগে । বাকী ইনভাইটী মেম্বাৰ থাকিব সেইটো বেলেগ কথা , কিন্তু মেয়ৰ জন ইলেক্টেড হয়, গতিকে তেওঁ পলিচি ডিচিশ্যনৰ মাজত থাকিব লাগে বুলি আমি ভাবো। বাকীকেইটা চেকশ্যন- ৪ চাব চেকশ্যন- ২ এইটো উঠাই লৈছো, আৰু চেকশ্যন -২২ চাব চেকশ্যন -১ এইটো ও উঠাই লৈছো কিন্তু চেকশ্যন- ৪ চাবচেকশ্যন ৩ টো উঠাই লোৱা নাই আৰু চেকশ্যন ৩ চাব চেকশ্যন - ২ টো উঠাই লোৱা নাই।

**মাননীয় উপাধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়ে কিবা উত্তৰ দিবনে ?

**শ্ৰীঅশোক সিংহল, ( মন্ত্ৰী, নগৰ উন্নয়ন ইত্যাদি) ঃ** উপাধ্যক্ষ মহোদয়, মোৰ ক'ব লগা খিনি আগতে ক'লো।

**মাননীয় উপাধ্যক্ষ ঃ** ঠিক আছে গতিকে চাব ক্ল'জ- ডি ৰ টো আপুনি উইড্ৰ' কৰিছে নহয় জানো অখিল গগৈ ডাঙৰীয়া ?

**শ্ৰীঅখিল গগৈ, শিবসাগৰ ঃ** হয় উপাধ্যক্ষ মহোদয়।

**মাননীয় উপাধ্যক্ষ ঃ** ঠিক আছে , যিহেতু ২ নং দফাটে উইড্ৰ' কৰিছে । যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেতসকলে কওক 'হয়' আৰু যিসকল মাননীয় সদস্য- সদস্যা বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়' । মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে ২

নং দফাটো গৃহীত কৰা হ'ল আৰু দফাটো বিধেয়কখনৰ অংশ হ'ল । এতিয়া ৩ নং দফাটো অখিল গগৈ ডাঙৰীয়াই উইড্র' কৰা নাই গতিকে মই দফাটো ভোট দানৰ বাবে সদনত উত্থাপন কৰিলো। যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেতসকলে কওঁক 'হয়' আৰু যিসকল মাননীয় সদস্য- সদস্যা বিপক্ষে আছে তেখেতসকলে কওঁক ' 'নহয়' । মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, ৩ নং দফাটো গৃহীত হ'ল আৰু দফাটো বিধেয়কখনৰ অংশ হ'ল । এতিয়া ৪ নং দফাটো অখিল গগৈ আৰু দেবব্ৰত শইকীয়াৰ লগতে আন ১৯ গৰাকী বিধায়কসকলে আনিছে । এই সংশোধনী প্ৰস্তাৱটো ভোটদানৰ বাবে মই সদনত উত্থাপন কৰিলো ।

**শ্ৰীদিগন্ত বৰ্মন, সৰুক্ষেত্ৰী ঃ** উপাধ্যক্ষ মহোদয়, আমি কিন্তু উইড্র' কৰা নাই ।

**মাননীয় উপাধ্যক্ষ ঃ** ঠিক আছে এতিয়া উইড্র' কৰিবনে নাই ?

**শ্ৰীদিগন্ত বৰ্মন, সৰুক্ষেত্ৰী ঃ** আমি উইড্র' কৰিছো কিন্তু মই সিংহল ডাঙৰীয়াক ক'ম যে তেখেতে যিটো কথা কৈছে যে চিটিৰ ভিতৰত ফ্লাই অভাৰ বনালে বহু প্ৰব্লেম হ'ব । তেনেহ'লে ইনিচিয়েল ষ্টেজত আপোনালোকে খানাপাৰাৰ পৰা এয়াৰপোৰ্টলৈকে কৰি দিয়ক। ৰাস্তাটোও বহল হৈছে । মাজত যদি পিলাৰ কৰি মেট্ৰ' কৰিব পাৰে । মানুহে অন্ততঃ দেখিব যে গুৱাহাটীত মেট্ৰ' ৰেল হৈছে । মই ভাবো তাত কোনো বাৰ্ডেন নহ'ব । সেইটো কৰিব পাৰে । এই লাইনটো দীপৰ বিলৰ কাষেৰে যাব । মই এতিয়া এইটো উইড্র' কৰিছো ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ ঃ যিহেতু কংগ্ৰছ দলৰ সদস্যসকলে উইড্র' কৰিছে কিন্তু অখিল গগৈ ডাঙৰীয়াই কৰা নাই । এতিয়া মই অখিল গগৈ আৰু দেবব্ৰত শইকীয়াৰ লগতে ১৯ গৰাকী সদস্যই উত্থাপন কৰা সংশোধনী প্ৰস্তাৱটো ভোটদানৰ বাবে সদনত উত্থাপন কৰিলো । গতিকে এতিয়া ৪ নং দফাটো সংশোধনী প্ৰস্তাৱটোত যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেতসকলে কওঁক 'হয়' আৰু যিসকল মাননীয় সদস্য- সদস্যা বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়' । মই ভাবো 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে এই সংশোধনীটো নাকচ কৰা হ'ল । এতিয়া ৪ নং দফাটো মই ভোট দানৰ বাবে সদনত উত্থাপন কৰিলো । যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেতসকলে কওক 'হয়' আৰু যিসকল মাননীয় সদস্য- সদস্যা বিপক্ষে আছে তেখেতসকলে কওঁক ' 'নহয়' । মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে সংশোধনীটো প্ৰস্তাৱটো বিধেয়কখনৰ অংশ হ'ল । এতিয়া ৫ ৰ পৰা ১৯ নং দফালৈকে কোনো সংশোধনী প্ৰস্তাৱ নাই । দফা কেইটা বিধেয়কখনৰ অংশ হ'ব । যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেতসকলে কওঁক 'হয়' আৰু যিসকল মাননীয় সদস্য- সদস্যা বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়'। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। ৫ নং দফাৰ পৰা ১৯ নং দফা কেইটা গৃহীত হ'ল আৰু বিধেয়কখনৰ অংশ হ'ল । দফা নং ২০ বিধেয়কখনৰ অংশ হ'ব । দফাটো শ্ৰীআমিনুল ইছলাম জ্যেষ্ঠ আৰু সতীৰ্থ বিধায়কসকল আপোনালোকৰ এটা সংশোধনী প্ৰস্তাৱ আছে । প্ৰস্তাৱটো উত্থাপন কৰিব । আৰু এইটো আপোনালোকে উইড্র' কৰিবনে নকৰে? শ্ৰীআমিনুল ইছলাম, ধিং ঃ মাননীয় উপাধ্যক্ষ মহোদয়, যদি আমি উইড্র' কৰো তেনেহ'লে এই চৰকাৰে যে, ২০১৬ চনতে কৈছিলে মেট্ৰ' ৰেল কৰিব আৰু এতিয়া কৈছে, প্লেনিঙ কৰিবলৈ তেওলোকক কোনো অথ'ৰিটিয়ে দিয়া নাই । তেনেহ'লে এই কথাটো ৰাইজে জানি ল'ব লাগিব যে, এইটো ভূৱা প্ৰতিশ্ৰুতি দিছিল । চৰকাৰে কোনো মেট্ৰ' ৰেল নকৰে । মেট্ৰ' ৰেলৰ অথোৰিটি এক্সিকিউটিভক প্ৰস্তাৱ দিয়াই নাই গতিকে মই উইড্র' নকৰো। ৰাইজে বুজি পাওঁক যে এইটোত সদিচ্ছা আছেনে প্ৰতিশ্ৰুতি আছে ? মই শ্ৰীআমিনুল ইছলাম

আৰু তেখেতৰ লগত ৬ গৰাকী সদস্যৰ দ্বাৰা উত্থাপিত সংশোধনী প্ৰস্তাৱটো  ভোটদানৰ বাবে সদনত উত্থাপন কৰিলো । যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে  তেখেতসকলে কওঁক ‘হয়’ আৰু  যিসকল মাননীয় সদস্য- সদস্যা  বিপক্ষে আছে তেখেতসকলে কওঁক ‘নহয়’ । মই ভাবো ‘নহয়’ৰ সপক্ষে, ‘নহয়’ৰ সপক্ষে, ‘নহয়’ৰ সপক্ষে এই সংশোধনীটো নাকচ কৰা হ’ল । মই ২০ নং দফাটো ভোটদানৰ বাবে সদনত উত্থাপন কৰিলো । যিসকল মাননীয় সদস্য- সদস্যা  সপক্ষে আছে তেখেতসকলে কওঁক ‘হয়’ আৰু  যিসকল মাননীয় সদস্য- সদস্যা  বিপক্ষে আছে তেখেতসকলে কওঁক  ‘নহয়’ । মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে  ২০ নং দফাটো গৃহীত কৰা হ’ল আৰু দফাটো    বিধেয়কখনৰ অংশ হ’ল । এতিয়া বিধেয়ক খনৰ ২১ নং দফাটোত কোনো সংশোধনী প্ৰস্তাৱ নাই, ২১ নং দফাটো বিধেয়কখনৰ  অংশ হ’ব। যি সকল মাননীয় সদস্য-সদস্যা সপক্ষে  আছে তেখেত সকলে কওক হয়, যি সকল মাননীয় সদস্য-সদস্যা বিপক্ষে আছে তেখেত সকলে কওক নহয়, মই ভাৰো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ২১ নং দফাটো গৃহীত কৰা হ’ল আৰু বিধেয়ক খনৰ অংশ হ’ল।

এতিয়া ২২ নং দফা বিধেয়ক খনৰ অংশ হ’ব, দফাটো শ্ৰীঅখিল গগৈৰ নামত এটা সংশোধনী প্ৰস্তাৱ আছে আপুনি সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰিবনে ? এইটো Withdraw কৰিছে।

যিহেতু সংশোধনী প্ৰস্তাৱটো Withdraw কৰিছে মই ২২ নং দফাটো ভোট দানৰ  বাবে সদনত উত্থাপন কৰিলোঁ। যি সকল মাননীয় সদস্য-সদস্যা সপক্ষে  আছে তেখেত সকলে কওক হয়, যি সকলে মাননীয় সদস্য-সদস্যা বিপক্ষে আছে তেখেত সকলে কওক নহয়, মই ভাৰো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ২২ নং দফাটো গৃহীত কৰা হ’ল আৰু বিধেয়ক খনৰ অংশ হ’ল।

বিধেয়ক খনৰ ২৩ নং ৰ পৰা ৫২ নং দফাৰ লগতে অনুসূচীখনৰ কোনো সংশোধনী প্ৰস্তাৱ নাই।  ২৩ নং ৰ পৰা ৫২ নং দফাৰ লগতে অনুসূচীখন বিধেয়ক খনৰ অংশ হ’ব। যি সকল মাননীয় সদস্য-সদস্যা সপক্ষে  আছে তেখেত সকলে কওক হয়, যি সকলে মাননীয় সদস্য-সদস্যা বিপক্ষে আছে তেখেত সকলে কওক নহয়, মই ভাৰো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ২৩ নং ৰ পৰা ৫২ নং দফা কেইটা লগতে অনুসূচীখনো গৃহীত কৰা হ’ল আৰু বিধেয়ক খনৰ অংশ হ’ল।

এতিয়া দফা নং ২ সংক্ষিপ্ত নাম পৰিষৰ আৰু আৰম্ভণি বিধেয়ক খনৰ অংশ হ’ব যি সকল মাননীয় সদস্য-সদস্যা সপক্ষে  আছে তেখেত সকলে কওক হয়, যি সকলে মাননীয় সদস্য-সদস্যা বিপক্ষে আছে তেখেত সকলে কওক নহয়, মই ভাৰো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে দফা নং ১ সংক্ষিপ্ত নাম পৰিষৰ আৰু আৰম্ভণি বিধেয়ক খনৰ অংশ হ’ব। মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰীয়ে বিধেয়ক খন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিব।

**শ্ৰীঅশোক সিংহল, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, “The Assam Unified Metropolitan Transport Authority Bill 2022” পাৰিত কৰাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিলোঁ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মই বিধেয়ক খন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়ালোঁ। যি সকল মাননীয় সদস্য-সদস্যা সপক্ষে  আছে তেখেত সকলে কওক হয়, যি সকলে মাননীয় সদস্য-সদস্যা বিপক্ষে আছে তেখেত সকলে কওক নহয়, মই ভাৰো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়ক খন পাৰিত হ’ল।

এতিয়া Item no. 17. মাননীয় মন্ত্ৰী অশোক সিংহল ডাঙৰীয়াক “The Guwahati

Municipal Corporation (Amendment) Bill, 2022” বিধেয়ক খন বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ অনুৰোধ জনালোঁ।

**শ্ৰীঅশোক সিংহল, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, “The Guwahati Municipal Corporation (Amendment) Bill, 2022” দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলোঁ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মই বিধেয়ক খন বিবেচনাৰ বাবে প্ৰস্তাৱটো সদনত উত্থাপন কৰিলোঁ। প্ৰশ্নটো হ'ল “The Guwahati Municipal Corporation (Amendment) Bill, 2022” বিধেয়ক খন বিবেচনা আৰু পাৰিত কৰণৰ প্ৰস্তাৱটো বিবেচনাৰ বাবে লোৱা হওঁক। যি সকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে তেখেত সকলে কওক হয়, যি সকল মাননীয় সদস্য-সদস্যা বিপক্ষে আছে তেখেত সকলে কওক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত কৰা হ'ল। এতিয়া আমি বিধেয়ক খন দফাই দফাই বিবেচনা কৰিম। ২ নং দফা বিধেয়ক খনৰ অংশ হ'ব। দফাটোত শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াৰ নামত এটা সংশোধনী প্ৰস্তাৱ আছে। আপুনি সংশোধনীটো উত্থাপন কৰিব নে?

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** Sir, I beg to move in the proposed Sub-Clause B of the Clause 2 of the proposed bill in between the Ward with one persuasion mark the following Ward shall be added and they also exempt from electricity bill, water bill, other facility provided by the Corporation. কথাটো একেই, কথাটো হৈছে কি মোৰ এনেকুৱা লাগিছে যে Defence Ministerৰ কথা মতে এইটো বিল আহিছে। Defence Ministerয়ে অনুৰোধ কৰিছে মুখ্যমন্ত্ৰীক এইটো বিলৰ কাৰণে, এইটো কাৰণে বিলটো আহিছে, ছাৰ। তাত Ex-Serviceman and their will ৰ কথাটো আহিছে। তাত clearly লিখা আছে যে and kind of gratitude to the Ex-Serviceman and also honour to the service guarantor to the Nations অৰ্থাৎ উপাধ্যক্ষ মহোদয়, তেওঁলোকে ড্ৰেছৰ কাৰণে যে ইমান dedication মানি লৈছো, ইয়াত কবলগীয়া একো নাই, কিন্তু একেই কথা, যে আপুনি Ex-Servicemanৰ দিছে, Ex-Servicemanৰ ক্ষেত্ৰত যাতে all tax ৰ ক্ষেত্ৰত যাতে হয়, এক নম্বৰ কথা আৰু দ্বিতীয়তে, মুক্তি যুজাঁৰুটো add কৰক।

**শ্ৰীঅশোক সিংহল, মন্ত্ৰী ঃ** লিখি দিয়া নাই তাত।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** তাত লিখা নাই এতিয়া কৈ দিছো। ক'ব পাৰি কিয় নোৱাৰি, negative কথা কলে কওক, positive য়ে কৈছো। আপুনি Freedom fighter টো add কৰক, যাতে আমাৰ bill টো ভালকৈ হয়, সেইটোৰ কাৰণে অনুৰোধ কৰিলো। বাকীখিনি betterment taxটো include হয় সেইটোৰ বাবে request কৰিলোঁ।

**মাননীয় উপাধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰীঅশোক সিংহল, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, তেখেতে যিখিনি কথা ক'লে সেইকথাখিনিটো এমেণ্ডমেন্ট যিটো আনিছে তাৰ লগতটো মিল নাই। এমেণ্ডমেন্ট য'ত তেখেতে আনিছে তাৰ ওপৰতেহে মই উত্তৰটো দিব পাৰিম। বেলেগ কথা এমেণ্ডমেন্টত অনা নাই তাত উত্তৰ দিব নোৱাৰিম। একেটাই কথা, Guwahati Municipal Corporation তো আনিছে এই এমেণ্ডমেন্টে আৰু আগৰ Municipal Boardতো একে এমেণ্ডমেন্ট আছিল। The

Amendment intense to give exemption to Ex-Serviceman from paying property tax and GMC আৰু এই property taxৰ আওতাত যিখিনি আছে Water tax আছে, বেলেগ টেক্স আছে GMCত এই গোটেইখিনি আমি মাফ কৰিম। APDCL ৰ চাৰ্জ টো এমেণ্ডমেন্টত আনিছে যে APDCL ৰ electricity charge ল'ব নালাগে, APDCL টো আমাৰ বিভাগৰ অন্তৰ্গত ন হয় আৰু এই এক্টে govern নকৰে সেই কাৰণে সেইটো আমাৰ বিভাগৰ লগত জড়িত নহয়, আৰু Ex-Servicemanক property taxত সম্পূৰ্ণ exemption দিয়াৰ কাৰণে আমি এক্ট খন আনিছো। সেইবাবে এই এমেণ্ডমেন্টৰ কোনো প্ৰয়োজন নাই বুলি মই উঠাই ল'বলৈ আহ্বান জনাইছোঁ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** Water আৰু electricity bill মই জানো যে বিভাগে দিয়ে, কথাটো হৈছে কি এই যে এন ও চি লোৱাৰ কাৰণে টেক্স এটা লোৱা হয় সেইটো যাতে exemption কৰিব পৰা হয়। আমাৰ যেতিয়া Water connection লওঁ, তেতিয়া Municipalৰ এন ও চি ৰ কাৰণে এটা permission ল'ব লগা হয় তাতে টকা এটা লয়, সেইটো যাতে exemption কৰা হয় সেইটোৰে অনুৰোধ জনাইছোঁ। আমি ঘৰত যেতিয়া Water connection লওঁ, তেতিয়া Municipalৰ এন ও চি লাগে, তেতিয়া যে এটা টেক্স লয় সেইটোও যাতে exemption কৰা হয় তাৰ বাবে অনুৰোধ জনাইছোঁ।

**শ্ৰীঅশোক সিংহল, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এই এক্টখন অনা হৈছে property taxৰ পৰা Ex-Serviceman সকলক exemption দিয়াৰ কাৰণে আৰু এই property taxৰ আওতাত যিমান টেক্স আছে সবৰ পৰা আমি ৰেহাই দিছোঁ।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি withdraw কৰিব ?

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** হয়।

**মাননীয় উপাধ্যক্ষ ঃ** Withdraw কৰি ছে। যিহেতু সংশোধনী প্ৰস্তাৱটো withdraw কৰিছে এতিয়া মই ২ নং দফা ভোট দানৰ বাবে সদনত উত্থাপন কৰিলোঁ। যি সকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে তেখেত সকলে কওক হয়, যি সকলে মাননীয় সদস্য-সদস্যা বিপক্ষে আছে তেখেত সকলে কওক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ২ নং দফাটো গৃহীত কৰা হ'ল।

দফা নং ১ সংক্ষিপ্ত নাম, পৰিষৰ আৰু আৰম্ভণ বিধেয়ক খনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে তেখেত সকলে কওক হয়, যি সকলে মাননীয় সদস্য-সদস্যা বিপক্ষে আছে তেখেত সকলে কওক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে দফা নং ১ সংক্ষিপ্ত নাম পৰিষৰ আৰু আৰম্ভণ বিধেয়ক খনৰ অংশ হ'ব। মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰীয়ে বিধেয়ক খন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিব।

**শ্ৰীঅশোক সিংহল, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, "The Guwahati Municipal Corporation (Amendment) Bill, 2022" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলোঁ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মই বিধেয়ক খন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়ালোঁ যি সকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে তেখেত সকলে কওক হয়, যি সকলে মাননীয় সদস্য-সদস্যা বিপক্ষে আছে তেখেত সকলে কওক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়ক খন পাৰিত হ'ল।

এতিয়া কাৰ্য্যসূচী নং ১৮। "The Guwahati Metropolitan Development Authority (Amendment) Bill, 2022. মাননীয় মন্ত্ৰী শ্ৰী অশোক কুমাৰ সিংঘল The Guwahati Metropolitan Development Authority (Amendment) Bill, 2022. বিধেয়কখন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী অশোক কুমাৰ সিংঘল (মাননীয় মন্ত্ৰী)** ঃ "The Guwahati Metropolitan Development Authority (Amendment) Bill, 2022. দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া মই বিধেয়কখন বিবেচনাৰ বাবে লোৱা প্ৰস্তাৱটো ভোটদানৰ বাবে সদনত উত্থাপন কৰিলো। প্ৰস্তাৱটো হ'ল— "The Guwahati Metropolitan Development Authority (Amendment) Bill, 2022 আৰু পাৰিতকৰণৰ প্ৰস্তাৱটো বিবেচনাৰ বাবে লোৱা হওঁক। যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক হয়, যি সকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে, তেওঁলোকে কওঁক নহয়। মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয় সপক্ষে প্ৰস্তাৱটো গৃহীত কৰা হ'ল। আমি বিধেয়কখন দফাই দফাই বিবেচনা কৰিম। বিধেয়কখনৰ ২ পৰা ৪ নং দফাত কোনো সংশোধনী প্ৰস্তাৱ নাই। এতিয়া ২ ৰ পৰা ৪ নং দফা বিধেয়কখনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক হয়, যি সকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে, তেওঁলোকে কওঁক নহয়। মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে ২ পৰা ৪ নং দফা কেইটা গৃহীত কৰা হ'ল আৰু বিধেয়কখনৰ অংশ হ'ল। এতিয়া বিধেয়কখনৰ ৫ নং দফাটোত Shri Debabrata Saikia, Shri Rakibul Hussain, Shri Wazed Ali Choudhury, Shri Jakir Hussain Sikdar, Shri Bharat Chandra Narah, Shri Abdur Rashid Mandal, Shri Abdur Rahim Ahmed, Shri Abdus Sobahan Ali Sarkar, Smti. Nandita Das, Shri Diganta Barman, Shri Afatab Uddin Mollah, Dr. Asif Mahammad Nazar, Shri Jadav Swargiary, Smti. Sibamoni Bora, Shri Kamalakhya Dey Purkayastha, Shri Misbahul Islam Laskar, Shri Khalil Uddin Mazumdar, Shri Nurul Huda, Shri Abul Kalam Rasheed Alam, Shri Abdul Batin Khandakar আৰু শ্ৰী অখিল গগৈৰ নামত এটাকৈ মুঠ তিনিটা সংশোধনী প্ৰস্তাৱ আছে।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওবৈচা)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, In sub-clause (i) of sub-clause (i) of Clause 5 of the proposed Bill, 1. the word "fifteen" occurring in line shall be substituted by the word "twelve."

In sub-clause (ii) of sub-clause (i) of Clause 5 of the proposed Bill, the word five" occurring in line 1 shall be substituted by the word ten. আমি ইয়াত বিশেষকৈ Clause 5 চৰকাৰী যিটো আৱন্টিত ভূমি from the total area covered under the scheme to the extent of 15% for roote. আমি ১৫ শতাংশতটো ১২ শতাংশ কৰিব কৈছো। প্ৰতি খেল পথাৰ বাগিচা আৰু মুকলি ঠাইৰ বাবে মাত্ৰ ৫ শতাংশহে ৰখা হৈছে। আমি এই ৫ শতাংশটো ১০ শতাংশলৈ বঢ়াব লাগে বুলি কৈছো। ৰাস্তাটোৰ ক্ষেত্ৰত আৱন্টিত ধন ১৫ শতাংশৰ ঠাইত ২০ শতাংশ কৰিব লাগে।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই এই বিলখনত দুটা দফাত সংশোধনী আনিব বিচাৰিছো, আৰু এই সম্পৰ্কে কোৱাৰ আগতে মই এটা কথা কোৱাৰ প্ৰয়োজন বোধ কৰো। Real Estate ব্যবসায়ত সুবিধা দিয়াৰ কাৰণে। গতিকে গুৱাহাটীৰ দাতিকাষৰীয়া অঞ্চলৰ মাটি বিলাক Real Estate Company বিলাকক দিয়াৰ কাৰণে কেইটামান নতুন সূত্ৰ উলিয়াইছে। Transit Oriented Development (TOD) and Transferable Development Right (TDR) এই বিলাকৰ জৰিয়তে গুৱাহাটীৰ দাতিকাষৰীয়া মাটি বিলাক Real Estate ব্যৱসায় কৰাৰ বাবে কিছুমান general Land use পৰিকল্পনা তৈয়াৰ কৰিব বিচৰা হৈছে। এই যিবোৰ পৰিকল্পনা তৈয়াৰ কৰিব বিচৰা হৈছে। তাত আমাৰ মূল আইনখনৰ দফা ৩৬ ত এটা সংশোধন আনিব খোজা হৈছে। I Proposed the following Amendments in the Guwahati Matropolitian Develepment Authority (Amendement) Bill, 2022. Amendment of the section 36 of the principal Act. In section 36 (2) sub-section (f) ii The Guwahati Matropolitian Develepment Authority (Amendement) Bill, 2022, I Propose the word 10 % for perhaps palyground, garden, open palce and green cover shall be substituted for 5% per palyground, garden and open space in the propose amendment. Amendment of the section 50 principal Act, in section A sub-section ii, The Guwahati Matropolitian Develepment Authority (Amendement) Bill, 2022, I propose that a new provision 'P' should be inserted namely "Priorities all the major schemes and projects envisaged in the Master Plan for the Local Planning Area or part thereof along with the development priorities assigned by Central and State Governments, indicating phasing and prioritization of actions for the implementation of short, medium and long term sectoral programmers, projects and schemes or any other particulars as may be considered necessary in respect of special development of the Local Area shall be incorported in the propose amendemnt. উপাধ্যক্ষ মহোদয়, মই কয় যাম নে? মহোদয়, আমাৰ ইয়াত যিটো সংশোধন দিয়া হৈছে আৰু সংশোধনীটোত কোৱা হৈছে যে, প্ৰধান আইনখনত নতুন দফা সোমোৱাৰ কথা আৰু এনেধৰণে যি মাটি আৱন্টন দিয়া হ'ব, সেই মাটিখিনি কি কামত ব্যৱহাৰ কৰা হ'ব। তাত কোৱা হৈছে যে, ১৫

percent for sale by appropriate authority for residential ,commercial or industrial use depending upon the nature of development তাৰ কাৰণে খৰচ কৰিব আৰু the reservation of land to the extent of ten percent or such percentage near there to as possible of the total area covered under the scheme for the purpose of providing housing accommodation to the members of socially and economically backward classes of people. অৰ্থাৎ গুৱাহাটীৰ ওচৰে পাজৰে যিবিলাক real estate bussiness কৰা হ'ব

সেই real estate bussiness ত তাৰ কাৰণে যিটো মাষ্টাৰ প্লেন হ'ব সেইটো মাষ্টাৰপ্লেনত কি কৰিব যে ৫ শতাংশ পাৰ্কৰ কাৰণে ৰাখিব সেই প্ৰপাৰ্টিটোৰ ভিতৰত। আমি কৈছো যে সেইটো ৫ শতাংশ নহয়। পাৰ্কৰ কাৰণে অতি কমেও ১০ শতাংশ থ'ব লাগে। তাৰ পাছত কৈছে যে social infrastructure , অৰ্থাৎ স্কুল, ডিচপেনচেৰি, ফায়াৰ চাৰ্ভিচ, public utility place এইবিলাকৰ কাৰণে ৫ শতাংশ। আমি এইটো ক'ব খোজো যে এই টো ১০ শতাংশ কৰিব লাগে। তাৰ পাছত কৈছে ১৫ শতাংশ কমাৰচিয়েল ইউজ। আমি কৈছো যে যদি কমাৰচিয়েল ইউজেই কৰিব লাগে,১০ শতাংশ হ'ব লাগে। ১৫ শতাংশটো কমাব লাগে, আৰু কৈছে যে ১০ শতাংশ Socialy excluded যিবিলাক মানুহ economicaly backward যিবিলাক মানুহ তেওঁলোকৰ কাৰণে ১০ শতাংশ খৰচ কৰিব লাগে। তেওঁলোকৰ হাউচিংৰ কাৰণে। আমি কৈছো যে নহয় এইটো ২০ শতাংশ হ'ব লাগে , দুখীয়া মানুহ বিলাকৰ কাৰণে ২০ শতাংশ হ'ব লাগে আৰু bussiness ৰ কাৰণে সেইটো সংখ্যাটো কমাই ১০ শতাংশ হ'ব লাগে। এইটো হ'ল আমাৰ প্ৰথম proposal আমাৰ সংশোধনীৰ। ২য় সংশোধনী আচলতে মই ইয়াত যিসকল বিধায়ক আছে বিশেষকৈ গুৱাহাটীৰ ওচৰে পাজৰে আৰু ইয়াৰ পৰৱৰ্তী সময়ত এই act খন কেৱল গুৱাহাটীতে নহয় বাকী মেট্ৰোপলিটান চিটি বিলাকত টো এই act খন প্ৰয়োগ কৰা হ'ব । যেনেকৈ যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড়, নলবাৰী আদি সকলোতে। এই act বিলাকৰ জৰিয়তে কি কৰিব খোজা হৈছে যে টাউনৰ পৰা অলপ দূৰৰ মাটি বিলাকতো, টাউনৰ কৰ্তৃত্বটো খটুৱাব খোজা হৈছে। তাত ব্যৱসায়িক কামত ব্যৱহাৰ কৰিবলৈ খোজা হৈছে। আৰু এই ধৰণে সেই কামবিলাকৰ কাৰণে land acquisition জাতীয় এই আটাইবিলাক কাম আহিব। গতিকে এই গোটেই বিলাকত কেনেকুৱা ধৰণৰ acquisition হ'ব। এই কথাবিলাককে এই act খনৰ জৰিয়তে, এই নতুন বিলখনৰ জৰিয়তে অনা হৈছে। গতিকে এইখন এখন সাংঘাটিক ধৰণৰ important বিল, আৰু এইটো এটা reform agenda, আমি কোনে কিমান কথাবিলাক ভাবি লৈছো নাজানো, কিমান উপলব্ধি কৰিছো নাজানো। এই reform agenda বিলাকৰ জৰিয়তে আমাৰ জনসাধাৰনৰ মাটি বিলাক, জনসাধাৰনৰ সম্পত্তি বিলাক লাহে লাহে কৰ্পোৰেট বিলাকৰ হাতত দিবৰ কাৰণে এইবিলাক কৰা হৈছে। সেই কাৰণে আমি ইয়াতে এটা চেকশ্যন আনিব খুজিছো। লোকেল এৰিয়া প্লেনৰ ওপৰত নতুন চাবচেকশ্যন সংযোজন কৰাৰ এটা প্ৰস্তাৱ ৰাখিছো । সেই চাবচেকশ্যনটো হ'ল আমি "P" বুলি কৈছো চেকশ্যন 50 (A-2) চাবচেকশ্যন "P" এটা সংযোজন কৰিব খুজিছো সেইটো হ'ল "Prioritise all the major schemes and projects envisaged in the Master Plan for the local Planning Area

**মাননীয় উপাধ্যক্ষ ঃ** নতুন চেকশ্যন এটা আনিব নোৱাৰিব নহয়, আপুনি এমেণ্ডমেনটো কওঁক।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** উপাধ্যক্ষ মহোদয়, আমাৰ যিখন পেৰেন্ট act আছে তাতে যিখিনি সংশোধন তেখেতে দিছে , তাৰ ওপৰতহে তেখেতে পাৰিব। তেওঁ এটা নতুন ধাৰা এটা দিব সেইটো কেনেকে হ'ব? তেখেতে পাৰিব যেতিয়া প্ৰাইভেট মেম্বাৰ বিল তেতিয়া তেওঁ তেনেকুৱা ধাৰা এটা আনিব পাৰিব। ইয়াত নোৱাৰে।

**মাননীয় উপাধ্যক্ষ ঃ** সেইটো হ'ব নোৱাৰে, সেইটো নিয়ম নহয়। আপুনি নতুনকে এটা ইনক্লুড কৰিব নোৱাৰে। এমেণ্ডমেন্টৰ ওপৰতহে কওঁক।

**শ্ৰী অখিল গগৈ,বিধায়ক ঃ** উপাধ্যক্ষ মহোদয়, বিলখনৰ জনগনৰ ওপৰত যি কোব পৰিব, মাৰতো পৰিব সেইটো কমাবৰ কাৰণে ইয়াত এটা চেকশ্যন বহাই দিব খুজিছিলো। বিলখনটো

পাছ হ'বই । ঠিক আছে যদি নোৱাৰি তেতিয়া হলে মোৰ ক'বলগীয়া নাই। কিন্তু যিবিলাক real state bussiness ত মই শতাংশটো সলনি কৰিবৰ কাৰণে ইয়াতে সংশোধনীৰ প্ৰস্তাৱ আনিছো।

**মাননীয় উপাধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়, আৰু এটা এমেনমেন্ট আছিল আপুনি একেলগে উত্তৰ দিব নে? একেলগে আপুনি উত্তৰ দিব। এতিয়া বিধেয়কখনৰ ৬ৰ পৰা ৮ নং দফাত কোনো সংশোধনী প্ৰস্তাৱ নাই। ৬ ৰ পৰা ৮নং দফা কেইটা বিধেয়কখনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য- সদস্যা বিধেয়কখনৰ সপক্ষে আছে তেওঁলোকে কওঁক হয়, আৰু যি সকল মাননীয় সদস্য- সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়। মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়কখনৰ ৬ৰ পৰা ৮ নং দফা টো গৃহীত কৰা হ'ল, আৰু বিধেয়খনৰ অংশ হ'ল। এতিয়া মন্ত্ৰী মহোদয়।

**শ্ৰী অশোক সিংহাল, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যিখিনি সংশোধনী প্ৰস্তাৱ আছে, সেই প্ৰস্তাৱবোৰ চেকশ্যন ৩৬ ত যিখিনি আহিছে, যে ১৫ শতাংশটো ১২ শতাংশ কৰিব লাগে, ৫ শতাংশটো ১০ শতাংশ কৰিব লাগে। সেইটো এটা গাইড লাইন আছে। কোনো ধৰি দিয়া নিয়ম নহয়, যে ইমানেই কৰিব লাগিব, এটা গাইড লাইন আকাৰে দিয়া হৈছে। তলত এটা লিখা আছে আপোনালোকে চাওঁক। Provided that the percentage of allotment of lands specified in Sub-Clause (i) to (ii) above may be altered depending upon the nature of development and for the reasons to be recorded in writing ধৰক এটা পি পি প্লেন হ'ল এই পি পি প্লেনটো কিহৰ কাৰণে কৰিছে, ধৰক বৃদ্ধ মানুহৰ কাৰণে retirement home বনাই আছে। তাৰ কাৰণে বেছি ঠাই লাগিব। তাত হস্পিতালৰ কাৰণে মাটি লাগিব পাৰ্কৰ কাৰণে লাগিব, তাত নিশ্চয় পাৰ্কৰ সংখ্যাটো বাঢ়ি যাব। এই development plan যদি কিব কমাৰচিয়েল এৰিয়াৰ কাৰণে হৈছে, স্পেচিফিক কাৰণত যিটো প্ৰয়োজন আছে, এই প্ৰভিজনটো ইয়াৰ কাৰণে ৰখা হৈছে। আপোনালোকে ইয়াত কোনো শংকা কৰিব নালাগে। শেষত চাওঁক Amendment of Section 36, 5 Clause 1, After Clause IV লিখা আছে, "Provided that the percentage of allotment of lands specified in Sub-Section (i) (ii) and (iii) above may be altered depending upon the nature of development সেই কাৰণে ইয়াত Specification Act ত flexibility আছে, এই flexibility ত কোনো অসুবিধা নাই। LAP ৰ ক্ষেত্ৰত কোৱা হৈছে যে proposed project আৰুৰ বাকীখিনি কথা LAP টো হৈছে local area plan। local area plan ৰ অৰ্থ হ'ল, এটা এৰিয়া ইতিমধ্যে develop হৈ গ'ল। This is not a green field project, this is a ground field project.গুৱাহাটীৰ ক্ষেত্ৰত পানবজাৰ, ফাঁচী বজাৰ, এই বৃহৎ অঞ্চলক লৈ এটা LAP চলি আছে, তাৰ সীমাটো হ'ল ব্ৰহ্মপুত্ৰৰ পৰা এটি ৰোড, আৰু এই মাছখোৱা, ভৰলু, উজান বজাৰ এই গোটেইখিনি ৩০০ হেক্টৰ মাটিত এই পৰিকল্পনা চলি আছে। funded by Central Government অমৰোড স্কীমৰ আণ্ডাৰত এইটো হৈ আছে। LAP বনোৱাৰ সময়ত decongest কেনেকে কৰিব পাৰি existing infrastructure কে decongest কেনেকে কৰিব পাৰি যোৱা ৫-৬ বছৰত যদি কোনোবাই দিল্লীৰ চান্দিনি চ'কত গৈছে, দিল্লীৰ চান্দিনি চ'কলৈ আগত যোৱা আৰু এতিয়া বৰ্তমান যিটো পৰিবৰ্তন ঘটিছে, ৰাস্তা বহল হ'ল ফুটপাথ হ'ল তাত বেলেগ বেলেগ ধৰণৰ উন্নয়ন হ'ল। এতিয়া

তাত গলে আপোনালোকে দেখিব পৰিবৰ্তিত ৰূপ আপোনালোকে এই ঠাইখিনিত দেখিবলৈ পাব। য'ত আগতে মানুহ গ'লে বহুত মানুহে বহুতো কষ্ট পাইছিল কিন্তু এতিয়া ৰাস্তবোৰ বহল হ'ল আৰু এটা সৌন্দৰ্য্য বৃদ্ধি হ'ল। যিবিলাক কনজাষ্টেড এৰিয়া আছে তাত এল. এ. পি. বনোৱা হয়। আৰু এই এল. এ. পি. ৰ জৰিয়তে কেনেকৈ ট্ৰেফিক চিচটেমটো ভাল কৰা যায়, পাৰ্কিং এৰিয়াটো কেনেকৈ ওলায় আনিব পৰা যায় তাৰ কাৰণে গোটেই ব্যৱস্থাটো থাকে। গতিকে এল. এ. পি. ৰ জৰিয়তে এটা ব্যস্ত অঞ্চলত য'ত মানুহৰ বস্তি আছে, ঘৰ আছে, মাটি আছে এই এৰিয়াটো কেনেকৈ ভাল কৰিব পাৰি তাৰ ওপৰত এটা প্লেন কৰা হয় আৰু এই প্লেনটো মানুহখিনিৰ লগত চেয়াৰ কৰা হয় আৰু মানুহ খিনিয়ে যেতিয়া এগ্ৰি কৰে তেতিয়া আমি সেই প্লেনটো ৰূপায়ণ কৰিব আগবাঢ়ি যাওঁ। সেয়েহে মই ভাবো যে এইটোত কোনো সংশোধনীৰ প্ৰয়োজন নাই। এই যিখিনি কথা সংশোধনীত কৈছে এল. এ. পি. কৰা হ'প যে প্ৰস্তাৱ আঁচনিবোৰত সংযোজন কৰাৰ কাৰণে যিটো কৰিলে এই অঞ্চলৰ সৌন্দৰ্য্য বৃদ্ধি হয়, তাৰ কাৰণেহে এল. এ. পি. অনা হয়। এই সংশোধনীটোৰ কোনো প্ৰয়োজন নাই বুলি ভাবো আৰু সদস্য সকলক মই উঠাই ল'বলৈ অনুৰোধ কৰিছো ।

**माननीय উপাধ্যক্ষ ঃ** ৫ নং দফাত যি সংশোধনী প্ৰস্তাৱ আনিছিল ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়া আৰু কমলাক্ষ পুৰকায়স্থ ডাঙৰীয়াই আপোনালোকে প্ৰস্তাৱটো উঠাই ল'ব নে ?

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, বিধায়ক ঃ** আমি উঠাই লৈছো।

**माननीय উপাধ্যক্ষ ঃ** অখিল গগৈ ডাঙৰীয়া আপুনি উঠাই ল'বনে ?

**শ্ৰী অখিল গগৈ, বিধায়ক ঃ** উঠাই নলওঁ।

**माननीय উপাধ্যক্ষ ঃ** যিহেতু প্ৰস্তাৱটো অখিল গগৈ ডাঙৰীয়াই উঠাই লোৱা নাই । এতিয়া মই সংশোধনী প্ৰস্তাৱ এটা ভোটদানৰ কাৰণে উত্থাপন কৰিলো। যি সকল মাননীয় সদস্য সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল মাননীয় সদস্য সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়। মই ভাবো নহয় সাপেক্ষে, নহয় সাপেক্ষে, নহয় সাপেক্ষে প্ৰস্তাৱটো নাকচ কৰা হ'ল । এতিয়া মই ৫ নং দফা ভোটদানৰ বাবে উত্থাপন কৰিলো। যি সকল মাননীয় সদস্য সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল মাননীয় সদস্য সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়। মই ভাবো হয় সাপেক্ষে, হয় সাপেক্ষে, হয় সাপেক্ষে ৫ নং দফাটো বিধেয়কখনৰ অংশটো গৃহীত হ'ল আৰু বিধেয়কখনৰ অংশ হ'ল । এতিয়া মই বিধেয়কখনৰ ৯ নং দফাৰ সংশোধনী প্ৰস্তাৱ অখিল গগৈ ডাঙৰীয়াই আনিছিল আপুনি সংশোধনী প্ৰস্তাৱটো উঠাই ল'ব নে ? যিহেতু অখিল গগৈ ডাঙৰীয়াই সংশোধনী প্ৰস্তাৱটো উঠাই লৈ এতিয়া মই ৯ নং দফা ভোটদানৰ বাবে সদনত উত্থাপন কৰিলো। যি সকল মাননীয় সদস্য সদস্যা সপক্ষে আছে তেখেত সকলে কয় হয়, যি সকল মাননীয় সদস্য সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়। মই ভাবো হয় সাপেক্ষে, হয় সাপেক্ষে, হয় সাপেক্ষে ৯ নং দফাটো গৃহীত হ'ল । বিধেয়কখনৰ ১০, ১১ নং দফা দুটাত কোনো সংশোধনী প্ৰস্তাৱ নাই গতিকে ১০, ১১ নং দফা দুটা বিধেয়কখনৰ অংশ হ'ব । যি সকল মাননীয় সদস্য সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল মাননীয় সদস্য সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়। মই ভাবো হয় সাপেক্ষে, হয় সাপেক্ষে, হয় সাপেক্ষে ১০, ১১ নং দফা দুটা গৃহীত হ'ল আৰু বিধেয়কখনৰ অংশ হ'ল । এতিয়া দফা নং-১ সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভন বিধেয়কখনৰ অংশ হ 'ব । যি সকল মাননীয় সদস্য সদস্যা সাপেক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল মাননীয় সদস্য সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়। মই ভাবো হয় সাপেক্ষে, হয় সাপেক্ষে, হয় সাপক্ষে দফা নং-১

সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভন বিধেয়কখনৰ অংশ হ'ল । মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰীক বিধেয়কখন পাৰিত কৰিবলৈ প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো ।

**শ্ৰী অশোক সিংহল, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, "The Guwahati Metropolitan Development Authority (Amendment) Bill, 2022" পাৰিতকৰণৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মই বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়ালো। যি সকল মাননীয় সদস্য সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল মাননীয় সদস্য সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়। মই ভাবো হয় সাপেক্ষে, হয় সাপেক্ষে, হয় সাপক্ষে বিধেয়কখন পাৰিত কৰা হ'ল ।

এতিয়া কাৰ্য্যসূচী নং-১৯ । মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ উন্নয়ন পৰিক্ৰমা বিভাগৰ মন্ত্ৰীক The Guwahati Building Construction (Amendment) Bill, 2022 বিধেয়কখন বিবেচনা কৰিবলৈ সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো ।

**শ্ৰী অশোক সিংহল, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, The Guwahati Building Construction (Amendment) Bill, 2022 দফাই দফাই বিবেচনা কৰিবলৈ মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো বিবেচনাৰ বাবে ভোটদানৰ বাবে সদনত উত্থাপন কৰিলো। যি সকল মাননীয় সদস্য সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল মাননীয় সদস্য সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়। মই ভাবো হয় সাপেক্ষে, হয় সাপেক্ষে, হয় সাপেক্ষে প্ৰস্তাৱটো গৃহীত কৰা হ'ল । এতিয়া বিধেয়কখন দফাই দফাই বিবেচনা কৰিম। বিধেয়কখনৰ দুই নং দফাত কোনো সংশোধনী প্ৰস্তাৱ নাই । এতিয়া দুই নং দফা বিধেয়কখনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল মাননীয় সদস্য সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়। মই ভাবো হয় সাপেক্ষে, হয় সাপেক্ষে, হয় সাপক্ষে দুই নং দফাটো বিধেয়কখনৰ অংশ হ'ল । তিনি নং দফাটোত শ্ৰী দেৱব্ৰত শইকীয়া, শ্ৰী ৰকিবুল হুছেইন, ওৱাজেদ আলী চৌধুৰী, জাকিৰ হুছেইন সিকদাৰ, ভৰত চন্দ্ৰ নৰহ, আব্দুৰ ৰশিদ মণ্ডল, আব্দুৰ ৰহিম আহমেদ, আব্দুছ চোবাহান আলী চৰকাৰ, শ্ৰীমতী নন্দিতা দাস, দিগন্ত বৰ্মন, আফটাৱ উদ্দিন মোল্লা, আছিফ মহম্মদ নজৰ, যাদৱ স্বৰ্গীয়াৰী, শ্ৰীমতী শিৱামনি বৰা, কমলাক্ষ দে পুৰকায়স্থ, মিছবাহুল ইছলাম লস্কৰ, খলিল উদ্দিন মজুমদাৰ, নুৰুল হুদা, আবুল কালাম ৰছিদ মণ্ডল, আব্দুল বাতিন খণ্ডকাৰৰ নামত এটা সংশোধনী প্ৰস্তাৱ আছে । আপোনালোকে সংশোধনী প্ৰস্তাৱ উত্থাপন কৰিব নে ?

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, বিধায়ক ঃ** Sir, I beg to move in Clause-3 of the proposed Bill " The Assam" occuring in the line- 3 shall be substitute by the word "Guwahati". উপাধ্যক্ষ মহোদয়, আজি চৰকাৰে The Guwahati Building Construction (Amendment) Bill, 2022 বিধেয়কখন আনিছে, ইয়াত যিখিনি কথা লিখা আছে সেইমতে এই বিলখনৰ নাম হ'ব লাগিছিল The Assam Building Construction (Amendment) Bill, 2022 , গুৱাহাটী হ'ব নালাগিছিলে । ইয়াত বিধেয়কখনৰ নামটো ভুল হৈছে । কাৰণ সমগ্ৰ Building Construction ৰাজ্যখনৰে এখন আইন,

সেয়েহে ইয়াত হ'ব লাগিছিল The Assam Building Construction (Amendment) Bill, 2022 , হ'ব লাগিছিলে । তাৰ পৰিবৰ্তে হৈছে The Guwahati Building Construction (Amendment) Bill, 2022 . চাৰ ইয়াত যিটো অৱজেক্ট এণ্ড ৰিজ'নত দেখুৱাইছে, এই সংশোধনীটো অনাৰ এটাই কাৰণ হ'ল যে গোটেই অসমৰ কাৰণে। There is a requirment of an uniform and single building bye law for the entire state. আৰু ইয়াতো কৈছো This provision to all urban areas to the state of Assam for an uniform enforcement of master plan and building regulation and to frame uniform single building bye law for the state যদি গোটেই অসমৰ আৰবান এৰিয়াৰ কাৰণে বনাব খুজিছে তেতিয়াহ'লে বিধেয়কখনৰ নাম হ'ব লাগিছিলে ড্যা আসাম হ'ব লাগিছিলে। আপোনালোকে এক্সটেনশ্যন কৰিব খুজিছে । ইয়াত যিটো এক্সটেনশ্যন ৰ কথা লিখা আছে সেইটো গুৱাহাটীৰ কাৰণে নহয় । চাৰ এইটো ভুল হৈছে । এইটো চৰকাৰে ঘূৰাই লওঁক । আপোনালেকে The Assam Building Construction (Amendment) Bill, 2022 বিলখন আনিব লাগিছিলে আৰু এইখন ৰিপিল কৰিব লাগিছিলে । কিন্তু আপোনালোকে এইটো নকৰি খুব চমুকৈ সহজভাবে যে গোটেই অসমৰ কাৰণে লাগে আৰু আমি কি কৰো গুৱাহাটীখনকে এক্সটেনচন কৰো । য'ত য'ত গুৱাহাটী লিখা আছিলে সেইটো কাটি আসাম কৰি দিয়ক। কিন্তু এনেকৈ আইন বনাব নোৱাৰে কোনেও। আপোনালোকে কিয় নতুনকৈ বিল এটা আনিব নোৱাৰিব? The Assam Building Construction Regulation Bill, 2022, এই যিখন বিল এমেণ্ডমেণ্টৰ কাৰণে আহিছে, এইটো এমেণ্ডমেণ্ট নহয় এইখন আজি ৰিপিল কৰিব লাগিছিল। অসমৰ কাৰণে বিল এখন আনিব লাগিছিল। সেইকাৰণে চৰকাৰে এই বিলখন ঘূৰাই লওঁক। এই বিলখন ভুল হৈছে। আপোনালোকৰ Legislative Branch বা আপোনালোকৰ বিভাগে এইটো ভালদৰে হোমৱৰ্ক কৰা নাই। এইটো ভুল হৈছে। এইটো এমণ্ডমেণ্ট নহয়, ৰিপিল হ'ব। যদি গোটেই অসমৰ কাৰণে বিল এখন যদি নতুনকৈ বনাই, আইন এখন বনায়। এতিয়া আপোনালোক গুৱাহাটীখনকে extention কৰিব বিচাৰিছে। গুৱাহাটীৰ ঠাইত অসম লগাব বিচাৰিছে। আইন তেনেকৈ নবনায়। নতুনকৈ যদি গোটেই ৰাজ্যৰ বাবে আইন এখন বনাব বিচাৰে তেতিয়াহ'লে নতুনকৈ বিল এখন আনিব লাগিব। অসমৰ নামত The Assam Building Construction Regulation Bill, 2022 বুলি এখন বিল আনিব লাগিব আৰু এইখন ৰিপিল কৰিব লাগিব। সেইকাৰণে উপাধ্যক্ষ মহোদয়ক মই ক'ব বিচাৰিছো যে আজিৰ কাৰণে এইটো স্থগিত ৰাখক আৰু ১৯ তাৰিখে নতুনকৈ এখন বিল আনক।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া বিধেয়কখনৰ ৪ নং দফাত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই। এতিয়া ৪ নং দফা বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য/সদস্যা বিধেয়কখনৰ সপক্ষে আছে

তেওঁলোকে কওঁক 'হয়'

যিসকল মাননীয় সদস্য/সদস্যা বিধেয়কখনৰ বিপক্ষে আছে

তেওঁলোকে কওঁক 'নহয়'

মই ভাবো 'হয়' সপক্ষে, 'হয়' সপক্ষে, 'হয়' সপক্ষে বিধেয়কখনৰ ৪ নং দফাতো গৃহীত কৰা হ'ল আৰু বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ নামত ৫ নং দফাত দুটা, ৬ নং দফাত তিনিটা, ৭ নং দফাত এটা, ৮ নং দফাত এটা, ৯ নং দফাত আঠটা আৰু ১০ নং দফাত ১ টা আৰু ১১ নং দফাত ৩ টা এটা সংশোধনী প্ৰস্তাৱ আছে। এই গোটেইখিনি সংশোধনী প্ৰস্তাৱ উঠাই আপোনাকে তাৰ ওপৰত বক্তৃতা দিবলৈ অনুৰোধ জনালো।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আঁচলতে "The Guwahati Building Construction (Amendment) Bill,2022" এই যিখন বিল আনিছে এইখনৰ নাম ডেফিনেটলি, মই প্ৰথমতে প্ৰপোজ কৰি ল'ম। গোটেই প্ৰপোজেলটো যদি ক'বলৈ যাওঁ তেতিয়াহ'লে ১ ঘণ্টামান সময় লাগিব। সংশোধনীও আছে, গতিকে মই ডাইৰেক্টলি বক্তব্য লৈ যাব খুজিছিলো। তথাপি প্ৰথম অলপ কৈ দিছো। I propossed that the following Amendment to the Guwahati Building Construction Regulation(Amendment) Bill, 2022, Amendment of section-i of principal act in sub-section-I, of Guwahati Building Construction Regulation(Amendment) Bill, 2022, I propossed that the word Guwahati, appering in between the word call and the bulding shall be retain in the line of the propossed Amendment. অৰ্থাৎ মই এইটো ক'ব খুজিছো যে এই গুৱাহাটীৰ বিলখন গুৱাহাটীৰেই হৈ থাকিব লাগে। এই গুৱাহাটীৰ বিলখন গোটেই অসমতে প্ৰযোজ্য কৰিব খুজিছে আৰু বিলখন ৰ নামটো আপোনালোকে এতিয়ালৈকে সংশোধন কৰা নাই। এইটো স্পষ্ট কথা।ইতিমধ্যে আমাৰ বিৰোধী দলৰ জ্যেষ্ঠ সদস্য শ্ৰী ভৰত নৰহ ডাঙৰীয়াই খুব স্পষ্ট আৰু ধুনীয়াকৈ কৈ দিছে যে গুৱাহাটীৰ বিল এখন Guwahati Building Construction Regulation এখন সমগ্ৰ অসমত প্ৰযোজ্য কৰা কথাটোৱে আঁচলতে এটা ভ্ৰান্ত ধাৰণা। আকৌ কৈছো, এইখন ৰিফৰ্ম বিল এখন। কেন্দ্ৰীয় চৰকাৰে কৈ দিছে যে এই বিলখন সংশোধন কৰিব লাগিব। Statement of object and reason ত এই কথাটো লিখি দিছে। লিখি দি কৈছে যে যিহেতু আমি এইখন সংশোধন কৰিবলৈ লৈছো, সংশোধন কৰিবলৈ লওঁতে এইটো চোৱা নাই যে গুৱাহাটীৰ বাহিৰতো যদি আজি শিৱসাগৰত building construction তলগাই দিয়ে তেতিয়াহ'লে সেইটো কিমান কাৰ্য্যকৰী হ'ব? গতিকে এইখন অত্যন্ত ভয়ঙ্কৰ বিল হৈ উঠিছে। যদিহে এই বিলখন সঁচাকৈ পাচ হয়, তেতিয়াহ'লে বৰ ডাঙৰ সমস্যা হ'ব। সমস্যা কেইটা হ'ব প্ৰথমতে, এই গুৱাহাটীৰ বিলখন যদি সমগ্ৰ অসমত সোমাই তেতিয়াহ'লে গুৱাহাটীত ঘৰ এটা বনাবলৈ পাৰমিশ্যন ল'ব লাগে। এতিয়া গুৱাহাটীৰ কাষৰ অঞ্চল বিলাকতো ঘৰ এটা বনাবলৈ পাৰমিশ্যন ল'ব লাগিব। এতিয়া এই বিলখন আকৌ শিৱসাগৰত কাৰ্য্যকৰী কৰিব। গুৱাহাটীৰ নিয়মতো শিৱসাগৰত হ'ব আৰু শিৱসাগৰৰ কাষত থকা ডিমৌ নামৰ টাউনখনে মাষ্টাৰ প্লেন তৈয়াৰ কৰিব লৈছে আৰু সেই মাষ্টাৰ প্লেনখনৰ বিজ্ঞাপন দিছে। বিজ্ঞাপন দিওঁতে কি কৰিছে ডিমৌ টাউনখন থাওৰা সমষ্টি আৰু মোৰ সমষ্টিৰ ১৪ খন গাঁও তাত ভৰাই দিছে। ডিমৌৰ ভিতৰুৱা গাঁও বেতবাৰী, কোঁৱৰ পুৰ আদি গাঁও কিছুমান এই ডিমৌৰ মাষ্টাৰ প্লেনত ভৰাই দিছে। এতিয়া গুৱাহাটী building construction act টো শিৱসাগৰতটো কৰিবই তাতকৈ সৰু টাউন ডিমৌতো কৰিব। ইয়াৰ উপৰিও ডিমৌৰ পৰা নদী পাৰ হৈ কাষৰ একেবাৰে ভিতৰুৱা গাঁও এখনতো এতিয়া সেই building construction rules খিনি কাৰ্যকৰী হ'ব। যদি build-

ing construction rules খিনি সেই ভিতৰুৱা গাঁও সমূহতো কাৰ্য্যকৰী কৰে তেতিয়া কি হ'ব? এতিয়াৰ পৰা গাঁৱৰ মানুহে ঘৰ বনাবৰ কাৰণে দুটা অনুমতি ল'ব লাগিব। প্ৰথমতে গাঁৱৰ মানুহে নক্সা বনাব লাগিব আৰু সেইটো পাচ কৰিব লাগিব ডিমৌ টাউনত বা শিৱসাগৰ টাউনত গৈ। ইয়াৰ পিছত আকৌ আচল পাৰমিশ্যনটো ল'ব লাগিব পঞ্চায়তত গৈ। প্ৰথমে নক্সাখনৰ অনুমতি ল'ব লাগিব তাৰ পিছত ঘৰটো বনোৱাৰ পাৰমিশ্যন ল'ব লাগিব। তেতিয়াহ'লে এই প্ৰক্ৰিয়াৰ মাজেৰে গ'লে কি হ'ব? গাঁৱৰ মানুহে আজিৰ দিনটোত কাৰো পৰা অনুমতি ল'ব নালাগে। সেইটোৱে হৈছে পঞ্চায়তী ৰাজ ব্যৱস্থা বা গ্ৰাম স্বৰাজ ব্যৱস্থা। এই বিলখনে পঞ্চায়তী ৰাজ ব্যৱস্থাটোক অৰ্থহীন কৰি পেলালে। কিছুদিন আগতে আমাৰ পঞ্চায়ত মন্ত্ৰী মহোদয়ে ঘৰ বনোৱাৰ কাৰণে ফিজ দিব বুলি কোৱাত গোটেই অসম জ্বলি হুলস্থুল হৈ গৈছে। সেই একেটা কাম এই আইনখনৰ জৰিয়তে আনিব বিচৰা হৈছে। এতিয়া টাউনৰ কাষত থকা যিমান মানুহ আছে আৰু যদি মাষ্টাৰ প্লেনৰ ভিতৰত ডিমৌৰ নিচিনা টাউন পৰে তেতিয়াহ'লে ক'ত ডিমৌ টাউন তাৰ পৰা গৈ বেতবাৰী আৰু কোঁৱৰপুৰৰ ১৪ খন গাঁও এই মাষ্টাৰ প্লেনৰ ভিতৰত দি দিলে। এতিয়া গাঁৱৰ মানুহবোৰে গমেই নাপায়। কিয়নো ইয়াৰ বিজ্ঞাপনটো আসাম ট্ৰিবিউনত দি দিলে আৰু এই পেপাৰখন কেইজন গাঁৱৰ মানুহে পঢ়ে? গতিকে গাঁৱৰ মানুহৰ কোনো আপত্তি নাই। কেইদিনমানৰ পিছত গাঁৱৰ মানুহে গম পাব যে তেওঁলোকৰ গাওঁখন ডিমৌৰ মাষ্টাৰপ্লেনত সোমোলে আৰু ডিমৌৰ মাষ্টাৰপ্লেনত সোমোৱাৰ কাৰণে এতিয়া ডিমৌ টাউনৰ পৰা শিৱসাগৰ সমষ্টিৰ মানুহে প্ৰথমে আৰ্কিটেক্টৰ দ্বাৰা নক্সা বনাই ডিমৌ টাউনৰ পৰা পাৰমিশ্যন ল'ব লাগিব। ইয়াৰ পিছত সেই নক্সাখন যেতিয়াই পাচ হ'ব তাৰপিছত আকৌ পঞ্চায়তত আবেদন কৰিব লাগিব। ফলত পঞ্চায়তৰ এটা কঠিন পৰীক্ষাৰ দ্বাৰা যাব লাগিব আৰু তাত পাৰমিশ্যনৰ কাৰণে এটা ফিজ দিব লাগিব বুলি ইয়াত স্পষ্টকৈ লিখা আছে। তাৰমানে কেইদিনমানৰ আগতে পঞ্চায়তৰ গাঁৱৰ ভিতৰৰ গাঁও বিলাক বনাবৰ কাৰণে পইচা ল'ম বুলি কৈছিল, তেতিয়া মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিল যে কোনোপধ্যেই গাঁৱৰ ঘৰ বনাবৰ বাবে আমি পঞ্চায়তৰ পৰা পইচা নলওঁ। এতিয়া এই বিলখনত গাঁৱৰ ঘৰ বনাবৰ কাৰণেও পইচা দিব লাগিব, আৰ্কিটেক্টৰ পৰা নক্সা পাচ কৰি আনিব লাগিব আৰু ইয়াৰ জৰিয়তে গাঁৱৰ মানুহবোৰ যি সম্পূৰ্ণৰূপে যি মাটিৰ ওপৰত নিজৰ ঘৰৰ ওপৰত যি অধিকাৰ আছে সেই অধিকাৰ সম্পূৰ্ণৰূপে খৰ্ব হ'ব। গতিকে এইটো অতি স্পষ্ট কথা, অত্যন্ত গুৰুত্বপূৰ্ণ কথা। আমাৰ ট্ৰেজাৰী ব্ৰাঞ্চৰে হওক বা আমাৰ বিৰোধী পক্ষৰে হওঁক প্ৰত্যেকজন বিধায়কৰ কাৰণে এইখন এনেকুৱা এখন গুৰুত্বপূৰ্ণ বিল, প্ৰত্যেকজন মন্ত্ৰীৰ কাৰণে এখন গুৰুত্বপূৰ্ণ বিল যে এই বিলখনৰ কথা পিছত যেতিয়া মানুহে গম পাব, অসমৰ মানুহে গম পাব প্ৰত্যেকজন বিধায়কক সুধিব যে আপোনালোকে আমাৰ গাঁৱৰ ঘৰ এটা এনেকৈ পাৰমিশ্যন ল'বৰ কাৰণে আৰ্কিটেক্টৰ পৰা পাৰমিশ্যন ল'বৰ কাৰণে প্ৰথমে ড্ৰয়িং বনাব লাগিব, তাৰ পিছত পঞ্চায়তত গৈ ফিজ দিবৰ কাৰণে এইবিলাক কি ব্যৱস্থা লৈছে? এইটো এটা ভয়ঙ্কৰ কথা হ'ব আৰু দুনীৰ্তিৰ বাহ হ'ব। যেনেকৈ এতিয়া গুৱাহাটীত বা অন্য ঠাইত ঘৰ এটা বনাবৰ কাৰণে পাৰমিশ্যন উলিয়াবৰ বাবে পইচা খৰছ হয়, এইটো কোনেও লুকুৱাব নোৱাৰে যে পাৰমিশ্যনৰ কাৰণে পইচা খৰছ হয়। তেনেকৈ এতিয়া ঘৰটো বনাবৰ বাবে ড্ৰয়িং বনাওঁতেও পইচা খৰছ হ'ব আৰু পাৰমিশ্যন উলিয়াবৰ কাৰণেও পইচা খৰছ হ'ব। পাৰমিশ্যন উলিৱাওঁতে ঘোচ দিওঁতেও পইচা খৰছ হ'ব। এই গোটেই কামটোৰ জৰিয়তে আমাৰ গাঁৱৰ সম্পূৰ্ণ মানুহৰ অধিকাৰ খৰ্ব হ'ব আৰু সেইকাৰণে উপাধ্যক্ষ মহোদয়, এইখন এখন অত্যন্ত গুৰুত্বপূৰ্ণ Act, সেই কাৰণে এই গুৰুত্বপূৰ্ণ আইনখনৰ ওপৰত আমাৰ সন্মানীয় সদস্য শ্ৰী ভৰত চন্দ্ৰ নহৰ

ডাঙৰীয়াই কোৰাৰ নিচিনাকৈ গুৱাহাটীৰ আইন কেইখন সমগ্ৰ অসমত জাপি দিব নোৱাৰে। যদি জাপি দিব লাগে, তেতিয়া হ'লে নতুন এখন আইন আনিব লাগে। যদি সঁচাকৈ গুৱাহাটীৰ আইনখনকে গোটেই অসমতে প্ৰয়োগ কৰে, তেতিয়া হ'লে গুৱাহাটীৰ আইনখন repeal কৰি ল'ব লাগে। গুৱাহাটীৰ আইনখন হয়repeal কৰি এখন আসাম আইন বুলি কব লাগিব। সেই বিলাক একো নকৰি সম্পূৰ্ণৰূপে একেবাৰে পদ্ধতিগতভাৱে ভুল এখন বিধেয়ক উত্থাপন কৰা হৈছে। সেই কাৰণে এই বিলখন কোনো পধ্যে কৰিবলৈ অনুমতি দিব নালাগে। প্ৰথম মোৰ দাবীটো হ'ল এইটো।

দ্বিতীয় কথাটো হ'ল যে মই সেইকাৰণে ইয়াত ইমান বিলাক সংশোধন আনিছো। সেই সংশোধন বিলাকত কি কৰিব লগীয়া হৈছে। মই এই বিলখনৰ কাৰণে প্ৰায় ২৭ টা মান সংশোধন আনিছো। এই ২৭ টা সংশোধনী অনিব লগীয়া হৈছে এই কাৰণে এই বিলখন যে অসমত প্ৰযোজ্য নহয়, অকল গুৱাহাটীতে প্ৰযোজ্য হ'ব। অসমত প্ৰযোজ্য হোৱা শব্দ যিমান বিলাক লিখিছে, সেই বিলাক সংশোধন কৰিব লাগে।

এই বিলখন পদ্ধতিগত ভূল বুলি আমি কৈছো। গুৱাহাটীৰ বিলখন গোটেই অসমত আহিব নোৱাৰে। গুৱাহাটীৰ বিলখন গোটেই অসমত আহিবলৈ যাওঁতে গুৱাহাটীৰ নামটোৰে change কৰা নাই ইয়াত। আৰু গুৱাহাটীৰ নামটো যদি change কৰিব লগীয়া হয়, তেতিয়া হ'লে গুৱাহাটীৰ Act খন repeal কৰি লব লাগিব। এইখন আপুনি Law Department লৈ পঠিয়াই দিয়ক। তেওঁলোকৰ পৰা মতামত লওঁক।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি আপোনাৰ সংশোধনী খিনি কওঁক, মন্ত্ৰীয়ে উত্তৰ দিব। তাৰ পিছত কিবা কবলগীয়া থাকিলে আকৌ কব।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই যদি ভূলকৈ কৈছো নাজানো বা মই যদি বুজাব পৰা নাই যদি নাজানো, সেয়া মোৰ সীমাবদ্ধতা। কিন্তু মই যিটো কথা কব খুজিছো এইটো প্ৰত্যেকজন বিধায়কে কেইদিনমানৰ পিছত face কৰিব।

মাননীয় উপাধ্যক্ষ মহোদয়, মই যদি এটা এটাকৈ কবলগীয়া হয়, তেতিয়া হ'লে বহুত সময় লাগিব। সেই কাৰণে মই কব খোজা নাই। এতিয়া মই এই কথাটো কব খুজিছো যে মই এই কেইটা section উঠাই দিয়াৰ কাৰণে অনুৰোধ কৰিছো, এটা হ'ল গুৱাহাটীটো গুৱাহাটীয়ে থাকিব লাগে। তাত আসামতো কতো ভৰাব নালাগে। তাৰ বাবে যিমান কেইটা section আছে, গোটেই কেইটাকে delete কৰাই দিছো, substitute কৰিবলৈ দিছো।

দ্বিতীয়তে হ'ল যে ইয়াতে ঘৰৰ অনুমতি লোৱাৰ কাৰণে fees লাগিব বুলি কৈছে, সেই শব্দকেইটা তাত উঠাই দিছো। গতিকে মই দীঘলীয়া কলে দীঘলীয়া হয় কাৰণে, মূল কথাকেইটা কৈ মই মাত্ৰ আকৌ এবাৰ অনুৰোধ জনাইছো, এইখন এখন খুব গুৰুত্বপূৰ্ণ গোটেই অসমত কাৰ্য্যকাৰী হ'বলগীয়া এখন বিল। এই বিলখনত এটা পদ্ধতিগত ভূল আছে। Fundamental error আছে। এই বিলখন ঘুৰাই পঠিয়াব লাগে, এই বিলখনৰ ওপৰত Law Department ৰ comment ল'ব লাগে আৰু যদি চৰকাৰে ভাৱে যে হয় কেন্দ্ৰীয় চৰকাৰে এই বিলখন যদি আকৌ উঠাব কয়, আকৌ উঠাব ৰাজ্য চৰকাৰে। নহলে কেন্দ্ৰীয় চৰকাৰৰ পৰা পইচা নাহে। চিটি বিলাকত যি পইচা আহিছে, তাত condition কৰি দিছে, যে আমুক প্ৰজেক্টটো তেতিয়াহে পাব যদি এই বিল পাছ কৰে। এইটো mandantory কৰি দিছে। গতিকে মই আশা কৰো চৰকাৰে এই বিলখন নিশ্চয় আনিব। আমি কলেও ননাকৈ নাথাকে। কেতিয়া আনিব লাগে, যেতিয়া এই বিলখন গুৱাহাটী বিল হয় repeal কৰিব লাগে, নহলে নতুনকৈ অসমৰ কাৰণে। The Assam Building Con-

struction Regulation Bill, 2022 আনিব লাগে, মই এইখিনি সংশোধনী প্ৰস্তাৱ আনিছো।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা ইত্যাদি) ঃ** মাননীয়উপাধ্যক্ষ মহোদয়,

The basic purpose of bringing this Act is to extend this Guwahati Building Construction and Regulation Bill to the entire state of Assam and for that the word 'Guwahati' has been substituted by the word 'Assam" and the title of the Bill. Amendment of the long title , this is Amendment No. 3 by this we have amended the title of the Bill also. It has been duly veted by the Legislative Department and after that only it is placed in the House.

মাননীয়উপাধ্যক্ষ মহোদয়, অসমত দুই ধৰণৰ By-law চলি আছিলে। এটা By-law গুৱাহাটীৰ কাৰণে আছিলে। এক By-law বিভিন্ন ULB আৰু Development Authority ৰ কাৰণে আছিলে। এক uniform By-law হ'ব লাগে। এইটো কেন্দ্ৰীয় চৰকাৰৰ reform agenda সেইটো আমাৰ ৰাজ্য চৰকাৰৰ নহয়। সমগ্ৰ ভাৰতবৰ্ষত এটা reform agenda লৈ চৰকাৰে কাম কৰি আছে আৰু তাৰ ফলত এই সংশোধনীটো অনা হৈছে। Master plan revision ৰ কাম আমি কৰিছো, নাই কৰা নহয়। যেতিয়া চৰকাৰ হৈছিলে, তেতিয়াই অসমত শেষত দুটা urban areas আছে, GMDA বাহিৰে আমাৰ তাতেই valid master plan আছিলে আৰু যোৱা কেইবাদিন আমি প্ৰায় ৫৭ টা draft master plan notify কৰিছো। লগতে যিবিলাক draft master plan ত claim & objection আহিছে, তাৰ নিস্পত্তি কৰাৰ পিছত final master plan বোৰ approve কৰি gazette notification দিছো। মাননীয় সদস্য সকলে apprehention ৰাখিব নালাগে যে master plan town & country planning নিজে বনাই, নিজে approve কৰি কৰবাত ওলোমাই দিয়ে যে এইটো master plan মতে চলিব লাগিব। এই master plan বনোৱাৰ আগতে It is a process of wide consultation প্ৰত্যেকটো stakeholder ৰ লগত কথা পতা হয়, এবাৰ দুবাৰ নহয়, কেইবাবাৰো। সৰু সৰু group ত কথা পতা হয়। তাৰ পিছত draft propose কৰা হয়।

মাননীয় উপাধ্যক্ষ মহোদয়, এটা master plan কিয় আছে, master plan ৰ প্ৰয়োজন সেই কাৰণে আছে যে আজিৰ পৰা ২৫ বছৰ পিছত মোৰ urban local body, মোৰ চহৰখন কেনেকৈ development হ'ব, অহা ২৫ বছৰত কোনফালে দেশৰ economic যাব, economic development যদি urbanization বেছিকৈ হ'ব, urbanization যদি বেছিকৈ হ'ব লগীয়া হয় আমাৰ proper master plan লাগিব।

আজি ৰাতিপূৱা সন্মানীয় সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই dumping ground ৰ কথা ওলাইছিলে যে বৈজ্ঞানিক পদ্ধতিৰে dumping হোৱা নাই। গুৱাহাটীত মাটি নাই, য'ত আমি জাৰৰবিলাক লৈ যায় ভালকৈ নিষ্পত্তি কৰাৰ কাৰণে প্ৰকল্প লগাব নোৱাৰো। NGT ৰ হেচাত GMDA ৬০ বিঘা মাটি Housing পৰা লৈছিলে affordable housing কৰাৰ কাৰণে। তেখেতসকলক অনুৰোধ কৰি GMC য়ে টকা দি মাটিটো জাৰৰ নিস্পত্তি কৰাৰ কাৰণে ব্যৱহাৰ কৰিবলৈ লৈছে। আমি বিচৰা নাই যে ভৱিষ্যতত আমাৰ চহৰ বিলাকত জাৰৰ নিস্পত্তি প্ৰকল্প লগাবৰ কাৰণে মাটি নাথাকিব। ভৱিষ্যতত আমাৰ চহৰত ষ্টেডিয়াম বনোৱাৰ কাৰণে মাটি

নাথাকিব। ভৱিষ্যতে আমাৰ চহৰত চৰকাৰী প্ৰতিষ্ঠা কৰাৰ কাৰণে মাটি নাথাকিব। আমি rapid urbanization ৰ ফালে আগবাঢ়ি আছো। urbanization কথা যদি মই কবলগীয়া হয়, এই urbanization আপুনি যদি চাই, urbanization লৈ ভাৰত প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই ১৭ নৱেম্বৰ, ২০২০ তাৰিখে কৈছিলে - "India will experience the large wave of urbanization in the world in the next two decades, it is a challange but also a huge responsibility and opportunity."

মাননীয় উপাধ্যক্ষ মহোদয় দেশ এখন Rapid urbanisation ৰ ফালে আগবাঢ়ি আছে India is the 2nd largest urban system in the world with almost 11 percent of the total global urban population living in Indian cities. ২০৩০ চনত আমাৰ অৰ্থনীতি বিশ্বৰ ভিতৰত দ্বিতীয় বৃহৎ অৰ্থনীতি হ'ব। আমাৰ urbanisation এটা rapid speed ত হ'ব আৰু ২০১১ চনত India ৰ urban population ৩১ শতাংশ আছিল। ২০৩০ চনত urban population ৬০ কোটি হ'ব তাৰ অৰ্থটো হ'ল ৪০ শতাংশ, আৰু ২০৫০ ত urban population ৮৮ কোটি হ'ব তাৰ অৰ্থটো ৫৪ শতাংশ। এইটো মোৰ দাতা নহয়, নীতি আয়োগে report publish কৰিছে, সেই দাতাৰ ওপৰত মই কৈ আছো। তাৰ অৰ্থ হ'ল ২০৫০, দেশে যেতিয়া স্বাধীনতাৰ ১০০ বছৰ সম্পূৰ্ণ কৰিব দেশৰ ৫০ শতাংশ জনসংখ্যা নগৰ অঞ্চলত থাকিব। India is a vibrant economy আৰু আমাৰ যিটো GDP আছে 60% of our GDP is our own consumption তাৰ অৰ্থ হ'ল আমাৰ economy টো robust economy হৈ আছে। বিভিন্ন দাতাবোৰ আমি যেতিয়া চাওঁ, তেতিয়া আমি গম পাওঁ যে কেনেকৈ তীব্ৰ গতিত উন্নয়ণ হৈ আছে আৰু এই উন্নয়ণৰ লগত যদি আমি মিলি চলিব লাগে ভাল urbanisation হ'ব লাগিব উপাধ্যক্ষ মহোদয়। আমি আগত urbanisation কৰিছো, কিন্তু আমি urbanisation কৰা নাই, মানুহে নগৰ অঞ্চলত বসবাস আৰম্ভ কৰিলে। System নোহোৱাৰ কাৰণে, holistic নোহোৱাৰ কাৰণে। আমি City বোৰত slum creat কৰিলো । Urbanisation হোৱা নাই, গাওঁৰ পৰা যিখিনি মানুহ আহিলে সেই মানুখিনিক আমি জীৱন-যাপন কৰিবৰ কাৰণে জীৱিকাৰ কাৰণে slum ত থাকিবৰ কাৰণে বাধ্য কৰিলো আৰু বিশ্বৰ এটাইতকৈ ডাঙৰ slum আমি মোম্বাইত create কৰিলো। ভৱিষ্যতে এই পৰিস্থিতি নিৰ্মাণ হ'ব নালাগে। Holistic develoment, Sustainable Develoment, Inclusive development হ'ব লাগে, তাৰ কাৰণে আমাক master plan লাগিব আৰু এই master plan বনোৱাৰ আমি ব্যৱস্থা কৰিছো। এক ইউনিফৰ্ম বিল্ডিং বনাবৰ কাৰণে আমি প্ৰস্তাৱ হাতত লৈছো। তাৰ কাৰণে এই প্ৰস্তাৱটো অনা হৈছে যে গুৱাহাটী বিল্ডিং master plan গোটেই অসমত আমি extend কৰিম। আজি চাবলৈ গ'লে মই যদি ক'ব লাগে, বহুতে ভাবিব পাৰে, যিয়ে ভাল পোৱা নাই যে ভাৰত দ্বিতীয় economy হ'ব। কিন্তু এটা কথা জনাব খুজিছো উপাধ্যক্ষ মহোদয়, বহুত পুৰণা দাতা নহয়, যিসকলে দেশৰ জনগণৰ ওপৰত বিশ্বাস ৰখা নাছিল ২০১৪ চনত দেশক নেতৃত্ব দিবলৈ এজন visionary leader আহিল।
শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়া।

**(সদনত গণ্ডগোল)**

**মাননীয় উপাধ্যক্ষ ঃ** Please silent please. ২০ টা সংশোধনী প্ৰস্তাৱৰ ওপৰত উত্তৰ দি আছে। উত্তৰটো শুনি লওঁক।

**শ্ৰী অশোক সিংহল, মাননীয় নগৰ উন্নয়ণ মন্ত্ৰী ঃ** উপাধ্যক্ষ মহোদয়, amendment ৰ কথা অনা সকলে যিবিলাক কথা ক'লে যে গুৱাহাটীৰ ওচৰৰ মাটি আমি real estate ক দি দিম, এই মাটিবিলাক সিহঁতৰ হাতৰ পৰা কাঢ়ি ল'ম এইটোতো কোনো বিলত লিখা নাই। যিসকল সদস্যই amendment আনিছে তেওঁলোকে যদি বাৰ্তাটো দিয়ে চৰকাৰৰ তৰফৰ পৰা বাৰ্তা যাব লাগিব যে অসমৰ ৰাইজৰ স্বাৰ্থত এই বিলখন অনা হৈছে আৰু এই কাৰণে মই কথাবিলাক ক'বলৈ বাধ্য হৈছো। ২০১৪ চনত মহান নেতা শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়া যেতিয়া প্ৰধান মন্ত্ৰী হ'ল আৰু তেখেতে জনধন আঁচনিৰ দ্বাৰা দেশত দুখীয়া ৰাইজৰ বেংক একাউণ্ট খুলিবলৈ আৰম্ভ কৰিলে। আজি আপোনালোকক জনাবলৈ পাই মই ভাল পাইছো যে এই পদক্ষেপে ৬ কোটি মানুহক বেকিং ব্যৱস্থাৰ লগত জড়িত কৰিলে। এই জনধন একাউণ্ট ব্যৱস্থাটোৱে ৪৬.২৫ কোটি মানুহক বেকিং ব্যৱস্থাৰ লগত জড়িত কৰিলে আৰু আজি ১ লাখ ৭৫ হাজাৰ কোটি টকা এই জনধন বেংক একাউণ্টত জমা আছে। Informal economy আমি formal কৰিলো।

**(সদনত গণ্ডগোল)**

**মাননীয় উপাধ্যক্ষ ঃ** কথাখিনি শুনি লওঁক।

**শ্ৰী অশোক সিংহল, মাননীয় নগৰ উন্নয়ণ মন্ত্ৰী ঃ** উপাধ্যক্ষ মহোদয়, এজন সদস্যই পৃথিৱীৰ যিমান কথা সকলো ক'ব পাৰে। আমি ভাল কাম কৰাৰ কথাও ক'ব নোৱাৰিম এইটোতো নহ'ব। আমি ভাল কাম কৰিছো সেই কাৰণে কোৱাৰ সাহস কৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** Please, যিমান সোনকালে পাৰে, মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দি শেষ কৰিবলৈ মই অনুৰোধ জনালো। আৰু ৩ খন বিল আছে। প্ৰত্যেকখন বিলতে ১০, ১২ টাকৈ আপোনালোকে amendment আনিছে।

**শ্ৰী অশোক সিংহল, মাননীয় মন্ত্ৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা ইত্যাদি ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ১৬,১৭ আৰু ১৮ জুন ২০২২ তাৰিখে হিমাচলৰ ধৰ্মশালাত মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত এটা কনফাৰেন্স হৈছিল। গোটেই ৰাজ্যৰ মুখ্য সচিবসকলক মতা হৈছিল। গভৰ্ণমেণ্ট অব ইণ্ডিয়াৰ প্ৰত্যেকটো বিভাগৰ সচিবসকল তাত উপস্থিত আছিল আৰু পি এম কনক্লেভত আমাৰ বিভাগৰো আয়ুক্ত সচিবক মাতি পঠোৱা হৈছিল আৰু তাত মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই তিনিটা বিষয় লৈ আলোচনা কৰিলে। দেশৰ অৰ্থনীতি ভাল কৰিবলৈ হ'লে কৃষি খণ্ডৰ কেনেকৈ উন্নতি কৰিব পাৰি, কৃষকৰ কেনেকৈ উন্নতি কৰিব পাৰি, শিক্ষাৰ ওপৰত আলোচনা কৰিলে আৰু আৰ্বান ডেভলপমেণ্টৰ ওপৰত আলোচনা হ'ব আৰু তাত ৰিফৰ্ম এজেণ্ডা সমূহ আহিলে এইবোৰ কাম সকলোবোৰ ৰাজ্যতে হ'ব লাগে। এই বুলিয়ে আমি ৰিফৰ্মৰ কাম আৰম্ভ কৰিছো আৰু এই ৰিফৰ্মৰ জৰিয়তে অসমত নগৰ সমূহৰ উন্নয়ন কৰা হ'ব । নগৰ সমূহত আমি ভাল এটা পৰিৱেশ ৰচনা কৰি অহা প্ৰজন্মৰ কাৰণে এটা হলিষ্টিক ডেভলপমেণ্ট আৰু চিষ্টেমেটিক টাউন বনাব বিচাৰিছো। এইবোৰ ভাৰিয়েই বিলখন অনা হৈছে। মই সদস্যসকলক তেখেতসকলে অনা এমেণ্ডমেণ্টসমূহ উঠাই ল'বলৈ অনুৰোধ জনালো।

**মাননীয় উপাধ্যক্ষ** ঃ ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়া আপুনি এই সংশোধনীটো উঠাই ল'ব নে?

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, বিধায়ক (নাওঁবৈচা)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমি চৰকাৰক জনাব বিচাৰিছো যে গোটেই অসমৰ আৰ্বান এৰিয়াৰ কাৰণে বিল্ডিং কনষ্ট্ৰাকশ্যন বাই ল' এটা বনোৱাত আমাৰ আপত্তি নাই। আপোনালোকে যদি গোটেই অসমৰ আৰ্বান এৰিয়াৰ কাৰণে বিল্ডিং বাই ল' বনাব বিচাৰিছে তাৰ কাৰণে "আসাম বিল্ডিং কনষ্ট্ৰাকশ্যন ৰেগুলেশ্যন বিল" এটা আপোনালোকে

আনিব লাগিছিল। কিন্তু আপোনালোকে গুৱাহাটীৰ যিটো বিল্ডিং বাই ল' সেইটো গোটেই অসমৰ কাৰণে এক্সটেনশ্যন কৰিব বিচাৰিছে। কিন্তু অসমৰ কথাটো অন্য ৰাজ্যৰ লগত নিমিলে কিয়নো অসম Earthquake Zone ৫ ত আছে। সেইকাৰণে ইয়াত আমি মাষ্টাৰ প্লেন বনালেও মাষ্টাৰ প্লেনটো এক্সপাৰ্ট কমিটিৰ দ্বাৰা আকৌ এবাৰ চেক্ কৰিব লাগে। গুৱাহাটীত ঘৰ বা বিল্ডিং এটা বনালে চেটবেকৰ কাৰণে ৫ মিটাৰ এৰিব লাগে। ধুবুৰী, তিনিচুকীয়া আদি অন্য জিলাত হোটেল বা বিল্ডিং এটা বনালে এক মিটাৰ এৰিব লাগে। এতিয়া গুবাহাটীৰ বাই ল' যেতিয়া গোটেই অসমৰ কাৰণে এক্সটেনশ্যন কৰি দিয়ে, তাতো ৫ মিটাৰেই এৰিব লাগিব। কিন্তু গুৱাহাটীৰ মাটিকালিৰ লগত ডিব্ৰুগড়, তিনিচুকীয়া; ধুবুৰী আদি অন্য জিলাৰ মাটিকালিৰ বহুত পাৰ্থক্য আছে। গুৱাহাটীৰ মাটিৰ বাই ল' টোৱেই যদি ঠিক একেধৰণে এক্সটেনশ্যন কৰে তেতিয়াহ'লে অসুবিধা হ'ব। সেইকাৰণে আমি ভাৱিছো যে আপোনালোকে "দ্যা আসাম বিল্ডিং কনষ্ট্ৰাকশ্যন ৰেগুলেশ্যন বিল, ২০২২ " এইটো বিল আনক। যদিও একেখন ৰাজ্যতে পৰে কিন্তু গুৱাহাটীৰ লগত অসমৰ বেলেগ বেলেগ ঠাইৰ মাটিকালিৰ প্ৰকৃতি বেলেগ বেলেগ। আপোনলোকে G.M.C. ৰ Labour Cess এক শতাংশ লৈছে। কিন্তু আমাৰ অন্য ৰাজ্যত সেইটো নাছিল। যদি একেধৰণে এক্সটেনশ্যন কৰে তেতিয়া অন্য জিলাবিলাকেও Labour Cess দিব লাগিব। সেইকাৰণে আমি এইটো চিলেকশ্যন কমিটিলৈ দিবলৈ কৈছিলো নাইবা "আসাম বিল্ডিং কনষ্ট্ৰাকশ্যন বিল ২০২২" বুলি অহা ১৯ তাৰিখে এখন বিল আনক। গুৱাহাটীত আপোনালোকে ৰিপিল কৰি দিয়ক আৰু গোটেই অসমৰ কাৰণে নতুনকৈ বিল আনক।

**শ্ৰী অশোক সিংহল, মাননীয় মন্ত্ৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা ইত্যাদি ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, We are bringing an amendment to an existing Act. Hence Amendment Bill will read "The Guwahati Building Construction Regulation Amendment Bill, 2022". In clause 2, the title has been changed from Guwahati to Assam and after passing it will be named as the "The Assam Building Construction Regulation Amendment Bill, 2022".

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, পৰিৱেশ আৰু বন ইত্যাদি বিভাগ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, According to the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, Debate ত মাননীয় সদস্যসকলৰ নিচিনাকৈ মাননীয় মন্ত্ৰী সকলেও অংশ ল'ব পাৰে। মই এই কথাখিনি তেতিয়াৰ পৰা শুনি আছো। মাননীয় সদস্য ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াৰ এটা কথাত ৰাইট পইণ্ট ধৰিছিল যে যিখন বিল আহিছে সেই বিলখনৰ কোনটো ক্লজত ক'ত কি আছে সেইটো বেলেগ কথা। বিলখনত Objection and reasons শেষৰ পৃষ্ঠাত থাকে তাত সচিব আৰু লেজিচলেটিভ বিভাগৰ চহী থাকে। Objection and reasons হ'ল গোটেই বিলখনৰ মূল উদ্দেশ্য। তাত কোৱা হৈছে যে গোটেই অসমৰ কাৰণে আমাক এখন ইউনিফৰ্ম ল' আৰু ৰেগুলেশ্যন লাগে। আপুনি Objection and reasons টো পঢ়ি দিছে। গোটেই বিলখনৰ সেই Objective টোৱেই মেইন। আপুনি এটা কথা কৈছে যে গুৱাহাটীত ৫ মিটাৰ এৰিব লাগে। কিন্তু ধুবুৰীত এক মিটাৰ এৰিব লাগে। আপুনি এজন অতি জ্যেষ্ঠ সদস্য। আমি ১৯৮৫ চনত ইয়াত একেলগে আহিছিলো। আমি নলবাৰী, লখিমপুৰ , ধুবুৰী, ডিব্ৰুগড় আদি জিলাৰ মানুহবোৰে টাউনবোৰ ভাল কৰিব বিচাৰিলেও ভাল কৰিব নোৱাৰো।

কাৰণ আমাৰ ৰাস্তাৰ লগত লগালগিকৈ ঘৰবোৰ আছে। সেয়েহে আমি ৰাস্তাসমূহ বহল কৰিব নোৱাৰো। এই ক্ষেত্ৰত মই এটা উদাহৰণ দিব বিচাৰিছো যে যেতিয়া গুৱাহাটী মিউনিচিপালিটিত কিমান ফুট ঠাই এৰিব লাগে নিয়ম নাছিল, তেতিয়াও ভাৰতবৰ্ষৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ফকৰুদ্দিন আলী আহমেদে তেওঁৰ ফকৰুদ্দিন বিল্ডিংটো বনাওঁতে আজিৰ পৰা প্ৰায় ৪০-৫০ বছৰ আগতে ৩০ ফুট এৰি নিৰ্মাণ কৰিছিল। তেওঁৰ এনেকুৱা চিন্তাধাৰাৰ বাবে ভাৰতৰ ৰাষ্ট্ৰপতি হ'বলৈ পাৰিছিল। মই মোৰ এটা অভিজ্ঞতা শ্বেয়াৰ কৰিব বিচাৰিছো। মই কৃষিমন্ত্ৰী হৈ থকোতে চাৰপ্লাচ ধান উৎপন্ন হোৱাৰ বাবে ৱৰ্ল্ড বেংকে মোক চাইনা যাবৰ বাবে ট্যুৰ দিছিল আৰু মই গৈছিলো। গানচু নামেৰে ঠাইলৈ গৈ উকচি নামৰ ঠাই টেকুৰালৈ গৈছিলো। এইখন চাইনাৰ অতি পিছ পৰা স্থান। তাত ৰাস্তাৰ দুয়োফালে পিচফলৰ গছ আছে আৰু সেই গছবোৰ ফল আছিল আৰু গছবোৰ কাটি থকা দেখিবলৈ পাইছো। তেতিয়া মই এছিয়ান ডেভেলপমেণ্টৰ চীনা অফিচাৰ এজনক সুধিলো যে গছবোৰত ফল লাগি আছে। তথাপিতো গছবোৰ কিয় কাটিছে। মই ১৯৯৭ চনৰ কথা কৈ আছো। তেওঁ ক'লে যে সেইটো চিক্স লেগু ৰাস্তা আৰু ১০-১৫ বছৰ পিছত কনজাষ্টেজ হৈ যাব। সেয়েহে গছবোৰ কাটি এই Eight land কৰি আছো। এনেকুৱা ধৰণৰ চিন্তাধাৰাৰ কাৰণেই চীনে আমাতকৈ এবছৰ পিছত স্বাধীনতা লাভ কৰাৰ পিছতো চুপাৰ পাৱাৰ হ'ব পাৰিছে। আমাৰ অখিল গগৈ ডাঙৰীয়াই আজি কৈছে যে এইখন এখন মাৰাত্মক বিল। এইখন এতিয়া গুৱাহাটীৰ মিউনিচিপালিটি বিল হ'ল নে অসম মিউনিচিপালিটি বিল হ'ল। এই খন গৈ এখন মাৰাত্মক বিল হ'ল। আজিৰ দিনলৈকে অসমত যিবোৰ বাকীজাই কেচ চলি আছে, সেইবোৰ বেঙ্গল ৰেগুলেশ্যন মতে চলি আছে। আজি এইখন বিল পাচ কৰাৰ পিছত অসম বিল হ'বই। তাত আপোনালোকৰ আপত্তি কি আছে?

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াই কওঁক।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা)ঃ** আমি প্ৰত্যাহাৰ নকৰো, এইটো Select Committee ত যোৱাটো বিচাৰিছো।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া মই ৩ নং দফাটোত দেৱব্ৰত শইকীয়াৰ লগতে ১৯ গৰাকী সদস্যৰ দ্বাৰা উত্থাপন কৰা সংশোধনী প্ৰস্তাৱটো ভোটদানৰ বাবে সদনত উত্থাপন কৰিলো-

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে অসন্মতি জনায়)।

মই ভাৱো 'নহয়'ৰ সপক্ষে, নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে, সংশোধনী প্ৰস্তাৱটো নাকচ হ'ল।

এতিয়া ৩ নং দফা ভোটদানৰ বাবে সদনত উত্থাপন কৰিলো-

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, ৩ নং দফাটো গৃহীত হ'ল আৰু বিধেয়কৰ অংশ হ'ল।

**শ্ৰী আশ্ৰাফুল হুছেইন (চেঙা)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, অলপ আগতে মন্ত্ৰী মহোদয়ে hypocracy বুলি শব্দ এটা কৈছে, যোৱা জুলাই মাহত সেইটো অসাংবিধানিক শব্দ বুলি ধৰা হৈছে, গতিকে শব্দটো প্ৰত্যাহাৰ কৰিব লাগে।

**শ্ৰী অশোক সিংহল, মাননীয় মন্ত্ৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা ইত্যাদিঃ** এইটো অসাংবিধানিক শব্দ নহয় আৰু যদি হয়, তেন্তে উঠাই দিব।

**মাননীয় উপাধ্যক্ষঃ** অসাংবিধানিক শব্দ এটাও নাথাকিব, বিৰোধী হওক বা শাসকীয়ই হওক, যিয়ে অসাংবিধানিক শব্দ ব্যৱহাৰ কৰে সকলো expunge কৰা হ'ব।

মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়া, ৫ ৰ পৰা ১১ নং দফাত আপোনাৰ সংশোধনী প্ৰস্তাৱ আছে, আপুনি প্ৰত্যাহাৰ কৰিব নে?

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** উপাধ্যক্ষ মহোদয়,....interruptions...

**মাননীয় উপাধ্যক্ষঃ** তেখেতক নিৰ্ধাৰিত সময় দিয়া হৈছে। তেওঁক disturb নকৰিব। আমি এখন বিধেয়কৰ ওপৰত আলোচনা কৰি আছো। You have to be very serious. Why are you taking it lightly?

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** উপাধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় মন্ত্ৰী মহোদয়ে reform শব্দটো ব্যৱহাৰ কৰিছে। Reform ৰ দুটা অৰ্থ আছে। এটা হ'ল সাধাৰণ reform আৰু ৰাজনৈতিক ভাষাত .......interruptions....

( সদস্যগৰাকীয়ে বক্তব্য ৰখাত শাসকীয় পক্ষই বিৰোধীতা কৰে)

**মাননীয় উপাধ্যক্ষঃ** ৩নং দফাটো পাৰিত হৈছে। ৫ ৰ পৰা ১১ নং দফাত অখিল গগৈ ডাঙৰীয়াৰ সংশোধনী প্ৰস্তাৱ আছে। .....interruptions....

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, পৰিৱেশ আৰু বন ইত্যাদিঃ** উপাধ্যক্ষ ডাঙৰীয়া, আপুনি অখিল গগৈ ডাঙৰীয়াৰ আৰু কিবা ক'বলগীয়া আছে নেকি বুলি সোধাত তেওঁ সকলোখিনি একেলগে কৈ দিয়া বুলি ক'লে, এতিয়া আকৌ অন্য কথা কেনেকৈ move কৰিব? যিহেতু তেওঁলোকে প্ৰত্যাহাৰ কৰা নাই, আপুনি ভোটত দিলে আৰু ভোটত নাকচ হ'ল, তাৰ পিছত আৰু কিহৰ আলোচনা কৰিব লাগে?

**মাননীয় উপাধ্যক্ষঃ** আপোনাৰ বুজাত অলপ খেলি-মেলি হৈছে চাগে। আমি ইয়াত ৩ নং দফাটোহে পাছ কৰিলো।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** উপাধ্যক্ষ মহোদয়, দফাই দফাই ভোটদান হ'ব লাগে, নহয় জানো?

**মাননীয় উপাধ্যক্ষঃ** ৩ নং দফাটোত কংগ্ৰেছৰ যি সংশোধনী প্ৰস্তাৱ আছিল আমি সেইটো পাছ কৰিলো, ৪ নং দফাত কোনো সংশোধনী নাই গতিকে সেইটোও পাছ হ'ল। এতিয়া অখিল গগৈ ডাঙৰীয়াৰ ৫ নং দফাৰ পৰা ১১ নং দফালৈ ১৮ টা সংশোধনী প্ৰস্তাৱ আছিল।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, পৰিৱেশ আৰু বন ইত্যাদিঃ** হয় উপাধ্যক্ষ ডাঙৰীয়া, কিন্তু তেখেতেই কৈছিল যে তেখেতৰ ১১ টা সংশোধনী আছে আৰু তাৰ বাবে তেখেতক অতিকমেও দুই ঘণ্টামান সময় লাগিব। তেতিয়া আপুনি কৈছিল যে ভৰত নৰহ ডাঙৰীয়াই চমুকৈ কোৱাৰ দৰে আপুনিও চমুৱাই কওঁক। তাৰ পিছত তেওঁ কথাখিনি কৈ বহিলে। বহাৰ পিছত আপুনি তেখেতক আকৌ কিবা ক'ব লগীয়া আছে নেকি বুলি সোধাত তেখেতে একেলগে move কৰা বুলি কয় আৰু একো ক'বলগীয়া নাই বুলি বহি দিছে।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** তেনেহ'লে মোৰ Interpreter এজন ইয়াত ৰাখিব লাগিব, উপায় নাই আৰু।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া বক্তব্য ৰাখিবলৈ একো নাই। অখিল গগৈ ডাঙৰীয়া আপুনি সংশোধনী

প্ৰস্তাৱকেইটা প্ৰত্যাহাৰ কৰিব নে নাই?

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** মই প্ৰত্যাহাৰ নকৰোঁ।

**মাননীয় উপাধ্যক্ষঃ** ঠিক আছে। এতিয়া মই ৫ নং দফাটোত থকা সংশোধনী প্ৰস্তাৱটো ভোটদানৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিলো-

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে অসন্মতি জনায়)।

মই ভাৰো 'নহয়'ৰ সপক্ষে, নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে, সংশোধনী প্ৰস্তাৱ তিনিটা নাকচ হ'ল।

এতিয়া ৫ নং দফা ভোটদানৰ বাবে সদনত উত্থাপন কৰিলো-

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৰো 'হয়'ৰ সপক্ষে, হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, ৫ নং দফাটো গৃহীত হ'ল আৰু বিধেয়কৰ অংশ হ'ল।

এতিয়া বিধেয়কৰ ৬ নং দফাত অখিল গগৈ ডাঙৰীয়াই অনা সংশোধনী প্ৰস্তাৱ তিনিটা ভোটদানৰ বাবে সদনত উত্থাপন কৰিলো-

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে অসন্মতি জনায়)।

মই ভাৰো 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে, সংশোধনী প্ৰস্তাৱ তিনিটা নাকচ হ'ল।

এতিয়া ৬ নং দফা ভোটদানৰ বাবে সদনত উত্থাপন কৰিলো-

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৰো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, ৬ নং দফাটো গৃহীত হ'ল আৰু বিধেয়কৰ অংশ হ'ল।

বিধেয়কৰ ৭ নং দফাত অখিল গগৈ ডাঙৰীয়াই অনা সংশোধনী প্ৰস্তাৱটোৰ ভোটদানৰ বাবে সদনত উত্থাপন কৰিলো-

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষেআছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে অসন্মতি জনায়)।

মই ভাৰো 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে, সংশোধনী প্ৰস্তাৱটো নাকচ হ'ল।

এতিয়া ৭ নং দফা ভোটদানৰ বাবে সদনত উত্থাপন কৰিলো-

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি

সকল বিপক্ষে আছে তেখেত সকলে কওঁক ‘নহয়’।

(সদনে সন্মতি জনায়)।

মই ভাৱো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ৭ নং দফাটো গৃহীত হ’ল আৰু বিধেয়কখনৰ অংশ হ’ল।

এতিয়া মই ৮ নং দফাটো ভোটদানৰ বাবে সদনত উপস্থাপন কৰিলো। যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে কওক হয়, যিসকল বিপক্ষে আছে কওক নহয়। মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ৮ নং দফাটো গৃহীত কৰা হ’ল আৰু বিধেয়কখনৰ অংশ হ’ল।

এতিয়া ৮ নং দফাটোত অখিল গগৈ ডাঙৰীয়াৰ নামত ৮ টা সংশোধনী প্ৰস্তাৱ আছিল। এই প্ৰস্তাৱ কেইটা মই ভোটদানৰ বাবে সদনত উত্থাপন কৰিলো। যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে কওক হয়, যিসকল বিপক্ষে আছে কওক নহয়। মই ভাৱো নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে সংশোধনী প্ৰস্তাৱটো নাকচ কৰা হ’ল।

এতিয়া মই ৯ নং দফাটো ভোটদানৰ বাবে সদনত উপস্থাপন কৰিলো। যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে কওক হয়, যিসকল বিপক্ষে আছে কওক নহয়। মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ৯ নং দফাটো গৃহীত কৰা হ’ল।

এতিয়া ১০ নং দফাত অখিল গগৈ ডাঙৰীয়াৰ নামত এটা সংশোধনী প্ৰস্তাৱ আছিল। যিহেতু তেখেতে সংশোধনীটো Withdraw কৰা নাই, সেয়েহে মই ভোটদানৰ বাবে সদনত উপস্থাপন কৰিলো। যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে কওক হয়, যিসকল বিপক্ষে আছে কওক নহয়। মই ভাৱো নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে সংশোধনী প্ৰস্তাৱটো নাকচ কৰা হ’ল।

এতিয়া মই ১০ নং দফাটো ভোটদানৰ বাবে সদনত উপস্থাপন কৰিলো। যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে কওক হয়, যিসকল বিপক্ষে আছে কওক নহয়। মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ১০ নং দফাটো গৃহীত কৰা হ’ল আৰু বিধেয়কখনৰ অংশ হ’ল।

এতিয়া ১১ নং দফাত অখিল গগৈ ডাঙৰীয়াৰ নামত তিনিটা সংশোধনী প্ৰস্তাৱ আছিল। যিহেতু তেখেতে সংশোধনীটো Withdraw কৰা নাই, সেয়েহে মই ভোটদানৰ বাবে সদনত উপস্থাপন কৰিলো। যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে কওক হয়, যিসকল বিপক্ষে আছে কওক নহয়। মই ভাৱো নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে সংশোধনী প্ৰস্তাৱটো নাকচ কৰা হ’ল।

এতিয়া মই ১১নং দফাটো ভোটদানৰ বাবে সদনত উপস্থাপন কৰিলো। যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে কওক হয়, যিসকল বিপক্ষে আছে কওক নহয়। মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ১১ নং দফাটো গৃহীত কৰা হ’ল।

দফা নং ১, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ’ব। যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে কওক হয়, যিসকল মাননীয় সদস্য-সদস্যা বিপক্ষে আছে কওক নহয়। মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে দফা নং ১, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ’ল।

মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিকল্পনা মন্ত্ৰীয়ে বিধেয়কখন পাৰিত কৰিবলৈ

প্ৰস্তাৱ উত্থাপন কৰিব। মাননীয় মন্ত্ৰী।

**শ্ৰী অশোক সিংহাল, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, Guwahati Building Construction Regulation( Amemndment) Bill, 2022 পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মই বিধেয়কখন পাৰিত কৰাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিলো। যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে কওক হয়, যিসকল মাননীয় সদস্য-সদস্যা বিপক্ষে আছে কওক নহয়। মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়কখন পাৰিত কৰা হ'ল।

এতিয়া কাৰ্য্যসূচী নং -২০, The Assam Town and Country Planning (Amemdment) Bill, 2022. মই মাননীয় মন্ত্ৰী শ্ৰী অশোক সিংহাল ডাঙৰীয়াক The Assam Town and Country Planning (Amemdment) Bill, 2022 বিধেয়কখন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী অশোক সিংহাল, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এটা Government Amendment আছে, The Assam Town and Country Planning (Amemdment) Bill, 2022 ত। মই এইটো পঢ়ি দিছো - At page 6, serial no.7 shall begin with the following line. In the Principle Act, for section 8(D), the following shall be substituted before the line " The power and functions of a development authority shall be" amendment of section 8(D). মাননীয়

উপাধ্যক্ষ মহোদয়, The Assam Town and Country Planning (Amemdment) Bill, 2022. দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মই বিধেয়কখন বিবেচনাৰ বাবে লোৱা প্ৰস্তাৱটো ভোটদানৰ বাবে সদনত উত্থাপন কৰিলো। প্ৰশ্নটো হ'ল- The Assam Town and Country Planning (amemdment) Bill, 2022 বিধেয়কখন বিবেচনা আৰু পাৰিতকৰণৰ প্ৰস্তাৱটো বিবেচনাৰ বাবে লোৱা হওক। যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে কওক হয়, যিসকল মাননীয় সদস্য-সদস্যা বিপক্ষে আছে তেখেতসকলে কওক নহয়। মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত কৰা হ'ল।

এতিয়া আমি বিধেয়কখন দফাই দফাই বিবেচনাৰ কৰিম। ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ব। বিধেয়কখনত শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ নামত দুটা সংশোধনী প্ৰস্তাৱ আছে। আপুনি সংশোধনী দুটা উত্থাপন কৰিবনে? যদি কৰে একেলগে কওক।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, The Assam Town and

Country Planning (Amendment) Bill, 2022, I proposed that the following amendment to the The Assam Town and Country Planning (Amendment) Bill, 2022 Amendment of section 2 of Principle Act, in section(2), sub section -10 of The Assam Town and Country Planning (Amendment) Bill, 2022. I proposed that the word following within the juristifiction of every Legislative Assembly Constituency shall be incorporated in between the word area and it in the line of a proposed amendment. মই প্ৰথম কথাখিনি আৰম্ভ কৰি বিলখন সন্দৰ্ভত মোৰ ক'বলগীয়া কথাখিনি ক'ব খুজিছো। Assam Town and Country Planning (Amendment) Bill, 2022 ত যি সংশোধনী আনিছে, এই সংশোধনীত যি master plan তৈয়াৰ কৰাৰ কথা কোৱা হৈছে, Amendment of Section 2, Sub-section -2 of clause 10, the following shall be substituted namely master plan means a statutory plan document prepared for streamlining the land used within the delinated in area. It is a long term plan that provide a conception layout for the future growth development.

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি গোটেইকেইটা Amendment একেলগে কৈ দিব।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়,মই আগতে দেখুৱাইছিলো,আমাৰ থাওৰা সমষ্টিৰ বিধায়ক শ্ৰী সুশান্ত বৰগোঁহাঞিও ডাঙৰীয়া নিশ্চয় আহিছে। মই ক'ব বিছাৰিছো যে সকলো টাউনৰ মাষ্টাৰ প্লেন বনাব লাগে। সকলো টাউনৰ মাষ্টাৰ প্লেন বনালেহে কেন্দ্ৰীয় চৰকাৰে Town and Country Planning ৰ জৰিয়তে আমালৈ আঁচনিসমূহ পঠিয়াব। সেইকাৰণে এই বিলবিলাকৰ সংশোধনী কৰাটো mendatory কৰি দিয়া হৈছে। থাওৰা সমষ্টিৰ ডিমৌ টাউনৰ মাষ্টাৰ প্লেন কৰোতে যিটো advertisement দিছে, তাত আমাৰ সমষ্টিৰ ১৪ খন গাওঁ সোমোৱাই দিছে। যি ১৪ খন গাওঁ সোমোৱাই দিছে, সেইকেইটা কোঁৱৰপুৰ মৌজা আৰু বেতবাৰী মৌজাৰ গাওঁ আৰু ডিমৌ টাউনৰ পৰা বহুত ভিতৰত নদী পাৰ হৈ আহিবলীয়া গাওঁ। সেই গাওঁখন যেতিয়া ডিমৌ টাউনৰ মাষ্টাৰ প্লেনৰ ভিতৰত সোমোৱাই দিব, তেতিয়া বহুত অসুবিধা হ'ব। আগতে আমাৰ কোঁৱৰপুৰ মৌজাৰ এজন মানুহে কিবা এটা কাম কৰিব লাগিলে শিৱসাগৰ টাউনলৈ আহে। কিন্তু এতিয়া ঘৰৰ permission ল'বলৈ ডিমৌ টাউনলৈ আহিব লাগিব। তাত পাচ হৈ অহাৰ পাছত আকৌ পঞ্চায়তৰ পৰা permission ল'ব লাগিব। পঞ্চায়তৰ পৰা যেতিয়া ল'ব সেইটো আমাৰ নিজৰ শিৱসাগৰ সমষ্টিৰ পঞ্চায়ত পৰিব আৰু আনফালে টাউনখন ডিমৌ টাউন পৰিব। গতিকে মই যিটো amendment আনিছো সেই amendment টোত কৈছো যে মাষ্টাৰ প্লেন যে বনাইছে, মাষ্টাৰ প্লেনবিলাক বনোৱাৰ সময়ত আমি সমষ্টিভিত্তিত এটা constituency level ত বনাব লাগে, সেই সমষ্টিৰ পৰিসীমা ভাঙি লৈ বনাব নালাগে। সেইকাৰণে মোৰ সংশোধনীটো হ'ল - Master Plan means a Statutory Plan document prepared for stream lining the land use within the delineated planning area, following within the jurisdiction of every Legislative Assem-

bly Constituency. মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে এনেকৈ এখন টাউনৰ মাষ্টাৰ প্লেন যেতিয়া বনাব সেইখন বনাওতে জইনিঙ ৰেগুলেশ্যন যেতিয়া হ'ব বা মাষ্টাৰ প্লেন বনাব তেতিয়া এটা সমষ্টিৰ গাওঁ আন এটা সমষ্টিত সোমাই দিব নালাগে । শিৱসাগৰ সমষ্টিৰ গাওঁ এখন থাওঁৰা সমষ্টিত সোমাই দিব নালাগে । ...........উপাধ্যক্ষ মহোদয় এইফালৰ পৰা কমেন্ট কৰি আছে যে মই মাষ্টাৰ প্লেনটো বুজি পোৱা নাই

**মাননীয় উপাধ্যক্ষ ঃ** নো কমেন্ট প্লিছ। তেখেত বুজিলে নে নাই আপুনি চিন্তা কৰিব নালাগে, অখিল গগৈ ডাঙৰীয়া কওক।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** বেছি জনাখিনিক একচুৰেলী এক্সপাৰ্ট কমিটিত দিয়ে দিব লাগে ।

( সদনত হাঁহিৰ ৰোল )

..... উপাধ্যক্ষ মহোদয়, মই কেৱল উদাহৰণ দিছে যে যেতিয়া এখন টাউনৰ মাষ্টাৰ প্লেন বনাব তাত যাতে সমষ্টিৰ বাউণ্ডেৰীটো ক্ৰছ কৰিব নালাগে । টেন -বিটো আছে সেই কাৰণে মই সেইটো ক'লো । তাৰ পিছত নেক্সট আছে , তাৰ পিছত চেকশ্যন- এমেণ্ডমেন্ট অফ চেকশ্যন নাইন । তাত আমি কৈছো যে, এনেকৈ মাষ্টাৰ প্লেন বনাওতে ইলেক্টেড ৰিপ্ৰেজেনটেটিভবিলাকক সেই কমিটিখনৰ -- A Master Plan herein after reffered to explain in this Act for the development of any area within the state which the state government may consider necessary shall be drawn up by the Director or The office of the Deputy Director, Assisttant Director of Town and Country Planning in consultation with the local authority, local concerned কৈছে যে, যেতিয়া মাষ্টাৰ প্লেনটো বনাব তেতিয়া হ'লে লোকেল অথোৰিটিৰ লগত কনচাল্টটেশ্যন হ'ব । আমি তাত কেৱল ভৰাইছো যে, লোকেল অথোৰিটি কনচাৰ্ণৰ পিছত সোমাই দিছো যে - and elected representative of constituency and Municipal Corporations and Municipal Board and Panchayat. যেতিয়া মাষ্টাৰ প্লেনটো বনাব আমাৰ বিধায়কসকলৰ যদি এটা মত লোৱা নহয় বা পঞ্চায়তখনৰ প্ৰেছিডেন্ট বা সদস্যজনৰ যদি মত লোৱা নহয় বা টাউন কমিটি বা মিউনিচিপাল্টিৰ ইলেক্টেড ৰিপ্ৰেজেনটেটিভ জনৰ যদি মত লোৱা নহয় এইটো বেয়া হ'ব গতিকে ইয়াত in consultation with the local authority, local concerned ৰ লগত অৰ্ন্তভূক্ত কৰিব লাগে । এইটো হ'ল ২ , তাৰ পিচত আছে ২১ এ - ইয়াতে detail town planning skill means a lay out মই লে-আউটৰ ঠাইত comprehensive বুলি শব্দ এটা ভৰাব বিচাৰিছো। এইটো amendment - details town planning schemes means a comprehensive means a comprehensive plans for the particular area. -- lay out-ৰ ঠাইত। তাৰ পিচত আহিলে details town planning schemes means a comprehensive plan for a particular area within the designated planning area concieved within the frame work of the master plan if any providing detail proposals for spectrial development of such particular area-সেই এৰিয়াটোৰ ভৌগলিক ডেভল'পমেন্টৰ কাৰণে indicating the manner in which the use of Land and development therein shall be carried out. এই শব্দকেইটা ইয়াতে অৰ্ন্তভূক্ত কৰিবলৈ অনুৰোধ জনাইছো। তাৰ পিছত **local area plan-**

এটা নতুন সংযোজন কৰিব খুজিছিলো, ইয়াতে আগতে আলোচনা কৰোতে কৈছিলে যে নতুন সংযোজনৰ প্ৰস্তাৱ ইয়াত দিব নোৱাৰো কেৱল **amendment-** ৰ হে প্ৰস্তাৱ দিব পাৰো। গতিকে মই সেইটো উঠাই লৈছো । এটা নতুন সংযোজন **Section - R** বুলি আছে **21 G-** ত **sub sactin-2- view** ৰ পিচত আছে তাতে মই **insert** কৰাৰ কথা কৈছিলো কিন্তু এতিয়া কোৱা হৈছে যে **insert-** কৰিব নোৱাৰে অকল **amendment** হে কৰিব পাৰিব, গতিকে এইটো উঠাই ললো । তাৰ পিচত **33 C** -আৰু **33 D-**এটা **amendment insert-**কৰাৰ কথা কৈছিলো **where after the publication of a master plan development scheme, Town planning Scheme, any land is requiard, reserve or designated in such Plan the concerned authority may entered into agreement with any person for aquisition from him by purchase by paying such amount as may be arrived for negotiation settlement** তাত মই শব্দকেইটামান ভৰাইছো **within the provision of the right to fair compensation and transperency in Land aquisition rehablitation and resettlement act 2013.**ইয়াত যেতিয়া **negotiation** হ'ব **definitely 2013-**যিখন **central compensation act-**আছে সেই এক্টখনৰ **provision** ৰ ভিত্তিত হ'ব লাগে । যিহেতু আজিকালি ভাৰতবৰ্ষৰ সকলোতে এইটো **mandatory-**হৈ গৈছে মোটামোটি , ভাৰত বৰ্ষৰ সকলো **compensation** ক্ষেত্ৰত এতিয়া এই **act** খনক মানি ল'ব লাগে। তাৰ পিছত **36 A** ত এটা **insertion** আছে**---subject to the provision of this act or any other laws for the time being inforce after the final master plan shall be notified by the state government in the official gazattes for the purpose of implementing the proposal contain in the plan , the authority shall prepare one or more Land pull in schemes in-** মই**-include-**কৰিছো **incurrence with give provision of right to share compensation and transperency on Land aquisition , rehablitation and resettlement act 2013. -**এইটো ক্ষেত্ৰতো এই এক্টখনৰ ভিতৰতে হ'ব লাগে বুলি কৈছো। তাৰ পিছত আহিল মূল এক্টৰ **amendment- of section 56-**তাত এনেধৰনৰ **master plan** বনাওঁতে যদি চৰকাৰী অফিচাৰে কিবা অনিয়ম কৰে তেতিয়া হ'লে - আগতে আছিল যে চৰকাৰী অফিচাৰ জনক **criminal provision**ৰ **under** লৈ আনিব লাগে। এতিয়া এই আইনখনত সেইটো উঠাই দিছে। কৈছে যে অকল এটা **fine-**হে হ'ব গতিকে **in principal act in section - 61 in the third line for the word punishable with imprisionment with which may extent to six months or with fine which may extend to or with both shall be substituted by the word liable for the fine which may extend to rupees 50 Thousand and departmental proceedings may be drawn against the hearing officer as per provision of government rules and regulations-** এটা নতুন আনিছিলে কিন্তু মই কৈছো যে নহয়- ইয়াৰ যিটো আগৰ **punishment**

**provision --**আছিলে সেইটো ৰাখিব লাগে গতিকে মোৰ যিখিনি সংশোধনী আছিলে **basically-**সংশোধনীখিনি এইখিনিয়ে এতিয়া নগৰ এলেকাবিলাক গাওঁলৈ সম্প্ৰসাৰিত কৰিব খোজা হৈছে আৰু গাওঁক **master plan** ৰ ভিতৰলৈ অন্তৰ্ভুক্ত কৰিব খোজা হৈছে , কিন্তু গাওঁৰ মানুহৰ পৰা অনুমতি লোৱা হোৱা নাই। ইয়াৰ আগতে পঞ্চায়তত ঘৰৰ ওপৰত টেক্স লগাব বিচাৰোতে বহু হুলস্থূল হৈছে আৰু আকৌ এই সংশোধনীৰ জৰিয়তে পুনৰ ঘৰৰ ওপৰত টেক্স লগাব খুজিছে। আমি ইয়াৰ তীব্ৰ বিৰোধিতা কৰিছো ।

**माননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ ----- এতিয়া ৩-৪-৫ নং দফাত সংশোধনী প্ৰস্তাৱ নাই এতিয়া মই ৩-৪-৫ নং দফাটো ভোট দানৰ বাবে সদনত উত্থাপন কৰিলো। যিসকল মাননীয় সদস্য সদস্যা ইয়াৰ সপক্ষে আছে তেখেতসকলে কওক 'হয় '। যিসকল বিপক্ষে আছে তেওঁলোকে কওঁক 'নহয়' মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে,হয়ৰ সপক্ষে ৩-৪-৫ নং দফাটো গৃহীত কৰা হ'ল। এতিয়া ৬ নং দফাত বিধেয়কখনৰ অংশ হ'ব দফাটোত আমিনুল ইছলাম জ্যেষ্ঠ, শ্ৰীসুজামুদ্দিন লস্কৰ, শ্ৰীচামচুল হুদা , আৰু আব্দুল আজিজৰ নামত এটা সংশোধনী প্ৰস্তাৱ আছে আপোনালোকে সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰি বক্তব্য ৰাখিব ।তেখেত সকলৰ আছিল কিন্তু তেখেত সকল অনুপস্থিত। গতিকে অখিল গগৈৰ উত্তৰখিনি দিলে হ'ব।

**শ্ৰীঅশোক সিংহল, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এটা চৰকাৰৰ এমেণ্ডমেন্ট আছিল, এইখিনি মই আগতে কৈ দিছোঁ। অখিল গগৈ ডাঙৰীয়াই এটা এমেণ্ডমেন্ট আনিছে যে Master planৰ এৰিয়াটো এল এ চি ত সীমাবদ্ধ হ'ব লাগে। Master planৰ এৰিয়াটো যদি আমি এল এ চিত সীমাবদ্ধ কৰিব লগীয়া হয় তেতিয়া গুৱাহাটীৰ কাৰণে ৫ খন Master plan বনাব লাগিব। পশ্চিম গুৱাহাটীৰ এটা Master plan হ'ব, পূব গুৱাহাটীৰ এটা Master plan হ'ব, দিছপুৰৰ এটা Master plan হ'ব, জালুকবাৰীৰ কাৰণে এটা Master plan হ'ব আৰু পলাশবাৰীৰ কাৰণে এটা বেলেগ Master plan হ'ব। ৫ টা authorityৰ অধীনত থাকিব, ৫ টা authorityয়ে ইমপ্লিমেন্ট কৰিব, এইটো Master plan নহয় কিবা বেলেগ এটা প্লেন হ'ব আৰু এই Master plan তেতিয়া কোনো দিনে এচিভ কৰিব নোৱাৰিব। আমি আনকি দেখিছো যে Circle Officer যি থাকে, দুটা সমষ্টিত এজন সমানে Circle Officerৰে থাকে। গতিকে Master planটো হ'ল তাৰ সীমাটো Circle Office, পঞ্চায়ত বা এল এ চি ত আবদ্ধ কৰিব নোৱাৰে Master planটো হ'ল এটা নগৰ বা চহৰ অঞ্চলত চাৰিওফালে থকা অঞ্চল বোৰক লৈ এই চহৰত থকা মানুহখিনিয়ে Master plan এখন বনাই আৰু তাকেই আমি এই চহৰৰ Master plan বুলি কওঁ তাত দুটা Assembly থাকিব পাৰে, তিনিটা Assembly থাকিব পাৰে, কিন্তু Assemblyক Master planক আমি সীমাবদ্ধ কৰি দিব নোৱাৰো, Assemblyৰ সীমাটো কোনো ইন্টাৰনেচ'নেল বোৰ্ডাৰ নহয় যে Master planটো Assembly ভিত্তিক বনাব লাগিব। এই কাৰণে এই এমেণ্ডমেন্টটো মানিব নোৱাৰি। তাৰ পিছত এটা প্ৰস্তাৱ আহিছে Section 92 Assam Town and Country Planning Amendment Bill proposal has been made that elected representative of the Constitutional Municipal Corporation and Municipal Board and Panchayat shall be incorporated in the ward for consultation. Master plan যেতিয়া কৰা হয় Master plan কৰাৰ প্ৰক্ৰিয়াটো মই Town and Country Planning Actত যিটো আছে মই পঢ়ি দিছো - 1) Publication of the Master Plan on receiving the plan and

zoning regulation from the Director of the State Government shall have them as soon as may be publish in the manner prescribed giving the vide and sufficient publicity in the locality inviting public opinion and objection if any to be submitted within a period of not more than 2 months from the date of such publications.

2) After considering all objection, suggestion and representation that may have been received and after getting the advice of the Council, the State Government shall have the plan finally prepared by Director and adopt the same.

3) Copy of the Plan and the zoning regulations shall be supplied to public on payment of such fees as may be prescribed.

Master Plan কেনেকৈ বনোৱা হয়, Master Plan বনাবৰ কাৰণে এটা Master Plan বনোৱা হয়, যিমান আছে stakeholder আছে সবৰ লগত আলোচনা কৰা হয়। যি সকলে Master Plan বনাবৰ কাৰণে নতুন এটা গাইড লাইন বিভাগে ইচ্যু কৰিছিল বহুতে দেখিছে, বহুত বিধায়ক সকলে Master Plan বনোৱাৰ লগত জড়িত হৈ আছে আৰু তেখেতে কৈছে Master Plan বনোৱাৰ প্ৰক্ৰিয়াটো খুব ভাল হৈছে। এই Master Plan বনাই দিয়াৰ পিছত কেৱল বিধায়কৰ লগত কিয় কথা পাতিব লাগে, অকল পঞ্চায়তৰ লগত কিয় কথা পাতিব লাগে যিমান stakeholder আছে সকলোৰ লগত কথা পাতিব লাগে। আমাৰ বয়োজ্যেষ্ঠ নাগৰিক আছে, টাউন হল মিটিং হয়, মিটিঙত গোটেই প্ৰস্তাৱটো বুজোৱা হয় যে কোনটো এৰিয়াৰ residential হৈছে, কোনটো commercial হৈছে, কোনটো Recreational হৈছে, কোনটো semi-government, semi-public হৈছে, গোটেই zoning plan টো Describe কৰা হয়। Master Plan ৰ সীমাটো কলৈ আছে সেইটো Describe কৰা হয় আৰু যি সকলে Master Plan এৰিয়াত আহিব খোজে তেখেত সকলকে Master Plan এৰিয়াত অন্তৰ্ভূক্ত কৰা হয়, যি সকলে Master Plan এৰিয়াত আহিব নোখোজে তেখেত সকলক অন্তৰ্ভূক্ত কৰা নহয়। এই কাৰণে Master Plan বনোৱাটো আৰু Master Plan আজিৰ কাৰণে নহয়, বহুতে ভাৱি আছে যে Master Plan আজিৰ কাৰণে আমি বনাইছোঁ। Master Plan prospective হয়, ২০ বছৰ, ২৫ বছৰ, ৩০ বছৰ, কেতিয়াবা কেতিয়াবা ৫০ বছৰৰ কাৰণেও Master Plan বনোৱা হয় আৰু মাজে মাজে তাত Rectification বা amendment কৰি থকা হয় প্ৰয়োজন সাপেক্ষে। So Master plan is a vision document for holistic development of that particular city or town. এই কাৰণে Master plan বনোৱা হয়, অকল বিধায়ক আৰু Municipalityৰ লগত নহয়, যিমান stake holder আছে industry ৰ লগত কথা পতা হয়, যে industrial stateটো ক'ত ৰাখিব, আমাৰ স্কুল খন ক'ত হ'ব পাৰে, কালি চৰকাৰে এখন হাস্পতাল বনাব খুজিছে সেই হাস্পতালখন ক'ত হ'ব তাৰ কাৰণে Master plan ত মাটি demarcate কৰিব লাগিব। কালি যদি Medical college চৰকাৰে বনাব খোজে মাটি বিচাৰি হাহাকাৰ হ'ব নালাগে Master Plan ত থাকিব identify লাগে, district hospital বনাব খুজিছে, block hospital বনাব খুজিছে, নতুন Boarding school বনাব খুজিছে, কলেজ বনাব খুজিছে, স্বচ্ছ ভাৰতৰ Project লগাব খুজিছে, কিবা দুখীয়া মানুহৰ কাৰণে চৰকাৰে

ঘৰ বনাব খুজিছে, প্ৰত্যেক কথা তাত earmarked হ'ব লাগে। আজি নগৰ বোৰত মই দেখো। যেতিয়া নগৰ বোৰত যাওঁ কোনো নগৰত ভাল পাৰ্ক এটা নাই, কোনো নগৰত গলে parkingৰ ব্যৱস্থা নাই, সব ৰাস্তাৰ ওপৰত গাড়ী ঠিয় হৈ থাকে। গতিকে Master Plan ৰ জৰিয়তে, যিটো নষ্ট হৈ গ'লটো হৈ গ'ল, আজিলৈ মন দিয়া নাই ভালকৈ Master Plan কৰা নাই, তাৰ কাৰণে যিমান নষ্ট হ'ব লাগিছিল, যিমান লোকচান হ'ব লাগিছিল হৈ গ'ল, কিন্তু এতিয়া মুখমন্ত্ৰী ডাঙৰীয়াই সিদ্ধান্ত লৈছে যে অসমত প্ৰত্যেকটো নগৰ ১০২ টা আমাৰ ইয়াত urban body আছে প্ৰত্যেকটোত Master Plan হ'ব, development যিটো হ'ব Systematic development হ'ব, planned development হ'ব, আৰু তাৰ জৰিয়তে অহা ১০ বছৰ, ১৫ বছৰৰ ভিতৰত অসমৰ নগৰ উন্নয়নৰ যিটো কাম সেইটো এটা তীব্ৰ গতিত প্ৰাপ্ত কৰিব আৰু অসমৰ নগৰ আৰু চহৰ বোৰ এটা ধুনীয়া পৰিৱেশত আগবাঢ়িব পাৰিব। য'ত development টো restricted নহয়, planned হ'ব। বহুতে ভাৱে Master Plan বনোৱা মানে development টো restricted কৰা, development টো restricted কৰা নহয়, development টো planned কৰা, development টো progressive চিন্তাৰে কৰা। আজি বহুত ঠাইত মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে Auditorium বনাব লাগে, বহুত ঠাইত কৈছে Convention Centre বনাব লাগে, DC officeটো Integrated DC office বনাব লাগে, এই town বোৰত, District Head Quarter বোৰত মাটি বিচাৰি হাহাকাৰ হৈ থাকে, কিন্তু মাটি পোৱা নাযায়। Jail shift কৰিব লাগিব, জেইল বোৰ টাউনৰ ভিতৰত আছে, এই Jail shift কৰাৰ কাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে বাজেটতো চৰকাৰে কৈছে বিত্তমন্ত্ৰীয়ে কৈছে আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ দিনে আমাৰ লগত যেতিয়া মিটিং হয় তেতিয়া তেখেতে কয় যে এই Jail বোৰ নগৰৰ পৰা ওলাই টাউনটো decongest কৰক, আৰু জেইল ৰ যি মাটি খালি পাব তাত আপোনালোকে পাৰ্ক বনাওঁক, তাত আৰু কোনো construction কৰিব নালাগে। ইমান ধুনীয়া প্ৰস্তাৱ তেখেতে লৈছে। কিন্তু এনেকুৱা বিপ্লৱী নেতা এনেকুৱা চিন্তা থকা নেতা আমি সদায় নাপাওঁ। তেখেতে আজি চিন্তা কৰিছে যে নগৰ অঞ্চলত পাৰ্ক নাই, খালী মাটি নাই।

**শ্ৰীঅখিল গগৈ ঃ** লেনিন বুলি কওঁক।

**মাননীয় উপাধ্যক্ষ ঃ** Please.

**শ্ৰীঅশোক সিংহল, মন্ত্ৰী ঃ** আপোনাৰ ভাষাত অকল লেনিনে বিপ্লৱী, আমাৰ ভাষাত বহুত বিপ্লৱী আছে। এই জেইল বোৰক স্থানান্তৰ কৰি তেখেত সকলে আগত হৈ যোৱা ভুলক তেখেতে এতিয়া শুধৰাব খুজিছে যে, আগত যদি Master Plan ভালকৈ হোৱা হ'ল হেতেন, নগৰ অঞ্চলত খালী মাটি থাকিল হয় আৰু তাত আমি পাৰ্ক বনাব, open space বনাব পাৰিলো হয়, আজি মুখ্যমন্ত্ৰী ডাঙৰীয়াই open space নাই বুলি জেইল স্থানান্তৰ কৰি তাত open space create কৰিব ল'গা হৈছে। এই সমস্যাটো অহা দিনবোৰত হ'ব নালাগে সেই কাৰণে ভাল এটা Master Plan বনোৱাৰ ব্যৱস্থা আমি হাতত লৈছোঁ। তাৰ পিছত এটা এমেণ্ডমেন্ট অনা হৈছে উপাধ্যক্ষ মহোদয়, detail Town Planning Scheme is a lay out plan for a particular area comprehensive, detail town planning টো কি, এটা particular urban bodyত, আপোনালোকে বুজি ল'ব বহুতৰে confusion হৈ থাকে, confusion হ'লে আপোনালোকৰ বিভ্ৰান্তিৰ সৃষ্টি হয়, বিভ্ৰান্তিৰ সৃষ্টি হোৱাটো ভাল নহয়। **মা**ননীয় উপাধ্যক্ষ মহোদয়, Town planning Schme টো হ'ল এখন চহৰত নিৰ্দিষ্ট এটুকুৰা মাটিত সেইটো ১০০

বিঘায়ে হওক বা ৩০০ বিঘায়ে হওঁক আৰু গুৱাহাটীত যিটো TP (Town planning) বনাই আছে, সেইটো ৩০০ হেক্টৰৰ কাৰণে বনোৱা হৈছে। মাটিটো সকলো চাৰ্ভে কৰি Town planning Schme টো বনোৱা হয় আৰু এই আঁচনিটো হ'ল Land Pulling Scheme আৰু আঁচনিৰ জৰিয়তে ধুনীয়া এটা ডিজাইন বনোৱা হয়। যি সকলৰ মাটি এই ডিজাইনৰ অন্তৰ্ভুক্ত হৈছে, তেখেত সকলক দেখুওৱা হয়, যদি মাটিৰ গৰাকীয়ে এই আঁচনিত সহযোগীতা কৰিম বুলি আগবাঢ়ি আহে তেতিয়া হ'লে এই আঁচনিটো ফলপ্ৰসূ হ'ব আৰু যদি কিছুমানে অংশ গ্ৰহণ নকৰো বুলি ভাবে তেতিয়া এই আঁচনিটো আগবাঢ়ি নাযায়। সেয়েহে আমি মানুহক এটা প্ৰস্তাৱ আগবঢ়াই আছো যে, এনেকুৱা এটা Town planning Schme হ'লে আপোনালোকৰ অঞ্চলৰ উন্নয়ন হ'ব। কোনোবাই যদি আঁচনিটো কৰিব বিচৰা নাই তেতিয়া হ'লে আমাৰ কোনা আপত্তি নাই। এইটো আচলতে এটা Participatory Development, it is the Land Pulling by all land owners ।আমি অকল felicitated কৰি দিম।আমি ডিজাইন বনাই দিম। যেতিয়া এই ডিজাইটো approved হ'ব তেতিয়া বেলেগ বেলেগ কথাবোৰ আহিব যে, comprehensive plan থাকিব লাগে আৰু এই ক্ষেত্ৰত বিশেষ উন্নয়নৰ কথা আছে। আমাৰ প্ৰথম কাম হ'ল Town planning Schme ৰ ডিজাইটো বনাই মানুহৰ হাতত দি দিয়া তেখেত সকলে যেতিয়া এইটো মানিব তেতিয়া আমি কামটো আগবঢ়াই লৈ যাব পাৰিম। ইয়াত অনা হৈছে LAP ৰ যিটো ধাৰা আছে যে, All the major Schemes, projects and future scheme এইবোৰ আনিব লাগে। হুLAP টো মই আগতেও The Guwahati Construction (Amendment) Act ত ও উল্লেখ কৰিছে। LAP টো কোনো দিনে vargin area ত নহয়। য'ত কোনো নিৰ্মাণ নহয় তাত এই কামটো নহয়। আমি গুৱাহাটীত এই LAP ৰ কামটো হাতত লৈছো আৰু এই কামটো হৈ আছে ভৰলুমুখ, মাছখোৱা, ফাচিবজাৰ, উজানবজাৰ আৰু এটিৰোডত এই বৃহৎ অঞ্চলটোক লৈ এটা LAP বনোৱা হৈছে। এই LAP একেদিনাই আপুনি কাৰ্য্যক্ষম কৰিব নোৱাৰে। এই বস্তুটো পৰ্য্যায়ক্ৰমে কাৰ্য্যক্ষম হয়। ইয়াৰ জৰিয়তে মানুহ ভিৰ নোহোৱা কৰা গাড়ী পাৰ্কিঙৰ ঠাই ওলোৱা আদি ব্যৱস্থাবোৰ হাতত লোৱা হয়। ইয়াত fair ক্ষতিপূৰণ কথাও কোৱা হৈছে, ইয়াৰ বাবে ভাৰত চৰকাৰৰ যি আইন আছে, চৰকাৰে যেতিয়া মাটি অধিগ্ৰহণ কৰিব তেতিয়া তাত যথোপযুক্ত ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা থাকিব। এইটো বস্তুটো কোনো দিনা বেলেগকৈ কোৱা নহয়। কোনো আইনতে আমি চৰকাৰে মাটি অধিগ্ৰহণৰ বাবে ব্যৱস্থা লোৱা নাই। যিখিনি আছে সেইখিনি Participatory Development ৰ অধীনতে হে আছে। এইক্ষেত্ৰত যিটো panel action আছিল সেইটো আমি নোহোৱা কৰিব বিচাৰিছো। আমাৰ প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ আগ্ৰহ আছিল যে, য'ত প্ৰয়োজন নহয় তাত জেলত যাব বুলি কথাবোৰ থাকিব নালাগে। এই ক্ষেত্ৰত অসম চৰকাৰে মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত কেবিনেট মিটিঙত প্ৰায় ১ লাখ সৰু সৰু কেচ উঠাই লোৱাৰ সিদ্ধান্ত লৈছে। কাৰণ ন্যায়ালয়ৰ ওপৰত থকা অত্যধিক বোজা কমোৱাৰ চিন্তা কৰিছে। যিখিনি কেচ বাকী থাকিব তাৰ মিমংসাৰো চিন্তা কৰা হৈছে। গতিকে আমি এই panel action টো উঠাই লোৱাৰ চিন্তা কৰিছো। Housing Urban বিভাগত ৫ খন আইন আমি উঠাই ল'লো। লগতে কেবিনেটে উঠাই ল'লে। panel action য'ত য'ত প্ৰয়োজন নাই, সেইটো উঠাই লোৱাৰ সিদ্ধান্তও এটা হৈছে। জিলাভিত্তিত যিটো কমিটি হ'ব CEO, জিলা পৰিষদক ৰাখিছো, BDO, আঞ্চলিক পঞ্চায়তৰ সভাপতিক ৰাখিছো আৰু গাঁও পঞ্চায়তক ৰাখিছো মই ভাবো গাঁও পঞ্চায়তৰ পৰা যিমান প্ৰতিনিধিত্ব হ'ব লাগে। সেইখিনি হৈছে আৰু তাতকৈ বেছিকৈ

প্ৰতিনিধিত্বৰ প্ৰয়োজন নহ'ব বুলি মই ভাবো। গতিকে এই ক্ষেত্ৰত যিবোৰ সংশোধনী অনা হৈছে সেইবোৰৰ মই প্ৰয়োজন নাই বুলি ভাবো মই ক'ব খুজিছো যে, আৰু সদস্য সকলে জনা উচিত যে, বৰ্তমান অসমৰ মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত ব্যতিক্ৰমি চিন্তাৰে The Political Leadership decision makers and planners need to reach a common concensus that promise to save the environment from the stretch of Urbanization and promise of economic growth in the long run. The Road to reform may be long collabarative, concerned and co-operative efforts are required to strengthen Urban Planning capacity of the Country. The moment to start is now, if the Country has to keep page for the emergind demands of the Country. Thank You.

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। শ্ৰী অখিল গগৈ ডাঙৰীয়াই আপোনাৰ সংশোধনী প্ৰস্তাৱ কেইটা উঠাই ল'ব নে?

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই সংশোধনীটো উঠাই নলও।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া মই ৭ নং দফা বিধেয়কখলৰ অংশ হ'ব। দফটোত এটা চৰকাৰী সংশোধনী প্ৰস্তাৱ আছে। সংশোধনী প্ৰস্তাৱটো মাননীয় মন্ত্ৰী শ্ৰী অশোক সিংহল ডাঙৰীয়াই উত্থাপন কৰিব।

**শ্ৰী অশোক সিংহাল** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, "The Assam Town& Country Planning (Amendment) Bill, 2022".পাৰিত কৰাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ সংশোধনী প্ৰস্তাৱটো চৰকাৰী ভোট দানৰ বাবে উত্থাপন কৰিলো। যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে, তেখেত সকলে কওক হয়, যি সকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে তেওঁলোকে কওঁক নহয়। মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে চৰকাৰী সংশোধনী প্ৰস্তাৱটো গৃহীত হ'ল আৰু ৭ নং দফাটো ভোটদানৰ বাবে উত্থাপন কৰিলো। যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে তেওঁলোকে কওঁক নহয়। মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ৭ নং দফাটো চৰকাৰী সংশোধনী গৃহীত কৰা হ'ল আৰু বিধেয়কখনৰ অংশ হ'ল। এতিয়া ৬,৮,৯, ১১,১৭,১৯, ২০,২১,২২,২৪,২৫,২৬,২৮,২৯ আৰু ৩১ ত কোনো সংশোধনী প্ৰস্তাৱ নাই। এই দফাটোৰ সপক্ষে যি সকল মাননীয় সদস্য/সদস্যা আছে তেখেত সকলে কওঁক হয়, যি সকল মাননীয় সদস্য বিপক্ষে আছে তেওঁলোকে কওক নহয়। মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ৬,৮,৯, ১১,১৭,১৯, ২০,২১,২২,২৪,২৫,২৬,২৮,২৯ আৰু ৩১ গৃহীত হ'ল আৰু বিধেয়কৰ অংশ হ'ল। দফা নম্বৰ ২, ১০,১৮, ২৩, ২৬ আৰু ৩০ সংশোধনী প্ৰস্তাৱ আছিল মই ভোটদানৰ বাবে উত্থাপন কৰিছো। যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে তেখেত সকলে কওক নহয়, মই ভাবো নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে, ২, ১০,১৮, ২৩, ২৬ আৰু ৩০ সংশোধনী প্ৰস্তাৱ নাকচ কৰা হ'ল। ২, ১০,১৮, ২৩, ২৬ আৰু ৩০ সংশোধনী প্ৰস্তাৱ ভোটদানৰ বাবে উত্থাপন কৰিলো। যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে তেখেত সকলে কওক হয়, যি সকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে তেওঁলোকে কওক নহয়। মই ভাবো হয়ৰ সপক্ষে, হয়ৰ

সপক্ষে, হয়ৰ সপক্ষে ২, ১০,১৮, ২৩, ২৬ আৰু ৩০ নং দফা গৃহীত কৰা হ'ল আৰু বিধেয়কখনৰ অংশ হ'ল। দফা নং ১ সক্ষিপ্ত নাম পৰিসৰ আৰু আৰম্ভণি বিধেয়কখনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে তেখেত সকলে কওক হয়, যি সকল মাননীয় সদস্য বিপক্ষে আছে, তেওঁলোকে কওক নহয়। মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে দফা নং ১ সংক্ষিপ্ত নাম পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল। মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী বিধেয়কখন পাৰিত কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী অশোক সিংহাল (মাননীয় মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়,"The Assam Town& Country Planning (Amendment) Bill, 2022" পাৰিত কৰাৰ বাবে মই সদনত উপস্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মই বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়ালো। যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে তেওঁলোকে কওঁক নহয়। মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়কখন পাৰিত কৰা হ'ল। এতিয়া কাৰ্য্যসূচী নং ২১। The Assam Motor Vehicle Taxation(Amendment) Bill, 2022. ৰাজভৱনৰ পৰা এটা বাণী আছে, বাণীটো হ'ল- "Under the provision of Article 207(3) of the Constitution of India , I, Prof. Jagdish Mukhi, Governor of Assam, recommend that the "The Assam Motor Vehicle Taxation(Amendment) Bill, 2022" be taken into consideration by the Assam Legislative Assembly." মাননীয় মন্ত্ৰী পৰিমল শুক্লবৈদ্য ক "The Assam Motor Vehicle Taxation(Amendment) Bill, 2022" বিধেয়কখন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিবলৈ মই অনুৰোধ জনালো।

**শ্ৰী পৰিমল শুক্লবৈদ্য, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়,"The Assam Motor Vehicle Taxation(Amendment) Bill, 2022" দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মই বিধেয়কখন বিবেচনাৰ বাবে লোৱাৰ প্ৰস্তাৱটো ভোটদানৰ বাবে সদনত উত্থাপন কৰিলো। প্ৰস্তাৱটো হ'ল "The Assam Motor Vehicle Taxation(Amendment) Bill, 2022" বিধেয়খন বিবেচনা আৰু পাৰিতকৰণৰ বাবে প্ৰস্তাৱটো বিবেচনাৰ বাবে লোৱা হওঁক। যিসকল মাননীয় সদস্য-সদস্যা সপেক্ষে আছে তেওঁলোকে কওঁক হয়। যিসকল মাননীয় সদস্য-সদস্যা বিপক্ষে আছে তেখেতসকলে কওঁক নহয়। মই ভাবো হয়ৰ সপক্ষে , হয়ৰ সপক্ষে , হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত কৰা হ'ল। এতিয়া আমি বিধায়কখন দফাই দফাই বিবেচনা কৰিম। ২ নং দফা ও অনুসূচীখনত বিধেয়কখনৰ অংশ হ'ব। দফাৰ লগত অনুসূচীখনত দেৱব্ৰত শইকীয়াৰ লগতে তেখেতৰ সংগীবৃন্দ আৰু আমিনুল ইছলাম(জ্যেষ্ঠ) তেখেতৰ সংগীবৃন্দই আৰু কমলাক্ষ্য দেই পুৰকায়স্থৰ নামত এটা আৰু অখিল গগৈৰ ৬ টা মুঠ ১০ টা সংশোধনীৰ প্ৰস্তাৱ আছে। আপোনালোকে সংশোধনী কেইটা উত্থাপন কৰিবনে? আৰু যদি কৰে তাৰ ওপৰত বক্তব্য ৰাখিবলৈ অনুৰোধ জনালো।

**শ্ৰীভৰত চন্দ্ৰ নৰহ, (নাওঁবৈছা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, In sub-clause (ii) of Clause 2 in Clause 1 under Article 1(E) in Column 4 the figure "Rs.

3000/-” occurring in Sl. No. 1 : shall be substituted by the figure of “Rs. 1000/-” Sir, I beg to move sub-clause (ii) of Clause 2 in Clause 1 under Article 1 (E) in Column 4 the figure “Rs. 5000/-” occurring under point A, “Rs. 8000/-”, occurring under point B, “Rs. 10000/-”, occurring under point C, “Rs. 15000/-”, shall be substituted by the figure “Rs. 2500/-”, “Rs. 4000/-”, “Rs. 5000/-”, “Rs. 7500/-” respectively. ছাৰ, চৰকাৰে“The Assam Motor Vehicle Taxation(Amendment) Bill, 2022” এইটোৰ জৰিয়তে registration ৰ ওপৰতো এটা Tax ৰ চিষ্টেম আনিছে, সেইটো আমাৰ সদস্য পুৰকায়স্থই ক'ব। মই মাত্ৰ নতুনকৈ এটা Tax introduce কৰিছে green tax. green tax for Motor Vehicle নতুনকৈ introduce কৰিছে। সেইটোত in principle আমাৰ কোনো objection নাই। কিন্তু এই tax টো প্ৰথমবাৰ introduce হৈছে অসমত নতুনকৈ। ইয়াৰ ৰেট টো বাৰু বহুত বেছি হৈছে, এতিয়া বহুত মানুহৰ যদিও গাড়ী আছে, গাড়ী থকা সকলো মানুহ ধনী মানুহ নহয়। বহুত মানুহে গাড়ী বেংকৰ লোণ লৈ লৈছে। বহুতে EMI মাহে মাহে দি থাকিবলগীয়া হৈছে। সেই কাৰণে সকলো গাড়ী থকা মানুহে ধনী মানুহ নহয়। যিমান tax চৰকাৰে বিচাৰিব সিমান tax যে দিব পাৰিব সেইটো নহয়। সেইকাৰণে tax টো ইয়াত অলপ বেছি হৈছে। যেনে মই আপোনাক কৈছো, two wheeler ত green tax টো ল'ব বিচাৰিছে ৩০০০ টকা । সেইটো খুব বেছি হয়, two wheeler ৰ কাৰণে। মই তাত ৩০০০ টকাৰ পৰিবৰ্তে ১০০০ টকা কৰিব কৈছো। আমি কংগ্ৰেছৰ পৰা সেইটো প্ৰপোজেল দিছো। তাৰ পাছত Vehicle upto 1000 cc engine capacity ৰ ক্ষেত্ৰত আাপোনালোকে ৫০০০ টকা প্ৰপোজ কৰিছে। আমি সেইটোত প্ৰপোজ কৰিছো ২৫০০ টকা কৰিব লাগে। আৰু more than 1000cc upto 1500 cc engine capacity ৰ ক্ষেত্ৰত চৰকাৰে প্ৰপোজ কৰিছে ৮০০০ টকা green tax. আমি কৈছো সেইটোত ৮০০০ টকা বহুত বেছি হৈছে। তাৰ ঠাইত সেইটো ৪০০০ টকা কৰিব লাগে green tax ।তাৰ পিছত more than 1500 cc upto 2000cc engine capacity ৰ কাৰণে চৰকাৰে ১০০০০ প্ৰপোজ কৰিছে । তাতে আমি কৈছো যে সেইটো বহুত বেছি হৈছে, ৫০০০ কৰিব লাগে। above 2000cc engine capacity ৰ যিটো আপোনালোকে ১৫০০০ কৰিছে। সেইটো খুব বেছি হৈছে। আমি সেইটো কৈছো ৭৫০০ কৰিব লাগে। সকলোতে ৫০ শতাংশ কমাই দিব কৈছো। মাত্ৰ two wheeler ত ৩০০০ টকাৰ ঠাইত ১০০০ টকা কৰিব লাগে বুলি কৈছো। green tax ল'ব লাগে, অন্য ৰাজ্যবিলাকটো green tax system টো আছে, introduce কৰিছে। first time introduce কৰিছে যদিও rate টো বহুত বেছি আৰু মাননীয় Transport Minister ক এইটো মই ক'ব বিচাৰিছো, যোৱা কিছু বছৰ ধৰি Assam Government ৰ Transport Department টো মানে আপোনালোকে যিটো মানুহৰ utility, যিটো service হিচাপে আগতে এইটো লোৱা হৈছিল, এতিয়া এইটো আপোনালোকে revinue collection কৰা Department হিচাপে চৰকাৰে লৈছে। সেইটো এটা Transport Department নহয়,যেন Income Tax Department হে । যিকোনো প্ৰকাৰে পইচা লাগে. ড্ৰাইভাৰে জোতা নিপিন্ধিলেও পইচা লব, ড্ৰাইভাৰে হেলমেট নিপিন্ধিলেও পইচা ল'বা। প্ৰতিটো ক্ষেত্ৰত খালী পইচা পইচা। আপুনি খবৰ ল'ব আপোনাৰ DTO, আপোনাৰ MVI, আপোনাৰ

Inspector তেওঁলোকৰ অৱস্থা একেবাৰে বেয়া. চৰকাৰে ৰেট বান্ধি দিছে ইমান টকা লৈ আনা, ইমান টকা দিব লাগিব। যেনেকে পাৰে কৰলৈ গলে গাড়ীৰ মালিকক, গাড়ীৰ ড্ৰাইভাৰক জোৰজোলুম বলপূৰ্বক , তুমি এইটো পইচা দিবই লাগিব। আমাক এইটো পইচা লাগে। তাৰমানে অসম চৰকাৰে যিটো বিত্তবিভাগে প্ৰব্লেম ফেইচ কৰিছে বা যিখিনি shortage হৈছে, সেইটো মিলাব বিচাৰিছে পৰিবহন বিভাগৰ পৰা। আৰু এটা বিভাগ আছে , যিটো তেতিয়া ইয়াত অহা নাই Excise department। দুটা বিভাগক টাৰ্গেট কৰিছে, টানি মেলি শিকলি লগাই তাৰ পৰা পইচা উলিয়াইছে। পইচা লাগে, ৰেভিনিউ লাগে। সেই কাৰণে আমি কৈছো, আপুনি চৰকাৰক এইটো কেবিনেটত বুজাওক যে আপোনালোকে অকল আমাক ৰেভিনিউৰ কাৰণে পৰিবহন বিভাগটো এনেকৈ প্ৰেচাৰ দিব নালাগে, এইটো public utility বিভাগ আছিল, ৰাইজৰ কাৰণে, transportation ৰ কাৰণে, ৰেভিনিউৰ কাৰণে নহয়। এইটো মই মাননীয় মন্ত্ৰী মহোদয়ক, আপোনালোকে আমি যিটো প্ৰপোজেল দিছো বিৰোধী দলে যে এইটো আপোনালোকে মানি লওঁক । কাৰণ প্ৰথমবাৰ introduce কৰিছে, ইমান পইচা ল'ব নালাগে। লাগিলে এবছৰ , দুবছৰ পাছত আৰু ল'ব। এইখিনি ছাৰ মই এমেনমেন্ট আনিছো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া কমলাক্ষ দেই পুৰকায়স্থ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ :** মাননীয় উপাধ্যক্ষ মহোদয়, I beg to move in sub clause (i) of caluse 2 in the schedule of the proposed Bill, under Sl. No. 2 in column 3, the figure "6%" occuring in line 1 shall be substituted by the figure "2%" উপাধ্যক্ষ মহোদয়, OTT, one time tax, rate of OTT for the new vehicle to be registered for first time. এখানে অনেক গুলো স্লেব দেওয়া হয়েছে। ৫ শতাংশ, ৬ শতাংশ, ৭ শতাংশ। আমার **একটা** জাস্টিফিকেশন ছিল মন্ত্ৰী মহোদয়ের কাছে আপ টু ৬ শতাংশ কারণ অল্প আগে মন্ত্ৰী মহোদয়ের কাছে শুনতে পারলাম আমাদের আরবান ডেভেলপ্‌ড আমাদের ইকনোমি ভালো হচ্ছে। জন ধন একাউন্ট অনেকগুলো খোলা হয়েছে। ইদানিং কালে ১৫ লাখ টাকা ঢোকবে। তাই ৬ লাখ অবদি গাড়ি যেগুলো আছে প্রায় সব মানুষই এখন গাড়ি কিনতে পারে সেইমর্মে আমার একটি জাস্টিফিকেশন থাকবে বা অনুৰোধ থাকল যে আপটু ৬ লাখ এটা ৬শতাংশ না করে ২ শতাংশ করতে হয়। Mode of payment of OTT for 15 years অর্থাৎ ওয়ান টাইম টেক্স ১৫ বছরের জন্য ৭৫শতাংশ দিতে হবে। আমরা বলেছিলাম একসঙ্গে সেটা না করে কিস্তি সিস্টেম করলে হয়। অন্যান্য রাজ্যে হয়তো বা এই সিস্টেম আছে একসঙ্গে তো এই ব্যপারে মন্ত্ৰী মহোদয় চিন্তা করে যে একসঙ্গে ১৫ বছ্র দিলে হয়তোবা আমাদের মানুষের উপর অনেক চাপ পরে। তো মানুষকে চাপ নাদিয়ে যদি আমরা যদি কিস্তি সিস্টেম করা যায় তাহলে আমি মনে করি মানুষও উপকৃত হবে আপনারাও টেক্স পাবেন। সরকার তো জনসাধারণের জন্য। জনসাধারণ যেহেতু উদ্দেশ্য তাই জনসাধরণের জন্য এবিষয়ে চিন্তা করা দরকার। আরেকটি স্পেসিয়াল অনুৰোধ যে রোড টেক্সের ক্ষেত্রে টুকটুক বা টমটম সেগুলো সামান্য টেক্স আছে সেগুলো দিতে পারে। কিন্তু ফিটনেসের ক্ষেত্রে পার ডে ১০ টাকা দিতে হয়। সেক্ষেত্রে আমরা সবাই জানি যে শহরাঞ্চলের আজকের দিনে আমাদের ছেলেমেয়েদের চাকুরি নেই সেই টুকটুক চালিয়েই তাদের পরিবার চলে। তাই ফিটনেস টেক্স ১০ টাকা যেটা করেছেন ডেইলি সেটা যদি একটু মায়নাস করা হয় তাহলে আমি মনে করি গরীব যুবকরা অনেক উপকৃত হবে। সেটাই আপনার কাছে আমার অনুরোধ থাকল। ধন্যবাদ।

**माननीय উপাধ্যক্ষ ঃ** আমিনুল ইছলাম ডাঙৰীয়া আপোনালোকৰ সংশোধনী প্ৰস্তাৱৰ ওপৰত বক্তব্য ৰাখক।

**শ্ৰী আমিনুল ইছলাম, বিধায়ক ঃ** Sir, I beg to move in sub-Clause-1 of Clause-2 in the schedule of the proposed Bill in coloum-5 under sl. no. 6 & 7 the figure and words 11 percent of the orginal cost and 13 percent of the original cost respectively shall be substituted by the figure and words 10 percent of the original cost and 12 percent of the origanal cost respectively. উপাধক্ষ্য মহোদয়, ইয়াত যিটো চিডিউল দিয়া আছে সেই চিডিউলত দিয়া আছে যে বাৰ লাখ টকাৰ পৰা পোন্ধৰ লাখ টকাৰ গাড়ী হ'লে ৭. ৫ শতাংশ টেক্স, পোন্ধৰ লাখৰ পৰা ২০ লাখৰ পৰা বিশ লাখলৈকে ন শতাংশ, বিশ লাখৰ পৰা ত্ৰিশ লাখলৈকে বাৰ শতাংশ আৰু ত্ৰিশ লাখৰ ওপৰত হ'লে চৈধ্য শতাংশ অৰিজিনেল কষ্ট টেক্স ইয়াত ধৰা হৈছে । এতিয়া কথা হৈছে ইয়াত দুটা ইনষ্টলমেন্টত দিয়াৰ প্ৰভিজন ৰখা হৈছে যদি ৰেজিচষ্ট্ৰেশ্যন ৭৫ শতাংশ দিলে হ'ব আৰু ২৫ শতাংশ পাঁচ বছৰৰ পিছত দিয়াৰ প্ৰভিজন ৰখা হৈছে । কিন্তু আৰু এটা অপচন দিয়া হৈছে যদিহে তেওঁলোকে দুটা কিস্তিত নিদিয়াকৈ এবাৰতে গোটেই এশ শতাংশ দি দিয়ে তেনেহ'লে যিটো ক্ৰমিক নং-৬ ত বাৰ শতাংশ আছে যে original cost ত বাৰ শতাংশৰ ঠাইত এঘাৰ শতাংশ দিলে হ'ব । তাত এক শতাংশ কমাই দিয়া হৈছে । আৰু যিটো সাত নম্বৰত আছে যে 14 percent of the origanal cost এইটো বস্তু যদি একেলগে নিদি একেলগে দি দিয়ে তেনেহ'লে 14 percent ৰ ঠাইত 13 percent দিলে হ'ব । এতিয়া আমি ভাবিছো যে ইয়াত যদি একেলগতে এমাউণ্টটো তেওঁলোকে দি দিয়ে তেনেহ'লে আৰু যদি কমাই দিওঁ অৰ্থাৎ 12 percent টো 10 percent কৰি দিয়া হয় আৰু 14 percent টো 12 percent কৰি দিয়া হয় তেতিয়াহ'লে তেওঁলোকে একেলগে দিয়াটো ভাল হ'ব । একেলগে দিলে চৰকাৰে একেবাৰে ৰাজহ টো পাই যাব আৰু যদি দুটা কিস্তিত তেওঁলোকে দিব যায় তেওঁলোকে দিব নোখোয়ে বা কিবা এটা নেগ'চিয়েশ্যনত আহিব লগীয়া হয়। সেই কাৰণে আমি ভাবিছো যে এক শতাংশটোৰ ঠাইত দুই শতাংশ লেচ কৰি দিয়া হওঁক । এইটো আমাৰ উদ্দেশ্য ।

**माननीय উপাধ্যক্ষ ঃ** মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়া ।

**শ্ৰী অখিল গগৈ, বিধায়ক ঃ** সন্মানীয় উপাধ্যক্ষ মহোদয়, এইখন এখন গুৰুত্বপূৰ্ণ সংশোধনী । এই কাৰণেই যে চৰকাৰে আমাক সদায় কৈ থাকে যে টকা ধেৰ হৈছে । কিন্তু এই বিধেয়কখনে কৈচে যে পইছা নাই একেলগে গাড়ী এখন কিনিলে একেবাৰে টেক্স লৈ ল'ব লাগিব । ঠিক আছে একেবাৰে যদি টেক্স লৈ লয় তেতিয়াহ'লে পিছৰ চৰকাৰে খনে টেক্স নাপাব । এতিয়াই পইছাটো লৈ এতিয়াই খৰচ কৰিব । এই কথাটোৱে প্ৰমান কৰিছে যে চৰকাৰ কিমান দেউলীয়া। ইতিমধ্যে ভৰত নৰহ ডাঙৰীয়াই কৈছে । আমি দেখিছো যে বাজেট যেতিয়া আনিছিলে তেতিয়া আমাক দেখুওৱা হৈছে যে এই চৰকাৰ খনৰ ১,০৮,৩৪৭.২৭ কোটি টকাৰ ধাৰ আছে আৰু কালি নে পৰহি যেতিয়া শ্ৰী ৰফিকুল ইছলাম ডাঙৰীয়াৰ এটা প্ৰশ্নৰ উত্তৰত আমাৰ বিত্তমন্ত্ৰী মহোদয়াই কৈছে যে ২০২১-২২ বৰ্ষত চৰকাৰখনে ১৭,১৩৫.৯১ কোটি এবছৰতে ইমান টকা ধাৰ লৈছে । চৰকাৰখন যে সাংঘাটিক দেউলীয়া, অৰ্থনৈতিক ভাবে ধ্বংস হৈ গৈছে ৰাজ্যখন, সেই কাৰণে তেওঁলোকে এতিয়া ভৰত নৰহ ডাঙৰীয়াই কোৱাৰ দৰে কেইটামান বিভাগক তেওঁলোকে সাংঘাটিক ধৰণে ব্যৱহাৰ কৰিছে । সেই বিভাগ কেইটা হ'ল এ.পি.ডি.চি.এল., পৰিবহন আৰু....

**माननीय উপাধ্যক্ষ ঃ** আপুনি সংশোধনী কোনটো বিচাৰিছে সেইটো কৈ দিয়ক।

**শ্ৰী অখিল গগৈ, বিধায়ক ঃ** আপুনি চাব এ.পি. ডি. চি. এল.ৰ ক্ষেত্ৰত ২০১৫-১৬ বৰ্ষত আমাৰ ৰাজহ সংগ্ৰহ কৰিছিলে ৩৪৬৫ কোটি টকা । এতিয়া ২০২১-২২ বৰ্ষত ৬৮৪৭ কোটি টকা, দুগুনতকৈ বেছি টকা।

**माननीय উপাধ্যক্ষ ঃ** আপুনি সংশোধনীটো কওঁক।

**শ্ৰী অখিল গগৈ, বিধায়ক ঃ** যিখিনি প্ৰয়োজনীয় কথা আছে সেই কথাখিনি সংশোধনীটোৰ কাৰণে ক'ব লাগিব অধ্যক্ষ মহোদয়। পৰিবহন বিভাগৰ ক্ষেত্ৰত ২০১৫-১৬ বৰ্ষত ৰাজহ সংগ্ৰহ কৰিছিলে ৪৫৩ কোটি টকা । তাৰ পিছত চাব যে ২০২১-২২ বৰ্ষত ১০২২.৬৫ কোটি টকাৰ ৰাজহ আহৰণ কৰিছে। তাৰমানে অলপ আগতে ভৰত নৰহ ডাঙৰীয়াই যিটো কথা কৈ গৈছিলে যে পৰিবহণ বিভাগটোৱে এনেকুৱা ধৰণে ব্যৱহাৰ কৰিছে নহয় কোনোবাই এখন বেটাৰী ৰিক্সা চলাইছে তেওঁলোকৰ ওপৰত বাৰ হাজাৰ, পোন্ধৰ হাজাৰ টকা ফাইন, এখন অ'টো চলাইছে তাতো ফাইন, কোনোবাই মটৰ চাইকেল এখন চলাই গৈছে, চেণ্ডেল পিন্ধিছে বুলিও ফাইন, আপেনাৰ হেলমেট আছে নে নাই তাতো ফাইন । সকলোতে এনেকুৱা ধৰণে আক্ৰমন কৰিছে তাৰ ফলস্বৰূপে আমাৰ দুখীয়া মানুহখিনিয়ে....

**माननीय উপাধ্যক্ষ ঃ** আপুনি মুখ্য কথাখিনি কৈ শেষ কৰক । এটা ভুল বাৰ্তা সদনৰ পৰা যাব নালাগে। হেলমেট নিপিন্ধাকৈ গাড়ী চলালে ফাইন ল'বই।

**শ্ৰী অখিল গগৈ, বিধায়ক ঃ** আপুনি উপাধ্যক্ষ, ৰুলিং পাৰ্টিৰ নিচিনাকে ক'লে আমি ওলোটাকে ক'ব লাগিব ।

**माननीय উপাধ্যক্ষ ঃ** এইটো ৰুলিং পাৰ্টিৰ কথা নহয় সদনৰ পৰা বেয়া বাৰ্তা যাব নালাগে । বাকীখিনিত আপুনি কৈছে মই একো কোৱা নাই। কিন্তু এই মেচেজটো সদনৰ পৰা যাব নালাগে।

**শ্ৰী অখিল গগৈ, বিধায়ক ঃ** মই আৰু বিতৰ্ক কৰি দীঘলীয়া কৰিব খোজা নাই।

**শ্ৰী মানৱ ডেকা, বিধয়াক ঃ** প্ৰচিডিং ৰ পৰা এইটো উঠাই দিব লাগে নহ'লে বেয়া মেচেজ যাব ।

**শ্ৰী অখিল গগৈ, বিধায়ক ঃ** হে কি বেয়া মেচেজ যোৱা কথা কৈছে আপুনালোকে।

**माननीय উপাধ্যক্ষ ঃ** অখিল গগৈ ডাঙৰীয়া এড্ৰেছ টু চেয়াৰ ।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** ................................ সকলোতে কেনেকুৱা ধৰণে মানুহৰ ওপৰত টেক্সেশ্যনৰ নামত আক্ৰমণ কৰিছে। এইটো টেক্স টেৰৰিজিম হৈ গৈছে। এইটো কথা কৈছো। ৰেভিনিউৰ নামত যিধৰণে মানুহৰ ওপৰত দকা-হকা দিবলৈ লৈছে বিভাগবোৰে, এইটোৱে সাংঘাটিক ধৰণে মানুহবিলাকৰ অৱস্থা বেয়া কৰি দিছে। এক্সাইজ বিভাগৰ ৰেভিনিউ যদি চাই ২০১৫ -১৬ বৰ্ষত ৭৯৯ কোটি টকা ৰেভিনিউ কালেকশ্যন কৰিছিল। সেইটো গৈ ২০২১-২২ বৰ্ষত ১৯ শ ৩০ কোটি টকা হৈছে। তিনিগুণ ৰেভিনিউ কালেকশ্যন কৰিছে এই গোটেইবিলাকৰ জৰিয়তে। তাৰ বিপৰীতে যিটো বিভাগৰ ৰেভিনিউ বাঢ়িব লাগিছিল তাত বঢ়া নাই। ফৰেষ্ট বিভাগত কিন্তু সিমান পৰিমাণে ৰেভিনিউ বঢ়া নাই। ফৰেষ্ট বিভাগত কিন্তু মানুহৰ পৰা তোলা যিখিনি ৰেভিনিউ তাত সাংঘাটিক ৰেভিনিউ বাঢ়িছে। কিন্তু বালিকে ধৰি যিবিলাক সম্পদ আমাৰ আছে সেই সম্পদ বিলাকৰ পৰা যিখিনি ৰেভিনিউ তুলিব লাগে সেইবিলাক তোলাৰ ক্ষেত্ৰত ব্যৰ্থ হৈছে। ২০১৬-১৭ বৰ্ষত ২৩৭ কোটি টকা ফৰেষ্ট বিভাগে ৰেভিনিউ তুলিছিল আৰু সেইটো গৈ ২০২১-২২ বৰ্ষত মাত্ৰ ৩১৯ কোটি টকাহে হৈছে। অৰ্থাৎ এইক্ষেত্ৰত কিন্তু ৰেভিনিউ বৃদ্ধি হোৱা নাই। এই গোটেই ঘটনাটোৱে প্ৰমাণ কৰিছে যে চৰকাৰৰ অৰ্থনৈতিক অৱস্থা বেয়া হৈছে আৰু চৰকাৰৰ

অৰ্থনৈতিক অৱস্থা বেয়া হোৱাৰ কাৰণে এনেকৈ মানুহৰ ওপৰত আক্ৰমণ নমাই আনিছে। এতিয়া এই যে one time taxation ৰ যিটো ব্যৱস্থা কৰিছে, one time tax যদি লয় এখন গাড়ী ৰেজিষ্টাৰ কৰিলে লগে লগে গোটেই পোন্ধৰ বছৰৰ কাৰণে টেক্সটো লৈ ল'লে তেতিয়া পিছৰ চৰকাৰখনে পইচা নাপালে। আজি এই চৰকাৰখনৰ নামত পইচা তুলিবলৈ যাওঁতে পিছৰ চৰকাৰখনৰ কি হ'ব? এইটো এটা একেবাৰে সুষম ব্যৱস্থা নহয়। গতিকে যিটো one time tax ৰ কথা কৈছে, এইটো আমি উঠাই ল'বলৈ কৈছো। আটাইতকৈ ডাঙৰ কথা যে one time tax টো কৰিবলৈ যাওঁতে ১ শতাংশ কমিশ্যন পৰ্য্যন্ত দিবলৈ চৰকাৰ বাধ্য হৈছে। কাৰণ চৰকাৰক টকা লাগে। চৰকাৰ দেউলীয়া। আমি যিটো এমেণ্ডমেণ্ড আনিছো তাত কৈছো যে one time tax ৰ চীষ্টেমটো থাকিব নালাগে। পূৰ্বতে যিটো টেক্সেশ্যনৰ ব্যৱস্থা আছে সেইটো থাকিব লাগে। নহ'লে তাৰ পৰৱৰ্ত্তী চৰকাৰখনৰ কাৰণে ৰেভিনিউৰ বহুত প্ৰব্লেম হ'ব। দ্বিতীয় এমেণ্ডমেণ্ডটো হ'ল .........................................................

..........................সদনত হুলস্থুল .........................

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ)ঃ** ............................... এইটো মোৰ দোষ নহয়, এইটো চৰকাৰৰ দোষ। একেদিনাই ১২ খন বিল আনিছে। এতিয়া মোৰ শেষৰ যিটো সংশোধনী, গ্ৰীণ টেক্সৰ নামত এখন মটৰ চাইকেলৰ নামত ৩০০০ টকাৰ টেক্স লগোৱা হৈছে। আমি কৈছো যে ৩০০০ নহয় গ্ৰীণ টেক্সৰ নামত ১০০০ টকা টেক্স লগাওঁক। তাৰপিছত vehicle upto 1000 cc engine capacity তাত গ্ৰীণ টেক্সৰ নামত ৫০০০ টকাৰ টেক্স লগাবলৈ লৈছে। তাত আমি বিচাৰিছো ৩০০০ টকাৰ টেক্স লগাব লাগে। More than 1000 CC upto 1500 CC ইঞ্জিনৰ কেপাচিটিত ৮০০০ টকাৰ টেক্স লগাব বিচাৰিছে, সেইটোত আমি বিচাৰিছো ৫০০০ টকালৈ কমাব লাগে। More than upto 2000 CC ইঞ্জিনৰ কেপাচিটিত ১০,০০০ টকাৰ টেক্স লগাইছে, সেইটো কমাই গ্ৰীণ টেক্স লওঁক অৰ্থাৎ ৭০০০ টকাৰ টেক্স লোৱা হওঁক। আমি কৈছো যে above 3000 CC ইঞ্জিনৰ গাড়ীত গ্ৰীণ টেক্স ১৫ বছৰতকৈ বেছি হ'লে ১৫,০০০ টকাৰ টেক্স লগাইছে সেইটো আমি ১০,০০০ টকালৈ কমোৱাৰ কাৰণে কৈছো। গতিকে এই সংশোধনী কেইটা উত্থাপন কৰিছো আৰু এই সংশোধনী কেইটাৰ জৰিয়তে এই কথাটো ক'ব বিচাৰিছো যে চৰকাৰ এতিয়া দেউলীয়া আৰু দেউলীয়া কাৰণে এনেধৰণৰ টেক্সবোৰ লগাইছে।

**মাননীয় উপধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যিসকল বিধায়ক বন্ধুৱে এই সংশোধনী টোৰ ওপৰত মন্তব্য দাঙি ধৰিছে, ইয়াৰ বাবে মই প্ৰথমে আমাৰ মাননীয় বিধায়ক শ্ৰী ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াৰ সৈতে যিগৰাকীৰ বহু দীৰ্ঘ দিন ধৰি আমি একেলগে কাম কৰিছো। কথাটো হ'ল আমাৰ মাননীয় বিধায়ক শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়া বা মাননীয় বিধায়ক শ্ৰী অখিল গগৈ ডাঙৰীয়ায়ো এইক্ষেত্ৰত নিজৰ নিজৰ বক্তব্য দাঙি ধৰিছে। আমি অসমৰ কোনো ঠাইত গাড়ীৰ টেক্সৰ নামত এটকাও বঢ়োৱা নাই। আমাৰ one time tax আজিৰ নহয়, মোৰ মনত আছে one time tax যেতিয়া অপ'জিশ্যনত থাকো তেতিয়া ইয়াৰ পৰা one time tax কাৰ্য্যকৰী হৈছিল। এই one time tax আমি নতুনকৈ প্ৰচলন কৰা নাই। ইয়াত এটা স্লেপ আছে 50-50 দিয়াৰ এটা ব্যৱস্থা আছে। পাঁচ বছৰত প্ৰথমটো কিস্তি দিয়া হয় আৰু দ্বিতীয়টো কিস্তি তাৰ পাঁচ বছৰৰ পিছত দিয়া হয়। এতিয়া সমস্যাটো হৈছে যে শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই কৈছে বা আমাৰ বাকী বন্ধু সকলে কৈছে যে আমি ফাইন ধাৰ্য্য কৰিছো। যেতিয়া কোনোবাই ব্যক্তিগত

ভাৱে বাহন ক্ৰয় কৰে তেওঁ বিধায়ক হ'ব পাৰে বা সাংসদো হ'ব পাৰে বা ডাক্তৰ, ইঞ্জিনিয়াৰো হ'ব পাৰে। তেওঁলোকে পাঁচ বছৰৰ টেক্সটো ৫০ শতাংশ দি দিয়ে। দিয়াৰ পিছত বাকীখিনি যেনে পলিউশ্যন, ড্ৰাইভিং লাইসেন্স ইত্যাদি ঠিকে ৰাখে। কিন্তু আৰ.চি বুকখন খুলি নাচায়। ফলত আমাৰ গাড়ীৰ টেক্সৰ তাৰিখটো কেতিয়াবাই পাৰ হৈ যায়। পাঁচ বছৰৰ পিছত হয়তো কোনোবাই এজন ইন্সপেক্টৰৰ চেকিঙৰ কাৰণে গম পালে যে আপোনাৰ ফাইন লাগিল। সেইকাৰণে আমি ইয়াত কৈছো যে 75% tax টো পাঁচ বছৰত দি দিয়ক। আগতে এইটো 50% tax দিছিল আৰু এতিয়া 75% tax আপোনালোকে পাঁচ বছৰৰ কাৰণে দিয়ক আৰু পৰৱৰ্ত্তী পাঁচ বছৰত বাকী থকা 25% tax দিলে আপোনাৰ টেক্সৰ বোজা কমি যাব। ফলত এই penalty impose টো যাতে নাহে। এইক্ষেত্ৰত আপোনালোকে চৰকাৰক দেউলীয়া বুলি কৈ আছে। আমাৰ চৰকাৰ দেউলীয়া হ'লে আমি টেক্সটো কমাওঁ নেকি? আমি কৈছো যে যদি আপোনালোকে 75% tax টো দি দিয়ে তেতিয়াহ'লে আমি আৰু 1% tax কমাই দিম। ২০ লাখ টকাৰ গাড়ী এখনত যদি ১৫ শতাংশ tax লাগিলে ৩ লাখ টকা হ'ব। ইয়াৰ ১০ শতাংশ যদি কম হয়, ৩০ হাজাৰ হব। ৩০ হাজাৰ টকা এনেকৈ ৰাইজে পাই নেকি? আমি কৈছো যে safe side ৰ কাৰণে যাতে যিকোনো মানুহে তেওঁৰ tax টো due time ত দিব পাৰে। আমিতো ৰাইজৰ ভালৰ কাৰণে কৰিলো। এই tax rate টো এটাকাও আমি বঢ়োৱা নাই। এইটো কেন্দ্ৰীয় চৰকাৰে Motor Vehicle Act অনুযায়ী tax টো লোৱা যায়। আমি খালী installment দিয়াৰ, আপুনি নিদিলেও একো কথা নাই, কিন্তু দিলে আপোনাৰ 1% reduce হ'ব। এই ক্ষেত্ৰত আমাৰ টকা আছে, সেই কাৰণে আপোনাক দি আছো। আপোনাৰ সুবিধাৰ কাৰণে দি আছে, ৰাইজৰ ভালৰ কাৰণে দি আছো। ইয়াতে আৰু বেলেগ কোনো কথা নাই। আমি স্পষ্টভাৱে লিখি দিছো যে Clause 7 ত 75% of Motor vehicles tax OTT will have to be paid at the time of first registration of vehicles, আগতে আপুনি 50% দিছিলে, এতিয়া আপুনি 75 % দিব, দিলে কি হ'ব, যিহেতু আপুনি 25% বেছি দিছে, হয়তো পাচঁ বছৰ পিছত আৰু দিব লাগিছিল আপুনি 1% আৰু কম পাব। 1% কম দি পাঁচ বছৰৰ ভিতৰত আপুনি বাকী tax টো দিলে হৈ যায়। আমি নতুনকৈ কৰা নাই, one time taxation বহু দিনৰ পৰা চলি আছে। এই tax টো অসম চৰকাৰৰ নহয়। আপোনালোকে কৈছে অসম চৰকাৰ দেওলীয়া হৈ গৈছে। এইটো আমাৰ কেন্দ্ৰীয় চৰকাৰৰ Rule ৰ মতে চলি আছে। অসমে বেলেগকৈ ১ টকাও বঢ়োৱা নাই। এই ক্ষেত্ৰত মই কব পাৰো যে আপোনালোকে ভাবিছে যে আমি যে একেলগে লব বিচাৰিছো কিবা কিবি, এনেকুৱা নহয়। আমি কেৱল ৰাইজৰ সুবিধাৰ্থে, ৰাইজৰ যাতে টকাতোও কম লাগে। মানে 25 % বেছি দিলে আপোনাৰ burden টো কমি যাব, সেইটোৱে কথা। গতিকে মই ভাৱো এই ক্ষেত্ৰত আপোনালোকে আপোনালোকৰ সংশোধনীখিনি উঠাই লয়।

আৰু এটা কথা হ'ল যে green tax ৰ কথাটো আপোনালোকে আনিছে। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, আমি green tax টো প্ৰতিটো গাড়ীত লগোৱাতো বিচৰা নাই। এই কথাটো প্ৰথম clear হ'ব লাগে। Green tax টো আজি গাড়ী কিনিলে, আজি দিব নালাগে। ১৫ বছৰ পিছতহে green tax টো দিয়াৰ সিদ্ধান্ত লোৱা হৈছে। ১৫ বছৰ পিছত কিয়, এখন গাড়ী ভালকৈ চালে license ১৫ বছৰ। তাৰ ভিতৰত অলপ মেৰামতি কৰি চলাব পাৰো। But after 15 years কি হয়, গাড়ী বিলাকৰ pollution মাত্ৰ বহুত বাঢ়ি যায়। যিটো green tax ক কথাটো আমি কৈছো, এইটো পাচঁ বছৰৰ কাৰণে, এক বছৰৰ কাৰণে নহয়। আৰু green tax অনাৰ

কাৰণটো এইটো নহয় যে অসম দেওলীয়া হৈ গ'ল আৰু green tax দি পইচা আনিব। green tax টো আমাৰ কেন্দ্ৰীয় চৰকাৰৰ যিটো guideline তাৰ মতে। আৰু আমি লগোৱা নহয়, আমি ৬, ৭ নম্বৰত আছো। অন্ধ্ৰপ্ৰদেশে লগাইছে, মহাৰাষ্ট্ৰ, তেলেংগনা, উত্তৰ প্ৰদেশ, ঝাৰখণ্ড ইত্যাদি ৰাজ্যই লগাইছে। কিয় green tax লগালে। ১৫ বছৰ পিছত গাড়ীবিলাকৰ validity কমি আহে। মাননীয় উপাধ্যক্ষ মহোদয়, আপুনি নিজে physician আপুনি ভালকৈ জানে যে Air Pollution ৰ কাৰণে infant mortality rate high হৈ যায়। গোটেই পৃথিৱীত Air Pollution ৰ কাৰণে 7 million pre-mature death হৈছে। আৰু এই Air Pollution টো বেছিভাগ ক্ষেত্ৰতে গাড়ী বিলাকৰ কাৰণে হয়। খালী infant তে effected তেনেকুৱা নহয়। এজন adult মানুহকো effect কৰে। যেনে - Diabetis, Neuro problem, lungs ত effect হয়, asthama হৈ যায়. এই ক্ষেত্ৰত যদি আমি স্বাস্থ্য যদি চাওঁ, কেন্দ্ৰীয় চৰকাৰে এনেকুৱা টকা লোৱাৰ কাৰণে কৈ দিয়া নাই বা তেওঁলোকে আইন বনোৱা নাই। ১৫ বছৰ পিছত যেতিয়া গাড়ী বিলাক চলিব pollution ৰ মাত্ৰ খুৱ বেছি বঢ়িয়েই থাকিব। আমাৰ নৰ্থইষ্টত ভাৰতৰ ১৩ শতাংশৰ ভিতৰত ১৫ বছৰ হোৱা ১০ লাখ গাড়ী আছে। ৫ বছৰৰ ভিতৰত আৰু ৮ লাখ গাড়ী ১৫ বছৰ পাৰ কৰিব। তাৰ মানে ১৮ লাখ গাড়ী হব। যদি আমি এইটো control কৰিব নোৱাৰে আপোনালোকে কব কেনেকৈ control কৰিব। আমি কব পাৰো যে India ৰ ভিতৰত অসম চৰকাৰে scrappage policy টো আনিছে। আমি কাকো জোৰ কৰা নাই, কিন্তু আমি কৈছো যে আপুনি গাড়ী scrappage ত লৈ গলে, আমি এটা incentive দিম যে যদি আপুনি e-car ক্ৰয় কৰে। তেতিয়া হলে ৫ বছৰৰ কাৰণে tax free কৰিছো। অকল ৫ বছৰে নহয়, e-vehicle কিনিলে in and around 25% আপোনাক subsidy দিম। two wheeler ৰ কাৰনে ২০ হাজাৰ, three wheeler ৰ কাৰণে ৫০ হাজাৰ, ঠিক তেনেকৈ four wheeler ৰ কাৰণে ডেৰ লাখ টকা subsidy দিম। এই subsidy দিয়াৰ কাৰণ হ'ল যে এজন মানুহৰ গাড়ী ১৫ বছৰ হ'ল, তেওঁ scrappage ৰ কাৰণে গাড়ী দি দিলে, চৰকাৰে তেওঁক এটা certificate দিব। তেওঁ যদি সেই certificate টো আৰু e-vehicle কিনে, তেওঁক আমি এই subsidy দি আছো। তাৰ মুল কাৰণটো হ'ল যে আমাৰ air pollution যাতে কমে। মানুহ বিলাক যাতে সুবিধা পাই e-vehicle কিনে, যাতে air pollution কমে। এইটো আমি ৰাইজৰ কাৰণে চিন্তা কৰিছো আৰু pollution ৰ পৰা ৰক্ষা কৰিবৰ কাৰণে বিল আনিছো। সেই কাৰণে এই কথা বিলাক যদি অলপ গভীৰত গৈ চিন্তা কৰে। এই যে টকাটো আহিব, এই টকাটোৰ পৰাই চাবচিদি যাব। চাবচিদি আমি ঘৰৰ পৰা নিদিও। আজি four wheeler গাড়ী যদি e-vehicle ত কিনে, তেনেহ'লে দেৰ লাখ টকা আপুনি পাব, ৬ লাখ টকাৰ গাড়ী কিনিলে দেৰ লাখ টকাত যদি চাবচিদি হয় সুবিধা হ'ব। এই কথাবিলাক আপোনালোকে যদি অলপ গভীৰত গৈ চিন্তা কৰে। শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই এটা কথা কৈছে যে, e-rickshaw ৰ ক্ষেত্ৰত আপোনালোকে দেখিছে বহু ঠাইত মানুহে পেনালিটি দিব লগা হৈছে। Driving license নাই, pollution certificate লোৱা নাই ইত্যাদি। এটা কথা কৈছো আপোনালোকক, দেখা যায় যে আমি বহুত পেনালিটি লৈছো। আমি পেনালিটিটো কিয় লৈছো, তেওঁ motor vehicle Act টো মানা নাই সেই কাৰণে পেনালিটি লোৱা হৈছে। সকলোতে green tax আছে।পৃথিৱীৰ সকলো ঠাইতে হৈ গৈছে। আমেৰিকাত কৰিছে, চাইনাত কৰিছে আৰু বিভিন্ন ঠাইত কৰিছে। আপোনালোকে দেখিছে ৫০ টকা ফাইন, তেওঁ tax টো আগতে দিয়া নাই। তথাপিতো মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত আমি

কেবিনেট পাছ কৰি কিছুমান relexation আনিছো, আপুনিও জানে মাজে মাজে পত্ৰ-পত্ৰিকাত আহি থাকে। ৫০ টকাৰ পৰা আমি ১০ টকাত পেনালিটিত আহিছো। কিন্তু সেইটো আমাৰ tax নহয়, Rules হিচাপে তেওঁ দিব লাগে। এতিয়া কথাটো হৈছে আপোনালোকে হেলমেটৰ কথা কৈছে, কেতিয়াবা ক'ব পাৰে driving license নাই পেনালিটি ল'ব নালাগে, এনেকুৱাটো নহ'ব। আপোনালোকে জানে, কিমান accident ত মানুহৰ প্ৰাণ গৈ আছে। আমাৰ নিয়ন্ত্ৰিত উপায়ে আমি যদি গাড়ী চলাব নোৱাৰো তেতিয়াহ'লে মানুহৰ মৃত্যু হয়। নিয়ন্ত্ৰণ আনিব লাগিব। নিয়ন্ত্ৰণ আমি নতুনকৈ ইয়াত অনা নাই। এই বিধান সভা বা parliament মিলি Motor Vehicle Act আনিলে। যিসকলে মানা নাই তেওঁৰ ওপৰত ব্যৱস্থা ল'ব লাগিব। গণতান্ত্ৰিক দেশ এখনত আইন থাকিব লাগিব। কেনো মানুহে কাৰোবাক মাৰিলে শাস্তি থাকিব। কোনো মানুহে যদি দেশৰ constitution নামানে শাস্তি থাকিব লাগিব। আমি কোনো extra কিবা এটা impose কৰি দিয়া নাই। এতিয়া যদি আপোনালোকে কয়, constitution য়ে কৈছে যে, অসম চৰকাৰ ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অহাৰ পিছতে গোটেইখিনি আইন নালাগে, তেনেহ'লে বেলেগ কথা। কোনোবাই যদি হেলমেট নিপিন্ধে, আইন মানা নাই সেই কাৰণে আমি ফাইন কৰি আছো। আজিকালি আপোনালোকে যদি statistics survey কৰি দেখে যিমান দূৰ্ঘটনা হৈছে, এটা দূৰ্ঘটনা হোৱা মানে কি পৰিয়ালটো শেষ। তেওঁৰটো জীৱন শেষ। সমাজৰ মানুহ শেষ। সমাজৰ প্ৰতিটো ক্ষেত্ৰত মানুহে অসুবিধা পায়। সেই কাৰণে Motor Vehicle Act খন মানিব লাগিব আৰু সেইটো নিয়ন্ত্ৰণত আনিব লাগিব। সেইটো ৰাইজৰ কাৰণে ভাল। আপোনালোকৰ যিটো ধাৰণা আছে আমি extra কিবা কৰিছো, extra আমি একো কৰা নাই। আমি ৰাইজৰ ভালৰ কাৰণে কৰিছো। শ্ৰীভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াই excise ৰ কথা কৈছে, আমি excise ত ইমান বঢ়োৱা নাই। যোৱা ৫ বছৰত মই excise department ত আছিলো, সুৰুঙাখিনি মাৰিছে। আগতে যিটো অপচয় হৈছিল, আমি revenue collect কৰিছো for the people. মই এইখিনি কথা কৈ বিৰোধী পক্ষৰ যিসকল বন্ধুয়ে amendment আনিছে, তেওঁলোকক অনুৰোধ কৰিম যে ৰাইজৰ হকে এই বিলখন অনা হৈছে। আপোনালোকে amendment খিনি withdraw কৰিলে আমাৰ বিলখন পাছ হ'ব পাৰে। আপোনালোকক অনুৰোধ জনাই মোৰ বক্তব্য সামৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰীভৰত চন্দ্ৰ নৰহ, শ্ৰীকমলাক্ষ্য দে পুৰকায়স্থ, শ্ৰীআমিনুল ইছলাম, শ্ৰীঅখিল গগৈ ডাঙৰীয়া, আপোনালোকৰ amendment ৰ যি প্ৰস্তাৱ আনিছে, সেইটো withdraw কৰিব নে?

**শ্ৰীভৰত চন্দ্ৰ নৰহ, (নাওবৈচা) ঃ** চাৰ, মাননীয় মন্ত্ৰী ডাঙৰীয়াক ক'ব বিচাৰিছো যে, Green Tax টো আমি oppose কৰা নাই, সেইটো আমি আৰম্ভণিতে কৈছো। নীতিগত ভাৱে green tax চৰকাৰে ল'ব লাগে, মানিছো। কিন্তু green tax ৰ কাৰণে যিটো rate বান্ধি দিয়া হৈছে, সেইটো

বেছি হৈছে , কমাব লাগে। চৰকাৰে যদি সেইটো নকমায়, তেতিয়াহ'লে আমি amendment টো withdraw কৰিব নোৱাৰো। দ্বিতীয়তে, হেলমেট পিন্ধিলে পেনালিটি ল'ব লাগে বা motor vehicle Act নামানিলে পেনালিটি লগোৱাত আমি oppose কৰা নাই। কিন্তু যিটো rate বান্ধি দিয়া হৈছে যে হেলমেট নিপিন্ধিলে কিমান টকা ল'ব লাগে, ড্ৰাইভাৰে জোতা নিপিন্ধিলে কিমান টকা ল'ব লাগে, সেই rate টোৰ ওপৰতে আমাৰ দ্বিমত আছে। আমি যিটো green tax

ৰ proposal দিছিলো যে কমাব লাগে, মন্ত্ৰী ডাঙৰীয়াই সেই বিষয়ে একো নক'লে। সেইটো যদি নকমায়, আমি withdraw কৰিব নোৱাৰিম।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনালোকে আপীল কৰক ৰাইজক সদনৰ মজিয়াৰ পৰা। যাতে সকলোৱে হেলমেট পৰিধান কৰে। তেতিয়াহ'লে tax ৰ কথা নাহে।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰটো দিছে। আমাৰ একেই কথা যে tax টো অলপ কমাই দিলে ভাল হয়। তথাপিতো মন্ত্ৰী মহোদয়ৰ উত্তৰটো বেয়া লগা নাই। Justification টো ঠিকেই আছে। আগতে ১২ খন বিলৰ ক্ষেত্ৰত আমি যিখিনি উত্তৰ শুনিলো সেইখিনি ইমান justified নহয়। তথাপিও tax কমাই দিলে ভাল হয়। দ্বিতীয় কথাটো হৈছে আমাৰ এটাই point, আপুনি কৈছে যে e-vehicle ৰ কথা। E-vehicle যদি four wheeler লয়, তেতিয়াহ'লে tax ৰ বহুত relexation আছে। সেইবাবে মন্ত্ৰী মহোদয়ক আকৌ অনুৰোধ কৰিব বিচাৰিছো যে এই টুক-টুকৰ ক্ষেত্ৰত ১০ টকা fixation ৰ কাৰণে tax টো লগোৱা হৈছে। এই ১০ টকাটো যে লগোৱা হৈছে ইমান যদি আপোনালোকে financially strong, ইমান যদি অসমখন বিকশিত হৈছে, এই যে টুক টুক কেইখন, যিকেইজনে সদায় চলাই তেওঁলোকে তাৰে পৰাই ইনকামখিনি কৰিব পাৰে। চাকৰি নাই, মানে ভয়ঙ্কৰ অৱস্থা। মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যদি ৫০ টকাৰ পৰা ৪০ টকা মাফ কৰিছে, তেতিয়াহ'লে ১০ টকা মাফ কৰি তেওঁলোকক regularise কৰি tax টো দিবলৈ দিয়ক, যাতে তেওঁলোকে পৰিয়ালটো চলাব পাৰে।

**মাননীয় উপাধ্যক্ষ ঃ** Withdraw কৰিছেনে?

**শ্ৰীকলমাক্ষ্য দে পুৰকায়স্থ ঃ** যদি নকমায়, আমি withdraw নকৰো। মন্ত্ৰী মহোদয়লৈ এটা অনুৰোধ থাকিল।

**মাননীয় উপাধ্যক্ষ ঃ** শ্ৰীআমিনুল ইছলাম ডাঙৰীয়া নাই। আপোনালোকে withdraw কৰিছেনে নে নাই? আলোচনা নালাগে। Withdrawn যদি কৰিছে, কৰিছো বুলি কওঁক, নাইকৰা যদি নাই কৰা বুলি কওঁক।

**শ্ৰী আশ্ৰাফুল ইছলাম, (চেঙা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ইমান অৰ্থনৈতিকভাৱে যদি স্বচ্ছল, তেতিয়াহ'লে non-tax revenue কোনো অৰ্থ নাই। Non-tax revenue লৈ আছে একেটা সময়তে বিভিন্ন ইউনিট সমূহত তেওঁলোকৰ টাৰ্গেট বান্ধি দিয়া হয়। সেই টাৰ্গেটতো মন্ত্ৰী মহোদয়ে যেনেধৰণে কৈছে Non tax revenew অৰ্থনৈতিক বিকাশ কৰিবলৈ ইচ্ছাই নাই। আমি কেৱল মানুহক বচাবলৈ লৈছো। যদি বচাবলৈ লৈছো মানুহৰ পকেট খালী হৈ আছে এইটো লক্ষ্য কৰিব লাগে। Charging ৰ কথা কৈছে, এইটো যদি ১০ শতাংশ কৰিছে, আৰু অলপ কম কৰিলে অসুবিধা নাই। মই ভাবো যে কৰিব পাৰে আৰু যদি সেইটো কৰে আমি আমাৰ প্ৰস্তাৱটো withdraw কৰিম। নহ'লে থাকিব।

**মাননীয় উপাধ্যক্ষ ঃ** শ্ৰীঅখিল গগৈ ডাঙৰীয়া।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)ঃ** মাননীয় উপাধক্ষ্য মহোদয়, কথা একেই কেইটা। আজি মই ৭ খন বিলত participate কৰিছো। যিমান কথা কৈছো তাৰ কোনো result নাই। এটাও কথা মই শুনা নাই।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি withdraw কৰিবনে?

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** আমাৰ যদি tax টো কমাই দিয়ে, নহয়, এখেত সকলে কৈছে

মানুহৰ বহুত কষ্ট হৈছে, তেতিয়াহ'লে আমি সকলোৱে কম যে withdraw কৰিলো। সকলো আমাৰ পৰাই ল'ব লাগে। গতিকে withdraw নকৰো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মই মাননীয় দেৱব্ৰত শইকীয়া ডাঙৰীয়া আৰু তেওঁৰ সহযোগী ১৫ গৰাকী সদস্য, মাননীয় হাফিজ বছিৰ আহমেদ আৰু তেওঁৰ সহযোগী ৭ জন সদস্য, মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়া আৰু মাননীয় সদস্য কমলাক্ষ দে পুৰকায়স্থদেৱে উত্থাপন কৰা সংশোধনী প্ৰস্তাৱটো ভোটদানৰ বাবে সদনত উত্থাপন কৰিলো।

যিসকল মাননীয় সদস্য-সদস্যা সংশোধনী প্ৰস্তাৱৰ

সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়'

মই ভাৱো 'নহয়' ৰ সপক্ষে, 'নহয়' ৰ সপক্ষে, 'নহয়' ৰ সপক্ষে।

সংশোধনী প্ৰস্তাৱটো নাকচ কৰা হ'ল।

এতিয়া মই ২ নং দফাৰ লগতে অনুসূচীখনো ভোটদানৰ বাবে সদনত দাঙি ধৰিলো।

যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়'

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

২ নং দফাৰ লগতে অনুসূচীখনো গৃহীত কৰা হ'ল।

দফা নং ১ সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়'

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

দফা নং ১ সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল।

মাননীয় পৰিবহন মন্ত্ৰী ডাঙৰীয়াক বিধেয়ক খন পাৰিত কৰিবৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মাননীয় মন্ত্ৰী, পৰিবহন ইত্যাদি ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, "দ্যা আসাম মটৰ ভেহীকলচ্ টেক্সেশ্যন এমেণ্ডমেণ্ট বিল, ২০২২" পাৰিত কৰাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মই বিধেয়কখন পাৰিত কৰাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়'

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

বিধেয়ক খন পাৰিত কৰা হ'ল।

**এতিয়া কাৰ্য্যসূচী নং-২২।**

"দ্যা আসাম লেণ্ড এণ্ড ৰেভিনিউ ৰেগুলেশ্যন (এমেণ্ডমেণ্ট) বিল, ২০২২"

মাননীয় মন্ত্ৰী যোগেন মোহনক "দ্যা আসাম লেণ্ড এণ্ড ৰেভিনিউ ৰেগুলেশ্যন (এমেণ্ডমেণ্ট) বিল, ২০২২" বিধেয়কখন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিবৰ বাবে অনুৰোধ জনালো।

**শ্ৰী যোগেন মোহন, মাননীয় মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদি ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, "দ্যা আসাম লেণ্ড এণ্ড ৰেভিনিউ ৰেগুলেশ্যন (এমেণ্ডমেণ্ট) বিল, ২০২২" দফাই দফাই

বিবেচনা কৰিবৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**माननीय উপাধ্যক্ষ** ঃ এতিয়া মই বিধেয়কখন বিবেচনাৰ বাবে লোৱা প্ৰস্তাৱটো ভোটদানৰ বাবে সদনত উত্থাপন কৰিলো। প্ৰশ্নটো হ'ল-"দ্যা আসাম লেণ্ড এণ্ড ৰেভিনিউ ৰেগুলেশ্যন (এমেণ্ডমেণ্ট) বিল, ২০২২" বিধেয়কখন বিবেচনা আৰু পাৰিত কৰণৰ প্ৰস্তাৱটো বিবেচনাৰ বাবে সদনত লোৱা হওঁক।

যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়'

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

প্ৰস্তাৱটো গৃহীত কৰা হ'ল।

এতিয়া আমি বিধেয়কখন দফাই দফাই বিবেচনা কৰিম। ২ নং দফাটো বিধেয়কৰ অংশ হ'ব। দফাটোত মাননীয় সদস্য শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, শ্ৰী অখিল গগৈৰ নামত দুটা সংশোধনী প্ৰস্তাৱ আছে। আপোনালোকে সংশোধনী প্ৰস্তাৱ দুটা উত্থাপন কৰিবনে ? যদি উত্থাপন কৰে, উত্থাপন কৰি তাৰ ওপৰত বক্তব্য দিয়ক।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, বিধায়ক (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, I beg to move the proposed clause 10(1) of the clause 2 will be substituted by the following words while donating such land. The Authority shall verify the position of the occuping if any by the third party. মাননীয় অধ্যক্ষ মহোদয়, গ্ৰামধন এক্ট, ১৯৬১ আৰু আসাম ভূ-দান এক্ট ১৯৬৫, এই এক্টৰ অধীনত আমাৰ বহুখিনি মাটি আছে। যিখিনি মাটি আমাৰ চৰকাৰে ল'ব বিচাৰিছে। উপায়ুক্তৰ জৰিয়তে মাটিখিনি ল'ব। মাটি খিনি যদি বেছি হয় বা এই এক্টৰ ভিতৰত থাকে, চৰকাৰে ল'ব ইয়াত আমাৰ ক'বলগীয়া একো নাই। কিন্তু এই দুটা এক্টৰ ভিতৰত কিমান মাটি আছে বা কেনেকৈ নিষ্পত্তি কৰিব তাত কথাটো স্পষ্ট হোৱা নাই। সেইকাৰণে আমাৰ এটা চিন্তা হৈছে যে এই মাটিখিনি দিয়াৰ পিছত মাটিখিনি কেনেকৈ ব্যৱহাৰ হ'ব ? সেই কথাটো আমি নাজানো আৰু মাটিখিনিত কিবা কেচ নাইবা কিবা জেং থাকিবও পাৰে। সেইকাৰণে মই ভাৱো যে এই মাটিখিনি লোৱাৰ আগতে যাতে ভেৰীফাই ভালকৈ হয়। লগতে মন্ত্ৰী মহোদয়ক অনুৰোধ এটা জনাইছো যে আমাৰ ডি ডি এম এৰ ষ্টাফ ফিল্ড অফিচাৰ সকলে আমাৰ তাত বানপানীৰ সময়ত এইবাৰ ভাল কাম কৰিছে। তেওঁলোকক ৰেগুলাৰাইজ আৰু দৰমহা বঢ়াব লাগে। এই কথাটো অপ্ৰাসংগিক যদিও এইবাৰ বানপানীৰ সময়ত আমি দেখিবলৈ পাইছো যে ফুল ডেমেজ আৰু আংশিক ডেমেজৰ ক্ষতিপূৰণ দিয়া হৈছে। কিন্তু মোৰ সমষ্টিৰ কেইটামান জি পিত সম্পূৰ্ণৰূপে পানীৰ তলত গৈছে। কিন্তু মাত্ৰ দহ শতাংশ মানুহে আংশিক ক্ষতিপূৰণ পাইছে। এইখিনি ভেৰীফাই কৰি যাতে পাবলগীয়া মানুহখিনি বাদ নপৰে তাৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া অখিল গগৈ ডাঙৰীয়াই কওঁক।

**শ্ৰী অখিল গগৈ, বিধায়ক (শিৱসাগৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এই খন এখন বহু গুৰুত্বপূৰ্ণ এমেণ্ডমেণ্ট। বিনোবা ভাৱে যিজনে গোটেই ভাৰতবৰ্ষত গ্ৰামদান আৰু ভূ-দানৰ এটা প্ৰখ্যাত আন্দোলন গঢ়ি তুলিছিল। সেই আন্দোলনটো অসম বিধান সভাই আজি একেবাৰে নস্যাৎ কৰিছে। এই আন্দোলনটো কিমান গুৰুত্বপূৰ্ণ আমি সকলোৱে উপলব্ধি কৰা দৰকাৰ। যিহেতু এই গোটেই বিষয়টো উত্থাপন হৈছিল, সেয়েহে আমি জানিবলৈ চেষ্টা কৰিছিলো যে অসমত আচলতে গ্ৰামদান

আৰু ভূ-দান মাটি কিমান আছে আৰু সেই মাটিখিনি কাৰ হাতত আছে? এইধৰণে যেতিয়া চাইছিলো তেতিয়া দেখিছিলো যে আচলতে অসমত যদি ভূ-দানৰ ষ্টেটিষ্টিক্স চাওঁ, তেতিয়াহ'লে অসমত ভূ-দান মাটি আছে ২৯ হাজাৰ ৮ শ ৬১ বিঘা ৪ কঠা ২.৫ লেচা। আনহাতে গ্ৰামদান মাটি আছে-১ লাখ ৯ হাজাৰ ২ শ ১১ বিঘা ২ কঠা ৪.৫ লেচা। প্ৰায় ১ লাখ ৪০ হাজাৰ বিঘা মাটি আছে। এই মাটিখিনি চাবৰ বাবে ষ্টেট ভূ-দান আৰু গ্ৰামদান বোৰ্ড নামৰ এখন বোৰ্ড আছিল। যেতিয়াই আমি এই বিলখন পাচ কৰি দিম, তেতিয়াই গ্ৰামদান আৰু ভূ-দান বোৰ্ড খনো ভাঙি যাব। ১ লাখ ৪০ হাজাৰ বিঘা মাটিৰ ওপৰতো ইয়াত কোৱা হৈছে যে চৰকাৰৰ হাতলৈ মাটিখিনি আহিব। কিন্তু যদিও চৰকাৰৰ হাতলৈ মাটি খিনি আনিব বিচাৰিছে কিন্তু সেইখিনি চৰকাৰী মাটি নহয়। এইখিনি সকলো ম্যাদী পট্টাৰ মাটি। কোনোবা এজন মানুহে সেইসময়ত বিনোবা ভাৱে ডাঙৰীয়াক গ্ৰামদান বা ভূ-দানৰ জৰিয়তে মাটি দান কৰিছিল। দান কৰাৰ পিছত যিখিনি মাটি মই অলপ আগতে কোৱা সমিতিৰ নামত আহিল। সেই মাটিখিনিত কোনোবাক থাকিব দিলে আৰু লিখা আছে যে সেই থাকিব দিয়া মাটিখিনিত খেতিহে কৰিব পাৰিব। অন্য কামত ব্যৱহাৰ কৰিলে পুনৰ চৰকাৰ বা সমিতিক ঘূৰাই দিব লাগিব। মই নাজানো অসমৰ বাহিৰত অন্য কোনো ৰাজ্যত ভূ-দানৰ মাটি কাঢ়ি চৰকাৰৰ হাতত লোৱা হৈছে নে নাই? চাৰকাৰৰ হাতত লৈ কেইদিন মান পিছত হয়তো কৰ্পোৰেটৰ হাতত দিয়া হ'ব। গতিকে এইটো কোন ৰাজ্যত কৰিছে মই নাজানো। মই ভাৱো সমগ্ৰ গান্ধীবাদী আন্দোলনৰ ওপৰত এটা অত্যন্ত গুৰুত্বপূৰ্ণ আক্ৰমণ। মই জিলাভিত্তিত যদি আপোনালোকক হিচাপ এটা দি দিওঁ, তেতিয়া আপোনালোকে দেখিব যে গুৱাহাটী চহৰত ভূ-দান মাটি কিমান আছে আৰু সেইয়া কাৰ হাতত আছে। গুৱাহাটী মহানগৰীৰ সাউকুছিৰ হকী ষ্টেডিয়ামৰ ওচৰত ৬৮ বিঘা ২ কঠা ১৪ লেচা মাটি গ্ৰাম দানৰ নামত আছে আৰু সেই একেই সাউকুছিত ৭১ বিঘা ২ কঠা ১৪ লেচা মাটি ভূ-দানৰ নামত আছে। প্ৰায় ১৪০ বিঘা মাটি গুৱাহাটী চহৰৰ ভিতৰতে আছে। উপাধ্যক্ষ মহোদয়, এই মাটিবোৰত খেতি নহয়। গতিকে, ইয়াত সংশোধনী কৰাৰ নিশ্চয় প্ৰয়োজন আছিল। কিন্তু, এই মাটিৰ ৪-৫ বিঘা মাটিত GMDA ৰ বৰ্তমানৰ অধ্যক্ষ নাৰায়ণ ডেকা ডাঙৰীয়াই দখল কৰি ডাঙৰ এপাৰ্টমেন্ট বনাইছে। আনকি, Royal Global ৰ স্বত্বাধিকাৰী শ্ৰী অশোক পাঞ্চাৰীৰ নামতো গ্ৰাম দান, ভূ-দানৰ মাটি দখলত আছে। উপাধ্যক্ষ মহোদয়, এই বিধেয়কখন সংশোধনী কৰাৰ আগত clarification ৰ দৰকাৰ আছিল।

**মাননীয় উপাধ্যক্ষঃ** অখিল গগৈ ডাঙৰীয়া, আপোনাৰ দুয়োটা দফাতে সংশোধনী আছে, আপুনি একে লগে শেষ কৰি দিয়ক।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** হয়। এই সকলোখিনি কথা আমি জনাৰ প্ৰয়োজন আছিল। এই মাটিবোৰ আচলতে কাৰ হাতলৈ যাব আৰু কি কৰিব? নাৰায়ণ ডেকাই যে এপাৰ্টমেণ্ট বনাই থৈছে, Royal Global ৰ স্বত্বাধিকাৰীয়ে যে দখল কৰি থৈছে, সেই মাটিবোৰ সঁচাকৈয়ে আমাৰ চৰকাৰৰ হাতলৈ আহিব নে? আজি অসম বিধান সভাৰ সদনত ইয়াৰ ওপৰত proceeding হৈছে। ইয়াৰ ওপৰত নিশ্চয় তদন্ত হ'ব লাগে আৰু অসমৰ ভূ-দান আৰু গ্ৰাম দানৰ মাটি চৰকাৰে ঘূৰাই অনাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। উপাধ্যক্ষ মহোদয়, এই আইন বা বিধেয়কসমূহ কিয় আহে, সেইটোও বৰ interesting . আপোনালোকে কামৰূপ (গ্ৰাম্য) জিলাত ভূ-দান আৰু গ্ৰাম দানৰ মাটি কিমান আছে জানিলে আচৰিত হ'ব। কামৰূপ (গ্ৰাম্য)ত ১২ হাজাৰ, ৬৪ বিঘা ১৫ লেচা গ্ৰাম দানৰ মাটি আৰু ২৯ হাজাৰ ৪৪১ বিঘা ভূ-দানৰ মাটি আছে। কামৰূপ (গ্ৰাম্য) ৰ এই মাটিবোৰ এতিয়া চহৰলৈ ৰূপান্তৰিত হৈছে, ক'ৰবাত ওচৰত AIIMS বনাবলৈ লৈছে।

আপোনালোকে দেখিব যে ছয়গাওঁ, মির্জা অঞ্চলত এই মাটিবোৰ আছে আৰু ই এতিয়া বহুত দামী মাটিলৈ পৰিণত হৈছে। সেয়েহে, এই বিধেয়কখন উত্থাপন কৰোতে আচলতে চৰকাৰৰ হাতত এই মূহুৰ্তত অসমৰ গ্ৰাম দান আৰু ভূ-দানৰ সৰ্বমুঠ মাটিৰ হিচাপ আছে নে নাই সুধিব বিচাৰিছো। কাৰ হাতত কিমান মাটি দখলত আছে তাৰ হিচাপে আছে নে ? সেই মাটিবোৰ আচলতে কোনোবাই হস্তক্ষেপ কৰাৰ বাবে বা কোনোবাই দখল কৰাৰ বাবে এই বিধেয়কখন অনা হৈছে নেকি ? সেয়েহে, এই বিধেয়কখনত মই তিনিটা সংশোধনী আনিছো। Section 10 A ত encumbrances বুলি যিটো শব্দ আছে, তাৰ পিছত সংশোধনী আনিছো। সংশোধনীটো হ'ল- 'and the lands which will become Govt. land can be given/ settled with individuals or landless or homeless people and can not be given to private entities, companies, corporates etc.' যদি সঁচাকৈয়ে এই বিধেয়কখন গৃহীত হ'ব লাগে,তেন্তে গ্ৰাম দান বা ভূ-দানৰ মাটি কোনো বিল্ডাৰ, কোম্পানী, কৰ্পৰেটক যাতে দিয়া নহয়। সেই মাটি ভূমিহীন মানুহকহে যাতে দিয়া হয় সেই কথাটো অন্তৰ্ভুক্ত কৰিব লাগে। দ্বিতীয় সংশোধনীটো হ'ল- Section 12 A ত্ৰে এটা বাক্য সোমাব বিচাৰিছো-and the land which will become Govt. land can be given/ settled with individual or landless or homeless people and can not be given to private entities, companies, corporates etc. এই মাটিখিনিক যদি সঁচাকৈয়ে চৰকাৰী কৰা হয়, তেন্তে এই মাটিখিনি আচলতে ভূমিহীন মানুহক দিব লাগে। তৃতীয় সংশোধনীটোত এটা কথা লিখি দিব লাগে যে- যিখিনি মানুহক এই মাটিখিনি দিয়া হ'ব, সেই মানুহখিনিয়ে মাটিখিনি কেতিয়াও বিক্ৰী কৰিব নোৱাৰিব। যাক মাটি দিয়া হ'ব তেওঁৰ পট্টাখনত সেই মাটি কোনো কাৰণতে transferable নহয় বুলি লিখি দিব লাগিব। তেওঁলোকে বংশানুক্ৰমে সেই মাটি ভোগ কৰিব পাৰিব । তেওঁলোকৰ বংশ যেতিয়া শেষ হ'ব তেতিয়া সেই মাটি আকৌ চৰকাৰক ঘূৰাই দিব লাগিব আৰু চৰকাৰে যদি সেই মাটিত কিবা কৰিব বিচাৰে তেন্তে ৰাজহুৱা স্বাৰ্থতহেসেই মাটি ব্যৱহাৰ কৰিব পাৰিব। মই ভাৰো যে আমাৰ ৰাজহ মন্ত্ৰী ডাঙৰীয়াই এই তিনিটা সংশোধনী যদি আনে তেন্তে এই আইনখন সংশোধন কৰাৰ ক্ষেত্ৰত আমাৰ বিশেষ ক'বলগীয়া নাথাকিব। আমি যদি Vinoba Bhave ৰ আন্দোলনটোক আজি বিধান সভাত নস্যাৎ কৰি দিওঁ আৰু অসম চৰকাৰে যদি এই গান্ধীবাদী আন্দোলনক ধ্বংস কৰিব বিচাৰে তেন্তে নিশ্চিতভাৱে সমগ্ৰ ভাৰতৰ বাবে সেইয়া বেয়া খবৰ হ'ব। ইতিমধ্যে Vinoba Bhave ৰ শিষ্যসকলে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়লৈ চিঠি লিখি পঠিয়াইছে। তাৰ কপি মোৰ হাতত আছে। তেখেতসকলেও এনেকৈ মাটি দিব নালাগে বুলি কৈছে। সেয়েহে, মই ৰাজহ মন্ত্ৰী ডাঙৰীয়াক এই বিধেয়কখন, যদি পাৰে, প্ৰথমে Select Committee লৈ পঠিয়াবলৈ অনুৰোধ কৰিছো যাতে এই গোটেইবোৰ কথা প্ৰথমে ঠিক হৈ লয় আৰু তাৰ পিছতহে এই বিধেয়কখনৰ ওপৰত সিদ্ধান্ত ল'ব লাগে বুলি মই ভাৱিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। ৩ নং দফাটো বিধেয়কৰ অংশ হ'ব। দফাটোত শ্ৰী দেৱব্ৰত শইকীয়া, শ্ৰী ৰকিবুল হুছেইন, শ্ৰী ৰাজেদ আলী চৌধুৰী, শ্ৰী জাকিৰ হুছেইন সিকদাৰ, শ্ৰী ভৰত চন্দ্ৰ নৰহ আৰু তেখেতৰ সহযোগী বিধায়কসকল আৰু হাফিজ বছিৰ আহমেদ, শ্ৰী আমিনুল ইছলাম, তেখেতৰ সহযোগী বিধায়কসকলক মই ৩ নং দফাৰ ওপৰত সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰি বক্তব্য ৰাখিবলৈ অনুৰোধ জনালো। অখিল গগৈ ডাঙৰীয়াই ইতিমধ্যে ক'লে।

**মোঃ আমিনুল ইছলাম (মানকাচৰ)ঃ** Assam Land and Revenue Regulation

(Amendment) Bill , 2022 ৰ আমাৰ সংশোধনীটো হ'ল- In proposed sub-clause (1) of proposed Clause 12 C of Clause 3 of the proposed Bill, the word "The Assam Gramdan Act, 1961 and the Assam Bhoodan Act, 1965'' occuring in lines 1 & 2 shall be deleted and remaining sub-clause (2) shall be re-numbered as sub-clause (1). আমি ভূ-দান আৰু গ্ৰাম দানৰ বিষয়ে আলোচনা কৰি আছো। এই ভূ-দান আৰু গ্ৰাম দান যিটো উদ্দেশ্য লৈ কৰা হৈছিল, সেইটো properly serve নহৈ যদি কোনো কোম্পানী বা ধনী ব্যক্তিৰ ব্যক্তিগত উদ্দেশ্যতহে ব্যৱহাৰ হয়, তেনেহ'লে মই ভাৱো যে আজি ইয়াক repeal কৰিলে যি সকলে মাটি দখল কৰি আছে তেওঁলোকক চাৰ্টিফিকেট দিয়া হ'ব। সেইকাৰণে আমাৰ কথাটো হ'ল The Assam Land and Revenue Regulation টো amendment হ'ব লাগে, repeal শব্দটো কাটি দিব লাগে। এইটো সম্পূৰ্ণৰূপে repeal হ'ব নালাগে। এই এক্টটো জীয়াই ৰাখি য'ত প্ৰয়োজন আছে, তাত আমি amendment কৰিব পাৰো। Repeal বুলি কৈ আইনখন একেবাৰে মাৰি পেলাব নালাগে। কাৰণ যিবিলাক মানুহে ভূমি দান বা গ্ৰাম দান কৰিছে তেখেতসকলৰ purpose টো অথলে যাব নালাগে।

**মাননীয় উপাধ্যক্ষ :** এতিয়া শ্ৰী দিগন্ত বৰ্মন।

**শ্ৰী দিগন্ত বৰ্মন, বৰক্ষেত্ৰী :** মাননীয় উপাধ্যক্ষ মহোদয়, I beg to move in proposed sub-clause(i) of proposed Clause C of Clause 3 of the proposed Bill, the word 'repeal' occuring in line 2 shall be substituted by the word 'amendment'. মাননীয় উপাধ্যক্ষ মহোদয়, ইতিমধ্যে অখিল গগৈ ডাঙৰীয়া আৰু অন্যান্য কথাবিলাক কৈয়ে গৈছে। এইটো কথা সঁচা যে মহাত্মা গান্ধীৰ ভাল follower ভাৰতৰত্ন আচাৰ্য্য 'বিনোবা ভাৱে' তেখেত এজন অতি সৎ ব্যক্তি আছিলে। তেখেতে গীতাখন মাৰাঠী ভাষালৈ অনুবাদ কৰিছিল। তেওঁ এখন আবেদন দিছিলে যে- যিবিলাক ধনী মানুহৰ বেছি মাটি আছে তেখেতসকলে সেই মাটি দুখীয়া লোক সকলক দান দিব লাগে। ভূ-দান মানে যিসকল লোকৰ বিভিন্ন বেলেগ বেলেগ ঠাইত মাটি আছে সেয়া যাতে দান কৰে, সেইটো বুজায়। গ্ৰামদান মানে অসমৰ বাহিৰত যিবিলাক জমিদাৰ আছিলে তেওঁলোকৰ এখন এখন গাঁও আছিলে। সেই গাঁওখনো তেখেতসকলে দান কৰিছিলে। এই আইনখন যদি আমি অখিল গগৈ ডাঙৰীয়াই কোৱাৰ নিচিনা নোহোৱা কৰি দিওঁ, তেতিয়া মাহাত্মা গান্ধীৰ যি আদৰ্শ সেইটো নোহোৱা হৈ যাব। সেইকাৰণে আমি এটা কথাই কৈছো যে এইটো amend কৰক repeal কৰিব নালাগে। আন এটা কথা যিটো অখিল গগৈ ডাঙৰীয়াই কৈছে যে গ্ৰামদানৰ কথাটো, এতিয়া board খন আছে নে নাই নাজানো কিন্তু ২০১৫ চনত গ্ৰামদান board খন আছিলে। বৰ্তমান কোন সভাপতি সেয়াও মই নাজানো। তেওঁলোকে কি কৰি আছে সেয়াও মই নাজানো। কিন্তু এই আইনখন অনাৰ আগতে আমাৰ ৰাজহ মন্ত্ৰী ডাঙৰীয়াই মানি লৈছে যে ১০,৮৯৭ বিঘা মাটি বেদখল হোৱা বুলি। এই কথাটো মই পেপাৰত পঢ়িছিলো। আপুনি যদি চায়, গুৱাহাটীত জালুকবাৰীৰ পৰা গনেশগুৰিলৈকে এই সমগ্ৰ অঞ্চল গ্ৰামদানৰ মাটি আছিল। তাতে বহুতে স্কুল বনাইছে, কোনোবাই পাৰ্কিং কৰিছে, কোনোবাই চিকিৎসালয় বনাইছে আৰু দুই এখন পাৰ্কো বনাইছে। কিন্তু যিটো আদৰ্শ লৈ আগতে এই মাটিবিলাক দান দিছিলে, তাত যিখিনি মানুহে বেদখল কৰি আছিলে তেখেতসকলক চৰকাৰে eviction কৰিব নে নাই? সেইটোৰ এটা specific উত্তৰ আমি

মন্ত্ৰী মহোদয়ৰ পৰা পাব লাগিব। এনেকুৱা মাটি অসমত বহুত আছে। মই এইটো ক'ব বিচৰা নাই যে গ্ৰামদান বোৰ্ডে কাম কৰা নাই। যদি তথ্যবিলাক আমি চাওঁ এটা সময়ত লক্ষিমপুৰ, শোনিতপুৰ, দৰং, যোৰহাট, কামৰূপ, বৰপেটা, ধুবুৰী, নগাঁও আদিত গ্ৰামদানৰ মাটি আছিল। কামৰূপত প্ৰায় ৭৫ জন দাতাই ৪৭৬ জন মানুহক মাটি দান দিছিলে। সেইকাৰণে কৈছো আপোনালোকে এটা চিন্তা কৰক যে যি কাৰণে ১৯৫১ চনত এই গ্ৰামদান, ভূ-দান আন্দোলন কৰিছিলে তেওঁৰ আদৰ্শৰ প্ৰতি সন্মান ৰাখি যিখন আইন আজি চৰকাৰে repeal কৰিব বিচাৰিছে, তাৰবাবে মই মাননীয় মন্ত্ৰী মহোদয়ক আহ্বান জনাম যাতে তেখেতসকলে এই আইনখন repeal নকৰি প্ৰয়োজন সাপেক্ষে amend কৰক। কিন্তু একেবাৰে নস্যাৎ কৰি দিয়াটো নহ'ব।

মই আৰু এটা কথা ক'ব বিচাৰিছো যে WAKF property ৰ নিচিনা এই মাটিখিনি select কৰক। গোটেই অসমত কিমান এনেকুৱা মাটি আছে সেইটো চাওঁক। আমি মন্ত্ৰী মহোদয়ক এইটো কৈছো যে গুৱাহাটীত গ্ৰামদান আৰু ভূ-দানৰ যথেষ্ট মূল্যবান মাটি আছে। এইখিনি আপোনালোকে ঠিক কৰি লওঁক। তেনেকুৱা মাটি পালে চৰকাৰে amend কৰি লৈ লওঁক। সেইখিনিত চৰকাৰে কিবা ভাল অনুষ্ঠান গঢ়িব পাৰিব। গতিকে তাৰবাবে মন্ত্ৰী মহোদয়ে সমগ্ৰ অসমৰ DC সমূহৰ পৰা ৰিপোৰ্ট বিচাৰক যে সেই সমূহত কিমান গ্ৰামদান, ভূ-দানৰ মাটি আছে আৰু ক'ত ক'ত আছে। তাৰ পাছত এই আইনখন সংশোধন কৰাৰ চিন্তা কৰিব লাগে। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী মহোদয়।

**শ্ৰী যোগেন মহন, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই এই আইনখন repealing সন্দৰ্ভত সন্মানীয় সদস্য শ্ৰী অখিল গগৈ, শ্ৰী দিগন্ত বৰ্মন, শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াক অংশ গ্ৰহণ কৰাৰ বাবে ধন্যবাদ জনাইছো। ১৯৫১ চনত আচাৰ্য্য বিনোৱা ভাৱে মহাত্মা গান্ধীৰ যি 'সৰ্বোদয় আন্দোলন' আৰু গ্ৰাম স্বৰাজৰ দ্বাৰা অনুপ্ৰাণিত হৈ যি ভূ-দান বা ভূমি উপহাৰ আন্দোলন ভাৰতবৰ্ষত আৰম্ভ কৰিছিল আৰু অসমতো ইয়াৰ প্ৰভাৱ পৰিছিল। এই ভূ-দান আৰু গ্ৰামদান আন্দোলনৰ তথ্য ইতিমধ্যে প্ৰকাশ হৈছে যে আমাৰ হাতত ১,৩৯,০৭২ বিঘা আছিল। এই ১,৩৯,০৭২ বিঘা মাটি বিনোৱা ভাৱেই যি উদ্দেশ্য লৈ জমিদাৰ সকলৰ পৰা দান লৈ যি চিন্তা কৰিছিল সেই চিন্তাটো আজিৰ তাৰিখলৈকে ফলৱতী হোৱা নাই আৰু সেই চিন্তাটোক প্ৰতিফলন কৰিবৰ কাৰণে আমি এই আইনখন repeal কৰিব বিচাৰিছো। আজি এই আইনখনৰ অধীনত দুখীয়া দৰিদ্ৰ মানুহক ১,৩৯,০৭২ বিঘা মাটিৰ ভিতৰত মাত্ৰ ২৮৫ বিঘা মাটি এই ভূ-দান আৰু গ্ৰামদান বোৰ্ডে বিতৰণ কৰিব পাৰিছে আৰু ইয়াৰে প্ৰায় ১০,৮৯০ বিঘা মাটি বেদখল হৈছে। এই বেদখল যদি ৰোধ কৰিব লাগে আৰু অতি দুখীয়া মানুহক যদি মাটিখিনি যদি দিব লাগে, তেতিয়াহ'লে মাটিখিনি নিশ্চয় চৰকাৰৰ হাতলৈ আহিব লাগিব আৰু আমি জানো যে DC হ'ল real custodian of land. DC ৰ হাতত থাকিলেহে মাটি সুৰক্ষিত হৈ থাকিব। এই যিবিলাক মাটি বেদখল হৈ আছে সেইবিলাক আমাৰ Government Machinery ৰ যোগেদিহে বেদখলমুক্ত কৰিব পাৰিম। এই ভূ-দান বোৰ্ডৰ এইক্ষেত্ৰত পাৱাৰ নাই। এই বোৰ্ডে এই মাটিখিনিক সুৰক্ষিত কৰি ৰাখিব পৰা নাই। যেতিয়া এই ভূ-দান, গ্ৰামদান এক্টখন repeal হৈ যাব তেতিয়া এই মাটিখিনি চৰকাৰৰ হাতত আহি যাব। আপোনালোকে জানে যে ২০১৯ ৰ এটা লেণ্ড পলিচি আছে । সেই পলিচিমতে ভূমিহীন দুখীয়া দৰিদ্ৰ যিখিনি এলিজিবল্ আছে তেওঁলোকে পাব । ১৯৮৬ চনৰ আইনখনতো লিখাই আছে যে, লেণ্ড হোল্ডাৰসকলৰ এটা অধিকাৰ থাকে। সেইটো হ'ল পাৰ্মানেন্ট নেচাৰ ,হেৰিটেবল্ ৰাইট এণ্ড ট্ৰেন্সফৰ্ৰেবল্ পায় লিজ হওঁক বা বিক্ৰী বা দান এই তিনিটা অধিকাৰ

পাই যায় । এই আইনখনৰ অধীনলৈ যাব । ১৮৮৬ চনৰ আইনৰ লগতে এখন লেণ্ড পলিচিও আছে । ২০১৯ চনৰ লেণ্ড পলিচি মতে আমি যেনেকৈ এতিয়া দুখীয়া দৰিদ্ৰক মাটি দি আছো, চৰকাৰী মাটি আমাৰ হাতত অহাৰ লগে লগে চৰকাৰে বিভিন্ন ধৰনৰ পলিচিমতে ক'ত কেনেকৈ ব্যবহাৰ কৰিব পাৰে কৰিব পাৰিব। গতিকে মই ভাবো যে এই ক্ষেত্ৰত সন্মানীয় বিধায়ক সকলে যি বিৰোধিতা কৰিছে তাৰ পৰিৱৰ্ত্তে তেখেতসকলে সমৰ্থন জনাব লাগে আৰু আমি এই বিনোৱা ভাবেৰ আদৰ্শৰে যি আন্দোলনৰ ফলশ্ৰুতি হ'ল ১ লা খ ৩৯ হাজাৰ বিঘা মাটি আমাৰ হাতত আছে । এই মাটিখিনি আমি সদ্ ব্যৱহাৰ কৰিব লাগিব । আমাৰ দেশৰ ১৮৮৬ চনৰ লেণ্ড ৰেভিনিউ ৰেগুলেশ্যন এক্ট আৰু ২০১৯ ৰ লেণ্ড পলিচি এই দুয়োখনক লৈয়ে আমি এই কামখিনি আগবঢ়াই লৈ যাম । অখিল গগৈ ডাঙৰীয়াই এটা কথা কৈছে যে, মাটি বিক্ৰি কৰিব নোৱাৰিব। এইটোতো আমাৰ লেণ্ড পলিচিত আছেই । আমি চেটেলমেন্ট দিয়াৰ পিছত ১৫ বছৰলৈ মাটি বিক্ৰি কৰিব নোৱাৰিব । আমি কাৰোবাক মাটি এডোখৰ যিটো কামত এলোটমেন্ট দিম সেইটো যদি ব্যক্তিজনে ৩ বছৰলৈ ব্যৱহাৰ নকৰে তেন্তে সেই মাটিখিনি আকৌ চৰকাৰৰ হাতলৈ গুছি যাব, গতিকে এইবিলাকো আমাৰ লেণ্ড পলিচিত আছে । গতিকে ভয় খাব নালাগে যে চৰকাৰে কোনোবা ইণ্ডাষ্ট্ৰীয়েলিষ্টক দিব বা আন কামত দিব । কিন্তু এইটো হয় যে, কৰবাত কৰবাত অনুষ্ঠান হওক বা ইনকাম জেনেৰেটিং স্কীম হওঁক, এই বিলাকত মাটিবিলাক ব্যৱহাৰ কৰিবলৈ লেণ্ডপলিচিত যেনেকৈ দিয়া আছে সেইমতে ব্যৱহাৰ হ'ব । আমাৰ দুখন ভূমি আইনমতে চলি আছে । ষ্ট্ৰং আইন । গতিকে মই ভাবো যে আমাৰ সন্মানীয় বিৰোধী বিধায়কসকলে কোনো ধৰণৰ শংকা আনিব নালাগে যে, চৰকাৰে কিবা বেলেগধৰনে ভূদান-গ্ৰামদানৰ ১ লাখ ৪৫ হাজাৰ ভূমিবিলাক বেলেগধৰনে ব্যৱহাৰ কৰিব বা আইনখনে সমাজত বেলেগধৰণে সমাজত এফেক্ট কৰিব । মাটিখিনি আমি সুৰক্ষিত কৰিম। কোনোবাই যদি মাটি দখল কৰিও আছে এই খিনি চৰকাৰৰ হাতত আহিলে এভিকশ্যন কৰিবলৈ সুবিধা হ'ব । দুখীয়া বা দৰিদ্ৰসকলক দিয়া বাবে বিনোৱা ভাৱেই যিটো ভাবিছিল যে জমিদাৰী সকলৰ অধিক বেছি মাটি গ্ৰাম দান বা ভূ দান প্ৰক্ৰিয়াৰে লৈ এই দুখীয়া দৰিদ্ৰ মানুহক দিব লাগে, সেইখিনি কাম এইখন চৰকাৰৰ দিনতো হৈ আছে । আপোনালোকে দেখিছে যে বহুতো ভূমিহীন মানুহক আমি মাটি দি আছো । গুৱাহাটীত যেনেধৰনে ১ কঠা ৫ লেচা আৰু বাকী চহৰ বিলাকত এক কঠা দহ লেচাকৈ দি আছো। ঠিক তেনেদৰে গাওঁত যদি পাবলৈ হয় তেন্তে ছয় বিঘা মাটি খেতিৰ কাৰণে আৰু এক বিঘা মাটি ঘৰ বাৰীৰ কাৰণে দিয়া হয়। আমাৰ এনেধৰনে ২০১৯ চনৰ পলিচিমতে এইখিনি চলি আছে । গতিকে এইখিনি আপোনালোকে সমৰ্থন জনাব লাগে । পৰৱৰ্ত্তী সময়ত লেণ্ড ৰেভিনিউৰ যোগেদি চৰকাৰক এই কামখিনি কৰিবলৈ সুবিধা দিব বুলি মই আশা ৰাখিছো । গতিকে আটাইকেইজন সন্মানীয় বিধায়ক বিষয়টো বিবেচনা কৰি মই প্ৰস্তাৱটো উঠাই ল'বলৈ অনুৰোধ কৰিছো । -- ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মই দেবব্ৰত শইকীয়া ডাঙৰীয়া আৰু তেখেতৰ সহযোগী বিধায়কসকল, হাফিছ বছিৰ আহমেদ ডাঙৰীয়া আৰু তেখেতৰ সহযোগী বিধায়কসকল আৰু অখিল গগৈ ডাঙৰীয়া, আপোনালোকে সংশোধনী প্ৰস্তাৱটো উঠাই ল'বনে ?

**শ্ৰীকমলাক্ষ দে' পুৰকায়স্থ , (উত্তৰ কৰিমগঞ্জ) ঃ** উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে বহু কথা ক'লে যে- ভূমি হীন মানুহক ভূমি দিয়া হ'ব । তেখেতে লেণ্ড পলিচিৰ কথাও ক'লে, গতিকে মই এটা কথা কওঁ যে, গ্ৰামদান আইন ১৯৬১ চন আৰু ভূদান আইন ১৯৬৫ চনৰ । আপোনালোকে যদি ভূমিহীন দুখীয়া মানুহক মাটি দিব বিচাৰিছে তেন্তে বিল দুখন ৰিপিল নকৰি এমেণ্ডমেন্ট কৰি মাটিবিলাক দিয়ক , ক্লিয়াৰ হৈ যায় । এই মাটিখিনি চৰকাৰৰ হাতলৈ যাব, আকৌ চৰকাৰে ভূমিহীন

মানুহক দিব , তাতকৈ এমেণ্ড কৰক এক্ট দুখন। মন্ত্ৰী মহোদয়ৰ উত্তৰত আমি সন্তুষ্ট হোৱা নাই, গতিকে আমি উইড্ৰ' নকৰো ।

**শ্ৰীআমিনুল ইছলাম, (মানকাছাৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে যিখিনি বক্তব্য দিলে যে This the illegal captured of the Land আৰু এই ভূদান আৰু গ্ৰামদানৰ যিখন কমিটি বা বোৰ্ড সেইখন এফেক্টিভ নহয় । যদিহে বোৰ্ডখন এফেক্টিভ নহয় তেনেহ'লে সেই বোৰ্ডখনক

আমি এমেণ্ড কৰি এফেক্টিভ বনাব লাগে । এইটো কাৰণে আমাৰ আচাম লেণ্ড ৰেগুলেশ্যন এক্ট ১৮৮৬ আছে। এতিয়া নতুনকৈ আপোনালোকে আকৌ- ২০১৯ চনৰ লেণ্ড পলিচি কথা কৈছে । এফালে কৈছে ছয় বিঘাকৈ মাটি দিব আৰু এফালে কৈ আছে এক বিঘাকৈ ঘৰ-বাৰী কৰিবলৈ মাটি দিব । কিন্তু আমি বাস্তৱক্ষেত্ৰত দেখিচো অসমৰ নাগৰিক সকল উচ্ছেদ হৈ আছে । নতুন নতুন নোটিছ গৈ আছে । ভূদান আৰু গ্ৰামদান কৰা শ - হাজাৰ বিঘা মাটি আছে, কিন্তু সেই মাটিবিলাক চৰকাৰৰ অধীনতো নাই বা যিসকলৰ আছিল তেওলোকৰ অধীনতো নাই । লাহে লাহে এই মাটিবিলাক বহু জাতিক কোম্পানীবিলাকৰ হাতত গৈ আছে । চৰকাৰে সেইবিলাকৰ কোনোধৰণৰ ব্যৱস্থা নোলোৱাকৈ কোনো ৰেগুলেশ্যন নোহোৱাকৈ এই এক্টখনকে ৰিপিল কৰিব ওলাইছে । ধৰিলো এক্টখন ৰিপিল হৈ গ'ল, কিন্তু মাটিখিনি কি হ'ব । চৰকাৰৰ হাতত যাবগৈ । মই নাম নকওঁ - যিবিলাকে দখল কৰি আছে সেইবিলাকে পাবলিক ইউটিলিটিৰ কাৰেণে ব্যৱহাৰ হোৱা নাই । সেই মাটিখিনি কেনেকৈ ঘুৰাই আনিব তাৰ ৰেগুলেশ্যনটো ক'ত আছে । ২০১৯ চনৰ লেণ্ড পলিচিত এই কথাটো নাই । য'ত য'ত ভূদান- গ্ৰামদান কৰা হৈছে সেই মাটিখিনি চৰকাৰে এভিকশ্যন কৰি নিজৰ হাতলৈ আনিব, এনেকুৱা কোনো কথা লেণ্ড পলিচিত নাই । ২০১৯ চনৰ লেণ্ড পিলিচিত নতুন নতুন কথা সোমাই দি খিলঞ্জীয়া ৰ মাজত বিভাজন সৃষ্টি কৰিছে । মাটিৰ অধকাৰ কোনে পাব বা নপাব ৪৭ ঠাইত ইণ্ডিজেনাচ চিটিজেন শব্দটো ব্যৱহাৰ কৰা হৈছে । কিন্তু ইয়াৰ জৰিয়তে খিলঞ্জীয়াৰ ডেফিনেশ্যনটোকে ঠিক কৰিব পৰা নাই । অসম সাহিত্য সভাই কৰিব পৰা নাই , আছুয়ে কৰিব পৰা নাই, বিধান সভাই কৰিব পৰা নাই, পাৰ্লিয়ামেন্টও কৰিব পৰা নাই । মন্ত্ৰী মহোদয়ে কৈছে যে, লেণ্ড পলিচি ২০১৯ জৰিয়তে এই বিষয়টো চেটেল কৰা হ'ব, ২০১৯ লেণ্ড পলিচিৰ আগতে আসাম লেণ্ড ৰেগুলেশ্যন এক্ট ১৮৮৬ আছে । তাতে কি প্ৰব্লেম হ'ল যে, ২০১৯ আনি নতুনকৈ দিয়া হ'ল কিন্তু ২০১৯ পলিচি টো মানি থকা নাই। তাতে কোৱা হৈছে যিখিনি ভূমিহীন মানুহ আছে, ছয় বিঘা খেতিৰ মাটি, আৰু ১ বিঘা ঘৰ-বাৰীৰ কাৰণে ৭ বিঘাকৈ মাটি দিয়া হ'ব। আমি দেখিছো লেণ্ডলেছ জৰিপ নকৰাকৈ এফালৰ পৰা উচ্ছেদ কৰি থকা হৈছে , ইয়াৰ উদাহৰণ বহুত আছে । ধন্যবাদ ।

**শ্ৰীযোগেন মোহন, (ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা) ঃ** ভূদান বা গ্ৰামদানৰ মাটি যদি কোনোবাই দখল কৰি আছে আৰু তেওঁলোক যদি ইল্লিজিবল হয়, তেন্তে তেওলোকে পাব।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ , অখিল গগৈ ডাঙৰীয়া আপোনাৰ এমেণ্ডমেন্ট উই ড্ৰ' কৰিবনে ?

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** আচলতে মই এটা বিষয় ৰিপিট কৰিব খুজিছো । মই এইটোকে ক'ব বিচাৰিছো যে, আজি যদি সঁচাকৈয়ে এক্টখন ৰিপিল হৈ যায় তেন্তে গোটেই ভাৰতবৰ্ষত আমাৰ এটা ডাঙৰ বদনাম হ'ব। । গান্ধীবাদী আন্দোলটো বিৰোধিতা কৰা হ'ব । গতিকে মই দফাটো উই ড্ৰ' নকৰো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া দফা নং- ২ আৰু দফা নং- ৩ যিহেতু উইড্ৰ' কৰা নাই মই দফা দুটা ভোটদানৰ বাবে সদনত উত্থাপন কৰিলো । যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেতসকলে কওক 'হয়' আৰু যিসকল মাননীয় সদস্য- সদস্যা বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়' । মই ভাবো 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে এই সংশোধনী প্ৰস্তাৱ দুটা নাকচ কৰা হ'ল । ২ নং আৰু ৩ নং দফা ভোট দানৰ বাবে সদনত উত্থাপন কৰিলোঁ যি সকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে তেখেত সকলে কওক হয়, যি সকল মাননীয় সদস্য-সদস্যা বিপক্ষে আছে তেখেত সকলে কওক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ২ নং আৰু ৩ নং দফা গৃহীত কৰা হ'ল। দফা নং ১ সংক্ষিপ্ত নাম, পৰিষৰ আৰু আৰম্ভণ বিধেয়ক খনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে তেখেত সকলে কওক হয়, যি সকল মাননীয় সদস্য-সদস্যা বিপক্ষে আছে তেখেত সকলে কওক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে দফা নং ১ সংক্ষিপ্ত নাম পৰিষৰ আৰু আৰম্ভণ বিধেয়ক খনৰ অংশ হ'ল। এতিয়া মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰীয়ে বিধেয়ক খন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিব।

**শ্ৰীযোগেন মহন, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, "The Assam Land and Revenue Regulation (Amendment) Bill 2022" পাৰিত কৰাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিলোঁ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মই বিধেয়ক খন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়ালোঁ। যি সকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে তেখেত সকলে কওক হয়, যি সকল মাননীয় সদস্য-সদস্যা বিপক্ষে আছে তেখেত সকলে কওক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়ক খন পাৰিত হ'ল।

এতিয়া মাননীয় ৰাজহ মন্ত্ৰী মহোদয়ে The Assam Ordinance No. 3 of 2022 the fixation of Ceiling of Land holding Amendment ordinance 2002 সদনত দাখিল কৰিব।

**শ্ৰীযোগেন মহন, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, I beg to lay The Assam Ordinance No. 3 of 2022.

**Hon'ble Deputy Speaker :** The House adjourned till 9.30 A.M on 19-09-2022.